# সুদক্ষিণা

পঞ্চবিংশতিতম সংখ্যা, ২০১৭ ইং চন

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা





23

সম্পাদিকা ঃ প্ৰিয়ংকা দাস

D.K. GIRLS' COLLEGE LIBRARY
MIRZA
Class No.............................
Book No.............................
Acc. No.............................

## সুদক্ষিণা সম্পাদনা সমিতি



বহি বাওঁফালৰ পৰা : দীপান্বিতা দাস (উপ-সভানেত্ৰী), ড° মিতালী কাঠকটীয়া, ড° ৰঞ্জন ভূঞা (উপাধ্যক্ষ), ড° গজেন্দ্ৰ অধিকাৰী (অধ্যক্ষ), যমুনা মালী, ড° জাহ্নবী দেৱী।
থিয় হৈ বাওঁফালৰ পৰা : স্মৃতি কলিতা, পূজা বাল্মিকী, মালতী সাহা, প্ৰিয়ংকা দাস, চেমিমা বেগম, সাবিত্ৰী সাহা।

## মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ তথা তত্ত্বাৱধায়ক-তত্ত্বাৱধায়িকাৰ সৈতে ছাত্ৰী একতা সভাৰ সদস্যসকল



বহি বাওঁফালৰ পৰা : দীপান্বিতা দাস (উপ-সভানেত্ৰী), ড° মিতালী কাঠকটীয়া, ড° হৰেণ কলিতা, ড° ৰঞ্জন ভূঞা (উপাধ্যক্ষ), ড° গজেন্দ্ৰ অধিকাৰী (অধ্যক্ষ), যমুনা মালী, ড° নিবেদিতা দেৱী, মালতী সাহা (সাধাৰণ সম্পাদিকা), ড° জগন্নাথ বৰ্মন, হবিবুৰ ৰহমান।
থিয় হৈ বাওঁফালৰ পৰা : ৰেচমা বেগম, নুৰজাহান বেগম, কাকলি কুমাৰী, প্ৰিয়ংকা দাস, প্ৰণীতা কলিতা, কমলা বেগম।

NOT FOR ISSUE
LIBRARY COPY

# সুদক্ষিণা

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰকাশন

পঞ্চবিংশতিতম সংখ্যা, ২০১৭ ইং

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

প্ৰীতি আৰু শ্ৰদ্ধাৰে—

____________________

____________________

তত্ত্বাৱধায়িকা :
অধ্যাপিকা যমুনা মালী

সম্পাদিকা :
প্ৰিয়ংকা দাস

# "সুদক্ষিণা' সম্পাদনা সমিতি

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° গজেন্দ্ৰ অধিকাৰী, *অধ্যক্ষ* |
| উপ-সভাপতি | ঃ | ড° ৰঞ্জন ভূঞা, *উপাধ্যক্ষ* |
| তত্বাৱধায়িকা | ঃ | অধ্যাপিকা যমুনা মালী |
| সম্পাদিকা | ঃ | প্ৰিয়ংকা দাস |
| শিক্ষক সদস্য | ঃ | ড° জাহ্নৱী দেৱী |
| | | ড° মিতালী কাঠকটীয়া |
| ছাত্ৰী সদস্যা | ঃ | দীপান্বিতা দাস |
| | | মালতী সাহা |
| | | স্মৃতি কলিতা |
| | | পূজা বাল্মিকী |
| | | চেমিমা বেগম |
| | | সাবিত্ৰী সাহা |


| | | |
|---|---|---|
| স্কেচ | ঃ | স্মৃতি কলিতা, প্ৰাণজিৎ শৰ্মা, প্ৰিয়ংকা দাস |
| বিশেষ কৃতজ্ঞতা | ঃ | অযোধ্যাৰাম অধিকাৰী, পূজা বাল্মিকী |
| বেটুপাত পৰিকল্পনা | ঃ | অধ্যাপিকা যমুনা মালী |
| মুদ্ৰক | ঃ | চাৰু প্ৰকাশন |
| | | উপৰহালী - ৭৮১১২২ |


# শ্ৰদ্ধাঞ্জলি



**প্ৰয়াত অৰুণ শৰ্মা**

জন্ম ঃ ১৯৩১ ইং চন
মৃত্যু ঃ ১২ মে', ২০১৭ ইং চন

আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে হেৰাই যোৱা বিশিষ্ট নাট্যকাৰ, সাহিত্যিক
অৰুণ শৰ্মা দেৱৰ লগতে জ্ঞাত-অজ্ঞাত সকললৈ
'সুদক্ষিণা'ৰ জৰিয়তে মহাবিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা
'শ্ৰদ্ধাঞ্জলি'
জ্ঞাপন কৰিলোঁ।

সম্পাদনা সমিতি—
'সুদক্ষিণা'

# তত্ত্বাৱধায়িকাৰ কলম

২০১৬-১৭ ইং শিক্ষাবৰ্ষৰ সাহিত্য আৰু আলোচনী বিভাগৰ তত্ত্বাৱধায়িকাৰ দায়িত্ব পালনৰ সুযোগ দিয়া বাবে প্ৰথমে অধ্যক্ষ মহাশয়লৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বিগত বছৰটোত সাহিত্য আৰু আলোচনী বিভাগৰ তত্ত্বাৱধায়িকাৰ দায়িত্ব পালনত উপাধ্যক্ষ, অধ্যাপক, অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰীসকলে আগবঢ়োৱা সহায় সহযোগিতাৰ বাবে তেখেতসকলৰ প্ৰতিও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰী সকলৰ সৃষ্টিশীল প্ৰতিভা বিকাশৰ বাবে বিভিন্ন আলোচনী, প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰাৰ লগতে বিভিন্ন প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। এখন অনুষ্ঠানৰ লগত জড়িত বিভিন্ন ব্যক্তিৰ ৰুচি অভিৰুচি আদৰ্শ, চিন্তা-চৰ্চা তথা বিশ্বাস আৰু জ্ঞানৰ লগত পৰিচয় কৰি দিয়াত আলোচনী সমূহৰ তাৎপৰ্য্য তথা ভূমিকা অনস্বীকাৰ্য্য। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত বছৰেকীয়া মুখপত্ৰ সুদক্ষিণা প্ৰকাশ কৰাৰ লগতে প্ৰাচীৰ পত্ৰিকা আৰু সাহিত্য বিষয়ক নানান প্ৰতিযোগিতা অনুস্থিত কৰা হয়।

শিক্ষাবৰ্ষৰ আৰম্ভণিৰে পৰা প্ৰাচীৰ পত্ৰিকা 'হাৰাঘাট'ৰ দুটি সংখ্যা 'জোনাকী'ৰ এটি সংখ্যা, হাতেলিখা 'নীহাৰিকা' আৰু শিক্ষক কৰ্মচাৰীৰ প্ৰাচীৰ পত্ৰিকা 'শ্ৰীপঞ্চমী'ৰ লগতে 'শ্ৰীপঞ্চমী'ৰ ছপাশলীয়া সংস্কৰণ সময়মতে প্ৰকাশ কৰিবলৈ সমৰ্থ হৈ আমি অতি আনন্দিত। সম্পাদিকা প্ৰিয়ংকা দাসৰ সক্ৰিয় সহযোগিতাতহে এয়া সম্ভৱ হৈ উঠিছে।

মহাবিদ্যালয় সপ্তাহত সাহিত্য আৰু আলোচনী বিভাগৰ অন্তৰ্গত সাহিত্যৰ বিভিন্ন বিভাগৰ প্ৰতিযোগিতা অনুস্থিত কৰা হয়। উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ পৰা স্নাতকোত্তৰ শ্ৰেণীলৈ দুটা শাখাত বিভক্ত কৰি এই প্ৰতিযোগিতা সমূহ পতা হয়। অইন বেলিৰ তুলনাত এই বছৰৰ সৰ্বাধিক প্ৰতিযোগীৰ অংশগ্ৰহণে আমাক আপ্লুত কৰি তুলিছে। আশা ৰাখিছো ছাত্ৰীসকলে পিছলৈও এইদৰে অংশগ্ৰহণ কৰি নিজৰ প্ৰতিভা বিকশিত কৰিব।

এইবেলি বছৰেকীয়া 'সুদক্ষিণা' অধ্যক্ষ মহোদয়ৰ নিৰ্দেশ মতে অতি কম সময়ৰ ভিতৰতে সজাই তুলিব লগা হৈছে। অইনবাৰৰ দৰে এইবাৰৰ সুদক্ষিণাতো ছাত্ৰী তথা মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰীৰ ভিন্নৰঙী সাহিত্য প্ৰতিভা আৰু মহাবিদ্যালয়ৰ বিভিন্ন খবৰ আদিৰ জৰিয়তে সজাই পৰাই তোলাৰ প্ৰয়াস কৰা হৈছে। সাহিত্য আৰু আলোচনী বিভাগৰ তত্ত্বাৱধায়িকা হিচাপে আমি এই বিভাগটোৰ সকলোখিনি দায়িত্ব সুপৰিকল্পিত আৰু মনোগ্ৰাহী ৰূপত সম্পাদন কৰাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰা হৈছে। তাকে কৰিবলৈ যাওঁতে অজানিতে বা অনাকাংক্ষিতভাৱে কৰা ভুল-ক্ৰটিৰ বাবে ক্ষমা বিচাৰিছো।

সুদক্ষিণা সম্পাদনাৰ ক্ষেত্ৰত প্ৰয়োজনীয় দিহা পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী, উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা, সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীবৃন্দ আৰু সম্পাদনা সমিতিৰ সমূহ সদস্যকে ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যাপিকা শেৱালি মেধি, নীলাক্ষি মেধি আৰু প্ৰাণজিৎ শৰ্মাই আমাক যিদৰে সহায় সহযোগিতা আগবঢ়াইছে তাৰ বাবে আমি তেওঁলোকক আন্তৰিক কৃতজ্ঞতা জনালোঁ।

'সুদক্ষিণা'ক সময়মতে সুন্দৰকৈ প্ৰকাশ কৰি উলিওৱাৰ বাবে চাৰু প্ৰকাশনৰ সমূহ কৰ্মচাৰীলৈ ইয়াৰ জৰিয়তে ধন্যবাদ তথা শলাগ যাচিছো। আগলৈ 'সুদক্ষিণা' অধিক আকৰ্ষণীয় আৰু উন্নত ৰূপত সৃষ্টি হোৱাৰ কামনা কৰিলোঁ।

'জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'।

*ধন্যবাদেৰে-*

**অধ্যাপিকা যমুনা মালী**

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা
১২ আগষ্ট, ২০১৭ ইং


গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Dr. Mridul Hazarika**
Vice Chancellor
Phone : +91 361-2570412 (O); 2570408 (R)
Fax : +91-361-2675515
E-mail ID : vc@gauhati.ac.in
hazarika50@gmail.com




# MESSAGE

I am happy to learn that Dakshin Kamrup Girls' College, Mirza is going to publish its annual college Magazine very soon. College Magazine is a strong medium for the constituent members of a college for an intellectual exercise. It carries sentiments, emotions, creativity and objectivity to integrate into a totality of views of a community at a given time. It also provides scope for manifestation of hidden talents in the college. Contributors to the magazine, I am sure, have made a good exercise to uphold the values of the college through their creativity.

I wish all success in their mission and hope the Magazine will be well accepted by the readers.

Date : 01.08.2017

(Mridul Hazarika)


Address : Gopinath Bardoloi Nagar
Jalukbari, Guwahati,
Assam 781014

Phone : 0361 257 0412

Web www.gauhati.ac.in

*Mr. Pranab Kalita, M. Sc.*
MLA, Palasbari Constituency

सत्यमेव जयते

94350-44188 (M)
E-mail : pranabkalitarng9898@gmail.com

Ref. ...............

Date : 10/8/2017



## শুভেচ্ছাবাণী

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ মুখপত্ৰ সুদক্ষিণালৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

এখন মুখপত্ৰৰ লিখনিয়ে এটা জাতিৰ দ্ৰুতপৰিৱৰ্তন তথা অগ্ৰগতিত যথেষ্ট অৰিহণা যোগায়।

এই লিখনিৰ প্ৰতিটো শব্দই সামাজিক পৰিৱৰ্তন তথা বিশ্লেষণৰ মূল আহিলা হওঁক। তাৰেই কামনাৰে—

ধন্যবাদেৰে-

(স্বাক্ষৰ)

প্ৰণৱ কলিতা
বিধায়ক, পলাশবাৰী সমষ্টি

# সূ চী প ত্ৰ



❑ সম্পাদকীয়
❑ অধ্যক্ষৰ টোকা
❑ প্ৰবন্ধ —
- কেচাইডুবি শ্যামৰায় সত্ৰ ঃ এটি চমু আলোচনা ✍ অন্তৰা অধিকাৰী/১
- নাৰী তুমি অনন্যা ✍ চন্দ্ৰামিকা দাস/৩
- শংকৰদেৱ চৰ্চাৰ আধুনিক পাতনি ✍ ড° নৱকান্ত অধিকাৰী/৫
- STUDENT'S INDISCIPLINE ✍ Puja Balmiki/৬
- GST : এক আধুনিক কৰ সংস্কৰণ ✍ জিনু দাস/৭
- অসমীয়া খাদ্যত সমন্বয়ৰ সেঁতু ✍ পূৰ্ণিমা দেৱী/৯
- জলবায়ু পৰিৱৰ্তন আৰু পৰিৱেশীয় অৰ্থনীতি ✍ ড° নিবেদিতা দেৱী/১১
- শিক্ষাৰ তৃতীয় পন্থা ✍ উপসনা দেৱী/১৩
- মাৰ্ক্সবাদ ঃ এটি আলোচনা ✍ কমী দাস/১৪
- ভাস্কৰ বৰ্মন ✍ প্ৰিয়ংকা দাস/১৬
- ভগৱদ্ গীতা ✍ মৌচুমী হীড়া/১৭
- ৰামায়ণৰ খণ্ড সমূহৰ পৰিচয় ✍ ৰাখী মালী/১৮
- কুৰুক্ষেত্ৰ, স্বৰ্ণ মন্দিৰ আৰু মা বৈষ্ণ দেৱীৰ দৰ্শন (ভ্ৰমণ কাহিনী) ✍ নিৰল শৰ্মা/১৯
- কলেজ পগলা মোৰ ভকতৰ কথাৰে ✍ যমুনা মালী/২৩
- বন্ধুত্বৰ এনাজৰী ✍ চন্দ্ৰানী কলিতা/২৫
- কলেজৰ প্ৰথম দিনটো আৰু কিছু অনুভৱ অভিজ্ঞতাৰ জুমঠিৰ পৰা ✍ ভূমিকা নাথ/২৮
- এমুঠি অনুভৱ ✍ জুমি দাস/২৯
- মোৰ জীৱনৰ কথাৰে ✍ হিৰামণি কলিতা/৩০
- পৱিত্ৰ তীৰ্থ ভ্ৰমণ (বটদ্ৰৱা আলিপুখুৰী) ✍ মানসী কলিতা/৩১

❑ গল্প
- স্মৃতিৰ সাধনা ✍ নিকুমণি দাস/৩৩
- সাপ ✍ নমিতা ঠাকুৰীয়া/৩৪
- জালপহীয়া ✍ ড° জাহ্নৱী দেৱী/৩৭
- মানস পটত শ্ৰেষ্ঠ মানৱ ✍ মিছ্ ৰশ্মিউল চুলতানা/৪০
- হামাৰ ✍ কুশল কলিতা/৪৩
- ঈশ্বৰ ✍ কাকলি দাস/৪৭
- মনৰ মৰম ✍ হিমাদ্ৰী ঠাকুৰীয়া/৫০
- অনুৰাগ ✍ প্ৰাণজিৎ শৰ্মা/৫১



- ➢ একালৰ এৰাবাৰী একালত চেগুনবাৰী ✍ ড° সৰস্বতী কলিতা/৫৩
- ➢ সপোন ✍ স্মৃতি কলিতা/৫৫
- ➢ নিৰ্মল হৃদয়ৰ প্ৰেম গাথা ✍ ৰীতা দাস/৫৬
- ➢ অচিন কাঠৰ থোৰা ✍ অঞ্জু দাস/৫৭
- ➢ ৰীমাৰ জীৱনৰ লক্ষ্য ✍ তৃষ্ণামণি নাথ/৫৮
- ➢ দুখ ✍ নিকুমণি দাস/৫৯
- ➢ সাহসী নাৰী ✍ মণি মালী/৬০

❑ কবিতা—
- ➢ কেঁচা কলিজাৰ তেজ ✍ চন্দানী কলিতা/৬১
- ➢ পাতফুল ✍ বৰ্ণালী তালুকদাৰ/৬১
- ➢ সাধুকথা ✍ ড° জগন্নাথ বৰ্মন/৬২
- ➢ তুমি মমতাময়ী ✍ নৱমী দাস/৬২
- ➢ সূৰ্যাস্ত ✍ বৰষা মহন্ত/৬৩
- ➢ আমাৰ মহাবিদ্যালয় ✍ অংগনা ঠাকুৰীয়া/৬৪
- ➢ আহুতি ✍ শেৱালী মেধি/৬৪
- ➢ দুখৰ মাজত সুখৰ হাঁহি ✍ ৰশ্মিউল চুলতানা/৬৫
- ➢ আমি অসমীয়া ✍ ৰীতা দাস/৬৫
- ➢ নদী ✍ নিজৰা বাভা/৬৬
- ➢ হেৰাই যোৱা সপোন ✍ দুলু দাস/৬৬
- ➢ তিনিটা কাল জীৱনৰ ✍ অনিন্দীতা দাস/৬৭
- ➢ পিতাই অ' দিবিনো কি ✍ কমলেশ্বৰ বৰা/৬৭
- ➢ হিয়াৰ এপাহি গোলাপ ✍ স্মৃতি কলিতা/৬৮
- ➢ মই তোমাৰ নে তুমি মোৰ ✍ দুলুমণি নাথ/৬৮
- ➢ পইচা ✍ জিন্টিমণি দাস/৬৯
- ➢ জোনাকী ৰাতি ✍ শিখাৰাণী ঠাকুৰীয়া/৬৯
- ➢ ম'বাইল ✍ অনামিকা দাস/৭০
- ➢ আশা ✍ মিতালী কলিতা/৭০

❑ পুৰস্কাৰ প্ৰাপ্ত লিখনি সমূহ

❑ বিভাগীয় সম্পাদিকাৰ প্ৰতিবেদন আৰু মহাবিদ্যালয়ৰ ভিতৰচ'ৰা

❑ আলোকচিত্ৰ








# সম্পাদকীয় প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক মুহূৰ্ত্তত যিসকল বীৰ-বীৰাংগনাই দেশমাতৃৰ বাবে নিজৰ জীৱন আহুতি দিলে তেখেতসকললৈ যাচিছোঁ মোৰ শত শ্ৰদ্ধাঞ্জলি। লগতে যিসকল মহান ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলত আমাৰ এই অঞ্চলত নাৰীৰ বাবে এক সুকীয়া শিক্ষানুষ্ঠান প্ৰতিষ্ঠা হ'ল, তেখেতসকললৈ অশেষ শ্ৰদ্ধা জনাইছোঁ।

বহুতো ৰঙীন সপোন দিঠকত পৰিণত কৰাৰ আশা বুকুত বান্ধি মহাবিদ্যালয় খনক সোণালী ৰূপ দিয়াৰ মানসেৰে মই ২০১৬-২০১৭ ইং বৰ্ষৰ ছাত্ৰী একতা সভাৰ আলোচনী সম্পাদিকা পদত নিযুক্ত হওঁ আৰু এই নিযুক্তিৰ বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰী বান্ধৱীলৈ শলাগৰ শৰাই আগবঢ়ালোঁ।

প্ৰথমতে মোৰ কাৰ্যভাৰ আৰম্ভ হৈছিল মহাবিদ্যালয়ৰ বাৰ্ষিক সৰস্বতী পূজাৰে। অইনবাৰৰ দৰে এইবেলিও জাকজমকতাৰে সৰস্বতী পূজা পালন কৰা হ'ল। প্ৰতি বছৰৰ দৰে এই বছৰো মহাবিদ্যালয়ৰ সমূহ শিক্ষক শিক্ষয়িত্ৰীবৃন্দ আৰু কৰ্মচাৰীবৃন্দৰ দ্বাৰা 'শ্ৰীপঞ্চমী' এখন প্ৰাচীৰ পত্ৰিকা আৰু ছপাশলীয়া পুথি হিচাপেও প্ৰকাশ কৰি উলিওৱা হৈছে। তাৰ পিছতে বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ উপলক্ষে অনুষ্ঠিত কৰা হ'ল বিভিন্ন প্ৰতিযোগিতা আৰু প্ৰকাশ কৰি উলিওৱা হ'ল আমাৰ শ্ৰদ্ধাৰ প্ৰাচীৰ পত্ৰিকা 'হাবাঘাট'ৰ এটি সংখ্যা। নবাগত আদৰণি সভা উপলক্ষে প্ৰতিবছৰৰ দৰে এই বছৰও প্ৰকাশ কৰি উলিওৱা হ'ল প্ৰাচীৰ পত্ৰিকা 'হাবাঘাট'ৰ দ্বিতীয় সংখ্যা আৰু 'জোনাকী'ৰ এটি সংখ্যা। লগতে আমাৰ আদৰৰ হাতেলিখা আলোচনী 'নীহাৰিকা'। মোৰ কাৰ্যকাল শেষ হয় মহাবিদ্যালয়ৰ মুখপত্ৰ 'সুদক্ষিণা' প্ৰকাশৰ জৰিয়তে।

শেষত শলাগ ল'বই লাগিব অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা বৃন্দ, ছাত্ৰী একতা সভাৰ সমূহ বিষয়ববীয়া তথা মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীলৈ আৰু মোক প্ৰতিটো খোজতে সহায়ৰ হাত আগবঢ়োৱা মোৰ শ্ৰদ্ধাৰ যমুনা মালী বাইদেউ আৰু মোৰ সমূহ ছাত্ৰী বান্ধৱীসকলক। যিয়ে মোক মোৰ দায়িত্ব পালন কৰাত প্ৰতিটো মুহূৰ্ত্ততে সহায়ৰ হাত আগবঢ়াইছে। তেওঁলোকলৈ মোৰ অশেষ ধন্যবাদ। পূজা বাল্মীকি, স্মৃতি কলিতা, সাবিত্ৰী সাহা, মালতী সাহা, মমতা নাজমিনলৈ শলাগ যাচিছোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত মাৰ্জনা বিচাৰি প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

'জয় আই অসম'



*ধন্যবাদেৰে-*

প্ৰিয়ংকা দাস

# অধ্যক্ষৰ কলম

১:১ বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থসাহাৰ্য্যৰে ড° মামণি ৰয়চম গোস্বামী ছাত্ৰী নিবাসৰ দ্বিতীয় মহলা (Second Floor) ৰ কাম পূৰ্ণ গতিত আগবাঢ়িছে। নিৰ্মাণ কাৰ্য্য চলোৱাত বিশেষকৈ এইবাৰ শিল, বালিৰ নাটনি আৰু স্থানীয় সামগ্ৰী যোগানকাৰীসকলে কেন্দ্ৰীয় চৰকাৰৰ নতুন কৰ নীতিৰ বিষয়ে বিতৰ্কৈ নজনাৰ বাবে নানান আহকালৰ সন্মুখীন হ'বলগীয়া হৈছে। ইফালে নিৰ্দিষ্ট সময়ৰ ভিতৰত নিৰ্মাণ সম্পূৰ্ণ কৰিব লাগে। সেয়ে নিৰ্মাণ সমিতি আৰু বিশ্ববিদ্যালয়ৰ অভিযান্ত্ৰিক কাৰ্য্যালয়ৰ পৰামৰ্শমতে চৰকাৰী নীতি নিয়ম অনুসৰণ কৰিবলৈ সকলো ধৰণৰ সাৱধানতা অৱলম্বন কৰা হৈছে। এনে কৰিবলৈ যাওঁতে দুই এক স্থানীয় যোগানকাৰীয়ে বেজাৰ পোৱাও দেখা গৈছে। আশাকৰো পৰিবৰ্ত্তিত অৰ্থনৈতিক ব্যৱস্থা মতে কামকাজ চলাবলৈ সকলোৰে সহায় সহযোগ আগবঢ়াব।

অৰ্দ্ধ নিৰ্মিত ক্ৰীড়া প্ৰকল্পটোৰ দ্বিতীয় কিস্তিৰ ধন নানান কাৰিকৰী কাৰণত বিশ্ববিদ্যালয় অনুদান আয়োগে এতিয়াও মুকলি কৰি দিয়া নাই। এইক্ষেত্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলেজ উন্নয়ন সমিতি (College Development Council) ৰ কাৰ্য্যবাহী সঞ্চালক গৰাকীয়ে অধিক মনোযোগ দিয়া উচিত। এই সুযোগতে তেখেতলৈ আমি অনুৰোধ জনালোঁ। কেন্দ্ৰীয় চৰকাৰে বিশ্ববিদ্যালয় অনুদান আয়োগৰ বিলুপ্তি ঘটাই নীতি আয়োগৰ অধীনত HEERA গঠনৰ প্ৰস্তাৱ কৰিছে। সেয়ে এইবাৰ বিশ্ববিদ্যালয় আয়োগৰ পৰা কোনো নতুন গৱেষণা প্ৰকল্প বা ৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ বাবে অনুদান আদি পোৱা নাই। নতুন ব্যৱস্থা মতে পিছলৈ এই দিশত চেষ্টা কৰা হ'ব।

১:১ এই বছৰতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ Incarnate Word বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপিকা ড° লোপিতা নাথে জন প্ৰব্ৰজন ঃ বিশ্বায়নৰ দৃষ্টিৰে ভুটানৰ নেপালী শীৰ্ষক আৰু Sam Huston State বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° হিৰণ্য কুমাৰ নাথে 'অসমৰ অৰ্থনৈতিক উন্নয়ন' শীৰ্ষক বক্তৃতা প্ৰদান কৰি আমাক কৃতজ্ঞ কৰিছে। একেধৰণৰ আন আন বিভাগ সমূহৰ দ্বাৰাও ৰাষ্ট্ৰীয় আৰু আন্তৰ্ৰাষ্ট্ৰীয় বিশেষজ্ঞ-পণ্ডিতৰ দ্বাৰা আমন্ত্ৰণমূলক আদৰ্শ বক্তৃতা প্ৰদান কৰোৱাৰ দিহা কৰা হৈছে।

বিভিন্ন কাৰণত শিক্ষা বিভাগ আৰু ৰাজনীতি বিজ্ঞান বিভাগত স্নাতকোত্তৰ শ্ৰেণী খোলাটো সম্ভৱ হোৱা নাই; পিছে আমাৰ চেষ্টাও আমি এৰি দিয়া নাই। আশাকৰো অচিৰেই এই স্বপ্ন আমাৰ পূৰণ হ'ব।

ইয়াৰোপৰি অহা বছৰৰ পৰা কাৰ্য্যকৰী হোৱাকৈ অংক শাস্ত্ৰ আৰু ভূগোল বিজ্ঞান বিভাগ আৰম্ভ কৰাৰ বিষয়টোও আন্তৰিকতাৰে চিন্তা-চৰ্চা কৰা হৈছে। অসম চৰকাৰৰ নিৰ্দ্দেশ অনুযায়ী অহা বছৰৰ পৰাই উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ আৰু স্নাতক প্ৰথম বৰ্ষত সম্পূৰ্ণ বিজ্ঞান বিভাগ এটা খুলি অংক, ৰসায়ণ বিজ্ঞান, পদাৰ্থ বিজ্ঞান আৰু জীৱ বিজ্ঞানৰ শ্ৰেণী আৰম্ভ কৰিবলৈ অনুমতি বিচাৰি উচ্চ শিক্ষাধিকাৰৰ কাৰ্য্যালয়ত প্ৰস্তাৱ দাখিল কৰা হৈছে।

ইতিমধ্যে আৰম্ভ কৰা গণসংযোগ (Mass Communication and Journalism) বিভাগতো ছাত্ৰীৰ সংখ্যা ক্ৰমে বৃদ্ধি পাই আহিছে। এই বিভাগৰ পৰা দুমহীয়াকৈ North-East Herald নামেৰে এখন বাৰ্ত্তালোচনী প্ৰকাশিত হৈ আহিছে। এইখন বাৰ্ত্তালোচনী সম্পূৰ্ণ বিনামূলীয়াকৈ ছপাই দি স্থানীয় উদ্যোগী শ্ৰীমান মনোজ কুমাৰ দাসে (মালিয়াটা অফচেট প্ৰেছ, মিৰ্জা) মহৎ উপকাৰ সাধন কৰিছে। শ্ৰীমান দাসৰ এনে বদান্যতাৰ শলাগ লৈছো। সকলো ঠিকে-ঠাকে আগবাঢ়িলে এই বিভাগৰ সৌজন্যত এটা FM Radio আৰম্ভ কৰাৰ কথাও চিন্তা কৰা হৈছে।

২:১ ২০১৭-১৮ শিক্ষা বৰ্ষত বিভিন্ন শ্ৰেণীত মুঠতে ১৪৬৩ গৰাকী ছাত্ৰীয়ে নামভৰ্ত্তি কৰিছে। যোৱা বছৰৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল এনে ধৰণৰ ঃ

(ক) উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা, ২০১৭

অৱতীৰ্ণ - ৪৭৩

উত্তীৰ্ণ - ২১৮

প্ৰথম বিভাগ - ৮

দ্বিতীয় বিভাগ - ৫৩

তৃতীয় বিভাগ - ১৫৭

উত্তীৰ্ণৰ শতকৰা হাৰ ৪৬.০৯

(খ) স্নাতক চূড়ান্ত পৰীক্ষা, ২০১৭

অৱতীৰ্ণ - ১৪৬

উত্তীৰ্ণ - ১৩৩

উত্তীৰ্ণৰ শতকৰা হাৰ ৯১.০৯

(গ) স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষা, ২০১৭

অৱতীৰ্ণ - ১২

উত্তীৰ্ণ - ফলাফল এতিয়াও ঘোষণা কৰা নাই।

১:৩ এইবছৰৰ ২,৩ আৰু ৪ অক্টোবৰ তাৰিখে উত্তৰ পূৱ ইতিহাস সন্মিলনৰ (North East India History Association, NEIHA)ৰ ৩৮ তম অধিবেশন আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত কৰাৰ প্ৰস্তুতি চলোৱা হৈছে। অসমৰ মাননীয় ৰাজ্যপাল শ্ৰীযুত বানৱাৰীলাল পুৰোহিত মহাশয়ে এই অধিবেশন উদ্বোধন কৰিবলৈ সন্মতি জ্ঞাপন কৰিছে। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান প্ৰত্যায়ন গোটৰ (Internal Quality Assurance Cell, IQAC) সকলো সদস্যই বিভিন্ন কাৰ্য্যসূচী যুগুতাই সেইবোৰ নিয়াৰিকৈ ৰূপায়ন কৰি আহিছে। ২১ জুনত বিশ্ব যোগ দিৱস উপলক্ষে ড° নৱকান্ত অধিকাৰীৰ নেতৃত্বত এটা যোগ শিবিৰো নিয়মীয়াকৈ অনুষ্ঠিত কৰি আহিছে।

স্বচ্ছ ভাৰতৰ বিভিন্ন কাৰ্য্যসূচী ৰূপায়ন কৰাৰ উপৰি Each one pick one নীতেৰে মহাবিদ্যালয় চৌহদৰ জাবৰ-জোথৰ আঁতৰোৱাত সকলোৱে সমানে সহযোগ কৰি আহিছে।

এই বছৰৰ পৰা মহাবিদ্যালয়ৰ চৌহদত আৰু এখন কেন্টিনৰ ব্যৱস্থা কৰা হৈছে। সাপ্তাহিক স্বাস্থ্য কেন্দ্ৰ এটাও নিয়মীয়াকৈ চলি আছে।

২:১ মহাবিদ্যালয়খনৰ শৈক্ষিক বাতাবৰণ আৰু সামগ্ৰিক পৰিৱেশ অতি উন্নত মানৰ- এই কথা আমাৰ মহাবিদ্যালয়ত পদাৰ্পণ কৰা সকলোৱে একমুখে স্বীকাৰ কৰে। এই বছৰৰ পৰা এনে পৰিৱেশ ছাত্ৰী সকলৰ অনুকূলে অধিক আকৰ্ষণীয়কৈ গঢ়ি তোলাৰ স্বাৰ্থত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় অভিভাৱক সন্থা নতুনকৈ পুনৰ সংগঠিত কৰা হৈছে। সন্থাৰ মাননীয় সভাপতি শ্ৰীযুত যুগল চৌধুৰী আৰু সম্পাদক শ্ৰীযুত ৰোহিণী কুমাৰে অভিভাৱক সকলক অধিক সক্ৰিয় আৰু মহাবিদ্যালয়ৰ হিতৈষী কৰি গঢ়ি তোলাৰ বাবে যি ধৰণে চেষ্টা চলাইছে, সেয়া সঁচাকৈ প্ৰশংসনীয়।

২:২ মহাবিদ্যালয় এখন সৰ্ব্বাঙ্গ সুন্দৰকৈ গঢ়ি তোলাত ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী, অভিভাৱক আৰু চৰকাৰ - এই চাৰিও পক্ষৰ সমান আন্তৰিকতা, সৌহাৰ্দ্য, আত্মোৎসৰ্গা আৰু পৰিশ্ৰমৰ দৰ্কাৰ। ইয়াৰে কোনো এটা পক্ষৰ অলপ হীন-ডেঢ়িয়েও সপোনৰ মহাবিদ্যালয় এখন প্ৰতিষ্ঠাত অলঙ্ঘনীয় হেঙাৰ ৰূপে দেখা দিব পাৰে। সাম্প্ৰতিক অসমৰ উচ্চ শিক্ষাৰ জগতত এই চাৰিও পক্ষৰ মাজত পাৰস্পৰিক সন্মান, সহযোগীতা আৰু সৌহাৰ্দ্যৰ অভাৱ চকুত লগাকৈ বাঢ়ি অহা দেখা গৈছে। ইয়াৰ বাবে কোন কিমান জগৰীয়া সেই বিষয়ে তৰ্কলৈ নগৈও ইয়াকে মাথোন আবেদন জনাব পাৰি যে উচ্চ শিক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ বিভাগীয় মন্ত্ৰী আমোলা সকলে শিক্ষক-কৰ্মচাৰী সকলক অধিক বিশ্বাসী আৰু কৰ্মোৎসাহী হোৱাৰ পৰিৱেশ গঢ়ি তোলাত অধিক মনোযোগ দিব লাগে। প্ৰতিটো পক্ষই আত্ম সমালোচনা কৰি নিজৰ দোষ আৰু দূৰ্বলতাবোৰ ঢাকি ৰাখিবৰ যত্ন নকৰি সেইবোৰ শুধৰাবৰ যত্ন কৰিব লাগে আৰু ছাত্ৰ-ছাত্ৰী সকলে অধিক মনোযোগেৰে অধ্যয়নত ব্ৰতী হৈ ভৱিষ্যৎ দেশখনৰ দায়িত্ব লবৰ উপযোগী হোৱাৰ কচৰৎত ব্ৰতী হ'ব লাগে।

এনে দৃষ্টিৰে আমাৰ মহাবিদ্যালয়ত কমেও ২০/২৫ বছৰ নাম মাত্ৰ পাৰিশ্ৰমিকেৰে সেৱা আগবঢ়াই অহা তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকলৰ চাকৰি নিয়মীয়া কৰি কমেও দহ বছৰ পূৰ্ব্বৰ পৰা সকলোবোৰ সা-সুবিধা প্ৰদান কৰাৰ বাবে চৰকাৰক আবেদন জনালোঁ। আজিৰ তাৰিখৰ চৰকাৰী নীতি-নিয়ম যিয়েই নহওঁক, তেওঁলোকক নিয়োগ কৰা সময়তে সেই সময়ৰ নীতি-নিয়ম মানি চলা হৈছিল - সেয়ে আমি এনে কৰ্মচাৰী সকলৰ হকে এনে আবেদন জনালোঁ। ইয়াৰোপৰি মহাবিদ্যালয়ত দীৰ্ঘদিন ধৰি কাৰ্য্যালয় সহায়ক আৰু গাৰ্হস্থ্য বিজ্ঞান বিভাগৰ শিক্ষকৰ পদ পূৰণ কৰা হোৱা নাই। চৰকাৰে সোনকালে এই পদবী কেইটাত

উপযুক্ত লোকক নিয়োগ কৰাৰ ব্যৱস্থা কৰে যেন। মহাবিদ্যালয়ত কোনো খাতিৰ পহৰাদাৰৰ ব্যৱস্থা চৰাকাৰে কৰি দিয়া নাই। এই বিষয়েও চিন্তা কৰাৰ বাবে আবেদন জনালোঁ। আজিৰ বিশ্বায়নৰ যুগত আৰু বৰ্ত্তমানৰ চৰকাৰী নীতি নিয়ম সমূহ পানী নসৰাকৈ পালন কৰি মহাবিদ্যালয় এখন পৰিচালনা কৰাটো যথেষ্ট প্ৰত্যাহ্বান মূলক। পিছে আমি এই ক্ষেত্ৰত অধিক সৌভাগ্যবান বুলিয়েই বিবেচনা কৰো- কিয়নো মাননীয় উচ্চ শিক্ষাধিকাৰ শ্ৰীযুত বাবুলাল শৰ্মা প্ৰমুখ্যে তেখেতৰ কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলে সততে আমাক সহায়-সহযোগীতা আগবঢ়াই আহিছে। পৰিচালনা সমিতিৰ সভানেত্ৰী শ্ৰীযুতা হীৰা নেওগ বাইদেউ প্ৰমুখ্যে সকলো সদস্য-সদস্যা তথা স্থানীয় বিধায়ক শ্ৰীযুত প্ৰণব কলিতা মহাশয়ে লাগ বুলিলেই দিহা-পৰামৰ্শ আৰু সহায়-সহযোগ আগবঢ়াই আমাক কৃতজ্ঞ কৰিছে। তদুপৰি আমাৰ ছাত্ৰী একতা সভা, শিক্ষক-কৰ্মচাৰী সকলে মহাবিদ্যালয়খন অধিক গতিশীল আৰু সমাজৰ উপযোগীকৈ গঢ়ি তোলাৰ বাবে আমি যি এক নীৰৱ কৰ্মসূচী তৈয়াৰ কৰিছো - তাত সকলোৱে মন-প্ৰাণ ঢালি অবিহণা যোগাইছে। আমাৰ প্ৰচেষ্টা সফল হ'বই - এনে প্ৰত্যাশাই সকলোৰে মন জীপাল কৰক।

ইতি-

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা
১৭ আগষ্ট, ২০১৭ ইং

ড° গজেন্দ্ৰ অধিকাৰী

# কেচাইডুবি শ্যামৰায় সত্ৰ ঃ এটি চমু আলোচনা
## বাকাইটাৰী, গোৱালপাৰা

✍ অন্তৰা অধিকাৰী
*স্নাতকোত্তৰ, ৪ৰ্থ ষাণ্মাসিক*

পোন্ধৰ আৰু ষোল্ল শতিকাই অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ এক উল্লেখনীয় যুগ। এই সময়ছোৱাতে অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ জনক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে প্ৰৱৰ্তন কৰা একশৰণ ভাগৱতী বৈষ্ণৱ ধৰ্মই বিশেষভাৱে প্ৰসাৰতা লভিছিল। মহাপুৰুষজনাৰ লগতে তেওঁৰ প্ৰিয় শিষ্য একাধিক গুণৰ অধিকাৰী মহাপুৰুষ মাধৱদেৱ আৰু তেওঁৰ (মাধৱদেৱৰ) সখি পৰম বৈষ্ণৱ 'ধৰ্মৰ খুটি' নাৰায়ণ দাস ঠাকুৰ আতাৰ সৈতে মথুৰা দাস বুঢ়া আতা, গোপাল আতা, বদলা আতাকে ধৰি লক্ষ্মীকান্ত আতৈ, পুৰিয়া আতৈ, গাৰো গোবিন্দ আতৈ আদি বৈষ্ণৱ ধৰ্মগুৰুসকলে এইক্ষেত্ৰত বিশেষ অৰিহণা যোগাইছিল। একেদৰেই মহাপুৰুষ দামোদৰদেৱ আৰু হৰিদেৱৰ অৱদানো লেখত ল'বলগীয়া।

জনশ্ৰুতিমতে এইটো যুগতে অৰ্থাৎ ষোল্ল শতিকাৰ শেষাৰ্দ্ধত মহাপুৰুষ মাধৱদেৱে তেওঁৰ সখি নাৰায়ণ দাস ঠাকুৰ আতাৰ সহিতে নাৱেৰে ভটিয়াই আহোঁতে (সেই সময়ত জলপথেই সুচল আছিল) মাল্চাত (বৰ্তমান মালঞ্চা) এখন থান পাতিছিল। পিছত বৰবিষ্ণু আতাই থিতাপি লোৱাত সেইখন বৰবিষ্ণু আতাৰ থান বুলিয়ে জনসমাজত পৰিচিত হৈছে। মালচাত থান পাতি তেওঁলোকে নাৱেৰে ভটিয়াই আহোঁতে হাবৰি নৈৰে আহি কেচাইডুবি বিলৰ পাৰত থকা বকুল গছ আৰু আহত গছ দুজোপাৰ চাঁত নাও বান্ধি জিৰণি লৈছিল। কিছু সময় জিৰণি লোৱাত তাত বলি থকা নিৰ্মল বতাহে তেওঁলোকৰ দেহ-মন শাঁত পেলাইছিল। ঠাইখনিৰ মধুৰ পৰিৱেশে তেওঁলোকক মুহিত কৰিছিল। তেওঁলোকৰ মনত তেনে পবিত্ৰ, শান্ত পৰিৱেশত হৰিৰ নামহে শোভা পোৱা উচিত বুলি ভাৱৰ উদ্ৰেক হৈছিল আৰু দুয়ো সেই সম্পৰ্কে আলচ কৰিছিল। দুয়োৰে বুজাবুজিত তাত থান এখন পতাৰ সিদ্ধান্ত হৈছিল আৰু মাধৱদেৱে নাৰায়ণ দাস ঠাকুৰ আতাক থানখন পতাৰ দায়িত্ব অৰ্পণ কৰিছিল। সেই অনুসৰি নাৰায়ণ দাস ঠাকুৰ আতাই ধৰ্মীয় নিয়ম অনুসৰি থানখন পাতি পুনৰ ভটিয়াই গৈ বগুৰানত মাধৱদেৱে আন এখন থান পাতিছিল। এই থানবিলাক পিছত সত্ৰত পৰিণত হৈছিল। এই সম্পৰ্কে উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ সম্পাদিত কথা গুৰুচৰিতত এনেদৰে উল্লেখ আছে—

"চক্ষুপৰাত বেতবাৰী, কাতাৰিবাৰী, কৈমাৰি, দলগোমা, দমালচোঁচ, বৰুকা, হৰিপুৰ, কাৰিপাৰা, কাতলামাৰি, কেচাইডুবি, ঢেকেলাবাৰী, নলঙ্গা এই সব থান সত্ৰ হ'ল পাচত। গৈ পুনু মালচাতে বৈ কাঠ সিত্ৰখৱাদি সুন্দৰীতে বহিছেগৈ।" (পৃঃ ২৪৯)

নাৰায়ণ দাস ঠাকুৰ আতাই পিছত নিজ পুত্ৰ শিৱানন্দ ঠাকুৰক বাকাইটাৰীত স্থাপন কৰা এইখন কেচাইডুবি সত্ৰ পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰাত শিৱানন্দই সোতৰ শতিকাৰ প্ৰথমাৰ্ধত ইয়ালৈ আহি সুন্দৰীদিয়া সত্ৰৰ পৰা বন্তি এগছি নিয়মানুযায়ী আনি থাপনা কৰি সত্ৰখন জাগ্ৰত কৰিছিল। তেতিয়াৰ পৰাই এইখন কেচাইডুবি শ্যামৰায় সত্ৰ নামে জনসমাজত পৰিচিত হৈছিল।

পূৰ্বতে সত্ৰখনৰ কীৰ্তনঘৰটো ডাঙৰ আছিল আৰু ওখ ভেটিৰ ওপৰত কাঠ আৰু খেৰেৰে নিৰ্মিত হৈছিল লগতে ভঁজঘৰ আৰু দৌলঘৰো নিয়ম অনুযায়ী সাজা হৈছিল। দৌলঘৰৰ চালত টিনপাত দিয়া হৈছিল। এটা সুন্দৰ সত্ৰীয়া পৰিৱেশত সত্ৰখন গঢ় লৈ উঠিছিল আৰু কাষৰ ভকতবৃন্দৰ পৰিয়ালৰ উপৰিও গাঁওখনৰ বিভিন্নজনে নাম-কীৰ্তনকে ধৰি সকলো ধৰ্মীয় অনুষ্ঠানতে অংশগ্ৰহণ কৰিছিল। সম্পূৰ্ণ নীতি-নিয়মৰ মাজেৰে সত্ৰৰ কাম-কাজ চলি থকাত সত্ৰখনৰ সত্ৰীয়া বৈশিষ্ট্য অটুট আছিল।

তেনেদৰেই বহুত বছৰ অতিবাহিত হৈছিল। ক'বলৈ গ'লে সত্ৰাধিকাৰ নবীন চন্দ্ৰ অধিকাৰী আৰু সত্ৰাধিকাৰ সমুদ্ৰ নাৰায়ণ অধিকাৰীৰ তত্বাৱধানৰ সময়ছোৱালৈকে আটাইখিনি অক্ষুণ্ণ আছিল। পিছত তেওঁলোক দুয়োৰে মৃত্যু হোৱাত বিশেষকৈ সমুদ্ৰ নাৰায়ণ অধিকাৰীৰ মৃত্যুৰ কিছুবছৰ পিছত সত্ৰখন দুৰ্যোগৰ সন্মুখীন হৈছিল।

সমুদ্ৰ নাৰায়ণ অধিকাৰীয়ে ভতিজা বনমালী মহন্তক সত্ৰখনৰ দায়িত্ব বুজাই দিছিল যদিও তেওঁ সেই দায়িত্ব নিয়াৰিকৈ বেছি বছৰ পালন কৰিব পৰা নাছিল। লাহে লাহে সত্ৰখন ধ্বংসৰ গৰাহলৈ আগবাঢ়ি গৈছিল। ঘৰুৱা অসুবিধা, আৰ্থিক অনাটন আৰু বিশেষকৈ ৰাইজৰ অমনোযোগিতাই ইয়াৰ মূল কাৰণ আছিল বুলি ভাবিবৰ থল আছে। অতি মূল্যবান সাঁচিপতীয়া কিতাপবোৰৰ পেৰাবোৰ ভাঙি গৈছিল। আপুৰুগীয়া কিতাপ-পত্ৰবোৰ আন মানুহৰ হাতলৈ গুচি গৈছিল, গুৰু আসনৰ কাছ, সিংহ, হাতী, ঘোঁৰা, মগৰ সকলোবোৰ ভাঙি গৈছিল। (যোৱা ইং ২০১০ চনৰ জানুৱাৰী মাহত নাৰায়ণ দাস ঠাকুৰ আতাৰ তিৰোভাৱ তিথিত সত্ৰত অনুষ্ঠিত হোৱা ১ম বাৰ্ষিক পালনাম মহোৎসৱত বৰপেটাৰ ব্যক্তি এজনে গুৰু আসন দান কৰিছিল) এনেকি পিতলৰ সৰু শিশু কৃষ্ণৰ মূৰ্তিটোও হেৰাই গৈছিল। বহুবছৰ এইবোৰ সমুদ্ৰ নাৰায়ণ অধিকাৰীৰ চ'ৰাঘৰৰ ভিতৰত অসংৰক্ষিত অৱস্থাত ৰখা হৈছিল আৰু তাৰ পৰাই কালক্ৰমত সকলোবোৰ হেৰাই গৈছিল। পুৰণি সেই মূল্যবান সম্পদসমূহৰ দুটা-এটা ভগ্নাৱশেষ বৰ্তমানো সত্ৰখনত সংৰক্ষণ কৰা হৈছে। পিছত ৰাইজৰ পৰা দান-বৰঙণি হিচাপে কিছু ধন সংগ্ৰহ কৰি টিন আৰু পকী বেৰেৰে কীৰ্তনঘৰটো আৰু মণিকূটটো নিৰ্মাণ কৰা হৈছিল। চৰকাৰৰ পৰা পোৱা ধনৰ কিছু অংশৰ লগতে দুই এজন ব্যক্তিৰ পৰা পোৱা দান-বৰঙণিৰ সহায়ত বৰ্তমান কীৰ্তনঘৰ, দৌলঘৰ, ভঁৰালঘৰ, নাৰায়ণ দাস ঠাকুৰ আতাৰ পদশিলা আদি নিৰ্মাণ কৰা হৈছে আৰু নতুনকৈ ভাঁজঘৰটোৰ কাম আৰম্ভ কৰি থকা হৈছে।

আৰম্ভণিৰ পৰাই সত্ৰখনত ধৰ্মীয় পৰম্পৰাৰে মহাপুৰুষসকলৰ জন্ম-মৃত্যুৰ তিথিবোৰৰ উপৰিও শ্ৰীকৃষ্ণৰ জন্মাষ্টমী, পাচতি আদিত নাম-কীৰ্তন কৰি থকা হৈছে। সত্ৰখনত দৌল-উৎসৱো প্ৰতিবছৰে পালন হৈ আহিছে। নিয়মানুযায়ী সত্ৰৰ গোঁসাইক শুক্লাশাক পথাৰলৈ সুঁৱৰি ফুৰাবলৈ নিয়া হৈ আছে আৰু ৰাতি নাম-কীৰ্তন কৰি ভজা লাড়ু খোৱাৰ প্ৰথা এতিয়াও প্ৰচলিত হৈ আছে। প্ৰতি বছৰে নিৰ্দিষ্ট সময়ত আইসকলৰ দ্বাৰা জগন্নাথৰ নাম আৰু বুঢ়াগোঁসাইৰ নাম সুকীয়াকৈ অনুষ্ঠিত কৰি অহা হৈছে। ইয়াৰ উপৰিও যোৱা কেইবছৰমানৰ পৰা নাৰায়ণ দাস ঠাকুৰ আতাৰ তিৰোভাৱ তিথিত ১২ ঘণ্টীয়া পালনাম মহোৎসৱ অনুষ্ঠিত হৈ আহিছে।

বাকাইটাৰী কেচাইতুৰি শ্যামৰায় সত্ৰখন এখন মাহাত্ম্যপূৰ্ণ সত্ৰ। শুনামতে সত্ৰখনত বহুত মানুহে (পুৰুষ-মহিলাই) শুদ্ধ মনেৰে মানস কৰি সুফল লাভ কৰিছিল। আজিকালিও তেনে দৃষ্টান্ত পৰিস্ফুট।

বৰ্তমান সত্ৰখনত বহুতো কৰিবলগীয়া কাম আছে। কিন্তু আৰ্থিক অসুবিধাৰ বাবে কামবোৰ কৰিবপৰা নাই। চৰকাৰৰ পৰা আৰ্থিকভাৱে সাহাৰ্য লাভ কৰিলে আৰু উন্নতি লাভ কৰিব বুলি আমি সকলোৱে আশাবাদী। শেষত সত্ৰখনৰ উন্নতি কামনা কৰিলোঁ। ■

■ ■ ■

## মহৎলোকৰ বাণী

- সমাজসেৱাই মানুহৰ প্ৰকৃত ধৰ্ম।

*—বিষ্ণু ৰাভা*

- ভালপোৱাৰে সকলো জয় কৰিব পাৰি।

*—স্বামী বিবেকানন্দ*

- "অতীতক মই ৰোমন্থন কৰি নাথাকো। ভৱিষ্যতৰ কথাও মই ভাবি নাথাকো। মই মাত্ৰ বৰ্তমানৰ কথাক লৈহে আগ্ৰহী। বৰ্তমানক লৈ জীয়াই থাকিব জনা জনেই সকলোতকৈ সুখী, তেওঁৰ বাবে জীৱনটো হৈ পৰে এটা উৎসৱ। প্ৰতিটো দিনেই এটা নতুন উৎসৱ। কাৰণ জীয়াই থকা মুহূৰ্তটোৱেই হৈছে আমাৰ জীৱন।

*—বিখ্যাত দাৰ্শনিক পাওলো ক'য়েল হোৱে*

# নাৰী তুমি অনন্যা

✍ চন্দ্ৰামিকা দাস
*স্নাতক, ৩য় যাণ্মাসিক*

নাৰী এক অনন্যা শক্তি যাক আদি জননী বুলি জনা যায়। সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলি এই চাৰি যুগতে আমি দুৰ্গাদেৱীয়েই হওঁক বা মনসা দেৱীয়েই হওঁক মাঁৰ ওচৰলৈ যাওঁ আশীৰ্বাদ ল'বলৈ, পূজা-অৰ্চনা কৰিবলৈ। আমি যি গৰাকী দেৱীৰ ওচৰলৈ যাওঁ তেওঁ এই জগতৰ এগৰাকী মাতৃস্বৰূপ নাৰী। নাৰী যদি দুৰ্গাৰ প্ৰতিৰূপ হয় তেন্তে কিয় সন্মানৰ পাত্ৰ হ'ব নোৱাৰে। যি গৰাকী নাৰীয়ে আশ্ৰয় দিয়ে তাৰ পিছত আন এগৰাকী নাৰী সমাজত কিয় লাঞ্ছিত, ধৰ্ষিত, অপমানিত হয়। নাৰী শক্তিৰূপা তথাপি পুৰুষতকৈ নাৰীয়ে দুখ, কষ্ট, যন্ত্ৰণা আদি ভোগ কৰিবলগা হয়। নীতি, নিয়ম, দায়িত্ব, কৰ্তব্য আদিৰ নাৰীৰ ওপৰত বেছিকৈ প্ৰভাৱ পৰা দেখা যায়। তেওঁলোকে সৰু এটা ভুল কৰিলেও যেন ডাঙৰ অপৰাধ হৈ যায় কিন্তু পুৰুষসকলে যদি কিবা ডাঙৰ দোষ, অপৰাধো কৰে তথাপি সেইটো নিচেই নগণ্য। নাৰী শক্তিস্বৰূপা হৈও আজিৰ সমাজত সুৰক্ষিত নহয়। আজিকালি হত্যা, ধৰ্ষণ, অপহৰণ আদি ঘটনাবোৰে যি ভয়ংকৰ ৰূপ লোৱা দেখা যায় শুনিলেই গাৰ নোম শিয়ৰি উঠে। ঘৰৰ পৰা স্কুল, কলেজ বা অন্য ঠাইলৈ ওলাই গ'লে সু-স্বাস্থ্যৰে ঘৰলৈ উভতি আহিব পাৰি নে নোৱাৰি তাৰ বাবে সংকোচ ভাৱ এটা অনবৰতে লাগি থাকে। এইবোৰে সমাজক লজ্জিত কৰে আৰু আন ঠাইবোৰৰ লগত সমানে আগবাঢ়ি যাবলৈ বাধা আৰোপ কৰে। এই বাধা নেওচি আগুৱাই যাবলৈ চেষ্টা কৰা নাৰীয়ে জীৱনত সফলতা লাভ কৰে।

প্ৰকৃতিৰূপী নাৰীৰ তিনিটা বিশেষ ভূমিকা ছোৱালী, পত্নী আৰু মাতৃ। সমাজৰ এচাম ঠেক মনৰ পৰিয়ালৰ ঘৰত ছোৱালী জন্ম হ'লে মাকজনীৰ লগতে ছোৱালীজনীক কুলক্ষণীয়া বুলি ভাৱে। ল'ৰা জন্ম হ'লে ভাগ্য ভাল, ছোৱালী জন্ম হ'লে ভাগ্য বেয়া বুলি ভাৱে। ল'ৰাই উপাৰ্জন কৰি আনিব, বংশ ৰক্ষা কৰিব কিন্তু ছোৱালী হ'লে কি কৰিব! সিহঁতক ডাঙৰ দীঘল কৰি এসময়ত এঘৰলৈ উলিয়াই দিব লাগে। ছোৱালী জন্ম দিয়াৰ বাবে স্বামী পত্নীৰ ওপৰত বিদ্ৰোহী হৈ পৰে। বাৰে বাৰে যদি ছোৱালী জন্ম হয় তেতিয়াই পত্নীৰ ওপৰত শাৰীৰিক, মানসিক অত্যাচাৰ কৰিবলৈ লয়। কিন্তু সেই দোষ জানো অকল পত্নী গৰাকীৰ? বৰ্তমান শিক্ষিত পৰিয়ালতো এনেকুৱা ঘটনা প্ৰায়ে হোৱা দেখা যায়। শাৰীৰিক, মানসিকভাৱে অত্যাচাৰ সহ্য কৰিও পত্নীগৰাকীয়ে নিজৰ দায়িত্ব আৰু কৰ্তব্য নিয়াৰিকৈ কৰে। ছোৱালীতকৈ পুত্ৰ সন্তানক বেছি মৰম, আদৰ-সাদৰ কৰে কিন্তু সেই পুত্ৰই বৃদ্ধকালত পিতৃ-মাতৃক বৃদ্ধাশ্ৰমলৈ পঠিয়ায়।

মাকৰ মনত ল'ৰা-ছোৱালী উভয়েই সমান। তেওঁলোকক লালন-পালন কৰাৰ দায়িত্ব, মৰম-চেনেহ সমানে থাকে। ল'ৰা-ছোৱালীয়ে প্ৰথম শিক্ষা মাতৃৰ পৰাই গ্ৰহণ কৰে। মাতৃ হৃদয় এখন শুকুলা তুলাৰ দৰে সকলোৰে লগত মিলিব পাৰে। আমি সকলোৱে মনত ৰাখিব লাগে যে মাতৃক দেৱীৰ স্থানত, পত্নীক বন্ধুৰ স্থানত আৰু জীয়ৰীক লক্ষ্মীৰ স্থানত ৰাখিব লাগে।

সময় গতিশীল। বৰ্তমান যুগটো ইমান আগবাঢ়ি গৈছে যে সমাজত খোজ মিলাই নাৰীয়েই শিক্ষা-দীক্ষা, সমাজ-সংস্কৃতি, খেল-ধেমালি, সাহিত্য জগত আদি সকলোতে অগ্ৰগতি লাভ কৰিছে। এসময়ত নাৰীৰ জীৱন পদ্ধতি ঘৰৰ চাৰিবেৰৰ মাজত সীমাবদ্ধ আছিল। সকলো দিশতে বাধা পাইছিল। কিন্তু আজিৰ নাৰীয়ে পুৰুষৰ সমানে আগবাঢ়ি যাবলৈ এখন উচ্চ আসন পাইছে। নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ সুযোগ সুবিধা পাইছে। অত্যাচাৰ, শাৰীৰিক, মানসিক উৎপীড়ন আদিৰ প্ৰতিবাদ কৰিব পাৰিছে। স্বামী বিবেকানন্দই কৈছিল যে— "পৃথিৱীখন হৈছে এটা চৰাই আৰু তাৰ ডেউকা দুখন হৈছে নাৰী আৰু পুৰুষ।" চৰাইক যেনেকৈ উৰিবলৈ ডেউকাৰ প্ৰয়োজন, ঠিক তেনেকৈ পৃথিৱীখন চলিবলৈ নাৰী আৰু পুৰুষ উভয়ে ওতঃপ্ৰোতভাৱে সম্পৰ্কিত। বৰ্তমান সময়ত নাৰীৰ আধুনিকতাৰ এটি ওলোটা ৰূপ দেখিবলৈ পোৱা যায়। আধুনিকতাৰ নামত কিছুমান অপ্ৰয়োজনীয় কাম কৰা দেখা যায়। আধুনিকতাৰ পৰিচয় দিবলৈ গৈ তেওঁলোকে পশ্চিমীয়া সাজপাৰ, খাদ্যাভ্যাস, জীৱন ধাৰণৰ প্ৰণালী আদি গ্ৰহণ কৰে। তেওঁলোকে ভাৱে তেনে কৰিলে অতি সোনকালে

বিখ্যাত হ'ব পাৰি। কিন্তু নিজৰ অসমীয়া সাজপাৰ, সমাজ-সংস্কৃতি আদি পাহৰি নিজকে মডাৰ্ণ নাৰী বুলি কৈ পুৰুষৰ বিড়ি-চিগাৰেট, বীয়েৰ, বাৰত ৰাতি দুপৰলৈ মাতাল হৈ অশালীন সাজ-পোছাকেৰে যৌন কামত লিপ্ত হোৱা সেইসকল নাৰীয়ে সমাজলৈ ভয়ংকৰ বিপদ নমাই আনে। তাৰ করুণ ফল ভৱিষ্যৎ প্ৰজন্মই প্ৰভাৱিত হোৱা শংকা থাকে। এই সংস্কৃতি জানো ভাৰতীয় সংস্কৃতি? আমি যদি আনখিনিতকৈ নিজৰখিনিক বেছি গুৰুত্ব দিও তেতিয়া আমি সমাজত উচ্চ আসন লাভ কৰিবলৈ সক্ষম হ'ম। সেয়েহে সমগ্ৰ নাৰী জাতি সজাগ আৰু সচেতন হোৱা উচিত। ধন-সম্পত্তিয়ে মানুহক ধনী কৰিব নোৱাৰে, চিন্তা ধাৰণাইহে মানুহক ধনী কৰি তোলে। শ্ৰদ্ধা, ভক্তি, মৰম, দয়া আদি থাকিলে সকলোৰে মন জয় কৰিব পাৰি। ■

■ ■ ■

## মহৎলোকৰ বাণী

- আমাৰ হাতত অফুৰন্ত শক্তি ভগৱানে দিছে। অফুৰন্ত শক্তিৰ সদ্ ব্যৱহাৰ কৰিব পাৰিছোঁনে নাই এই কথা গভীৰভাৱে এবাৰ চিন্তা কৰি চালেই প্ৰতিজন মানুহে নিজৰ কৰ্মৰ দিশ নিৰ্ণয় কৰিব পাৰে। এই কৰ্মৰ দ্বাৰা আত্মাৰ শান্তি লাভ কৰিব পাৰি।

  *— মাদাৰ টেৰেছা*

- মানুহে আনন্দ পাবলৈ বা সংসাৰত দুখ কষ্ট পাহৰি থাকিবলৈ যিমানবোৰ নিচাযুক্ত দ্ৰব্য ব্যৱহাৰ কৰে সেই সকলোবোৰ বস্তুৱেই কিবা নহয় কিবা প্ৰকাৰে মানুহৰ দেহ মন উভয়ৰে ক্ষতি কৰে— একমাত্ৰ ব্যতিক্ৰম হ'ল 'কিতাপ'; কিতাপকো এটা নিচাযুক্ত বস্তু বুলি কোৱা হয়— এই কাৰণেই যে কানি ভাং মদ আদি ৰাগিয়াল বস্তুৰ প্ৰতি আসক্ত হৈ পৰা মানুহ সেইবোৰ বস্তু নোহোৱাকৈ চলিব নোৱাৰাৰ দৰে কিতাপ পঢ়ি পঢ়ি অভ্যস্ত হোৱা মানুহেও কিতাপ পঢ়িবলৈ নাপালেই জীৱনটো অৰ্থহীন আৰু নিৰানন্দ হৈ যোৱা যেন অনুভৱ কৰে।

  *—হোমেন বৰগোহাঞি*

- "পাইছা যিখিনি লোৱা ততালিকে
  নোপোৱা যিখিনি থাকক বাকী
  দূৰৈৰ বাজনা শুনিলে কি হ'ব
  মাজত তোমাৰ তেনেই ফাকি।"

  *—যতীন্দ্ৰনাথ দুৱৰা*

- প্ৰকৃত ছাত্ৰই কেতিয়াও খ্যাতি, ক্ষমতা নাইবা আমোদ নিবিচাৰে, তেওঁ বিচাৰে কেৱলজ্ঞান আৰু সত্য। আৱিস্কাৰ কৰিবলৈ তেওঁ সকলো সময়তেই সাজু।

  *—ছাৰ জগদীশ চন্দ্ৰ বসু*



# শঙ্কৰদেৱ চৰ্চাৰ আধুনিক পাতনি

✍ ড° নৰকান্ত অধিকাৰী
*বুৰঞ্জী বিভাগ*

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আধুনিক গদ্যৰূপত জীৱনীমূলক প্ৰথম গ্ৰন্থ হ'ল লক্ষ্মীনাথ বেজবৰুৱাৰ 'শঙ্কৰদেৱ'। এই গ্ৰন্থখন ১৯১১ চনত প্ৰকাশ পায়। এইখনেই প্ৰথম কিছু পৰিমাণে বিজ্ঞানসন্মত শঙ্কৰদেৱৰ ওপৰত প্ৰকাশ পোৱা জীৱনীমূলক গ্ৰন্থ। বেজবৰুৱাদেৱে কৈছে যে 'শঙ্কৰদেৱ' কিতাপখন লৰালৰিকৈ লিখা হৈছিল। বাস্তৱিকতে গুৱাহাটীৰ 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ প্ৰশ্ন কিছুমানৰ উত্তৰ স্বৰূপে তাক লিখা হৈছিল। অসমীয়া কলিকতীয়া ছাত্ৰসকলে ১৮৮৮ চনৰ ২৫ আগষ্টৰ দিনা ৬৭ নং মিৰ্জাপুৰ ষ্ট্ৰীটৰ অসমীয়া ছাত্ৰৰ মেছত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' গঠন কৰে। এই সভা ১৮৮৮ চনৰ পৰা ১৯১৬ চনলৈ বৰ্ত্তি আছিল। 'শঙ্কৰদেৱ' নামৰ কিতাপখন প্ৰথম প্ৰকাশ হয় কলিকতাৰ পৰা ১৯১১ চনত। ইয়াৰ পিছত লক্ষ্মীনাথ বেজবৰুৱাদেৱে পুনৰ ১৯১৪ চনত 'শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ' নামৰ আন এখন তথ্য গধুৰ শঙ্কৰদেৱৰ জীৱনীমূলক গ্ৰন্থ ৰচনা কৰে। এই গ্ৰন্থ প্ৰকাশ কৰে ভোলানাথ বৰুৱাই কলিকতাৰ পৰা।

এইখিনিতে উল্লেখযোগ্য যে ১৮৩২ শক অৰ্থাৎ ১৯১০ ইং চনত খটৱা সত্ৰৰ সত্ৰাধিকাৰ পুৱাৰাম মহন্তই শঙ্কৰদেৱৰ জীৱনী আকাৰে লিখা গ্ৰন্থখন লক্ষ্মীনাথ বেজবৰুৱাদেৱে 'বাঁহী' আলোচনীখনত 'গুৰু-চৰিত্ৰ' নাম দি ধাৰাবাহিকভাৱে প্ৰকাশ কৰিছিল। 'বাঁহী' আলোচনীখনত প্ৰকাশিত পুৱাৰাম মহন্তৰ 'গুৰু-চৰিত্ৰ'খন 'বাঁহী'ৰ দ্বিতীয় সংখ্যাৰ পৰা প্ৰথম বৰ্ষৰ একাদশ সংখ্যা অৰ্থাৎ ১৮৩৬ শক (১৯১৪ ইং)ৰ আহিন মাহ সংখ্যাত সম্পূৰ্ণ হয়। তাৎপৰ্য্যপূৰ্ণভাৱে তাৰ মাজতে বেজবৰুৱাদেৱে 'শঙ্কৰদেৱ' (১৯১১) আৰু 'শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ' (১৯১৪) শীৰ্ষক শঙ্কৰদেৱৰ জীৱনী দুখন প্ৰকাশ কৰে। বেজবৰুৱাৰ ৰচনাত পুৱাৰাম মহন্তৰ প্ৰভাৱ দেখা যায়। বেজবৰুৱাদেৱে তেখেতৰ পিতৃ দীননাথ বেজবৰুৱাৰ 'বৰচৰিত'খন পদ্যৰ পৰা গদ্যলৈ ৰূপান্তৰ কৰাৰ লগতে পুৱাৰাম মহন্তৰ 'গুৰু-চৰিত্ৰ'ৰ পৰাও সমল বুটলিছিল 'শঙ্কৰদেৱ' নামৰ জীৱনীখনত। পিছৰ 'শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ' নামৰ গ্ৰন্থখনত বেজবৰুৱাদেৱে কৈছে যে শঙ্কৰ-মাধৱৰ চৰিত পুথি কেইবাখনো পঢ়ি মিলাই আৰু মহাপুৰুষীয়া সত্ৰৰ সন্ত-মহন্তসকলৰ মুখে মুখে প্ৰচলিত হৈ অহা চৰিত্ৰ সুঁৱৰি জুকিয়াই লৈ এই কিতাপখন ৰচনা কৰিছে।

এই দিশৰ পৰা লক্ষ্য কৰিলে দেখা যায় শঙ্কৰদেৱৰ আধুনিক গদ্য জীৱনী ৰচয়িতাসকলৰ কাৰণে পুৱাৰাম মহন্ত আছিল বাটকটীয়া। কিন্তু পুৱাৰাম মহন্তৰ লিখনিত চক্ৰপাণি বৈৰাগীৰ 'কথা গুৰু চৰিত'ৰ প্ৰভাৱ আছিল সুস্পষ্ট আৰু মধ্যযুগীয় অসমীয়া গদ্যশৈলীৰ বঙালী প্ৰভাৱ যেনে মাতা ঠাকুৰাণী, সুতৰাং, জন্য, বাসা আদি অনেক শব্দ পোৱাৰ উপৰিও মধ্যযুগীয় অলৌকিকতাই স্থান পাইছে।

বিভিন্ন অধ্যয়নৰ পৰা দেখা যায় যে লক্ষ্মীনাথ বেজবৰুৱাৰ আগতে শঙ্কৰদেৱৰ জীৱনী সম্পৰ্কে যি চৰ্চা হৈছিল বিশেষকৈ গুৰু-চৰিত্ৰসমূহত, সেই চৰ্চা ধৰ্মগুৰু হিচাপেহে হৈছিল আৰু অলৌকিকতাৰ প্ৰলেপ আছিল, পদ্ধতিগত আৰু তথ্য-প্ৰমাণযুক্ত নাছিল। কিন্তু লক্ষ্মীনাথ বেজবৰুৱাদেৱে আধুনিক দৃষ্টিভঙ্গীৰে তথ্য-প্ৰামাণিকতাৰে শঙ্কৰদেৱক দাঙি ধৰিছিল। বেজবৰুৱাদেৱৰ লিখনিতো অলৌকিকতা আছিল যদিও সেইখিনি পাঠকে ইচ্ছা কৰিলে বৰ্জন কৰিব পাৰিব বুলি বেজবৰুৱাদেৱে নিজে কৈ গৈছে। বেজবৰুৱাদেৱৰ পিছত ড° বাণীকান্ত কাকতিদেৱে ১৯২৩ চনত ইংৰাজীত 'Sankardev' নামৰ এখনি সৰু গ্ৰন্থ ৰচনা কৰে। এই পুথিখন G.A. Notation & Company, Madras নামৰ প্ৰতিষ্ঠানে প্ৰকাশ কৰে। তেখেতৰ পিছত মহেশ্বৰ নেওগ, তীৰ্থনাথ শৰ্মা, ডিম্বেশ্বৰ নেওগ, কেশৱানন্দ দেৱ গোস্বামী, নাৰায়ণ চন্দ্ৰ গোস্বামী আদি অনেক পুৰোধা গুণী-জ্ঞানী বিদ্বৎ মণ্ডলীয়ে শঙ্কৰদেৱ চৰ্চা কৰি সমাজক অনেক দিছে। ■

# STUDENT'S INDISCIPLINE

✍ **Puja Balmiki**
*B.A. 3rd Semester*

**Introduction :** All over the world, one of the surning problem, today, is students indiscipline. India is not any exception to this. Indiscipline among student's leads to a situation where the student's doesn't listen to the teachers and take their own decisions. They often take law in their own hand, organize strikes and upset the peaceful life.

**Characteristics of Student's Indiscipline :**

1. Frustration and anxiety among student's.
2. Losing interest in the goals of the institution.
3. Involvement in different types of agitations and protest movements.
4. It makes youth socially isoloted and personally maladiusted.
5. Participation in examination malpractices.

**Importance of Student's life :** A student should always try to lead a discipline life. Student's life is a period of study and formation of character. It is the time when boys and girls should devote their time and energy is building up a sound body and a sound mind.

**Causes of Student's Indiscipline :** The factors that cause indiscipline in schools could be social, economic, political, psychological, intellectual etc. The causes of indiscipline are :

1. It is often seen that there is two much political interference in educational institutions.
2. Indiscipline among student's is bound to happen as long as degree remains a passport to a good job.
3. Confusion among student's regarding the ideals preached and real practices.
4. Strict rules and frequent and severe punishment in the school may have counter effect on the student's.
5. Alcoholism, smoking, drugs and substance abuse which have become grave social issues lead to student indiscipline.

This surning problem can be solved to a great extent with finally awareness & approach. The different ways of rectifying student indiscipline are :

1. A right approach to reorient the education system is necessary to make it more meaningful.
2. Another important way of checking student indiscipline is to completely wipe out the selfish influence of politicians on the students.
3. Inflicting physical and emotional pain in school can only have negative effects. Which should ever be entertained.
4. A loving and sympathetic attitude towards the student's is very necessary in the school.
5. Special attention must be given to slow learners and non-academically inclined and curuly student's.■

**References :**

Emerging Issues and Education–
Writer Name– Dr. Sadhana Goswami, Dr. Meena Kumari Devi



# GST ঃ এক আধুনিক কৰ সংস্কৰণ

✍ জিনু দাস
*অৰ্থনীতি বিভাগ*

Goods and Service Tax (GST) হ'ল এবিধ পৰোক্ষ কৰ, অসমীয়াত যাক সামগ্ৰী আৰু সেৱা কৰ বুলি কোৱা হয়। 'Tax' বা 'কৰ' এবিধ বাধ্যতামূলক ধনৰাশি, যি ধনৰাশি এখন দেশৰ প্ৰতিজন নাগৰিকে চৰকাৰক দিবলৈ বাধ্য। কৰ দুবিধ। এবিধ প্ৰত্যক্ষ কৰ যেনে— আয় কৰ, সম্পত্তি কৰ আৰু প্ৰত্যক্ষ কৰৰ লগত GST ৰ কোনো সম্পৰ্ক নাই। আনবিধ কৰ হ'ল পৰোক্ষ কৰ, যেনে— বিক্ৰীকৰ, দ্ৰব্য বিক্ৰীৰ জৰিয়তে এই কৰ সংগ্ৰহ হয়। GST যাইকৈ পৰোক্ষ কৰৰ লগত জড়িত। দ্ৰব্য আৰু সেৱা ক্ৰয় আৰু বিক্ৰয়ত কেইবাবিধো কৰ দিবলগীয়া হয়, সেইবোৰ হ'ল— Value Added Tax (মূল্য সংযোজন কৰ), Entertainment Tax (আমোদ কৰ), Surcharge (অতিৰিক্ত মাছুল), Excise Duty (আবকাৰী কৰ) ইত্যাদি। এনেবোৰ কৰ বস্তু বা সেৱাৰ ভিতৰত সুমুৱাই লোৱাৰ বাবে বস্তুৰ দাম বৃদ্ধি পায় আৰু ভোগকৰ্তাই (Consumer) উপভোগ কৰাৰ বাবে এনে কৰ দিবলৈ বাধ্য।

২০১৭ চনৰ ১ জুলাইৰ পৰা সমগ্ৰ ভাৰতবৰ্ষত GST প্ৰথা প্ৰৱৰ্তন হয়। এই কৰ প্ৰথা ভাৰতে কানাডাৰ দ্বৈত দ্ৰব্য আৰু সেৱা কৰৰ আধাৰত প্ৰৱৰ্তন কৰিবলৈ লৈছে। য'ত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ সমানে জড়িত হ'ব আৰু সংগৃহীত কৰ সমানে ভাগ কৰিব। GST প্ৰৱৰ্তন হোৱাৰ লগে লগে অন্যান্য যিবোৰ কৰ উপভোক্তাই দ্ৰব্য আৰু সেৱা উপভোগ কৰাৰ বাবে দি আহিছিল সেইবোৰ কৰ উঠি যাব। GST দ্ৰব্য উৎপাদনৰ উৎস আৰু সৰবৰাহৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। এইবিধ কৰ চাৰিটা স্তৰত আদায়ৰ ব্যৱস্থা থাকিব। সেই কেইটা হ'ল 5%, 12%, 18% আৰু 28%। সোণ আৰু মূল্যবান পাথৰৰ ক্ষেত্ৰত GST ক্ৰমে 3% আৰু 0.25% কৰ নিৰ্দ্ধাৰিত কৰিছে। অত্যাৱশ্যকীয় সামগ্ৰী আৰু সেৱা কিছুমানত 0% ধৰা হৈছে সেই দ্ৰব্য আৰু সেৱাসমূহ হ'ল– মাংস, কণী, গাখীৰ, মাখন, দৈ, মৌ, ফল-মূল, শাক-পাচলি, বাতৰি কাকত, আইনী কাগজ, দাইল জাতীয় সামগ্ৰী, নিমখ ইত্যাদি। সেৱাৰ ভিতৰত হোটেলৰ খৰচ 1000 টকাৰ তলত কোনো কৰ নাথাকিব।

5% GST লোৱা দ্ৰব্যসমূহ হ'ল— পেকেট খাদ্য, জোতা-চেণ্ডেল, ব্ৰেণ্ডেড পনীৰ, কফী, চাহ, মচলা, পিজা, ব্ৰেড, ঔষধ, কাজু বাদাম, ধূপ ইত্যাদি। সেৱাৰ ভিতৰত ৰে'ল আৰু বিমান ব্যয় 5% GSTত অন্তৰ্ভুক্ত হৈছে।

12% GST ৰ ভিতৰত ফলৰ ৰস, টুথপেষ্ট, চেলফোন, চিলাই মেচিন, নোট বুক, এক্সাৰচাইজ বুক, খেলৰ সামগ্ৰী ইত্যাদি। আনহাতে সাৰ, Non-AC হোটেল, বিজনেচ ক্লাচ এয়াৰ টিকেট 12% GST স্তৰৰ ভিতৰত অন্তৰ্ভুক্ত হৈছে।

18% GSTৰ ভিতৰত ইলেকট্ৰিক সামগ্ৰী, CCTV, প্ৰিন্টিং সামগ্ৰী ইত্যাদি আৰু সেৱাৰ ভিতৰত, টেলিকম সেৱা, I.T. সেৱা ব্ৰেণ্ডেড সাজসজ্জা ইত্যাদি।

28% GSTৰ ভিতৰত চেম্পু, ঘৰ বন্ধা সঁজুলি, কাপোৰ ধোৱা যন্ত্ৰ, গাড়ী, মটৰ চাইকেল, পানমছলা আৰু আন আন বিলাসী সামগ্ৰীসমূহ আনহাতে হোটেলত থকা খোৱাৰ ক্ষেত্ৰত 7,500 টকাৰ অধিক হ'লে 28% GSTৰ ভিতৰত অন্তৰ্ভুক্ত হ'ব।

GSTৰ প্ৰৱৰ্তনৰ ফলত 'Tax on Tax' আগতে থকাৰ দৰে কৰৰ ওপৰত কৰ প্ৰদান ব্যৱস্থা নাথাকিব। 'One Nation One Tax' নীতি বলবৎ হ'ব। সকলো ৰাজ্যতে সামগ্ৰী আৰু সেৱাৰ দাম একে হ'ব। এটি সাধাৰণ উদাহৰণৰ দ্বাৰা GST ৰ বিষয়ে ভালদৰে জানিব পাৰিম। ধৰা হ'ল— ৰাজু নামৰ ল'ৰাটোৱে তাৰ জন্মদিন উপলক্ষে স্কুলত চকলেট বিলাব লাগে। ৰাতিপুৱা স্কুললৈ যাওঁতে সি তাৰ ক্লাচৰ বন্ধু পিংকু আৰু মাকক লগ পালে আৰু তেওঁলোকে ৰাজুক জন্মদিনৰ শুভেচ্ছা জনোৱাত ৰাজুৱে দুয়োজনকে দুটাকৈ চকলেট দিলে। তাৰ পিছত স্কুলৰ গেটত চকীদাৰজনে ৰাজুক জন্মদিনৰ শুভেচ্ছা জনোৱাত ৰাজুৱে তেওঁকো দুটা চকলেট দিলে। এইবাৰ ক্লাচৰুম পোৱাত শিক্ষক আৰু আন আন ক্লাচৰ বন্ধুসকলে ৰাজুক জন্মদিনৰ শুভেচ্ছা জনালে আৰু ৰাজুৱে প্ৰত্যেককে দুটাকৈ চকলেট দিলে। কেইদিনমান পিছত স্কুলৰ প্ৰধান শিক্ষকে নতুন নিয়ম কৰিলে যে প্ৰত্যেক

শিক্ষাৰ্থীয়ে তেওঁলোকৰ জন্মদিনৰ চকলেট ব্যক্তিগতভাৱে বিতৰণ নকৰি প্ৰধান শিক্ষকক দিব আৰু প্ৰধান শিক্ষকে চকলেট সমভাৱে বিলোৱাৰ ব্যৱস্থা কৰিব। GST ঠিক তেনেকুৱা। নতুন নিয়ম কৰাৰ আগতে ৰাজুৱে বটিত পিংকু আৰু মাৰ্কক TDS (Tax Deducts at Source) দিলে। চকীদাৰক (Entry Fees) দিলে। ক্লাচ ৰূমত Entertainment Tax (আমোদ কৰ) দিলে। তাৰোপৰি তাৰ বন্ধু পিংকুৱে স্কুললৈ আহোতে আৰু ক্লাচৰূমত দুটা+দুটা মুঠ চাৰিটা চকলেট (Double Tax) পালে। স্কুলত প্ৰধান শিক্ষকে নতুন নিয়ম কৰিলে আৰু ঠিক তেনেদৰে ভাৰত চৰকাৰেও GST প্ৰবৰ্তনেৰে কৰ সংগ্ৰহৰ নৱ সংস্কৰণ কৰিলে। ইয়াৰ ফলত কৰ ফাঁকি, দুবাৰ কৰ দিয়া প্ৰথা আৰু কৰৰ ওপৰত কৰ দিয়াৰ প্ৰথা ভৱিষ্যতত নাইকিয়া হ'ব। সংগৃহীত কৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহে ভগাই ল'ব। GST এটা পৰোক্ষ কৰ আৰু এই কৰ উপভোক্তাইহে প্ৰদান কৰিব। গতিকে দ্ৰব্য সামগ্ৰী যিখন ৰাজ্যত উৎপাদন হ'ব সেইখন ৰাজ্যই এই কৰ দিব নালাগে অৰ্থাৎ যিখন ৰাজ্যৰ নাগৰিকে দ্ৰব্যবিধ উপভোগ কৰিব তেওঁলোকেহে GST পৰিশোধ কৰিব লাগিব।

GSTক আকৌ CGST, SGST আৰু IGST হিচাপে কৰ আৰোপ কৰিব। CGST (Central Goods and Service Tax), SGST (State Goods and Service Tax), IGST (Intra-State Goods and Service Tax)। CGST হ'ল কেন্দ্ৰীয় চৰকাৰৰ ভাগৰ কৰ, SGST হ'ল ৰাজ্য চৰকাৰৰ ভাগৰ কৰ আৰু IGST ত CGST আৰু SGST ৰ পৰা কৰৰ ভাগ মিলোৱা হ'ব।

GST ৰ সুবিধা আৰু অসুবিধা নিশ্চয় আছে। সুবিধাবোৰৰ ভিতৰত GST প্ৰবৰ্তনৰ ফলত লেনদেনৰ খৰচ কমিব আৰু অনাগতিয়াল ব্যয় হ্ৰাস পাব। কৰৰ বহুতৰপীয়া বোজা হ্ৰাস পাব, গড় কৰৰ ভাৰ কমিব। ভ্ৰষ্টাচাৰ কমিব আৰু ভাৰতৰ ৰাজ্যসমূহৰ মাজত বস্তুৰ দাম একেই থাকিব। দুবাৰ কৰ দিয়া প্ৰথা বিলোপ পাব।

অসুবিধাৰ ভিতৰত কিছুসংখ্যক লোকৰ মতে CGST আৰু SGST হ'ল VAT, Service Tax ইত্যাদিৰ দৰে। GST এক স্বতন্ত্ৰ কৰ ব্যৱস্থা বুলি অভিহিত কৰিছে, যদিও কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে কৰ বেলেগে বেলেগে সংগ্ৰহ কৰিব। বিমানযাত্ৰীসকল GST ৰ ফলত বেছিকৈ ক্ষতিগ্ৰস্ত হ'ব, কিয়নো বৰ্তমান 6%ৰ পৰা 9% বিমান ভাড়াৰ পৰা 15% বৃদ্ধি পাব।

সি যি কি নহওঁক ভাৰতবৰ্ষৰ বিকাশ GST ৰ ফলত 10% বৃদ্ধি পাব বুলি অৰ্থনীতিবিদসকলে ধাৰণা কৰিছে। দেশজুৰি এখন বজাৰৰ অৰ্থনীতি প্ৰবৰ্তনে ভাৰতীয় অৰ্থনীতিক এক শক্তিশালী ৰূপত প্ৰতিষ্ঠিত কৰিব পাৰিব বুলি ইতিবাচক আশা কৰিব পৰা যায়। ■

■ ■ ■

## মহৎলোকৰ বাণী

- পঢ়াশালিবোৰে ল'ৰা-ছোৱালীক কেতিয়াও সভ্য কৰিব নোৱাৰে, যদি পঢ়াশালিৰ পৰা বাহিৰলৈ আহি ৰাস্তাত ভৰি দিয়া মাত্ৰকতে সিহঁতক পুনৰ অসভ্য কৰিব তুলিবলৈ পৃথিৱীখন সাজু হৈ থাকে।

  — *জে.বি.প্ৰিষ্টলি*

- সুযোগৰ সদ্ ব্যৱহাৰ কৰিব জনাটো নিশ্চয় অতি দৰকাৰী কথা। কিন্তু ঠিক তাৰ পিছতেই জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল, পোৱা সুযোগ কিয় আৰু কেতিয়া এৰি দিব লাগে সেই কথা জনাটো।

  — *বেঞ্জামিন ডিজৰেলি*



# অসমীয়া খাদ্যত সমন্বয়ৰ সেঁতু

✍ পূৰ্ণিমা দেৱী
*স্নাতকোত্তৰ, ৪ৰ্থ যাণ্মাসিক*

অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। যুগ যুগ ধৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক উপাদানসমূহৰ আদান-প্ৰদান আৰু বিনিময়ৰ যোগেদি সাংস্কৃতিক সমাহৰণ আৰু সংস্কৃতি গ্ৰহণৰ মাধ্যমেদি পৰিবৰ্তিত ৰূপত বৃহত্তৰ অসমীয়া সংস্কৃতিয়ে বৰ্ণাঢ্য ৰূপ পৰিগ্ৰহণ কৰিছে। সেইবাবেই কোন জনগোষ্ঠীৰ মাধ্যমেদি কোনবিধ উপাদান অসমীয়া সংস্কৃতিত প্ৰৱেশ কৰিছে, সেই কথা খাটাংকৈ ক'ব পৰা টান।

অসমীয়া জাতি গঠন প্ৰক্ৰিয়াও ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ তুলনাত যথেষ্ট সুকীয়া বৈশিষ্ট্যৰে পৰিপূৰ্ণ। অষ্ট্ৰিক, মংগোলীয়, দ্ৰাৱিড়, নৰ্ডিক ইত্যাদি বিভিন্ন নৃগোষ্ঠীৰ লোক অসমত যুগ যুগ ধৰি বসবাস কৰি আহিছে আৰু সেই নৃগোষ্ঠীসমূহৰ পাৰস্পৰিক আদান-প্ৰদান, বিনিময় আৰু সমিলমিলৰ যোগেদি বৃহত্তৰ অসমীয়া সংস্কৃতিৰ সৃষ্টি হৈছে। অসমীয়া সংস্কৃতিৰ পৰিপুষ্টি আৰু বিকাশত ভাৰতত অতি প্ৰাচীন কালৰে পৰা বসবাস কৰি অহা জনজাতীয় মূলত বিবিধ জনগোষ্ঠীৰ প্ৰভাৱ গভীৰ আৰু সুবিস্তৃত। এই জনজাতিসমূহৰ ভিতৰত বিশেষকৈ কাৰ্বি, বড়ো, ৰাভা, দেউৰী, মিছিং, সোণোৱাল, কছাৰী, হাজং, গাৰো, লালুং, আবৰ, মিচিমি, খামতি আদিৰ প্ৰভাৱ সুস্পষ্ট। জনগোষ্ঠীসমূহৰ বিভিন্ন উপাদান সমন্বয় ঘটাৰ লগতে খাদ্য সম্ভাৰৰ ক্ষেত্ৰতো সমন্বয় ঘটা দেখা যায় অসমীয়াৰ লগত। অসমীয়া খাদ্য সম্ভাৰসমূহো জনজাতিসমূহে গ্ৰহণ কৰা দেখা যায়।

মানুহ জীয়াই থাকিবলৈ অতি প্ৰয়োজনীয় উপাদান হ'ল ঃ খাবলৈ আহাৰ, থাকিবলৈ আশ্ৰয়স্থল আৰু পিন্ধিবলৈ বস্ত্ৰ। ইয়াৰে প্ৰধান খাদ্য বা আহাৰ। মানুহে খাদ্য গ্ৰহণ নকৰিলে জীয়াই থাকিব নোৱাৰে, শৰীৰত লাগতিয়াল উপাদানসমূহৰ কাৰণে খাদ্যৰ দৰকাৰ। পৃথিৱীত মানুহ সৃষ্টি হোৱাৰ পৰাই খাদ্য খাবলৈ শিকিছে। সেই খাদ্য কেঁচায়েই হওঁক কিম্বা শিলে শিলে খহিয়াই উৎপন্ন কৰা জুইত পুৰিয়েই হওঁক। তাহানি দিনৰ পৰা আজিলৈকে মানুহে বিভিন্ন স্তৰেৰে আগবাঢ়ি খাদ্য সিজাই সুস্বাদু কৰি খাবলৈ শিকিলে। বৰ্তমান সময়ত সুস্বাদু খাদ্য, বিভিন্ন তৰহৰ ব্যঞ্জন তৈয়াৰ কৰাৰ ক্ষেত্ৰত এটা জাতিৰ লগত আন এটা জাতিৰ অৱদান অপৰিহাৰ্য। জনজাতিসমূহেও অসমীয়া জাতিৰ কিছুমান ৰুচিপূৰ্ণ খাদ্যসম্ভাৰ বুটলি নি তেওঁলোকৰ সংস্কৃতিত স্থান দিছে। ঠিক সেইদৰে অসমীয়া সমাজেও অনুৰূপভাৱে জনজাতীয় খাদ্য আঁকোৱালী লৈছে।

অজনজাতিৰ কিছু খাদ্য জনজাতীয় সমাজৰ লগত সমন্বয় হোৱা দেখা যায়। অসমীয়া মানুহৰ প্ৰধান খাদ্য হ'ল ভাত। তেওঁলোকে ভাতৰ লগত সুস্বাদু ব্যঞ্জন তৈয়াৰ কৰে। অজনজাতি লোকসকলৰ নিজস্ব খাদ্য সম্ভাৰ থকা স্বত্বেও সময়ৰ অগ্ৰগতিৰ লগে লগে জনজাতিসমূহৰ খাদ্য গ্ৰহণ কৰিবলৈ ধৰিছে। পুৰণি কালত জনজাতিসমূহ সমাজ পাতি বাস কৰিছিল, সেয়েহে হয়তো তেওঁলোকৰ সংস্কৃতি সেই সমাজতে সীমাবদ্ধ আছিল। বৰ্তমান সময়ত জনজাতিসমূহৰ কিছুসংখ্যক লোক শিক্ষা-দীক্ষা, কৰ্ম-সংস্থাপন আদি সূত্ৰে নগৰ-চহৰমুখী হোৱাত তেওঁলোকৰ সংস্কৃতি অইন সংস্কৃতিৰ লগত যোগসূত্ৰ স্থাপন হয়।

অসমীয়া মানুহৰ ৰন্ধন কাৰ্যত ব্যৱহাৰ কৰা তেল-মচলাবোৰৰ সুকীয়া বৈশিষ্ট্য আছে। সাধাৰণতে উৎপাদিত সৰিয়হ পেৰি অৰ্থাৎ তেল উৎপন্ন কৰি গোটেই বছৰটোৰ বাবে সংৰক্ষণ কৰি ৰাখি অতীতত সুস্বাদু ব্যঞ্জন তৈয়াৰ কৰিছিল। তেনেদৰে পুৰণি কালত জনজাতিসমূহৰ ৰন্ধনপ্ৰণালী তেনেই সাধাৰণ আছিল। আহাৰৰ উপযোগী সকলো বস্তুকে সিজাই খাইছিল। শিক্ষাৰ পোহৰ পোৱা দুই এঘৰ বড়ো-কছাৰী পৰিয়ালতহে ৰান্ধি খোৱা কাৰ্য দেখা যায়। অজনজাতি সমাজত মচলাৰ ভিতৰত ঘৰতে উৎপাদিত হোৱা আদা, হালধি, নহৰু, পিয়াজ, জলকীয়া, জালুক আদিৰ বাহিৰেও জাবৰাং, হিং আদি খাদ্যত ব্যৱহাৰ কৰিছিল। লগতে খাদ্য সুগন্ধিযুক্ত হ'বলৈ লং, এলাচি, ডালচেনি আদিও ব্যৱহাৰ কৰিছিল। জনজাতি সমাজেও এইবোৰ খাদ্যদ্ৰব্য গ্ৰহণ কৰি পৰৱৰ্তী সময়ত খাদ্য সুস্বাদু কৰিবলৈ ব্যৱহাৰ কৰা দেখা যায়। অজনজাতি লোকসকলৰ গাখীৰ প্ৰিয় খাদ্য। তেওঁলোকে ঘৰতে গৰু, ছাগলী, ম'হ আদি পালন কৰে। জনজাতি লোকসকলে পূৰ্বতে গৰু, ছাগলী পালন কৰিছিল যদিও গাখীৰ নাখাইছিল। তেওঁলোকে নাজানিছিল গাখীৰ

এৰিধ পুষ্টিকৰ খাদ্য। পৰৱৰ্তী সময়ত অজনজাতীয় লোকৰ মাজত বাস কৰিবলৈ ধৰাতহে গাখীৰ ব্যৱহাৰ কৰিবলৈ ধৰিলে। আকৌ গাখীৰৰ পৰা তৈয়াৰ কৰা খীৰ, খীৰৰ লাড়ু, পায়স, চাউলৰ পৰা প্ৰস্তুত কৰা চিৰা, মুৰি, আখৈ আদি অসমীয়াৰ চিৰকলীয়া জলপানৰ উপাদান। বৰ্তমান জনজাতি সমাজতো এইবোৰ খাদ্য অতি প্ৰিয় হোৱা দেখা যায়। অজনজাতীয় সমাজত দৈৰ বিশেষ ভূমিকা আছে। তেওঁলোকে বাঁহৰ চুঙা, মাটিৰ কলহ, কটাত দৈ সংৰক্ষণ কৰিছিল। এই দৈ ঘৰতে প্ৰস্তুত কৰা গুড়ৰ সৈতে খোৱাৰ আনন্দই সুকীয়া। সান্দহ, চিৰা, আখৈ, ভজা পিঠাগুৰি আদিৰ সৈতে দৈ খোৱাৰ পৰম্পৰা অতি পুৰণি। এইবোৰ পৰম্পৰা অনুকৰণ কৰি জনজাতীয় সমাজেও দৈ জলপান হিচাপে গ্ৰহণ কৰিছে।

তাহানিৰ দিনৰে পৰা অজনজাতি সমাজে ধানৰ পৰা চাউল প্ৰস্তুত কৰিবলৈ ঢেঁকীৰ সহায় লৈছিল। বৰ্তমান কম সময়তে উপলব্ধ হোৱাকৈ সহজ পদ্ধতি বৈদ্যুতিক যন্ত্ৰৰ সহায় লোৱা হয়। তেনেদৰে জনজাতিসমূহৰ উৰাল অজনজাতিয়েও গ্ৰহণ কৰা দেখা যায়।

পুৰণি কালত জনজাতীয় সমাজত খাদ্য সিজাই সুস্বাদু কৰি খাব নাজানিছিল। পাহাৰ-জংঘলত পোৱা শাক-পাচলিকে সিজাই খাইছিল। মচুৰ দাইল, মুগ দাইল, বুট দাইল তেওঁলোকৰ সহজলভ্য নাছিল। পিছলৈ অজনজাতীয় মানুহৰ সান্নিধ্যলৈ আহি শাক-পাচলি ভালদৰে সিজাই লগতে বিভিন্ন দাইল খাবলৈ ধৰিলে।

অজনজাতিসকলে ব্যৱহাৰ কৰা মুখৰোচক খাদ্য বিস্কুট, মিঠাই আদি বৰ্তমান জনজাতীয় লোকসমূহেও খোৱা দেখা যায়। লগতে জনজাতীয় লোকসমূহে বৰ্তমান হোটেল, ৰেষ্টুৰেণ্ট্ আদিত সোমাই আহাৰ গ্ৰহণ কৰা দেখা যায়।

আকৌ তেনেদৰে জনজাতীয় কিছুমান খাদ্য অজনজাতিৰ সমাজৰ লগত সমন্বয় ঘটা দেখা যায়। জনজাতিসকলৰ এবিধ প্ৰিয় খাদ্য হ'ল মাংস। তেওঁলোকে ঘৰতে হাঁহ, কুকুৰা, গাহৰি পালন কৰি বিক্ৰি কৰাৰ লগতে তাৰ মাংস গ্ৰহণ কৰে। ৰাভা, তিৱা, মিচিং, মিচিমি, খামটি আদি জনজাতিৰ মাংস অতি প্ৰিয়। পোনতে অজনজাতিসকলৰ ভিতৰত বিশেষকৈ ব্ৰাহ্মণ সম্প্ৰদায়ত মাছ-মাংস নাখাইছিল, পিছলৈ জনজাতিসমূহৰ প্ৰভাৱ পুষ্ট হৈ মাছ-মাংস গ্ৰহণ কৰিবলৈ ধৰিলে। লগতে অজনজাতীয় মানুহে ঘৰতে গাহৰি, কুকুৰা, হাঁহ পালন কৰি তাৰ মাংস খোৱাৰ লগতে ফাৰ্ম খুলি স্বাৱলম্বী হৈছে।

জনজাতি সমাজত হাবি-জংঘলৰ পৰা কেটেলা পহু, গুই সাপ, শহাপহু আদি চিকাৰ কৰি তাৰ মাংস খায়। লগতে মিৰিগা, শিঙি, কেকোঁৰা আদি খোৱা দেখা যায়। এইবোৰ খাদ্য পিছলৈ অজনজাতি লোকসকলেও খাবলৈ ধৰা দেখা যায়। জনজাতিসকলৰ মদ, বাঁহগাজ বা খৰিচা আদি পৰৱৰ্তী সময়ত অজনজাতীয়সকলৰ মাজলৈ আহে। ৰাভা, বড়ো, আবৰ, তিৱা, মিচিং আদি জনজাতিসমূহে মাছ-মাংস কেতিয়াবা একে সাঁজতে শেষ কৰিব নোৱাৰিলে শুকাই থয়। জনজাতিসকল খাৰ, টেঙাত বিশেষ আগ্ৰহী। বিভিন্ন শাক-পাচলিৰ লগত খাৰ দি, মাছেৰে বিভিন্ন টেঙা আঞ্জা, পিটিকা আদি তেওঁলোকৰ সুস্বাদু খাদ্য। খাৰ ঘৰতে তৈয়াৰ কৰি কাপোৰ ধোৱা, গা-মুৰ ধোৱা আদি কাৰ্যত জনজাতিসকলৰ লগতে অজনজাতিসকলেও ব্যৱহাৰ কৰা দেখা যায়। জনজাতিসকলে ধান, আলু, কচু, শাক-পাচলিৰ খেতি কৰি খোৱাৰ ফলত পিছলৈ অজনজাতিসকলেও খেতি-বাতি কৰিবলৈ ধৰে। তেনেদৰে জনজাতিসকলৰ চুঙাপিঠা অজনজাতিসকলেও গ্ৰহণ কৰা দেখা যায়।

মানুহৰ নতুনৰ প্ৰতি হাবিয়াস বহু বেছি, সেয়ে হয়তো নিজ নিজ সংস্কৃতিৰ খাদ্যসম্ভাৰ থকা স্বত্বেও অইন জাতি-জনজাতিৰ পৰা দেখি-শুনি তাক গ্ৰহণ কৰে। এক কথাত ক'বলৈ গ'লে মানুহ ভোজনপ্ৰিয়, যিবোৰ খাদ্য গ্ৰহণ কৰি তৃপ্তি পোৱা যায় তাক মানুহে পোনতে আদৰি লয়। বৰ্তমান সময়ত বিভিন্ন জাতি-জনজাতিৰ লোক একেলগে বাস কৰাৰ ফলত নিজৰ নিজৰ সংস্কৃতিৰ লগতে খাদ্যৰ আদান-প্ৰদান হোৱা দেখা যায়। বৰ্তমান সময়ত গঢ়ি উঠা হোটেল, ৰেষ্টুৰেণ্ট আদিৰ মাধ্যমেৰেও মানুহে নতুন নতুন খাদ্য গ্ৰহণ কৰিব পাৰিছে। যিবোৰ খাদ্য বৰ্তমান বিলুপ্তি পথত অগ্ৰগতি, তাক জাতি-জনজাতিসমূহৰ পৰা তুলি লৈ নতুন পদ্ধতি প্ৰয়োগেৰে মানুহৰ ৰুচিপূৰ্ণ কৰি তুলিছে।

সদৌ শেষত এইটো উপলব্ধি কৰিব পাৰি যে বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনৰ সংগমস্থল অসম বাৰেবৰণীয়া লোক-সংস্কৃতিৰ আকৰ। ■

■ ■ ■



# জলবায়ু পৰিৱৰ্তন আৰু পৰিৱেশীয় অৰ্থনীতি

ড° নিবেদিতা দেৱী
*অৰ্থনীতি বিভাগ*

জলবায়ু পৰিৱৰ্তন বৰ্তমান পৰিৱেশীয় অৰ্থনীতিত এক মূল বিষয়বস্তু হৈ পৰিছে। প্ৰকৃতিয়ে পৰিৱেশীয় উপাদানবোৰৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ অহৰহ প্ৰচেষ্টা চলাই আহিছে, কিন্তু মানৱ জাতিৰ বিশৃংখলতাৰ বাবেই এই ভাৰসাম্যতা আঘাতপ্ৰাপ্ত হৈছে আৰু জলবায়ু পৰিৱৰ্তনৰ দৰে বিৰল ঘটনাসমূহ হ'বলৈ ধৰিছে। জৈৱ বৈচিত্ৰতাৰ ধাৰাবাহিক অৱক্ষয়ে জলবায়ুৰ স্বাভাৱিক প্ৰক্ৰিয়াসমূহক বাধাপ্ৰাপ্ত কৰিছে। অৰ্থনীতিবিদ সকলৰ মতে বিংশ শতাব্দীৰ দ্বিতীয়াৰ্দ্ধৰ পৰা এই ভূ-পৃষ্ঠত যিমানবোৰ উন্নয়ন সংক্ৰান্তিয় কাৰ্যপ্ৰণালী সংঘটিত হ'ল তাৰেই পৰিণতি হৈছে জলবায়ু পৰিৱৰ্তন। জলবায়ু পৰিৱৰ্তনৰ ফলত হোৱা প্ৰত্যক্ষ পৰিৱৰ্তনবোৰ হ'ল গোলকীয় উষ্ণতা বৃদ্ধি, সেউজ গৃহৰ প্ৰভাৱ, খাদ্য শস্য উৎপাদনত প্ৰভাৱ, সমুদ্ৰৰ জলপৃষ্ঠৰ উচ্চতা বৃদ্ধি, স্বাস্থ্যক ওপৰত প্ৰভাৱ, কৃষিৰ ওপৰত প্ৰভাৱ ইত্যাদি। পৰিৱেশ অৰ্থনীতিৰ সৃষ্টি হৈছে বিশ্ব ব্ৰহ্মাণ্ডৰ প্ৰাকৃতিক সম্পদৰ আহৰণ, শোষণ আৰু ইয়াৰ ব্যৱহাৰৰ পৰা পৰিৱেশ অৰ্থনীতিয়ে এই সম্পদসমূহৰ যেনে- বনজ সম্পদ, খনিজ সম্পদ, ভূমি সম্পদ, জল সম্পদ, শক্তি সম্পদ আদিৰ প্ৰায়োগিক দিশটো সামৰি লয়। এই প্ৰায়োগিক দিশৰ ভিতৰত জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱৰ পৰা এই সম্পদসমূহক মুক্ত কৰি ৰখাটোৱে এক গুৰুত্বপূৰ্ণ স্থান পায়। তাৰ উপৰিও প্ৰদূষণৰ নিয়ন্ত্ৰণ কৰি বহনক্ষম উন্নয়নৰ বাট কিদৰে মোকলাব লাগে সেই দিশটোও পৰিৱেশ অৰ্থনীতিৰ বিষয়বস্তু। বৰ্তমান পৃথিৱীৰ প্ৰায়বোৰ দেশে জলবায়ু পৰিৱৰ্তনৰ গ্ৰাসত পৰিছে আৰু গোলকীয় উষ্ণতা বৃদ্ধি ইয়াৰ প্ৰধান কুফল ৰূপে দেখা দিছে। জলবায়ু পৰিৱৰ্তনৰ ফলত বৰ্তমান পৃথিৱীৰ সাগৰপৃষ্ঠ ৮ ইঞ্চি বৃদ্ধি হৈছে আৰু ই দুগুণ হ'ব বুলি কোৱা হৈছে। গোলকীয় উষ্ণতা ২.০ ডিগ্ৰী ফাৰেণহাইট বৃদ্ধি পাইছে। ইয়াৰ ফলত সাগৰৰ পানীত উষ্ণতা বৃদ্ধি হৈছে। গ্ৰীণলেণ্ড আৰু এণ্টাৰকটিকাত বৰফ গলিবলৈ আৰম্ভ কৰিছে। বৰফাবৃত পৰ্ব্বতসমূহ বৰফ নোহোৱা হ'ব ধৰিছে। কৰবাত বৰষুণৰ পৰিমাণ অত্যাধিক হৈছে আৰু কৰবাত উষ্ণতাৰ প্ৰকোপ বৃদ্ধি পাইছে আৰু ই দীৰ্ঘ সময়যুৰি অপৰিৱৰ্তিত হৈ আছে।

পৰিৱেশীয় অৰ্থনীতিত এই জলবায়ু পৰিৱৰ্তন এক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰা হৈছে। যিহেতু মানৱ সৃষ্ট প্ৰদূষণৰ বাবেই গোলকীয় উষ্ণতা যথেষ্ট বৃদ্ধি হৈছে সেয়ে এনে প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে বিভিন্ন সংগঠনে সমগ্ৰ বিশ্বতে নানা ধৰণৰ প্ৰদূষণ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰি আহিছে। ইয়াৰ ভিতৰত প্ৰদূষণ নিয়ন্ত্ৰণ ব্যয়ধাৰ্য্য কৰা, ধোঁৱা নিঃসৰণৰ পৰিমাণ কমোৱা, সেউজ পৃথিৱীৰ সৃষ্টিৰ বাবে প্ৰচুৰ বৃক্ষ ৰোপণ কৰা, কয়লাৰ খনিসমূহৰ কলা ধোঁৱা নিয়ন্ত্ৰণ কৰা, সৌৰ শক্তি ব্যৱহাৰ কৰা, আৱৰ্জনা নিয়ন্ত্ৰণৰ বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰা, শব্দ প্ৰদূষণ বন্ধ কৰা, পেট্ৰ'লজাত সামগ্ৰীৰ আৱৰ্জনা যাতে পানীৰ লগত মিহলি হ'ব নোৱাৰে তাৰ সুস্থিৰ ব্যৱস্থা কৰা, প্ৰদূষণ কৰ বৃদ্ধি কৰা ইত্যাদি। ২০১৫ চনৰ ৩০ নৱেম্বৰৰ পৰা ১২ ডিচেম্বৰলৈ ফ্ৰান্সৰ পেৰিচ চহৰত ৰাষ্ট্ৰসংঘৰ জলবায়ু পৰিৱৰ্তনৰ সন্মিলন অনুষ্ঠিত হৈছিল। বিশ্বৰ ১৯৬ খন দেশে ইয়াত যোগদান কৰিছিল। এই আলোচেও বহুতো আধুনিক পদক্ষেপ লোৱা হৈছিল প্ৰদূষণ নিয়ন্ত্ৰণ কৰি ধৰাক মুক্ত কৰাৰ বাবে। ২০৩০ ৰ পৰা ২০৫০ চনৰ ভিতৰত বিশ্বত ধোঁৱা নিৰ্গমনৰ পৰিমাণ শূণ্য কৰিবলৈ চেষ্টা কৰিব, সেউজ গৃহ গেছ যেনে, কাৰ্বন-ডাই-অক্সাইড ($CO_2$), CFC, মিথেন ($CH_4$), নাইট্ৰাচ অক্সাইড ($N_2O$) আদিৰ নিঃসৰণৰ পৰিমাণ কমাব লাগিব, দৰিদ্ৰতাৰ হাৰ কমাব লাগিব আদি বিষয় ইয়াত উন্মোচিত কৰিছিল। বিশেষকৈ $CO_2$ ৰ পিছতে মিথেন ($CH_4$), নাইট্ৰাচ অক্সাইড, CFCs গেছবোৰ বায়ুমণ্ডলক উত্তপ্ত কৰাৰ বাবে দায়ী বুলি কোৱা হৈছে। তলৰ তালিকাত সেউজগৃহ গেছৰ বৃদ্ধি উৎসবোৰ দেখুওৱা হ'ল।

তালিকা নং- ১

| সেউজ গৃহ গেছৰ নাম | বৃদ্ধিৰ উৎস |
|---|---|
| CFCs | বাতানুকুল যন্ত্ৰ (AC), ৰেফ্ৰিজাৰেটৰ |
| $CO_2$ (কাৰ্বন ডাই অক্সাইড) | জীৱাশ্ম ইন্ধন দহন, নিৰ্বনানীকৰণ |

| | |
|---|---|
| মিথেন ($CH_4$) | বেক্টেৰিয়াৰ দ্বাৰা জৈৱিক পদাৰ্থৰ বিয়োজন, জৈৱিক পদাৰ্থৰ অসম্পূৰ্ণ দহন, তেল আৰু প্ৰাকৃতিক গেছৰ উৎপাদন আৰু ব্যৱহাৰ |
| নাইট্ৰাচ অক্সাইড ($N_2O$) | নাইলনৰ সামগ্ৰী, নাইট্ৰজেনযুক্ত ইন্ধন দহন, সাৰ, ঘৰুৱা জন্তুৰ পৰা ওলোৱা অৱশিষ্টাংশ, নাইট্ৰেটৰ দ্বাৰা দূষিত ভূ-তলৰ পানী |

বৰ্তমান সমগ্ৰ বিশ্বতে প্লাষ্টিক প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে প্ৰতিযোগিতা চলিছে। মহাসাগৰ সমূহত প্লাষ্টিকে যি ভয়াবহ প্ৰদূষণৰ সৃষ্টি কৰিছে তাক আতৰাবলৈ পৃথিৱীৰ প্ৰায়বোৰ দেশে আগবাঢ়ি আহিছে। জৈৱ বৈচিত্ৰতাৰ অৱনতি ৰোধ কৰিবলৈ পৃথিৱীৰ প্ৰায়বোৰ দেশ আগবাঢ়ি আহিছে। পৰিৱেশ অৰ্থনীতিত তিনিটা R অৰ্থাৎ Reduce, Re-use আৰু Re-cycle ৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। ঋণাত্মক বাহ্যিকতা (Negative Externalily) দূৰ কৰি বজাৰ ব্যৱস্থাক শক্তিশালী কৰাৰ প্ৰয়াস কৰা হৈছে। প্ৰদূষণ কৰৰ মাত্ৰা বঢ়াই দিয়া হৈছে। ৰাজহুৱা সম্পদৰ প্ৰতি থকা অমনোযোগিতা হ্ৰাস কৰি ইয়াক অধিক গুৰুত্বপূৰ্ণ সম্পদ হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে। যোৱা ৭-৮ জুলাইত জাৰ্মানীত অনুষ্ঠিত G-২০ সন্মিলন অনুষ্ঠিত হৈ যায়। ইয়াত পাৰমাণৱিক অস্ত্ৰ নিষিদ্ধকৰণৰ চুক্তিত বিশ্বৰ ১২২ খন ৰাষ্ট্ৰই অনুমোদন জনায়। লগতে পেৰিছ জলবায়ু চুক্তি ৰূপায়ন কৰাৰ বাবেও ১৯ খন দেশে (ভাৰত সহ) সংকল্প গ্ৰহণ কৰে। অৱশ্যে আমেৰিকা যুক্তৰাষ্ট্ৰই ইয়াৰ ৰূপায়ণত কোনো গুৰুত্ব প্ৰদান কৰা নাই। এই সন্মিলনত বিশ্বৰ বহু পৰিৱেশ আৰু বিজ্ঞানী সংগঠনে কয়লাভিত্তিক উদ্যোগসমূহ বন্ধ কৰি গ্ৰীন হাউচ গেছৰ নিৰ্গমণ বন্ধ তথা পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত সকলো দেশকে আগবাঢ়ি অহাৰ বাবে আবেদন জনাইছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাদে আন প্ৰায়বোৰ দেশেই জলবায়ু পৰিৱৰ্তনৰ বিষয়টোৰ ক্ষেত্ৰত গুৰুত্ব প্ৰকাশ কৰি প্ৰদূষণ নিয়ন্ত্ৰণত আগভাগ লোৱাৰ বাবে সংকল্প গ্ৰহণ কৰে।

বিশ্বৰ জলবায়ু পৰিৱৰ্তনৰ বাবে অৰিহণা যোগোৱা সেউজ গৃহ গেছৰ নিৰ্গমণ অৰ্থনীতিত বিভিন্ন খণ্ডৰ পৰা হয়। ইয়াৰ ভিতৰত বনজ সম্পদ ধ্বংসৰ বাবে ১৭.৪% শক্তিৰ যোগানৰ পৰা ২৫.৯%, কৃষিখণ্ডৰ পৰা ১৩.৫% উদ্যোগ সমূহৰ পৰা ১৯.৪%, যান-বাহনৰ পৰা ১৩.১%, বাসগৃহ আৰু বাণিজ্যিক ক্ষেত্ৰ সমূহৰ পৰা ৭.৯%, আবৰ্জনা আৰু আৱৰ্জনামুক্ত পানীৰ পৰা ২.৮%, সেউজ গেছৰ নিৰ্গমণ হয়। ভাৰতবৰ্ষ, চীনদেশ, বাংলাদেশ, দক্ষিণ আমেৰিকাৰ দেশসমূহ সঘনাই জলবায়ু পৰিৱৰ্তনৰ গ্ৰাসত দেখা গৈছে। বৰ্তমান আমেৰিকা যুক্তৰাষ্টও প্ৰদূষণৰ গৰাহত পৰিছে। গতিকে বহনক্ষম উন্নয়নৰ উপাদান সমূহ বৃদ্ধিৰ যোগেদি বিশ্ববাসীয়ে এই অভাৱনীয় দুৰ্যোগৰ পৰা কিছু হলেও হাত সাৰিব পাৰিব। ইয়াৰ বাবে অৰ্থনৈতিক বিকাশ, সামাজিক সুৰক্ষা, এখন সুস্থ চৰকাৰ আৰু আইনৰ বান্ধোন, ভূমি আৰু বন সংৰক্ষণ, যান-বাহনৰ পৰা হোৱা প্ৰদূষণ নিয়ন্ত্ৰণ, পুনৰ উৎপাদন কৰিব পৰা সম্পদৰ আহৰণ বৃদ্ধি, জনস্বাস্থ্যৰ উন্নয়ন আদিৰ ওপৰত গুৰুত্ব দিব লাগিব। সমগ্ৰ বিশ্বৰ মানৱ জাতিৰ বাবে বহনযোগ্য উন্নয়ন এক দায়িত্ব আৰু কৰ্তব্য। ■

সহায়ক গ্ৰন্থ ঃ- The Indian Economic journal- Dec 2010
পৰিৱেশ অৰ্থনীতি - ড° জয়া বিশ্বাস, ছন্দা বিশ্বাস

■ ■ ■



# শিক্ষাৰ তৃতীয় পন্থা

✍ উপাসনা দেৱী
উঃ মাঃ, ১ম বৰ্ষ

শিক্ষা গ্ৰহণৰ পথ তিনিটা। পঢ়ি, শুনি আৰু দেখি শিকিব পাৰি। কিতাপসমূহ অধ্যয়ন কৰিলে আমাৰ জ্ঞান বাঢ়ে। শিক্ষকৰ পাঠদান শুনি, বিভিন্ন সভা-সমিতি আলোচনা শুনিও শিক্ষা গ্ৰহণ হয়। বিভিন্ন স্থান বা সামগ্ৰী, কীৰ্তিচিহ্ন আদি দেখিও শিকিব পৰা যায়। প্ৰথম আৰু দ্বিতীয় পথ দুটাৰে সততে শিক্ষা বা জ্ঞান আহৰণ কৰা দেখা যায়। তৃতীয় পথ দেখি শিকাৰ বিষয়েহে এই লিখনীৰে আলোচনা কৰাৰ চেষ্টা কৰিছোঁ। এইক্ষেত্ৰত কেইটামান উদাহৰণ উল্লেখ কৰা হ'ল।

১। ৰামায়ণত বৰ্ণিত ৰাম যেতিয়া বনবাসলৈ গৈছিল তেতিয়া তেওঁ ঋষি-মুণিসকলৰ আশ্ৰমবোৰত থাকিছিল আৰু তাত থকা বিজ্ঞ ঋষি-মুণিসকলৰ সৈতে সত আৰু ধৰ্মৰ আলোচনা কৰিছিল। সকলোবোৰ ঋষি-মুণিয়ে ৰামক বিভিন্ন নীতি শিক্ষাও প্ৰদান কৰিছিল। সেই উপদেশ, শিক্ষা আৰু অভিজ্ঞতাৰ পৰিণতিত ৰাম ৰজা হোৱাৰ উপৰিও পুৰুষোত্তম ৰামৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল।

২। মহাভাৰতত বৰ্ণিত পাণ্ডৱে দুৰ্য়োধনৰ বনবাসৰ সময়ত বিভিন্ন ঠাই ঘূৰি ফুৰি বিভিন্ন ঋষি-মুণি, ৰজা, দেৱতা, অসুৰ আদিৰ লগত হোৱা আলোচনা, যুদ্ধ, বৰ লাভ আৰু পীড়িতসকলক উদ্ধাৰ কৰি যি অভিজ্ঞতা আৰু শিক্ষা লাভ কৰিছিল তাৰ জৰিয়তে মহাভাৰতৰ যুদ্ধত জয়ী হৈছিল আৰু অশ্বমেধ যজ্ঞ কৰি শান্তিৰে শাসন চলাই যাব পাৰিছিল।

৩। নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক শংকৰদেৱেও দুবাৰকৈ ভাৰতবৰ্ষৰ বিভিন্ন তীৰ্থস্থান ভ্ৰমণ কৰি যি অভিজ্ঞতা সঞ্চয় কৰিছিল তাৰ জৰিয়তে বৰগীত, ভাওনা আদি ৰচনা কৰাৰ উপৰিও বিভিন্ন শাস্ত্ৰ অনুবাদ কৰি অসমীয়াসকলক নামঘৰ আৰু মণিকূটৰ জৰিয়তে একতাৰ ডোলেৰে বান্ধ খুৱাবলৈ সক্ষম হৈছিল।

৪। জাতিৰ পিতা মহাত্মা গান্ধীয়েও দক্ষিণ আফ্ৰিকাত ওকালতি কৰিবৰ বাবে গৈছিল যদিও তাত ইংৰাজসকলে ক'লা ছালৰ বাবে ৰে'লৰ পৰা নমাই দিয়া আৰু বিভিন্ন দেশত হোৱা আন্দোলন বিশেষকৈ দক্ষিণ আফ্ৰিকাৰ কৃষ্ণাঙ্গৰ ওপৰত হোৱা অত্যাচাৰ দেখি হোৱা অভিজ্ঞতাৰ জৰিয়তে ভাৰতবৰ্ষলৈ আহি অস্ত্ৰৰ বিপৰীতে সত্যাগ্ৰহৰ জৰিয়তে আন্দোলন আৰম্ভ কৰি প্ৰায় ২০০ বছৰীয়া ব্ৰিটিছ শাসকক ওফোৰাই ভাৰতক স্বাধীন কৰিব পাৰিছিল।

৫। ভূপেন হাজৰিকাদেৱে সৰুৰে পৰাই মণিৰাম দেৱান চিনেমাত অভিনয় আৰু গীতৰ জৰিয়তে যাযাবৰৰ জীৱন যাপন কৰি পৃথিৱীৰ বিভিন্ন স্থানলৈ গৈ তাতেই গীত ৰচনা কৰি সুৰ কৰি গাই মানুহক মোহিব পৰাৰ বাবেই ভূপেন হাজৰিকা হ'ব পাৰিছিল। য'তেই গৈছিল তাত দেখা দৃশ্যবোৰ, সংস্কৃতিবোৰ, মানুহৰ স্বভাৱ, প্ৰকৃতিৰ খেলাবোৰ দেখি তাৰ অভিজ্ঞতাবোৰ গানৰ মাজেৰে প্ৰকাশ কৰাৰ বাবে পৃথিৱীত প্ৰতিষ্ঠা লাভ কৰি অসম আৰু অসমীয়াৰ মান ৰাখিবলৈ সক্ষম হৈছিল।

ওপৰোক্ত উদাহৰণসমূহৰ জৰিয়তে কথাবোৰ শিকিব পাৰি বা অভিজ্ঞতা সঞ্চয় কৰিব পাৰি। গৱেষকসকলে ক্ষেত্ৰ অধ্যয়ন কৰাটো বাধ্যতামূলক। বৰ্তমান শিক্ষাৰ লগত সংগতি ৰাখি ক্ষেত্ৰ অধ্যয়ন বা প্ৰজেক্ট জমা দিয়াৰ ব্যৱস্থা কৰিছে। ইয়াৰ কাৰণ স্বৰূপে ক'ব পাৰি যে কিতাপৰ অধ্যয়নৰ বাদেও বিভিন্ন স্থানলৈ গৈ নন অভিজ্ঞতা সঞ্চয় কৰি শিক্ষা গ্ৰহণ কৰা।

আমাৰ পৰিয়ালটিও ভ্ৰমণপ্ৰিয় সেয়ে বিভিন্ন স্থান ভ্ৰমণ কৰা অভিজ্ঞতা সৰুৰ পৰাই অৰ্জন কৰিবলৈ সুযোগ পাইছোঁ। বৰ্তমানলৈ অসমৰ প্ৰায়বোৰ ঠাই চোৱাৰ উপৰিও ইটানগৰ, পৰশুৰামকুণ্ড, শ্বিলং, হৰিদ্বাৰ, লক্ষ্ণৌ, দিল্লী, আগ্ৰা, মথুৰা, বৃন্দাবন, কাশী, এলাহাবাদ, সীতামৌৰী, অযোধ্যা, কলিকতা, পুৰী, ভূবনেশ্বৰ, মুম্বাই, নাচিক, পঞ্চৱতী, এলিফেন্টা কুৰুক্ষেত্ৰ, অমৃতচৰৰ— জালিয়ানৱালাবাগ, স্বৰ্ণ মন্দিৰ, ৱাঘা বোৰ্ডাৰ, জম্মু আৰু বৈষ্ণ দেৱী আদি দৰ্শন কৰি জীৱনত যথেষ্ট অভিজ্ঞতা আৰু জ্ঞান আহৰণ কৰিবলৈ সক্ষম হৈছে। সেয়ে সকলোকে আমোদ, অভিজ্ঞতা আৰু প্ৰকৃত জ্ঞান অৰ্জনৰ বাবে বছৰি কমেও এবাৰ হ'লেও ভ্ৰমণ কৰাৰ বাবে অনুৰোধ জনালোঁ। ■

# মাৰ্ক্সবাদ ঃ এটি আলোচনা

✍ ৰুমী দাস
*অসমীয়া বিভাগ*

<u>প্ৰস্তাৱনা</u> ঃ মাৰ্ক্সবাদৰ উদ্ভৱ আৰু বিকাশ ঐতিহাসিক পটভূমিত গঢ় লৈ উঠে। এই মাৰ্ক্সবাদৰ প্ৰবক্তা হ'ল কাৰ্লমাৰ্ক্স। কাৰ্লমাৰ্ক্স সমাজতন্ত্ৰৰ সম্পৰ্কে নানা মত পোষণ কৰিছিল। তেওঁ বিপ্লৱী নিঃস্ব শ্ৰেণীৰ নিজস্ব সমাজতান্ত্ৰিক প্ৰচেষ্টাৰ মূল নীতি আৰু কাৰ্যপদ্ধতি গঠন কৰিছিল। এইক্ষেত্ৰত আলেকজেণ্ডাৰ গ্ৰেৰ মতে "দক্ষ কাৰিকৰে বিভিন্ন ঠাইৰ পৰা বিভিন্ন সামগ্ৰী যোগাৰ কৰি আনি তাত নিজৰ কাৰিকৰী দক্ষতা খটুৱাই ধুনীয়া সামগ্ৰী তৈয়াৰ কৰাৰ নিচিনা মাৰ্ক্সেও বিভিন্ন লেখকৰ ধাৰণাৰ আলমত তেওঁৰ সিদ্ধান্তসমূহ প্ৰকাশ কৰিছিল।" মাৰ্ক্স আছিল এজন দক্ষ মালিৰ নিচিনা। মালিয়ে তেওঁৰ বগুৰ আৰু বিভিন্ন প্ৰকাৰৰ ফুল সংগ্ৰহ কৰি ধুনীয়া মালা তৈয়াৰ কৰাৰ নিচিনা মাৰ্ক্সেও বিভিন্ন উৎসৰ পৰা তথ্য পাতি সংগ্ৰহ কৰি বৈজ্ঞানিক সমাজবাদৰ মালা এনে ধুনীয়াকৈ তৈয়াৰ কৰিছিল যে ই সৰ্বহাৰাৰ গলত এই বৈজ্ঞানিক সমাজবাদৰ মালা ধুনীয়া দেখা গৈছিল। জাৰ্মান, ইংৰাজ আৰু ফ্ৰান্সৰ লেখকৰপৰা মাৰ্ক্সে তথ্য-পাতি সংগ্ৰহ কৰিছিল।

মাৰ্ক্সবাদে অৰ্থনীতি, সমাজনীতি, দৰ্শন, সাহিত্য তত্ত্ব, ৰাষ্ট্ৰ সম্পৰ্কে ধাৰণা আদি বিভিন্ন বিষয়ৰ ওপৰত মতামত আগবঢ়ায়।

<u>মাৰ্ক্সবাদ</u> ঃ মাৰ্ক্সবাদ কোনো শাস্ত্ৰবদ্ধ চৰম সত্যধাৰণাকাৰী, অনঢ়, স্বয়ং সম্পূৰ্ণ পুথিগত মতবাদ নহয়। ই এক বিজ্ঞান, মাৰ্ক্সবাদৰ মৰ্মবস্তু হৈছে তাৰ বিশ্লেষণৰ বৈজ্ঞানিক পদ্ধতি, তাৰ দ্বন্দ্বমূলক দৃষ্টিভংগী, তত্ত্ব আৰু প্ৰয়োগৰ আন্তঃসম্পৰ্ক বিষয়ক সূত্ৰভিত্তি যিটো বাস্তৱক বুজাৰ সঠিক পদ্ধতি। আকৌ মাৰ্ক্সীয় দৰ্শনে সুনিৰ্দিষ্ট বৈজ্ঞানিক গৱেষণা আৰু মানুহৰ ব্যৱহাৰিক ক্ৰিয়া কলাপক চালিত কৰে। অন্য দিশত বিশেষ বিশেষ বিজ্ঞানবিলাকে যোগোৱা তথ্য আৰু মানুহৰ সামাজিক কৰ্মপ্ৰয়োগৰ অভিজ্ঞতাৰ দ্বাৰা ই সমৃদ্ধ আৰু উন্নত হয়। অৰ্থাৎ মাৰ্ক্সীয় দৰ্শন বিশেষ বিশেষ বিজ্ঞান আৰু কৰ্ম প্ৰয়োগৰ এই তিনিটাৰ ভিতৰত এক গভীৰ আন্তঃসম্পৰ্ক আছে। মাৰ্ক্সীয় দৰ্শন কোনো অন্ধ মত নহয়, কৰ্মৰ পথ নিৰ্দেশক। আনহাতে, মাৰ্ক্সবাদে বস্তু বা সমাজক দেখে বহুমাত্ৰিকতাৰ মাজত। এই মতবাদ অনুসৰি সমাজ পৰিবৰ্তনত একক আৰু সুনিৰ্দিষ্ট বৈশিষ্ট্যবিলাকে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

মাৰ্ক্সবাদৰ ভূমিকা থকা বিভিন্ন পদক্ষেপসমূহ তলত আলোচনা কৰা হ'ল।

<u>সমাজ পৰিবৰ্তনত মাৰ্ক্সবাদৰ ভূমিকা</u> ঃ মাৰ্ক্সবাদৰ মতে বস্তু বা সমাজ এটা অৱস্থাৰপৰা অন্য এটা অৱস্থালৈ গুণগতভাৱে পৰিবৰ্তন হয়। এই পৰিবৰ্তনৰ পিছত কিছুমান বিজ্ঞানসন্মত নিয়মে ক্ৰিয়া কৰে। এনে নিয়মবিলাকৰ ভিতৰত হ'ল— তেওঁলোকৰ মতে কোনো বস্তু বা সমাজ পৰিবৰ্তন আৰু বিকাশৰ উৎস হৈ ৰৈছে সেই বস্তু বা সমাজৰ পৰস্পৰ বিৰোধী চৰিত্ৰ। সেই বিলাকত অন্তৰ্নিহিত বিপৰীত শক্তিসমূহৰ সংগ্ৰামৰ মাজত পদাৰ্থ বিজ্ঞান, জীৱ বিজ্ঞান, ৰসায়ন বিজ্ঞানৰ তথ্য আৰু তত্ত্বৰ জৰিয়তে এই নিয়ম প্ৰমাণিত আৰু সমৰ্থিত। পুঁজিবাদী সমাজৰ ক্ষেত্ৰত দেখা যায় সমাজত সামাজিকভাৱে উৎপাদন আৰু ব্যক্তিগত ভোগ দখলৰ পৰস্পৰ বিৰোধী চৰিত্ৰৰ দ্বন্দ্বৰ আত্মপ্ৰকাশ ঘটে। সেই সমাজৰ দুই পৰস্পৰ বিৰোধী শক্তি পুঁজিপতি আৰু শ্ৰমজীৱীসকলৰ সংগ্ৰামৰ মাজত। সেই কাৰণে মাৰ্ক্সীয় দৰ্শনৰ মতে বস্তু আৰু সমাজৰ বৈশিষ্ট্য চিহ্নিত হয় সেই সমস্ত বিপৰীতৰ দ্বাৰা যিবিলাক টিকি আছে ঐক্যৰ মাজতে। আকৌ, তেওঁলোকৰ মাজতে বস্তু বা সমাজ পৰিবৰ্তন প্ৰক্ৰিয়াৰ প্ৰথমে পৰিমাণগত পৰিবৰ্তন ঘটে আৰু পৰিমাণগত পৰিবৰ্তনেই আমূল পৰিবৰ্তনৰ সূত্ৰপাত ঘটায়।

<u>শ্ৰেণী সংগ্ৰাম আৰু ৰাষ্ট্ৰ সম্পৰ্কিত ধাৰণা</u> ঃ মাৰ্ক্সবাদৰ মতে শ্ৰেণী সংগ্ৰামৰ আলমতহে মানৱ ইতিহাসৰ বিষয়ে জানিব পাৰি। শ্ৰেণী উৎপত্তিৰ পিছত ৰাষ্ট্ৰৰ সৃষ্টি হয়। বিভিন্ন শ্ৰেণী সৃষ্টি নোহোৱা পৰ্যন্ত ক'তো কোনো ৰাষ্ট্ৰ গঠন হোৱা নাছিল। ৰাষ্ট্ৰ হৈছে মীমাংসাৰ অসাধ্য শ্ৰেণী দ্বন্দ্ববিলাকৰ এটা ফল আৰু অভিব্যক্তি। বিৰোধী শ্ৰেণীবিলাকক দমন কৰাৰ প্ৰয়োজনৰ পৰাই ৰাষ্ট্ৰৰ উৎপত্তি হয়। অন্য দিশত শ্ৰেণীৰ অস্তিত্ব কেৱলমাত্ৰ তেতিয়াহে সম্ভৱ যেতিয়া উৎপাদনৰ উপায়ৰ সৈতে বিভিন্ন জনসম্প্ৰদায়ৰ সম্পৰ্ক বিভিন্ন ধৰণে থাকে। এইক্ষেত্ৰত মাৰ্ক্সৰ মতে, সমাজত সদায় দুই শ্ৰেণীৰ মানুহ বাস কৰে। এক শ্ৰেণীৰ লোক উৎপাদনৰ আহিলা পাতিৰ গৰাকী। এই শ্ৰেণীৰ লোকৰ সংখ্যা কম আৰু আন শ্ৰেণীৰ লোক হৈছে বনুৱা শ্ৰেণী। এই শ্ৰেণীৰ লোকৰ সংখ্যা হৈছে সৰহ। প্ৰথম শ্ৰেণীৰ লোকক মালিক, পুঁজিপতি, জমিদাৰ আদি আখ্যা দিব পাৰি। এই শ্ৰেণীৰ লোকে শাৰীৰিক পৰিশ্ৰম নকৰে; কিন্তু উৎপাদনৰ সিংহভাগ ভোগ কৰে। দ্বিতীয় শ্ৰেণীৰ লোকক কৃষক, বনুৱা আদি আখ্যা দিয়া হয়। এই শ্ৰেণীৰ লোকে পুৱাৰ পৰা সন্ধিয়ালৈ কঠোৰ পৰিশ্ৰম কৰে; কিন্তু জীৱন ধাৰণৰ কাৰণে চৰকাৰী সা-সামগ্ৰী তেওঁলোকে পৰ্যাপ্ত পৰিমাণে নাপায়। এই দুই শ্ৰেণীৰ লোকৰ মাজত অৰ্থনৈতিক ব্যৱধান ক্ৰমান্বয়ে বাঢ়ি যায়, ইয়াৰ ফলত ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষমতা লাভৰ কাৰণে শ্ৰেণী সংঘৰ্ষৰ সৃষ্টি হয়। সেইকাৰণে মাৰ্ক্সবাদৰ মতে শ্ৰেণী সংঘৰ্ষ বা দ্বন্দ্বই পিছলৈ পৰস্পৰ বিৰোধীৰূপে থিয় দিয়ে। অৰ্থাৎ শ্ৰেণী দ্বন্দ্বৰ মীমাংসাৰ কাৰণে বিপৰীত স্বাৰ্থবিশিষ্ট দুটা প্ৰধান শ্ৰেণীৰ ঐক্য আৰু সংগ্ৰামেই হৈছে সমাজ বিকাশৰ চালিকাশক্তি।

<u>সত্য সম্পৰ্কিত মাৰ্ক্সবাদৰ ধাৰণা</u> ঃ মাৰ্ক্সবাদৰ মতে সত্য হৈছে এনে এক জ্ঞান যি বাস্তৱৰ সৈতে সামঞ্জস্যপূৰ্ণ। বাস্তৱৰ সৈতে নিমিলা এনে কোনো জ্ঞান সত্য নহয়। সত্য তথা জ্ঞানৰ অন্তৰ্বস্তু সদায় বিষয়গত। সত্য মানুহৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ নকৰে। মাৰ্ক্সীয় দৰ্শনৰ মতে সত্য কোনো বিমূৰ্ত বিষয় নহয়, সত্য সদায়েই মূৰ্ত। বাস্তৱত যেতিয়া কোনো পৰিবৰ্তন দেখা দিয়ে সেই সম্পৰ্কত মানুহৰ জ্ঞান তথা সত্যও সেই অনুযায়ী পৰিবৰ্তন হয়। অৱস্থাভেদে জ্ঞান আৰু ঐতিহাসিক বৈশিষ্ট্যবিলাকৰ সৰ্বাত্মক অধ্যয়ন আৰু মূল্যায়নৰ মাজেদি সত্যত উপনীত হোৱা যায়।

<u>অৰ্থনীতি সম্পৰ্কে মাৰ্ক্সবাদৰ ধাৰণা</u> ঃ আধুনিক সমাজ বোলোতে মাৰ্ক্সে ধনীক শ্ৰেণীক বুৰ্জোৱা সমাজৰ কথাকেই কৈছে। ই অবৈজ্ঞানিক গৱেষণা নহয়। মাৰ্ক্সৰ অৰ্থনীতিৰ বিষয়বস্তু হ'ল ইতিহাসৰ এটা বিশেষ সমাজৰ উৎপাদনৰ সম্বন্ধে আলোচনা, তাৰ উৎপত্তি, বিকাশ আৰু অৱসানৰ বিৱৰণৰ সূক্ষ্ম আলোচনা। ধনতান্ত্ৰিক সমাজত পণ্যদ্ৰব্যৰ উৎপাদনেই হ'ল আচল কথা, মাৰ্ক্সে এই পণ্যৰ বিশ্লেষণ কৰি আৰম্ভ কৰিছে তেওঁৰ অৰ্থনৈতিক ব্যাখ্যা। আকৌ, মাৰ্ক্সে দেখুৱাইছে পুঁজিবাদী উৎপাদন প্ৰণালীত সামাজিক উৎপাদনৰ যি ধৰণ তাৰ সৈতে ব্যক্তিগত ভোগ দখলৰ দ্বন্দ্ব অবিৰত চলি থাকিব। এই দ্বন্দ্ব মূৰ্ত হৈ উঠে শ্ৰম আৰু পুঁজিৰ দ্বন্দ্বৰূপে, শ্ৰমিক আৰু মালিকৰ দ্বন্দ্বৰূপে। শ্ৰেণী সংগ্ৰামৰ মাজেদি ইয়াৰ নিষ্পত্তি হয় নতুন উৎপাদন সম্পৰ্ক প্ৰতিষ্ঠাৰ জৰিয়তে। অৰ্থাৎ মাৰ্ক্সৰ সমাজ প্ৰগতিৰ চালিকা শক্তি অৰ্থনীতি আৰু শ্ৰেণী সংগ্ৰামৰ মাধ্যমত।

<u>সাহিত্যৰ ক্ষেত্ৰত মাৰ্ক্সীয় ধাৰণা</u> ঃ মাৰ্ক্সীয় সাহিত্য তত্ত্বই আধুনিক পৃথিৱীখনৰ বিভিন্ন ৰূপ, বিভিন্ন প্ৰকাশ, সভ্যতাৰ দিশ, ধাৰা, মনোযোগ সদায়ে আকৰ্ষণ কৰি আহিছে। এইবোৰ ধাৰা বা দিশবোৰ মাৰ্ক্সীয় সাহিত্যতত্ত্বৰ ফালৰ পৰা কোৱা হয় কেৱল সাংস্কৃতিক বা আদৰ্শগত নহয়; বৰঞ্চ স্পষ্টকৈ সামাজিক আৰু ৰাজনৈতিক। ৰাজনৈতিক দিশটো অধিক মন কৰিবলগীয়া, কিয়নো সাহিত্যত যি ৰাজনৈতিক দিশ আছে সেয়া অৰাজনৈতিকভাৱে আলোচিত হয়। কাৰণ সাহিত্যক নন্দত তাত্ত্বিক অভিজ্ঞতা হিচাপে ঠাই দিয়া হৈছে। মাৰ্ক্সীয় সমালোচনাই একেবাৰে সাহিত্য ৰাজনৈতিক ধাৰাৰ কথা হৈছে। সাহিত্য ৰাজনৈতিক বহিৰ্ভূত হ'ব নোৱাৰে। সাম্ৰাজ্যবাদ শক্তিশালী হৈ আছে। সমগ্ৰ পৃথিৱীতে শ্ৰমিক শ্ৰেণীৰ কাম-কাজ দেখিবলৈ পোৱা যায়। আৰু এইটোৱেই মাৰ্ক্সীয় সাহিত্য তত্ত্বই প্ৰত্যাহ্বান হিচাপে লৈছে। এওঁলোকে এয়া লৈ বিৰোধী বা আক্ৰমণৰ বলি হৈ আহিছে। জনপ্ৰিয়তা বা আকৰ্ষণত ইয়াতে থাকে মাৰ্ক্সবাদী তত্ত্বত।

মাৰ্ক্সীয় সাহিত্য তত্ত্বক চমুকৈ মাৰ্ক্সীয় তত্ত্ব আৰু মাৰ্ক্সীয় সাহিত্য সমালোচনা বুলি কোৱা হয় মাৰ্ক্সীয় সাহিত্য তত্ত্ব বাস্তৱবাদৰ লগত জড়িত। মাৰ্ক্সবাদৰ বিৰুদ্ধে অভিযোগ হ'ল তেওঁলোকক ৰোমাণ্টিক আদৰ্শবাদী বুলি কোৱা হয়। কিয়নো বাস্তৱ সমাজৰ চিত্ৰ দাঙি ধৰোতে গোটেই পৃথিৱীখন পুঁজিবাদী তত্ত্বৰ পিনে ধাৱলি মেলিছে। সেয়েহে তেওঁলোকক ৰোমাণ্টিক আদৰ্শবাদী বুলি অভিযোগ কৰিছে। আনহাতে, মাৰ্ক্সীয়সকলক সংকীৰ্ণ বাস্তৱবাদী বুলিও কোৱা হয়। আকৌ, কিছুমানে কয় পল্লৱগ্ৰাহিতা বুলি। এইবোৰ অভিযোগৰ ফলস্বৰূপে সাহিত্যত তেওঁলোকে দুটা দিশ হেৰুৱায়। সাহিত্যত নন্দনতত্ত্ব আৰু সাহিত্যৰ মনোতত্ত্ব হেৰুৱায় পেলায় বা নাকচ কৰা হয়।

<u>মাৰ্ক্সীয় সাহিত্যৰ সমালোচনা</u> ঃ মাৰ্ক্সীয় সমালোচনাৰ লক্ষ্য হ'ল সাহিত্য ৰচিত হ'ব লাগে বাস্তৱ জীৱনৰ পটভূমিত আৰু ইয়াৰ আদৰ্শ হ'ব লাগে সমাজ বাস্তৱতা। সমাজবাদী আদৰ্শৰ প্ৰতি আকৰ্ষণেই এই সমালোচনাৰ বৈশিষ্ট্য। তেওঁলোকে দ্বান্দ্বিক বস্তুবাদৰ সহায়ত শিল্পকৰ্মৰ বিচাৰ কৰে। সাহিত্য হ'ল সামাজিক প্ৰয়োজনৰ সৃষ্টি। সমাজত শ্ৰেণী সংগ্ৰামেই যি ৰূপেৰে প্ৰকাশিত হয়। সাহিত্য হ'ল সেই শ্ৰেণী সংগ্ৰামৰ প্ৰকাশ। এই দৃষ্টিভংগীকেই প্ৰধানভাৱে প্ৰকাশ কৰে কাৰণেই এই শ্ৰেণীৰ সমালোচনাই প্ৰকৃত সাহিত্যিক মূল্যতকৈ সমাজ চেতনাৰ ওপৰতহে বিশেষ গুৰুত্ব আৰোপ কৰে। মাৰ্ক্সীয় সাহিত্য সমালোচনাই সাহিত্যক গভীৰভাৱে লয়। পৃথিৱীৰ প্ৰায়ভাগ সমালোচনাই মাৰ্ক্সীয় ধাৰাৰে গঠিত।

<u>সামৰণি</u> ঃ মানুহৰ কৰ্ম আৰু প্ৰয়োগৰ অভিজ্ঞতাৰ সৈতে জড়িত মাৰ্ক্সবাদে সমাজ, ৰাষ্ট্ৰ, ৰাজনীতি, সাহিত্য আদি বিভিন্ন বিষয়ক সামৰি লৈছে। কাৰ্লমাৰ্ক্সৰ এই ধাৰা সাহিত্য তথা পৃথিৱীত চিৰ যুগমীয়া। ■

<u>সহায়ক গ্ৰন্থপঞ্জী</u> ঃ
১। পাল, কৃপাল চন্দ্ৰ আৰু নায়ক অতুল চন্দ্ৰ ঃ আধুনিক ৰাজনৈতিক চিন্তাবিদ, অৰুণ প্ৰকাশন, ২০০২ ইং চন।
২। দাস, মনোজ ঃ মাৰ্ক্সবাদ বনাম উত্তৰ আধুনিকতাবাদ, প্ৰগ্ৰেছিভ বুক হাউচ, ২০০২ ইং চন।
৩। ভট্টাচাৰ্য, পৰাগ কুমাৰ ঃ সাহিত্য সংজ্ঞা আৰু আংগিক, জ্যোতি প্ৰকাশন, ২০০২ ইং চন।
৪। বিষ্ণু ৰাভাৰ ৰচনা সম্ভাৰ (দ্বিতীয় খণ্ড) ঃ ৰাভা ৰচনাৱলী, প্ৰকাশন সংঘ, ১৯৯৭ ইং চন।
৫। শৰ্মা, শশী ঃ কাৰ্লমাৰ্ক্স। জাৰ্ণাল এম্পৰিয়াম, দ্বিতীয় সংস্কৰণ, ২০১৪ ইং চন।

# ভাস্কৰ বৰ্মন

✍ প্ৰিয়ংকো দাস
*স্নাতক, ৩য় ষাণ্মাসিক*

পুষ্য বৰ্মনৰ বংশ ৰজাসকলৰ ভিতৰত প্ৰখ্যাত ৰজা আছিল কুমাৰ ভাস্কৰ বৰ্মন ডুবি আৰু নিধান পুৰ তামৰ ফলি, নালন্দাৰ মাটিৰ মোহৰ, বাণৰ হৰ্ষচৰিত, চীনদেশীয় তথ্য আৰু আন উৎসৰ বিৱৰণত ভাস্কৰ বৰ্মনক এজন প্ৰসিদ্ধ ৰজা বুলি আখ্যা দিয়া হৈছে। তেওঁ তেওঁৰ ৫০ বছৰীয়া শাসন কালত কামৰূপৰ ভিতৰে বাহিৰে এজন শক্তিশালী ৰজা হিচাবে নিজকে প্ৰতিষ্ঠা কৰিব পাৰিছে আৰু কামৰূপৰ গৌৰৱ আৰু স্থান উচ্চ স্থানলৈ নিবলৈ সক্ষম হৈছে। ভাস্কৰ বৰ্মনে আয়োজন কৰা ৰাজ অভিষেকৰ উৎসৱৰ দিনৰ পৰা এটা নতুন শক বা চন আৰম্ভ কৰিছিল আৰু সেইটোৰ নাম আছিল 'ভাস্কৰাব্দ' বা 'শকাব্দ'।

ভাস্কৰ বৰ্মনৰ আদি জীৱনৰ কৃতিত্ব তেওঁৰ ভাতৃৰ ৰাজত্বকালত ভাতৃৰ সৈতে যৌথভাৱে অংশগ্ৰহণ কৰা গৌড়যুদ্ধত প্ৰমাণিত হৈছিল। সেই সময়তে গৌড়ৰ ৰজা মহাসেন গুপ্তৰ হাতত পৰাজিত হৈ কামৰূপৰ এক বিশাল অংশ হেৰুৱাইছিল। তাৰোপৰি মহাসেন গুপ্তই দ্বিতীয়বাৰ কামৰূপ আক্ৰমণ কৰি বিজয়ী হৈছিল। ভাস্কৰ বৰ্মনে গৌড়ৰ এই আক্ৰমণৰ চিত্ৰ পাহৰা নাছিল। সেয়ে গৌড়ৰ হাতত হোৱা পৰাজয়ৰ প্ৰতিশোধ লোৱা আৰু হেৰোৱা অঞ্চল উদ্ধাৰ কৰাটো তেওঁৰ প্ৰধান আৰু প্ৰথম কৰ্তব্য আছিল। সেয়ে ৰাজপাটত বহিয়েই ভাস্কৰ বৰ্মনে সামৰিক প্ৰস্তুতি আৰম্ভ কৰিছিল।

ষষ্ঠ শতিকাৰ শেষাৰ্ধত আৰু সপ্তম শতিকাৰ আৰম্ভণিতে মৌখৰী, বৰ্দ্ধন, পশ্চিমত দেৱগুপ্ত আৰু গৌড়ত শশাংকৰ উত্থানে উত্তৰ ভাৰতৰ ৰাজনৈতিক অৱস্থাই এটা নতুন গতিপথ লৈছিল। প্ৰায় এক দশক ধৰি গুপ্ত আৰু কামৰূপৰ বৰ্মন বংশৰ মাজত কোনো সংঘাট হোৱা নাছিল, কিন্তু গৌড়ত শশাংকৰ উত্থানে ভাস্কৰ বৰ্মনক ৰাজ্যৰ সীমা সম্প্ৰসাৰণ কৰাত প্ৰধান বাধাৰ প্ৰাচীৰ হৈ থিয় দিছিল। প্ৰথমে গৌড়ৰ মহাসেন গুপ্তৰ পৰিয়ালৰ সৈতে পুষ্যভূতিৰ পৰিয়ালৰ মাজত ওচৰ সম্পৰ্ক আছিল। মৌখৰী ৰাজ্যৰ ক্ৰমবৰ্দ্ধমান শক্তিয়ে দুয়োটা পৰিয়ালক ওচৰ চপাই আনিছিল। প্ৰভাকৰ বৰ্মনে মহাসেন গুপ্তৰ দুজন পুত্ৰক ক্ৰমে মাধৱগুপ্ত আৰু কুমাৰ গুপ্তক হৰ্ষবৰ্দ্ধন আৰু ৰাজ্যশ্ৰীৰ তত্বাৱধানৰ কাৰণে নিয়োগ কৰিছিল। কিন্তু বৰ্দ্ধন ৰাজকুমাৰী ৰাজ্যশ্ৰীক মৌখৰী ৰজা গ্ৰহ বৰ্মনৰ সৈতে বৈবাহিক সম্পৰ্ক স্থাপন হোৱাৰ ফলত বৰ্দ্ধন-মৌখৰী পৰিয়াল শক্তিশালী হৈ পৰিছিল। আনহাতে এই সম্পৰ্কই গৌড় ৰজা শশাংক আৰু মালৱ ৰজা দেৱগুপ্তৰ মাজত বন্ধুত্ব স্থাপনত উৎসাহ যোগাই। শশাংক আৰু দেৱগুপ্তৰ ষড়যন্ত্ৰৰ ফলত মৌখৰী ৰজা গ্ৰহ বৰ্মন আৰু থানেশ্বৰৰ ৰজা ৰাজ্যবৰ্দ্ধন মত্যুমুখত পৰিছিল। ভনীজোৱাই গ্ৰহ বৰ্মন আৰু ভাতৃ ৰাজ্যবৰ্দ্ধনৰ হত্যাই হৰ্ষবৰ্দ্ধনক দেৱগুপ্ত আৰু শশাংকৰ প্ৰধান শত্ৰুত পৰিণত কৰিছিল আৰু এই হত্যাকাণ্ডৰ প্ৰতিশোধৰ পৰিণতিতেই কামৰূপ আৰু থানেশ্বৰৰ মাজত দ্ৰুত সম্পৰ্ক স্থাপন হৈছিল।

উত্তৰ ভাৰতৰ এই ৰাজনৈতিক পৰিস্থিতিত কামৰূপৰ ৰজা ভাস্কৰ বৰ্মনে লক্ষ্য কৰি আছিল। সমসাময়িক উত্তৰ ভাৰতৰ ৰাজনীতিয়ে এনে ধৰণৰ গতি লৈছিল য'ত গৌড়ৰ শশাংক, হৰ্ষবৰ্দ্ধন আৰু ভাস্কৰ বৰ্মন উভয়ৰে উমৈহতীয়া শত্ৰুত পৰিণত হৈছিল। ইতিমধ্যে ভাস্কৰ বিশ্বস্তৰ দূত হংসবেগে অমূল্য উপহাৰৰ টোপলা ল'ই হৰ্ষৰ উত্তৰত উপস্থিত হয়। এনে এক মিত্ৰৰ বাবে হৰ্ষই অপেক্ষা কৰি আছিল। গতিকে দুয়ো পক্ষৰ এক অজৰ অমৰ মিত্ৰতা স্থাপন হ'ল।

হৰ্ষ ভাস্কৰৰ মিত্ৰতা সম্পন্ন হোৱাৰ পিছত উভয়ৰ শত্ৰু শশাংকৰ বিৰুদ্ধে চলোৱা আক্ৰমণৰ বিষয়ে সবিশেষ তথ্য পাবলৈ নাই যদিও হৰ্ষবৰ্দ্ধনে সেনাপতি ভান্দিৰ সহায়ত পশ্চিম দিশৰ পৰা আৰু ভাস্কৰ বৰ্মনে পূৱ দিশৰ পৰা আক্ৰমণ চলাইছিল। যুদ্ধত শশাংক গৌড় এৰি উৰিষ্যালৈ পলাই গৈছিল। এই ঘটনা সম্ভৱত ৬০৬ খৃঃৰ পৰা ৬১২ খৃঃৰ ভিতৰত সংঘটিত হৈছিল। গৌড়ৰ ৰাজধানী কৰ্ণসুবৰ্ণ ভাস্কৰ বৰ্মনে অধিকাৰ কৰিছিল। ভাস্কৰ বৰ্মনে কৰ্ণসুবৰ্ণ অধিকাৰ কৰাৰ লগে লগে সমগ্ৰ গৌড় ৰাজ্য ভাস্কৰ বৰ্মনৰ হস্তগত হয়। ইয়াৰ দ্বাৰা মহাসেন গুপ্তৰ হাতত পৰাজিত হৈ পিতৃ সুস্থিত বৰ্মনৰ মৃত্যুৰ প্ৰতিশোধ লোৱা হ'ল। আৰু সুস্থিত বৰ্মনৰ দিনত হেৰুৱা 'পুণ্ড্ৰবৰ্দ্ধন ভুক্তি' পুণৰ কামৰূপ ৰাজ্যৰ অন্তৰ্ভূক্ত কৰা হয়। শেষত তেওঁৰ পিতামহ ভূতি বৰ্মনে পূৰ্বে জাৰি কৰি থৈ যোৱা তাম্ৰশাসনখন মোহ খাই যোৱাত ভাস্কৰ বৰ্মনে তাক নবীকৰণ কৰে। এই নবীকৰণৰ ৰূপ নিধানপুৰ তাম্ৰশাসন। ■



# ভগৱদ্ গীতা

অধ্যায় ১৪, শ্লোক ২৬

✍ মৌচুমী হীৰা
*স্নাতক, ৫ম ষাণ্মাসিক*

*মাং চ যোঽব্যভিচাৰেণ ভক্তিযোগেন সেৱতে।*
*স গুণান্ সমতীত্যৈতান্ ব্ৰহ্মভূয়ায় কল্পতে॥*

মাম্— মোক, চ— আৰু, যঃ— যিজনে, অব্যভিচাৰেণ— কোনো ব্যতিক্ৰম নোহোৱাকৈ, ভক্তিযোগেন— ভক্তিযোগৰ দ্বাৰা, সেৱতে— সেৱা কৰা, সঃ— তেওঁ, গুণান্— গুণসমূহক, সমতীত্য— অতিক্ৰম কৰি, এতান্— এইবিলাক, ব্ৰহ্মভূয়ায়— ব্ৰহ্মৰ স্তৰ পাবৰ বাবে, কল্পতে— যোগ্য হয়।

অনুবাদ ঃ যিজনে কোনো ব্যতিক্ৰম নোহোৱাকৈ ভক্তিযোগেৰে মোৰ সেৱা কৰে, তেওঁ এই গুণসমূহ অতিক্ৰম কৰি ব্ৰহ্মৰ স্তৰ পাবৰ যোগ্য হয়।

তাৎপৰ্য ঃ অৰ্জুনৰ তৃতীয় প্ৰশ্নটো আছিল আধ্যাত্মিক স্থিতি এটা লাভ কৰাৰ উপায় কি? এই শ্লোকত সেই প্ৰশ্নৰে উত্তৰ দিয়া হৈছে। পূৰ্বতে কৈ অহাৰ দৰে, জড় প্ৰকৃতিৰ গুণ তিনিটাৰ প্ৰভাৱতে জড় জগতৰ সকলো কাম চলি আছে। যিকোনো এজন ব্যক্তি প্ৰকৃতিৰ গুণসমূহৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ফলত বিচলিত হোৱাৰ প্ৰয়োজন নাই। বৰং এনে ক্ৰিয়াসমূহৰ প্ৰতি নিজৰ চেতনাক নিয়োজিত নকৰি তেওঁ কৃষ্ণৰ কামবিলাকৰ প্ৰতিয়েই নিজৰ চেতনাক পৰিচালিত কৰিব লাগে। কৃষ্ণৰ বাবে কৰা কামবিলাকক ভক্তিযোগ বোলা হয়। অৰ্থাৎ, ভক্তিযোগ হ'ল অনবৰতে কৃষ্ণৰ বাবে কৰা কামতে নিযুক্ত হৈ থকাৰ অৱস্থা। এই ভক্তিযোগৰ গণ্ডীত কেৱল কৃষ্ণই নহয়, বৰং কৃষ্ণৰে ৰাম, নাৰায়ণ আদি বিভিন্ন বিস্তৃত ৰূপসমূহো অন্তৰ্ভুক্ত। কৃষ্ণৰ এনে অসংখ্য অৱতাৰী ৰূপ আছে। কৃষ্ণৰ যিকোনো এটা অৱতাৰী ৰূপকে সেৱাৰ কামত যিজন নিযুক্ত, তেঁৱেই গুণাতীত বুলি বিবেচিত হ'ব পাৰে। এই কথাও লক্ষ্য কৰিব লাগে যে কৃষ্ণৰ সকলোবিলাক ৰূপেই সম্পূৰ্ণৰূপে আধ্যাত্মিক, আনন্দময়, চিন্ময় আৰু চিৰন্তন। ভগৱানৰ এনে ৰূপসমূহ সৰ্বশক্তিমান আৰু সৰ্বজ্ঞানী আৰু সকলো ধৰণৰ দিব্য গুণাৱলীৰে বিভূষিত। গতিকে, কোনোবাই যদি একাগ্ৰতাৰে কৃষ্ণৰ বা কৃষ্ণৰ কোনোবা এজন অৱতাৰৰ প্ৰতি ভক্তি কৰিবলৈ লয় তেনেহ'লে প্ৰকৃতিৰ গুণকেইটা অতিক্ৰম কৰি যোৱাটো যদিও বৰ কষ্টসাধ্য তথাপি তেওঁ সহজে গুণসমূহ অতিক্ৰম কৰি যাব পাৰে। যিজনে কৃষ্ণৰ ওচৰত আত্মসমৰ্পণ কৰে, তেওঁ থিতাতে জড় প্ৰকৃতিৰ গুণসমূহৰ প্ৰভাৱক অতিক্ৰম কৰিব পাৰে। কৃষ্ণভাৱসম্পন্ন হোৱা বা ভক্তিযোগৰ আশ্ৰয় লোৱাৰ অৰ্থই হ'ল কৃষ্ণৰ গুণসমূহ আহৰণ কৰা। ভগৱানে কৈছে যে তেওঁৰ স্বভাৱটো হ'ল শাশ্বত, আনন্দময়, জ্ঞানময় আৰু সোণৰ কণাবিলাকৰ দৰে। সোণৰ কণাবিলাক যিদৰে সোণৰ খনিৰে অংশ, ঠিক তেনেদৰে জীৱবিলাকো ভগৱানৰে অংশ। এইদৰে নিজৰ আধ্যাত্মিক স্থিতি অনুসাৰে গুণগতভাৱে জীৱও সোণৰ দৰেই, অৰ্থাৎ গুণত কৃষ্ণৰ দৰেই উৎকৃষ্ট। কিন্তু কৃষ্ণৰ লগত জীৱৰ ব্যক্তিগত পাৰ্থক্য সদায় থাকি যায়। এনে পাৰ্থক্য নাথাকিলে ভক্তিযোগৰ প্ৰশ্নই নুঠে। ভক্তিযোগৰ অৰ্থই হ'ল এই যে ভগৱানো আছে আৰু স্বতন্ত্ৰভাৱে ভক্তও আছে আৰু ভক্ত আৰু ভগৱানৰ মাজত ভক্তি বা প্ৰেমৰ বিনিময়ো হৈ আছে। গতিকে পৰম পুৰুষ পৰমেশ্বৰ আৰু ভক্ত, এই দুয়োজনেই দুজন বেলেগ 'পুৰুষ' বা বেলেগ ব্যক্তি। এনে নহ'লে অভিযোগৰ কোনো অৰ্থই নাথাকিব। কিন্তু ভগৱানৰ সৈতে একে ধৰণৰ এটা আধ্যাত্মিক স্তৰ লাভ নকৰিলে ভক্তই ভগৱানৰ সেৱা কৰিব নোৱাৰে। ৰজাৰ এজন ব্যক্তিগত সহায়ক হ'বৰ বাবে উপযুক্ত অৰ্হতা অৰ্জন কৰি ল'ব লাগিব। বৰ্তমান ক্ষেত্ৰত প্ৰয়োজনীয় অৰ্হতাটো হ'ল ব্ৰহ্মৰ স্বৰূপ লাভ কৰাটো অথবা সকলো জড় জাগতিক কলুষৰ পৰা মুক্তি লাভ কৰাটো। বৈদিক সাহিত্যত কোৱা আছে 'ব্ৰহ্মৈৱ সন্ ব্ৰহ্মাপ্যেতি'। অৰ্থাৎ, নিজে ব্ৰহ্ম হৈয়েই পৰমব্ৰহ্ম লাভ কৰিব পাৰি। ইয়াৰ অৰ্থ হ'ল যে গুণগতভাৱে ব্ৰহ্মৰ লগত এক হৈ যাব লাগে। ব্ৰহ্মত্ব লাভ কৰাৰ পিছতো জীৱই জীৱাত্মা ৰূপে নিজৰ ব্ৰহ্ম স্বৰূপ হেৰুৱাই নেপেলায়। ■

# ৰামায়ণৰ খণ্ডসমূহৰ পৰিচয়

✍ ৰাখী মালী
*স্নাতক, তৃতীয় ষাণ্মাসিক*

মহৰ্ষি বাল্মীকি বিৰচিত ৰামায়ণ আকৃতিৰ ফালৰপৰা এখনি সুবৃহৎ গ্ৰন্থ। ৰামায়ণত মুঠতে প্ৰায় ২৪০০ শ্লোক আছে। গোটেই গ্ৰন্থখন সাতটা খণ্ডত বিভক্ত। প্ৰতিটো কাণ্ডতে আকৌ ভালেমান আখ্যান-উপাখ্যান সন্নিবিষ্ট হৈছে।

ৰামায়ণৰ সাতটা কাণ্ডৰ নাম একাদিক্ৰমে এনেধৰণৰ— (ক) আদিকাণ্ড, (খ) অযোধ্যাকাণ্ড, (গ) অৰণ্যকাণ্ড, (ঘ) কিষ্কিন্ধ্যাকাণ্ড, (ঙ) সুন্দৰাকাণ্ড, (চ) লঙ্কাকাণ্ড, আৰু (ছ) উত্তৰাকাণ্ড।

ৰামায়ণৰ প্ৰথম কাণ্ডটিৰ নাম আদিকাণ্ড। ৰামৰ জন্ম আৰু শৈশৱকালৰ কাহিনী এই কাণ্ডৰ প্ৰধান বিষয়বস্তু। সূৰ্যবংশৰ বিৱৰণ, দশৰথৰ বিবাহ, দশৰথৰ দ্বাৰা সিন্ধুমুনি বধ আৰু অন্ধমুনিৰ অভিশাপ, ঋষ্যশৃঙ্গ ঋষিৰ কাহিনী, পুত্ৰলাভৰ অৰ্থে দশৰথৰ যজ্ঞ; ৰাম-লক্ষ্মণ-ভৰত-শত্ৰুঘ্নৰ জন্ম; বিশ্বামিত্ৰৰ আশ্ৰমত ৰাম-লক্ষ্মণৰ দ্বাৰা যজ্ঞৰক্ষা, সীতাৰ জন্ম; ৰাম-সীতাৰ বিবাহ, ৰামৰ হাতত পৰশুৰামৰ দৰ্পচূৰ্ণ আদি আখ্যানবোৰ এই কাণ্ডৰ অন্তৰ্গত।

দ্বিতীয় কাণ্ডটোৰ নাম অযোধ্যাকাণ্ড। অযোধ্যাৰ ৰাজসভা, ৰামৰ অভিষেকৰ আয়োজন, মন্থৰা-কৈকেয়ীৰ চক্ৰান্ত, ৰামৰ বনবাস, পুত্ৰ শোকত দশৰথৰ মৃত্যু, ৰামক বনৰ পৰা ওভতাই আনিবলৈ ভৰতৰ চেষ্টা, ৰামৰ প্ৰতিনিধিৰূপে ৰাজ্য শাসন কৰিবলৈ ভৰতৰ সন্মতি আদি আখ্যানবোৰ এই কাণ্ডত বৰ্ণিত হৈছে।

তৃতীয় কাণ্ডটো অৰণ্য কাণ্ড। ৰাম-সীতা-লক্ষ্মণে বনবাসৰ কালছোৱাত সন্মুখীন হোৱা নানা বিপদ-বিঘিনি এই কাণ্ডত বৰ্ণনা কৰা হৈছে। ৰাম আদিৰ দ্বাৰা বিভিন্ন ঋষি-মুনিৰ আশ্ৰম দৰ্শন, বিৰাধ ৰাক্ষস বধ, শূৰ্পণখাৰ অঙ্গচ্ছেদন, খৰদূষণ বিভিন্ন ঋষি-মুনিৰ আশ্ৰম দৰ্শন, বিৰাধ ত্ৰিশিৰা আদি চৈধ্য হাজাৰ ৰাক্ষস সেনা নিধন, ৰাৱণৰ দ্বাৰা সীতা হৰণ, ৰাৱণ আৰু জটায়ুৰ যুদ্ধ, ৰাম-লক্ষ্মণৰ সীতা অন্বেষণ, ৰামৰ বিলাপ আদিৰ বৰ্ণনা এই কাণ্ডত পঢ়িবলৈ পোৱা যায়।

ৰামায়ণৰ চতুৰ্থ কাণ্ডটোৰ নাম কিষ্কিন্ধ্যা কাণ্ড। এই কাণ্ডৰ প্ৰধান আখ্যানবোৰ হ'ল বান্দৰৰাজ বালী-সুগ্ৰীৱ, সুগ্ৰীৱৰ সৈতে ৰামৰ মিত্ৰতা আৰু বালী বধ, বায়ু পুত্ৰ হনুমান, বানৰ ভালুক সৈন্যৰ দ্বাৰা সীতাৰ অনুসন্ধান আদি।

পঞ্চম কাণ্ডটো হ'ল সুন্দৰাকাণ্ড। ইয়াত হনুমানৰ সাগৰ লংঘন, লংকাৰ সৌন্দৰ্য আৰু সমৃদ্ধিৰ বৰ্ণনা, হনুমানৰ দ্বাৰা সীতাক সাক্ষাৎ আৰু সান্ত্বনা প্ৰদান, হনুমানে লংকাত সৃষ্টি কৰা তাণ্ডৱ আদি আখ্যানবোৰ বহলাই বৰ্ণনা কৰা হৈছে।

ৰামায়ণৰ ষষ্ঠ কাণ্ডটোৰ নাম লংকা কাণ্ড। এই কাণ্ডটো অতি বিশাল। ৰাম-ৰাৱণৰ যুদ্ধ আৰু ৰামৰ হাতত ৰাৱণৰ মৃত্যু এই কাণ্ডৰ মুখ্য বিষয়বস্তু। ৰাৱণৰ ভাতৃ বিভীষণৰ ৰামৰ পক্ষত যোগদান, সমুদ্ৰত সেতু নিৰ্মাণ, মায়াৰাম আৰু মায়াসীতা বধ, ৰাম-লক্ষ্মণ নাগপাশত বন্দী হোৱা, ইন্দ্ৰজিৎ বা মেঘনাদ, কুম্ভকৰ্ণ, লক্ষ্মণৰ শক্তিশেল, সীতাৰ অগ্নি পৰীক্ষা আদি এই কাণ্ডৰ কিছুমান আকৰ্ষণীয় আখ্যান।

উত্তৰাকাণ্ড হ'ল ৰামায়ণৰ সপ্তম তথা অন্তিম কাণ্ড। ৰামৰ অযোধ্যালৈ প্ৰত্যাৱৰ্তন, ৰাজ্য শাসন, সীতা বনবাস, বাল্মীকিৰ আশ্ৰমত সীতাৰ আশ্ৰয় লাভ, লৱ কুশৰ জন্ম, ৰামৰ অশ্বমেধ যজ্ঞ, সীতাৰ পাতাল প্ৰৱেশ, লক্ষ্মণ বিসৰ্জন, ৰামৰ স্বৰ্গগমন আদি আখ্যান এই কাণ্ডৰ ভিতৰুৱা। ইয়াৰ বাহিৰেও ৰাৱণৰ জন্ম বৃত্তান্ত, বশিষ্ঠ ঋষিৰ কথা, শম্বুক বধ, মধু দানৱ আৰু লৱন দৈত্যৰ কথা আদি নানা আনুসঙ্গিক আখ্যান-উপাখ্যান ইয়াত বৰ্ণিত হৈছে। ■

■ ■ ■



ভ্ৰমণ কাহিনী

# কুৰুক্ষেত্ৰ, স্বৰ্ণমন্দিৰ আৰু মা বৈষ্ণ দেৱীৰ দৰ্শন

✍ নিৰঞ্জ শৰ্মা
*মুখ্য সহায়ক*

বহু বছৰৰ পৰাই যাম যাম বুলি ভাবি আছিলো যদিও কাৰ্যতঃ হৈ উঠা নাছিল। লগতে যাব নোৱাৰাৰ অন্যান্য অসুবিধাও আছিল। কিন্তু যোৱা মাৰ্চ মাহৰ ২৫ তাৰিখৰ পৰা ৩১ তাৰিখলৈ সুবিধা এটা আহিল। বাসন্তী পূজাৰ নৱৰাত্ৰ চলিব তাতে কাৰ্যালয়ৰ মাৰ্চ মাহৰ কামো শেষ পৰিয়ালৰ কোনো অসুবিধা নাই। সেয়ে মা বৈষ্ণ দেৱীৰ দৰ্শনৰ বাবে মন মেলিলো। টিকটৰ বাবে গৈ দেখিলো যে প্ৰতিটো যাত্ৰাৰ বাবে দুই চাৰিটাহে টিকট আছে। পৰিয়ালৰ ৩ টা আৰু ফোন যোগে সন্মতি পাই দাদাক লগ পালো মুঠ ৪ জনীয়া দলটোৰ বাবে ২৫ মাৰ্চত গুৱাহাটীৰ পৰা দিল্লীলৈ আৰু ৩১ তাৰিখে দিল্লীৰ পৰা গুৱাহাটীলৈ স্পাইচজেট বিমানত টিকট কৰিলো। ২৬ তাৰিখে ৰাতি দিল্লীৰ পৰা কুৰুক্ষেত্ৰলৈ ২৭ তাৰিখে ৰাতি কুৰুক্ষেত্ৰৰ পৰা অমৃতচৰলৈ ২৮ তাৰিখে ৰাতি অমৃতচৰৰ পৰা জম্মুলৈ ৩০ তাৰিখে ৰাতি জম্মুৰ পৰা দিল্লীলৈ ট্ৰেইনৰ টিকট যোগাৰ কৰিলো। টিকটৰ কথাটোত উজুটি খোৱাৰ বাবেই বহুতৰ ভ্ৰমণলৈ যোৱাই নহয়। এই বিষয়ত অসুবিধা দূৰ কৰি যাত্ৰাৰ বাবে মানসিকভাৱে সাজু হৈ উঠিলো । মোৰ ছোৱালী উপাসনাৰ মেট্ৰিক পৰীক্ষাৰ বাবে প্ৰস্তুতি জনোৱাৰ সময়তে মই কৈছিলো যে এই বছৰটো ক'তো নাযাওঁ তুমি ভালধৰণে পঢ়া আৰু পৰীক্ষাৰ শেষত এটা দীঘলীয়া আৰু মনঃপুত যাত্ৰালৈ লৈ যাম।

যোৱা ২৫-০৩-২০১৭ ইং তাৰিখে দীঘলীয়া যাত্ৰাৰ বাবে ওলালো। লগত ভাগিন কমলক নিয়াৰ কথা ভাবিছিলো যদিও টিকট কৰাৰ সময়ত সন্মতি নাপালো আৰু পিচদিনা টিকট নাই। তাক নিবলৈ নোৱাৰি বেয়া লাগিছিল, অৱশ্যে বিমান বন্দৰত থবৰ বাবে মই গাড়ী লৈ গৈছিলো আৰু বিমান বন্দৰত যোৱা আৰু আহিবৰ দিনা আনিবলৈ যোৱা দায়িত্ব তেওঁ নিজেই পালন কৰিছিল।

ৰাতি দিল্লী বিমান বন্দৰ পাই তাৰ পৰা নতুন দিল্লীলৈ গুচি আহিছিলো। ২৬ তাৰিখে দিনটো দিল্লীত ঘূৰিলো । গাড়ীখন লৈ দিল্লীৰ মাজ মজিয়াৰে পাৰ হৈ আহি প্ৰয়াত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ বাস ভৱন বৰ্তমান সংগ্ৰহালয়টো চালো। শৈশৱৰ পৰা মৃত্যুলৈ বিভিন্ন সময়ৰ ফটো আৰু ব্যৱহাৰ্য্য সামগ্ৰী সমূহ দেখিলো। যথেষ্ট মানুহ লগ পালো, তাৰ ভিতৰত কেইটাও বিদেশী পৰ্যটকৰ দল দেখিছিলো মাক পুতেকৰ মৃত্যুৰ সময়ৰ পোচাকৰ অংশখিনি দেখি মনত বেজাৰ লাগিছিল। তাৰপিছত চৰকাৰী পৰ্যটকৰ বাবে খোলা দোকানত যাবলগীয়া হ'ল। তাত কেইপদ মান সামগ্ৰী ক্ৰয় কৰি ডাক যোগে পঠোৱাৰ ব্যৱস্থা কৰিলো। তাৰ পৰা কুটুবমিনাৰ চাবলৈ গৈছিলো। কুটুবমিনাৰৰ সৌন্দৰ্য্য আৰু ঐতিহ্যৰ বাবে মই দ্বিতীয়বাৰলৈ চাবলৈ গৈছিলো। তাৰ ভগ্নাৱশেষ আৰু দৰ্শাৰ্থিন লগতে সেই

সময়তে বনোৱা মিনাৰটোৱে পৰ্যটকৰ মনত এক বুজাব নোৱাৰা আনন্দ আনি দিয়ে। প্ৰত্যেকজনে কুটুবমিনাৰ চাই আনন্দ পাইছিলো। তাৰ পৰা স্বামী নাৰায়নৰ মন্দিৰ অক্ষৰধাম চাবলৈ গৈছিলো। ৰ'দ বৰ চোকা আছিল যদিও নিৰাপত্তা বেষ্টনি পাৰ হৈ ভিতৰত সোমালো। ভিতৰত বিশেষকৈ মন্দিৰটোৰ কাৰুকাৰ্য্য ইমান নিখুত যে চালে মনৰ হেপাহ নপলায়। আগতে গৈছিলো যদিও বাৰে বাৰে চাবলৈ মন যায়। চৌহদৰ পানীৰ ব্যৱস্থাকে আদি কৰি প্ৰদক্ষিণৰ ব্যৱস্থা চালে চাই থাকিবৰ মন যায়। (ফটো উঠাৰ পিছত কাউন্টাৰত নিজে নিজে ফটো সমূহ সংগ্ৰহ কৰাৰ ব্যৱস্থালৈ অতি সুচাৰুৰূপে পৰিচালিত হৈ আছে) মন্দিৰৰ পৰা ওলাই সন্মুখৰ বাগানলৈ গৈছিলো। তাত ফুলৰ সৌন্দৰ্য্যৰ লগে লগে এটা শিকাৰো ব্যৱস্থা কৰা আছে। প্ৰথমে ভাৰতৰ শিশু- যি সকল শিশুৱে ইতিহাস লিখি গৈছে। তাৰপিছত মহীয়সী নাৰী, ভাৰতৰ স্বাধীনতা সংগ্ৰামী, ভাৰতৰ ইতিহাস সৃষ্টিকাৰী, এইদৰে আঠ/দহ জনীয়া একোটা দলৰ মূৰ্ত্তি (ব্ৰঞ্জৰ) প্ৰায় ছয়/সাত ফুট ওখকৈ সাজি তাত লাইটৰ ব্যৱস্থা কৰাৰ লগে লগে সকলো সময়তে মাইকত সেই সকলৰ গৌৰৱময় গাঁঠা বৰ্ণনা কৰি আছে। কোনেও কাকো সুধিবৰ দৰ্কাৰ নাই। এখন পাৰ্কত এনে নান্দনিকতা ক'তো দেখা নাই। বৰ ভাল লগা পৰিৱেশ এটা সৃষ্টি কৰিবলৈ সক্ষম হৈছে। চাই ঘূৰি আহি ৰাতি ৬ বজাত কুৰুক্ষেত্ৰলৈ যাত্ৰা কৰো।

ৰাতি ৮.৩০ বজাত কুৰুক্ষেত্ৰ পাই মনটোত এক বুজাব নোৱাৰা আনন্দ অনুভৱ হৈছিল। ৰাতিটো কটাই পিছদিনা পুৱা ৮ বজাত কুৰুক্ষেত্ৰ চোৱাৰ বাবে ওলালো। ড্ৰাইভাৰজন বৰ ভাল আছিল। তেওঁ প্ৰথমেই লৈ গ'ল ভদ্ৰকালী মন্দিৰলৈ। হাৰিয়ানাৰ একমাত্ৰ শক্তিপীঠ। সতীৰ সোঁভৰিখন পৰিছিল। নৱৰাত্ৰৰ বাবে গোটেই মন্দিৰটো ফুলেৰেই সজাইছিল। অতি সুন্দৰ পৰিৱেশ। মন্দিৰত প্ৰৱেশ কৰিয়েই মাৰ ভৰি এখন বনাই থোৱা দেখিছিলো। তাৰ তলত এটা নাদৰ দৰে গাত আছে। চাৰিওফালে বেৰ দি সংৰক্ষণ কৰি ৰাখিছে। সেই ঠাই ডোখৰতে মাৰ ভৰিখন পৰিছিল। তাৰ পিছতেই মাৰ মূৰ্তি। নৱৰাত্ৰিৰ বাবে সুন্দৰকৈ সজাইছে। আমি সেৱা কৰা সময়ত দেখিলো - মাৰ সন্মুখত নৈবেদ্য হিচাপে আগবঢ়োৱা সামগ্ৰীসমূহ। প্ৰায় ২ ফুট মানকৈ ওখ ওখ পাত্ৰত ভাগে ভাগে সামগ্ৰী। খিচমিচ, কাজু, পেষ্টা, আখৰোটোকে আদি কৰি চৰবটৰ পেকেট কাৰ্টনে কাৰ্টনে, নকুল দানাৰ পৰা আৰম্ভ কৰি বিভিন্ন ফল, মিঠাই আদিৰে মাৰ সন্মুখ ভৰাই তুলিছে। সঁচাকৈ ভক্তি আছে সেইবোৰ ঠাইৰ মানুহৰ। দৰ্শন কৰি নিজকে ধন্য মানিছিলো। নেদেখিলে বিশ্বাস কৰা টান। তাৰপিছত মন্দিৰৰ চাৰিওফালে থকা বিভিন্ন মূৰ্তিসমূহ দৰ্শন কৰি ওলাই আহিলো। আহি ওপৰত থকা শিৱ মন্দিৰলৈ উঠি গৈ দেখিলো - শিৱ মন্দিৰৰ পৰিৱেশো একেই। তাৰ এটি কোণত দেখিলো চক্ৰ বেহুকে আদি কৰি বিভিন্ন চিত্ৰ। বৰ ভাল লাগিছিল মন্দিৰ দৰ্শন কৰি।

ইয়াৰ পিছত গৈছিলো স্থানঈশ্বৰ মহাদেৱ মন্দিৰলৈ। তাৰো পৰিৱেশ বৰ ভাল লাগিছিল। এই শিৱলিঙ্গটো শ্ৰীকৃষ্ণই মহাভাৰতৰ যুদ্ধৰ স্থান নিৰ্দ্ধাৰন কৰাৰ বাবে আৰু যুদ্ধৰ সময়ত মহাদেৱ তাত বিৰাজমান হৈ থকাৰ বাবে শ্ৰীকৃষ্ণই নিজেই স্থাপন কৰি পূজা কৰিছিল। পুৰণি মন্দিৰটোৰ সন্মুখত এটা পুখুৰী। তাৰ চাৰিও দিশত বিভিন্ন মন্দিৰ। সকলোবোৰ চাই তাৰ পৰা উভতিলো।

ইয়াৰ পৰা জ্যোতিসাৰ অৰ্থাৎ শ্ৰীকৃষ্ণই অৰ্জুনক যুদ্ধৰ আগেয়ে দিয়া জ্ঞানৰ জ্যোতি। আমি যাক গীতা জ্ঞান বুলি জানো। শ্ৰীকৃষ্ণ আৰু অৰ্জুনৰ ৰথৰ ওপৰত থকা মূৰ্ত্তি বনাই গীতা জ্ঞান প্ৰদানৰ ঠাইখনত ৰাখিছে। তাত অশ্বত্থ গছে যথেষ্ট ঠাই আগুৰি আছে আৰু বেৰ দি ইয়াক ৰক্ষণা-বেক্ষণ দিছে। ওচৰতে এটা পুখুৰী আৰু শ্ৰীকৃষ্ণৰ পদচিহ্নও আছে। গীতা পঢ়ি বা পাঠ কৰাই আমাৰ মানুহে ধৰ্ম কৰা বুলি ভাৱে। কিন্তু সেই গীতাৰ উৎপত্তিস্থল দেখি মনত কিমান ভাল লাগিছিল ভাষাৰে বুজাব নোৱাৰি।

ইয়াৰ পিছত ব্ৰহ্মা সৰোবৰ চাবলৈ গৈছিলো। ব্ৰহ্মা সৰোবৰটোৰ প্ৰদক্ষিণ কৰিবলৈ চাৰিওফালে পথ বনাই ওপৰত ৰ'দ বৰষুণ নপৰাৰ বাবে সুন্দৰকৈ পকী কৰি দিছে। চাৰিওফাল ঘূৰিলে সম্পূৰ্ণ ৫ কিঃমিঃ হয়। সেই গোটেই সৰোবৰটো সুন্দৰকৈ চাফা কৰি ৰাখিছে। ইয়াত গ্ৰহণৰ পিছত শ্ৰীকৃষ্ণই নিজৰ পৰিয়াল আদিকলৈ স্নান কৰিছিল। জয়দ্ৰথ বধৰ পিছতো পাণ্ডৱ সকলকলৈ ইয়াত স্নান কৰিছিল। বৰ্ত্তমান হাৰিয়ানাৰ মানুহে গ্ৰহণ হ'লে তাত স্নান কৰে। ইয়াৰ সোমাজত হনুমান মন্দিৰ, যুদ্ধৰ সময়ত পাণ্ডৱ সকলৰ শিবিৰ আছিল আৰু দ্ৰৌপদীৰ কুৱা এতিয়াও দেখা যায়। বৰ্তমান এখন ত্ৰিশ ফুট ওখ ব্ৰঞ্জৰ ৰথত শ্ৰীকৃষ্ণ আৰু অৰ্জুনৰ মূৰ্ত্তি সজাই ৰাখিছে। সকলো পৰ্যটকে ইয়াত ফটো উঠা দেখা যায়। সন্মুখত থকা বিষ্ণু মন্দিৰটো ইয়াৰ আকৰ্ষণ হৈ আছে।

তাৰ পৰা ওলাই জয় ৰাম বিদ্যাপীঠ, দূৰ্গা মন্দিৰ, ৰাম মন্দিৰ, বৈষ্ণ দেৱীৰ গুহা আৰু মন্দিৰ, বিৰলা মন্দিৰ আদি দৰ্শন কৰিছিলো। ইয়াত ঠায়ে ঠায়ে হনুমান মন্দিৰ, গণেশ মন্দিৰ আদিৰ লগতে গজঘণ্টা, কৰ্ণৰ কৱচ কুণ্ডল দানৰ মূৰ্ত্তি, ভীষ্মৰ সৰশয্যা আদি মূৰ্ত্তিয়ে পৰ্যটকক আকৰ্ষিত কৰে। আবেলি ভদ্ৰকালী মন্দিৰৰ পৰা উলিওৱা শোভাযাত্ৰা দেখি হতবাক হৈছিলো। এই শোভাযাত্ৰাৰ আৰম্ভণিত বিভিন্ন নৃত্য গীত, মাংগলিক অনুষ্ঠান আদি যোৱাৰ পিছত ৰথবোৰ আহে বিভিন্ন কাৰুকাৰ্য খচিত ৰথ বোৰত ভদ্ৰকালী মন্দিৰৰ প্ৰতিমূৰ্ত্তি, বিভিন্ন ৰূপ



আদিৰ লগে লগে মহিলা সকলে ঘট লৈছে। এই ঘট ১০০৮ (এহাজাৰ আঠটা) সেইবোৰ দেখি বৰ ভাল লাগিছিল। এই শোভাযাত্ৰা গৈ থকা সময়ত বিভিন্ন জনে চৰবট, ফল, মিঠাই আৰু বাটিত পৰমান্ন আদি খুৱোৱা দেখিছিলো। মানুহৰ মাজত ধৰ্মৰ প্ৰভাৱ আৰু ধৰ্মৰ নামত মানুহে মুক্তহস্তে কৰা দানবোৰ দেখিলে মনবোৰ বহল হৈ পৰে। ৰাতি কুৰুক্ষেত্ৰৰ পৰা অমৃতচৰলৈ যাত্ৰা কৰি ৰাতি অমৃতসৰ পাই ৩ মান বজাৰ পৰা পুৱালৈ টোপনি মাৰিছিলো।

পুৱা ৮ বজাত অমৃতচৰৰ বিখ্যাত স্বৰ্ণমন্দিৰ ধাম বুলি ওলালো। বাটতে জালিয়ানৱালাবাগত প্ৰথমে সোমালো।

১৯১৯ চনত জালিয়ানৱালাবাগৰ হত্যাকাণ্ডৰ বিষয়ে আটায়ে জানে। এই ঠাইখিনিত এটা ঘৰত ফটোবোৰ ৰাখিছে আৰু মাজত এটা স্মৃতিসৌধ। গুলিয়াগুলী আৰম্ভ হোৱা ঠাইত সৈন্যৰ মূৰ্ত্তি ৰাখিছে আন ফালত বেৰবোৰত গুলি লগা ঠাইবোৰ চিন দি দি ৰাখিছে। তাৰ পৰা স্বৰ্ণমন্দিৰলৈ গৈছিলো। বাহিৰত জোতা-চেণ্ডেল থৈ গেটৰ সন্মুখত মূৰত মাৰিবলৈ ৰখা কাপোৰ ললো আৰু বৈ থকা পানীৰে ভৰি ধুৱাই দিছিল। মন্দিৰৰ চৌহদত প্ৰৱেশ কৰি সচৰাচৰ ফটোত দেখা ধৰণে চাৰিওফালে পানী আৰু তাৰ মাজত সোণৰ মন্দিৰটো। ৰ'দ পৰি তিৰ্‌বিৰকৈ জিলিকিছিল। মনটো প্ৰশান্তীত ভৰি পৰিছিল। চাৰিওফালে ঘূৰাৰ সময়ত মাছবোৰ দেখি মনটো খুব ভাল লাগিছিল। মন্দিৰত আগবঢ়াবলৈ সেই সময়ত খাটি ঘিৰে বনোৱা চুক্ত প্ৰত্যেকৰ বাবে বাটি একোটা লৈ মন্দিৰৰ সন্মুখৰ শাৰীত থিয় হৈ লাহে লাহে গৈ থাকিলো। যথেষ্ট ভিৰ তাৰ মাজতে মন্দিৰৰ খুটাকে ধৰি বেৰবোৰ সোণেৰে বন্ধোৱা - চালেই ভাল লগা - গৈ আছো, গৈ আছো, পিছে মনত কিছুমান দৃশ্যই বৰ দুখ দিছিল। খুটা আৰু বেৰবোৰত সোণ এৰুৱাবলৈ চেষ্টা কৰি কৰা আমাৰ বৰ্তমানৰ স্বাৰ্থপৰ, অসুৰ সকলৰ কুৎসিত চেহেৰাবোৰ তাত ফুটি উঠিছিল। একালে স্বৰ্ণমন্দিৰ বনোৱা দাতা সকলৰ উদাৰ মন আৰু সেই সোন চুৰি কৰাৰ কুমনৰ মানুহবোৰ দুয়োটা সম্পূৰ্ণ বিপৰীত চৰিত্ৰ দেখা পাইছিলো। মন্দিৰ দৰশন কৰি ভোগ খাই আৰু স্বৰ্ণমন্দিৰ বনোৱাৰ আগৰ গুৰুদ্বাৰাটো দৰ্শন কৰি এক সুন্দৰ মন্দিৰ দৰ্শন কৰাৰ সন্তুষ্টি মনত লৈ ওলাই আহিছিলো। এইবাৰ যাত্ৰা পাকিস্তান সীমান্তৰ ৱাঘা বোৰ্ডাৰ। শুনি আছিলো ৱাঘা বোৰ্ডাৰত গৈ বৰ ভাল লাগে। সেই বাবেই চোৱাৰ হেঁপাহ আছিল। ৩ বজাৰ পৰা চেক গেট খোলে। প্ৰায় ২ কিঃমিঃ খোজ কাঢ়ি যাব লাগে। অত্যন্ত গৰম লাগিছিল যদিও মনৰ জোৰত উপস্থিত হৈছিলো। যি ঠাইত কুচ কাৱাজ আদি হয় তাৰ চাৰিওফালে প্ৰকাণ্ড ষ্টেডিয়াম বনোৱা দিখিছিলো। ৰ'দৰ পৰা ৰক্ষা পৰিব পৰা ঠাই এডোখৰত বহি লৈ মাজে মাজে ইটো সিটো খাই সময় পাৰ কৰিলো। ৪.৩০ বজাৰ লগে লগে এজন সেনা জোৱানে আহি দৰ্শকৰ মাজত দেশপ্ৰেম জগোৱাৰ বাবে কিছুমান গীতৰ তালে তালে গুনাকৈ চিঞৰিবলৈ প্ৰেৰণা দি এটা পৰিৱেশ বনাইছিল। ইয়াৰ পিছত পতাকা উৰুৱাই ল'ৰা-ছোৱালীবোৰ দৌৰি মাজমানলৈ গৈ ঘূৰি আহিবলৈ পঠাইছিল। এটা সময়ত সামৰিক পদ্ধতিৰে আৰু জোৱান সকলৰ মাৰ্চ কৰা, লগতে শত্ৰু পক্ষৰ ওচৰত শক্তি প্ৰদৰ্শন আদি দৃশ্যবোৰ বৰ আকৰ্ষণীয় হৈছিল। পিছত দুয়োখন গেট খুলি যি শক্তি প্ৰদৰ্শন কৰিছিল তাক নেদেখিলে বিশ্বাস নহয়। শেষত তাৰ তালে তালে পতাকাৰ ৰছীডাল খুলি বিভিন্ন ভংগীত দলিয়াই দিয়া আৰু কচোৱা চাই বৰ আপ্লুত হৈছিলো। শেষত দুয়ৰ পৰা লাহে লাহে পতাকা দুখন দুয়ো ফালৰ পৰা নামি অহা দৃশ্যটোৱে মনত সাঁচ বহুৱাইছিল। তাৰ পৰা উভতি আহোতে প্ৰত্যেকে আলোচনা কৰিছিল যে এক অতি মনঃপুত দৃশ্য দেখি ওলাই আহিছে। সঁচাকৈ এবাৰ এই দৃশ্য প্ৰত্যেকে চোৱা উচিৎ।

ইয়াৰ পিছত উভতি আহোতে দূৰ্গা মন্দিৰ আৰু মনসা মন্দিৰ চাইছিলো আৰু মন্দিৰ দুটা বৰ ভাল লগা পৰিৱেশৰ। তাৰ পিছত বিষ্ণুমন্দিৰ আৰু পিছত ৰাম মন্দিৰ চাইছিলো। বিষ্ণু মন্দিৰটোৰ চাৰিওফালে পুখুৰী, তাত পানীৰ ফোৱাৰা আৰু ৰং বিৰঙৰ লাইটেৰে বৰ আকৰ্ষণীয় কৰি সজাইছিল। মূৰ্ত্তিবোৰ যথেষ্ট ডাঙৰ আৰু নিখুট। তাৰ পৰা হনুমান মন্দিৰ চাইছিলো। বিশ্বাস মতে এই স্থানত লৱ-কুশে হনুমানক বান্ধিছিল। ভাৰত বৰ্ষৰ দুটা স্থানত স্বয়ম্ভূ ভৈব্য হনুমান মূৰ্ত্তি আছে এটা ইয়াত আৰু আনটো আযোধ্যাত। দুয়োটা দেখাৰ সৌভাগ্য হৈছে। তাৰ লগতে হনুমান, গনেশ আৰু শিৱ মন্দিৰ। তাৰ পিছত দূৰ্গা মন্দিৰ দৰ্শন কৰিছিল। নৱৰাত্ৰিৰ বাবে বৰ আটোমটোকাৰীকৈ সজোৱা দেখি নয়ন সাৰ্থক হোৱা বুলি অনুভৱ হৈছিল। তাৰ পৰা ৰাতি ১২ বজাত জম্মু অভিমুখে যাত্ৰা কৰিছিলো।

পুৱা জম্মু পাই তাত জম্মু টুৰিজিমৰ কাৰ্যালয়ত যোগাযোগ কৰি কাট্‌ৰালৈ যাত্ৰা কৰিলো আৰু ৮.৪৫ বজাত আমাৰ বাবে ৰখা হোটেলত নমাই দিলে। গা-পা ধুই ৰাতিপুৱাৰ আহাৰ কৰি ১০.৩০ বজাত মা বৈষ্ণদেৱী দৰ্শনৰ বাবে ওলালো। ২ নং বাছ আস্থানৰ পৰা ওলাই অলপ দূৰৈতে টিকটৰ ব্যৱস্থা আছে। মহিলা-পুৰুষে পৃথককৈ শাৰীপাতি সংগ্ৰহ কৰিব লাগে। টিকট সংগ্ৰহৰ সময়ত প্ৰত্যেকৰে ফটো তুলি ৰাখে। আধা ঘণ্টা পাৰ হৈ ১১ বজাত অ'টো এখনেৰে যাত্ৰা আৰম্ভ কৰিলো। মাজতে দোকানত মাৰ কাৰণে ছাত্ৰী আৰু খাৰু-নৈবেদ্য আদি লৈ সেই অ'টোখনেৰেই বান গঙ্গালৈ অৰ্থাৎ টিকত আৰু সামৰিক চেক কৰা ঠাইলৈ গৈ অ'টোখন এৰি দিলো আৰু তাৰ পৰা খোজকাঢ়ি

যাত্ৰা আৰম্ভ কৰিলো। পথচোৰা ব্লক লগোৱা বাবে খোজ কঢ়াত অসুবিধা নহয়। পাহাৰ বগোৱা অভ্যাস নথকা বাবে এক ডেৰ কিলোমিটাৰ মান যোৱাৰ পিছত ভাগৰ লাগে। প্ৰথম অৱস্থাত ২/৩ কিঃমিঃ একেবাহে উঠিছিলো কিন্তু পিছৰফালে প্ৰায় এক কিঃমিঃ মান যোৱাৰ পিছতে ৰ'বলগীয়া হয়। খোজকঢ়া যাত্ৰীৰ লগে লগে ঘোঁৰাবোৰ আৰু পাল্কীবোৰ গৈ থাকে বাবে প্ৰায়ে সচকিত হৈ যাব লাগে। গোটেই পথচোৰাত বিভিন্ন ধৰণৰ দোকানবোৰ আৰু মাজে মাজে যাত্ৰীসকলে জিৰাব পৰাকৈ বহাৰ ব্যৱস্থা আছে। লাইটৰ ব্যৱস্থা আৰু মাৰ বন্দনাৰে মাইক বজাই থাকে। মাজে মাজে ৰ'দ বৰষুণৰ পৰা ৰক্ষা পৰিবৰ বাবে চালি সজাই দিছে। বাকী পথ চোৰাৰ ক্ষেত্ৰত বিশেষ অসুবিধা নহয় যদিও হাতীমাথা পোৱা সময়ত অলপ কষ্টকৰ হয়। সেই পথখিনি প্ৰায় ৪/৫ কিঃমিঃ বেছি থিয় বাবে উঠাৰ সময়ত ভাগৰুৱা হোৱা যায়। আমি মাজে মাজে বহি পানী ফলমূল নাইবা চাহ খোৱাত ভাগৰ আঁতৰি যায় আৰু যাত্ৰা কৰো। আবেলি ৪ বজাত হেলিপেড পাইছিলো। তাৰ পৰা পথচোৰা সামান্যভাৱেহে উঠা নমা নহলে প্ৰায় সমান যেন অনুভৱ হয়। প্ৰায় ৫ বজাত মাতাৰ দৰ্শন কৰাৰ আগেয়ে চৰকাৰী দোকানত প্ৰসাদ ক্ৰয় কৰিলো, ক্লক ৰুমত জোতা-চেণ্ডেল আৰু বেগ আদি থৈ দৰ্শনৰ বাবে সাজু হলো। গণেশ মন্দিৰ পোৱাৰ লগে লগে মাইকত ঘোষণ দিয়া শুনিলো যে বৰ্তমান গেট বন্ধ হ'ল মাৰ আঁৰতিৰ বাবে সেয়ে যাত্ৰীসকলে শাৰী পাতি আপেক্ষা কৰিব লাগিব। লগে লগে বহাৰ বাবে নতুন কাৰ্পেট পাৰি দিলে আৰু আমি গেটৰ পৰা প্ৰায় ১/২ কিঃমিঃ দূৰৈত স্থান পালো। তাতেই চাহৰ ব্যৱস্থা কৰিলো আৰু আঁৰতি শুনি শুনি বহি থাকিলো। ৰাতি ৯ বজাত গেট খুলি দিলে আৰু যাত্ৰীসকলে মাৰ বন্দনা কৰাত লাগি গ'ল। কিযে ভক্তি মাৰ প্ৰতি। পৰিবেশটো বৰ ভাল লাগিল। আধা কিঃমিঃ প্ৰায় আধা ঘণ্টাতে শেষ হৈ গেটত মাৰ দৰ্শনৰ টিকটবোৰ ৰাখি আমাক ভিতৰত সুমাৱাই দিলে। যাত্ৰীবোৰৰ ভীৰৰ মাজত গৈ থাকিলো যদিও গেটৰ পৰা মাৰ দৰ্শন পোৱালৈ যাত্ৰীৰ ভীৰৰ বাবে প্ৰায় এক ঘণ্টা লাগিছিল। গুহাত প্ৰৱেশ কৰাৰ পৰা গোটেই পথা চোৰা ওপৰৰ চিলিংখন কেৱল অৰ্কিডেৰে। তাতো আকৌ প্ৰতিটো ডালৰ গুৰিত পানীৰ সৰু সৰু বটল লগাই দিছে। ৮ ফুট মান বহলৰ চিলিঙখন আধা কিঃমিঃ দীঘল, গাত লগাকৈ অৰ্কিড লগাইছে, আকৌ দুয়ো কাষত কেলেন্দুলা, ৰজনীগন্ধা আদিৰে গোটেই পথচোৰা সজাইছে, তাৰ মাজে মাজে প্ৰায় ৪ ফুট মানৰ অন্তৰে অন্তৰে একোটাকৈ ফুলৰ মালাৰে ওলোমাই ৰখা বুকে, ইমান যে ভাল লাগিছিল পৰিবেশটো তাক বুজাব নোৱাৰি। যাত্ৰী সকলৰ মুখত মাৰ বন্দনা, নাকত ফুলৰ গোন্ধ সঁচাকৈ বুজাব নোৱাৰা আনন্দ পাইছিলো।

ৰাতি ১১ বজাত মাৰ দৰ্শন পালো। ছাত্ৰী, খাৰুখিনি ৰাখি থৈ মাৰ চুৰ্ণী কেইখন মাৰ গাত লগাই ওভোটাই দিছিল, প্ৰসাদবোৰ চুই দি পুৰোহিতে মাক চাবলৈ নিৰ্দেশ কৰিছিল। এক মিনিটমানৰ ভিতৰত মাৰ দৰ্শন হৈ গ'ল। লাহে লাহে ওলাই আহোঁতে বিভিন্ন স্থানত থকা মূৰ্ত্তিবোৰ দৰ্শন কৰি আহিছিলো। গুহাৰ পৰা ওলাই জোতা, চেণ্ডেল, বেগ আদি ক্লক ৰুমৰ পৰা উলিয়ালো। এই ক্লকৰুমত সামগ্ৰীবোৰ ৰখাৰ বাবে ষ্টীল আলমিৰা সদৃশ ল'কাৰ আছে। তাৰ প্ৰতিটো ল'কাৰৰ চাবি দি দিয়ে আৰু চাবীত থকা নম্বৰ অনুসৰি সেই ল'কাৰত সামগ্ৰীসমূহ ৰাখিব লাগে। উলিওৱাৰ সময়ত পিছফালৰ দৰ্জাৰে সোমাই অতি সহজে সামগ্ৰীবোৰ উলিয়াই আনিব পাৰি। ইয়াৰ পিছত ভেৰো বাবাৰ দৰ্শন কৰাৰ বাবে সাজু হৈছিলো। কাৰণ মাৰ দৰ্শন কৰি ভেৰোবাবাৰ দৰ্শন নকৰিলে আধা পূণ্যহে পোৱা যায়। সেয়ে আকৌ পাহাৰত উঠা আৰম্ভ হ'ল ৩ কিঃমিঃ মান যোৱাৰ পিছত ১২.৩০ বজাত ভেৰোবাবাৰ মন্দিৰ পালো। তাত মিঠাতেল আৰু নৈবেদ্য দিয়া নিয়ম। ওচৰৰ দোকানৰ পৰা সামগ্ৰীখিনি লৈ ভেৰো বাবাৰ দৰ্শন কৰিলো। ইয়াত জোতা-চেণ্ডেল মন্দিৰত উঠা চিৰিৰ ওচৰতে ৰাখিব পাৰি। ভেৰো বাবাৰ দৰ্শন কৰাৰ পিছত মনবোৰত যি যাত্ৰাৰ বাবে প্ৰস্তুতি আছিল সেই ক্লান্তি আঁতৰি গ'ল। তাত পায়স খোৱাৰ ব্যৱস্থা আছে আমিও পায়স খাই ওভোতনি যাত্ৰা আৰম্ভ কৰি এক বজাত যাত্ৰা আৰম্ভ কৰিলো ৰাতিপুৱা ৬ বজাত আমাৰ থকা ঠাই পালো। পিছদিনা শিৱপুৰী চোৱাৰ বাবে বুকিং কৰা আছিল যদিও প্ৰত্যেকৰে ভোক-ভাগৰ অনিদ্ৰা আৰু ভৰিত জোলা বন্ধাৰ বাবে সেই যাত্ৰা বাতিল কৰি জম্মুৰ চাবলগীয়া স্থানসমূহ চোৱাৰ ঠিক কৰি প্ৰায় ১০ বজাত যাত্ৰা আৰম্ভ কৰিলো। উল্লেখযোগ্য স্থানৰ ভিতৰত জম্মুৰ টাৱী নদীৰ পাৰে পাৰে প্ৰাকৃতিক দৃশ্যবোৰ চাই আহি এটি ৰাজভৱন। যাৰ ৰজা ৰনবীৰ সিং ভাৰতৰ সকলো ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ লগত উঠা ফটোৰ লগতে বিভিন্ন ধৰণৰ ফটো থকা সেই ৰাজপৰিয়ালৰ ৰাজপ্ৰাসদটো লগতে ৰাজসিংহাসন এখন যি সম্পূৰ্ণ সোণৰ। দেখি বৰ ভাল লাগিছিল। ইয়াৰ পিছত জাম্বৱান গুহা, হৰকিপৌৰী, দুৰ্গা মন্দিৰ আদি চাই বৰ আপ্লুত হৈছিলো। মাজতে জম্মু টুৰিজিমৰ দোকানত কাৰ্পেট গৰম শ্বাল আদিও চিন স্বৰূপে ক্ৰয় কৰি ডাকযোগে পঠিওৱাৰ ব্যৱস্থা কৰি সেইখন গাড়ীৰেই জম্মু ষ্টেচন পাইছিলো। তাৰ পৰা ওভেটনী যাত্ৰা আৰম্ভ হৈ ৩১ তাৰিখ গুৱাহাটী পাইছিলো। ওভোটনী পথচোৰাত যাত্ৰাৰ স্মৃতিবোৰ ৰোমন্থন আৰু আলোচনা কৰি আহিছিলো। ■

'জয় মাতা দি'



# কলেজ পগলা মোৰ ভকতৰ কথাৰে ঃ

## (ভকতৰ স্মৃতিত একলম)

✍ যমুনা মালী
*অসমীয়া বিভাগ*

*"কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।"*

মহাপুৰুষ শংকৰদেৱে কুকুৰ, শিয়াল, গাধ আদিৰ আত্মাত পৰমেশ্বৰৰ অংশ বিশেষ দেখা পাইছিল। সেয়েহে গুৰুজনাই সমগ্ৰ জীৱকুলৰ কল্যাণৰ হেতু ধৰ্মক মাধ্যম হিচাপে লৈছিল। তেৰাৰ ধাৰণাত সমস্ত জীৱ-জগত বিষ্ণু অৰ্থাৎ পৰম ব্ৰহ্মাৰেই অংশ।

ভগৱানৰ অংশ স্বৰূপ এটা অকণমানি কুকুৰৰ পোৱালি আজিৰ পৰা প্ৰায় পাঁচ বছৰ মান আগতে আমাৰ ঘৰলৈ আহিছিল। তাৰ ভৰি এখন খোৰা আছিল। আগফালৰ সো ভৰিখনৰ গাঠিৰ ওপৰ অংশ কোনোমতেহে জোৰা খাই ওলমি আছিল। তেনেকৈয়ে সি লেকেচিয়াই লেকেচিয়াই খোজ কাঢ়ি অভ্যস্ত হৈ পৰিছিল।

আমাৰ ঘৰলৈ সঘনাই আহিব ধৰাত মই তাক খাবলৈ দিয়াত সি লাহে লাহে আমাৰ পৰিয়ালৰ সদস্যৰ দৰেই হৈ পৰিল। মাজে মাজে ইফালে সিফালে যায় যদিও সি পুনৰ আহি আমাৰ ঘৰতে আশ্ৰয় লয়। কপালত **ပ** আকৃতিৰ এটা বগা ফোঁট থকা কাৰণে মই মৰমতে তাক ভকত বুলি মাতিছিলো।

লাহে লাহে ভকতৰ সতে মোৰ আত্মীয়তা বাঢ়িব ধৰে। মোক দেখিলেই নেজ জোকাৰি জোকাৰি সি মোক সম্ভাষণ জনায় আৰু মুখেৰে বহুত কিবাকিবি কব ধৰে। কোনোবাই যিমানেই খাব নিদিয়ক কিয় মই অকণমান হলেও তাক দিব লাগিব। নহলে যে সি মুখ ওফোন্দাই থাকে। মই যদি খাবলৈ দিও তেহে সি শান্তি পায়। আত্মতৃপ্তিত তাৰ মুখ উজ্বল হৈ পৰে।



তেনেকৈয়ে সময়বোৰ গৈ থাকিল। এদিন দেখিলো ভকত মোৰ আগে আগে দৌৰি গৈ কলেজ পাইছে। হাজাৰ খেদিলেও সি নাহে। ডিপাৰ্টমেন্টৰ সন্মুখত গোটেই দিনটো অপেক্ষা কৰি, মোক লগত লৈহে সি ঘৰলৈ আহিছে।

লাহে লাহে সি সদায় কলেজলৈ যোৱা আৰম্ভ কৰিলে। এদিন দেখিলো সি মই ক্লাচ কৰা কোঠাৰ দুৱাৰ মুখত মোলৈ অপেক্ষা কৰি আছে। হাজাৰ খেদিলেও সি নাহে। বেল পৰাৰ পিছত মোৰ চাদৰৰ আচলৰ ওচৰেৰে আত্ম গৌৰৱত মোৰ লগে লগে আহি ডিপাৰ্টমেন্ট পাইছে। কোনো ছোৱালীকে সি আমনি কৰা নাই।

তাক ঘৰত ৰখাৰ কাৰণে বহুত চেষ্টা কৰা হ'ল। মই ঘৰৰ গেটৰ পৰা ওলোৱাৰ লগে লগে গেটখন বন্ধ কৰি দিয়া হয়। তাৰ পিছতেই হেনো সি গেটত কপাল থেকেচিয়াই চিঞৰি চিঞৰি কিনাব ধৰে। উপায় নেপাই ঘৰৰ গিৰিহঁতে তাক এৰি দিবলৈ বাধ্য হয়।

লাহে লাহে কলেজৰ সকলো সদস্যই তাৰ চিনাকি হৈ পৰিল। ছোৱালী বিলাকেও তাক দেখি ভয় নকৰা হ'ল। এদিন দেখিলো সি লাহেকৈ ক্লাচৰুমৰ দৰ্জাখন খুলি শ্ৰেণীকোঠাত প্ৰৱেশ কৰি মোৰ প্লেটফৰ্মতে বহি থাকিল একান্তমনে। হাজাৰ চেষ্টা কৰিও তাক খেদিব নোৱাৰিলো। ছোৱালীবিলাকে ক'লে "বাইদেউ থাকক দিয়ক। সিটো কাকো অসুবিধা দিয়া নাই।"

সি প্ৰায়ে শ্ৰেণীকোঠালৈ গৈ মোৰ ওচৰত বহি পাঠদান কৰা শুনি থাকে আৰু বেল পৰাৰ লগে লগে শ্ৰেণী কোঠাৰ পৰা ওলাই আহে। মোৰ এনে ভাৱ হয় মনে মনে বহি পাঠ দান শুনি থকা সি মোৰ একান্ত বাধ্য ছাত্ৰ।

মই কলেজলৈ গৈ পোৱাৰ পিছত সি যদি কেনেবাকৈ কলেজলৈ যায় তেনেহলে শ্ৰেণীকোঠালৈ যাবলৈ সি উত্ৰাৱল হৈ থাকে। মই বাৰাণ্ডাত ঠিয় হৈ থাকিলে সি চাদৰৰ আচলত ধৰি টানিব ধৰে। তাৰ উদ্দেশ্য মই ক্লাচ কৰিব যাব লাগে।

এদিনৰ কথা। মই অফ পিৰিয়ডত লাইব্ৰেৰীৰ বাৰাণ্ডাত থকা চকী এখনত বহি বাতৰি কাকত এখন চাই আছিলো। দূৰৰ পৰা মই দেখিলো মেজৰৰ ক্লাচ কৰা ১০নং ৰুমৰ সন্মুখত ভকতে ১০ মিনিটমান সময় মোৰ বাবে অপেক্ষা কৰি আছে। তাৰ পিছত দেখিলো সি মোৰ ওচৰলৈ আহি মই পঢ়ি থকা বাতৰিখন মুখেৰে টানিব ধৰিছে। সি মুখেৰে কথা কব নোৱাৰিলেও বাতৰি কাকতখন টানি মোক বুজাই দিলে যে এতিয়া মই ক্লাচলৈ যাব লাগে। মৰমতে মই তাক সাৱটি ধৰিলো।

কেতিয়াবা মই কলেজলৈ যোৱা যদি গম নাপায় আৰু গলেও যদি মোক বিচাৰি নাপায় তেনেহলে সি পাৰ্কিং মেচিনৰ ওচৰলৈ গৈ তাৰ ওচৰতে শুই শুই মোলৈ অপেক্ষা কৰি থাকে। কাৰণ সি জানে, মই কলেজ চৌহদত প্ৰবেশ কৰিয়েই প্ৰথম পাৰ্কিঙৰ ওচৰলৈ যাওঁ। অমাত জীৱৰ বুদ্ধিমত্তা দেখি মই তবধ মানো।

শ্ৰেণীকোঠাত পাঠদান শুনি থকা ভকতৰ বিষয়ে বহুতেই বিভিন্ন মন্তব্য আগবঢ়ায়। কোনোৱে কয়, ই হয়তো আগৰ জনমত ডাঙৰ পণ্ডিত আছিল। নহলেনো চুৰা পাতনিত ভাত মাছ বিচাৰি ফুৰাৰ পৰিবৰ্তে কলেজৰ শ্ৰেণী কোঠাত বহি থাকেনে?

মোৰ প্ৰতি থকা তাৰ অগাধ মৰম দেখি সকলোৱে তবধ মানে। অনবৰতে ছাঁটোৰ দৰে লাগি থকা বাবে কোনোৱে তাক মোৰ পুত্ৰ সন্তান বুলি জোকায় আৰু কোনোবাই বডিগাৰ্ড বুলিও কয়। যুধিষ্ঠিৰৰ দৰে তোমাৰ লগত ইও যাব দেই বুলি কোনোৱে মন্তব্য কৰে।

কিন্তু মোৰ লগত যাবলৈ ভগৱানে তাক ৰাখি নথলে। যোৱা ১২ এপ্ৰিল ২০১৭ ইং তাৰিখ বুধবাৰে নিষ্ঠুৰ নিয়তিয়ে মোৰ বুকুৰ মাজৰ পৰা তাক চিৰদিনলৈ কাঢ়ি লৈ গ'ল। তাৰ আকস্মিক মৃত্যুত মোৰ যি যন্ত্ৰণা তাক মই ভাষাৰে বৰ্ণনা কৰিব নোৱাৰো। মোৰ দুচকুৰে ধাৰাসাৰে লোতক বব ধৰিলে। বুকুৰ মাজত বিৰ আৰম্ভ হ'ল।

গৰ্ভত ধাৰণ কৰি জন্ম দিয়া সন্তান এটিৰ বিয়োগত মাতৃয়ে যিদৰে বেদনাৰ বোজা বহন কৰিবলগীয়া হয়, তাৰ মৃত্যুত ময়ো তেনেকৈ অসহনীয় বেদনা বুকুত বান্ধি ৰাখিব লগা হৈছে। কিয় জানো নিজকে সান্ত্বনা দি সুস্থিৰ হব পৰা নাই। তাৰ স্মৃতিবোৰ মনলৈ আহিলেই টপাটপ চকুপানী ওলাব ধৰে।

সি মোক অভিমান কৰি গুচি গ'ল, ভকত, তই যতেই আছ, তোৰ আত্মাক ভগৱানে পবিত্ৰ স্থানত ৰাখক। অশ্ৰু-অঞ্জলিৰে মই হতভগিনীয়ে তাৰেই কামনা কৰিলোঁ।

।। ওঁম শান্তি।।

■ ■ ■

## মহৎলোকৰ বাণী

- মৃত্যুৰ বিষয়ে অবাবতে চিন্তা কৰি সময়ৰ অপচয় নকৰিবা, কেৱল কাম কৰি যোৱা। জীৱনটোক সহনীয় কৰি তোলাৰ সেইটোৱেই একমাত্ৰ উপায়। অপূৰ্ণতাক সহজতে স্বীকাৰ কৰি লোৱাৰ মানসিকতাই হ'ল জীৱনৰ সৰল পথ। যিখিনি পাইছো তাকেই শ্ৰেষ্ঠ সম্পদ বুলি ভাবিব পৰা ক্ষমতাইতো আমাক সহজভাৱে জীয়াই থাকিবলৈ প্ৰেৰণা দিয়ে।

  — *ভল্টেয়াৰ*

- "মানুহ প্ৰকৃততে সুখী হ'বলৈ হ'লে সুস্থ দেহ, সুস্থ মন, সুস্থ পাৰিপাৰ্শ্বিক পৰিৱেশ, সু-চৰিত্ৰ, মানসিক শক্তি সমূহৰ উপযুক্ত বিকাশ আৰু আজৰি সময়ৰ সদ্ ব্যৱহাৰ, এই সকলো বিলাকক উপযোগী কৰিবলৈ শিক্ষা ব্যৱস্থাই সুবিধা দিব লাগিব।"

  —*এৰিষ্টটল*





# বন্ধুত্বৰ এনাজৰী

✍ চন্দ্ৰানী কলিতা
*স্নাতক, তৃতীয় ষাণ্মাসিক*

দক্ষিণ কামৰূপৰ এখন খ্যাতনামা মহাবিদ্যালয় হৈছে মিৰ্জাৰ ছোৱালী মহাবিদ্যালয়। এইখন মহাবিদ্যালয়তেই সাহিত্য বিষয়ত ডিগ্ৰী পঢ়ি সুখ্যাতি আৰু নিষ্ঠাৰে মহাবিদ্যালয়খনৰ নাম উজ্বল কৰিবৰ বাবে আমি তৃতীয় ষাণ্মাসিকৰ ছাত্ৰীসকল প্ৰতিশ্ৰুতিবদ্ধ হৈছিলোঁ মহাবিদ্যালয়খনৰ ১২নং কোঠাত এদিন ভৰ দুপৰীয়া। সেই সময়খিনিত আমি অসহ্য গৰমত ক্লাছ কৰি আহি ক্লান্তি অনুভৱ কৰিছিলোঁ। কিন্তু আমাৰ মাজৰ প্ৰতিশ্ৰুতিয়েই শৰীৰৰ পৰা ওলোৱা উষ্ম ভাব আঁতৰাই ক'ৰবাত বিলীন কৰি দিছিল। গৰমত ক্লাছ কৰি ভাগৰি পৰিও আমাৰ দায়িত্বৰ পৰা আমি কোনো সময়তেই আঁতৰিবলৈ চেষ্টা কৰা নাছিলোঁ। কোনোবাই গৰমৰ বাবেই ক্লাছৰ পৰা আঁতৰি পলাব খুজিলেই ৰাশিয়ে ঘৰৰ পৰা অনা বিচনীখনেৰে দুপাক মাৰি শৰীৰ শাত পেলাই মোহিত কৰিছিল। জোনালীৰ মৰম আৰু লাজ-লাজ হাঁহিটোৱে সকলোকে আনন্দিত কৰি তুলিছিল। মাজে-মাজে সময় পালে ৰশ্মিউল আৰু মই নিজে লিখা দুটিমান কবিতা লিখি আনি বান্ধৱীৰ মাজত পঢ়াই শুনাই আমাৰ দায়িত্বৰ ভাব অটুট ৰাখিবলৈ চেষ্টা কৰিছিলোঁ। কোনোবাই আমাৰ বিষয়ৰ কোনো তথ্য বুজি নাপালে নমিতাই এইক্ষেত্ৰত পাৰে মানে সহায়ৰ হাত আগবঢ়াইছিল। সকলোৱে মনবোৰ ঠিকে ৰাখিবৰ বাবে নিকু, মণি, অঞ্জনাহঁতে যিবোৰ হাঁহি-ধেমালি কৰি আমাক পুলকিত কৰিছিল সেই কথা মই কেতিয়াও পাহৰিব নোৱাৰোঁ। আমি আমাৰ মহাবিদ্যালয়খনৰ প্ৰতি যি দায়িত্ব লৈ কঠোৰ সাধনাত ব্ৰতী হৈছো তাৰবাবে সকলো বান্ধৱীয়েই নিজ নিজ কৰ্মদক্ষতাৰে আমাৰ বন্ধুত্বৰ এনাজৰী বান্ধিবলৈ চেষ্টা কৰিছো।

এদিনাখন যেতিয়া আমাৰ প্ৰথম ষাণ্মাসিকৰ ৰিজাল্ট ওলাইছিল সেইদিনা আমাৰ সকলোৰে হৃদয় মৰম-শ্ৰদ্ধা আৰু সহানুভূতিৰে জিলিকি উঠিছিল। সকলো বিভাগৰ ভিতৰতেই আমাৰ সাহিত্য বিভাগৰ ফালৰ পৰা যথেষ্ট কষ্ট আৰু পৰিশ্ৰমৰ স্বাক্ষৰ স্বৰূপে আমাৰ বান্ধৱী নমিতাই ৯.০ point পাবলৈ সক্ষম হৈছিল। পিছত যেতিয়া আমি আমাৰ ওপৰৰ বাইদেউসকলৰ পৰ গম পাইছিলো যে এয়েই প্ৰথম প্ৰাপ্ত উচ্চ নম্বৰ, তেতিয়া আমাৰ যে কিমান আনন্দ লাগিছিল মই বুজাব নোৱাৰিম। অৱশ্যে ময়ো ৮.৫ point পাইছিলোঁ কিন্তু মোৰ এই নম্বৰতকৈ নমিতাই যি পাইছিল তাৰবাবে অলপ অসুখী হৈছিলোঁ। কাৰণ মোৰ বিচাৰত নমিতাই ইয়াতকৈও বেছি পাব লাগিছিল। তাই উচ্চাকাংশী, যোগ্য আৰু মেধাৱী ছাত্ৰী হিচাপে তাই পোৱা নম্বৰত মইয়ে বেজাৰ পাইছিলোঁ' এয়াহি আমাৰ বন্ধুত্বৰ এনাজৰী। মুঠতে কোনোবা নহয় কোনোবাই আমাৰ দায়িত্বৰ মাজেৰে গৈ ত াৰ বিভাগৰ নাম চিৰযুগমীয়া কৰি গোটেইখন মহাবিদ্যালয়তেই জিলিকাব লাগে। কাৰণ আমাৰ সাহি ।বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীৰ দৰে পৰিশ্ৰম আৰু কষ্ট কোনো বিভাগৰেই নহয় বুলি আমি ভাবো।

উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰা একেবাৰে স্নাতকোত্তৰলৈকে যি সাধনা কৰি ছাত্ৰীক শিক্ষণ প্ৰক্ৰিয়াৰে শিক্ষিত কৰি তুলিব লাগে তাৰবাবে আমি বান্ধৱীবোৰে মাজে-মাজে ভাবি তন্ময় হওঁ।

কাৰোবাৰ সুখে-দুখে সমভাগী হ'বলৈ পালে মনত কি যে আনন্দ লাগে আমাৰ বাহিৰে সঁচাকৈয়ে কোনেনো বুজিব? আমি ভালপাওঁ এনেকুৱা বান্ধৱীৰ সমভাগী হ'বলৈ পালে, কাৰণ আমি তাইক সান্ত্বনা দিব নোৱাৰিলেও অন্ততঃ তাইৰ লগত অলপ কান্দিব পাৰিম। সকলোৰে জীৱনত কিছুমান সমস্যা নিশ্চয় থাকে, যিবোৰ সমস্যা বাহিৰত প্ৰকাশ কৰিব নোৱাৰি ভিতৰতে থাকি খুলি-খুলি খায় ধ্বংস কৰি পেলায় কোনো হৃদয়ৰ গৰাকীক। সেই সমস্যাবোৰ যদিও একান্ত অন্তৰংগ বান্ধৱীৰ আগত share কৰিব পাৰি তেন্তে কিমান পাতল পাতল অনুভৱ হয় সেইবোৰ আমাৰ বাহিৰে জানোনো কাৰ? গতিকে আমি আমাৰ সহায়ৰ সাৰথি জীৱনৰ আগমুহূৰ্তত লগ পায় ধন্য মানিছোঁ। যিদৰে আমাৰ মাজত একতা বুজাবুজি আছে সেইটো সকলোৰে ক্ষেত্ৰত হৈ উঠাতো মই বাৰুকৈয়ে বিচাৰো। কাৰণ বান্ধৱীবেই চকু-মুখে চাই কোন কিমান নিঃসংগ নিজৰ পৃথিৱীত মই বুজি পাওঁ। যিদৰে মোৰ প্ৰিয় বান্ধৱী ৰশ্মিউলৰ কষ্ট মোৰ উপলব্ধিত।

আমাৰ মাজত থকা বুজাবুজিৰ প্ৰধান আহিলা শক্তি হৈছে আমাৰ মাজত থকা জাতিভেদ নাইকিয়া প্ৰথা। হিন্দু-মুছলমানৰ মাজত থকা একতা। বিশেষকৈ মই ভাবো জাতিগত নীতিতকৈ মৰম-স্নেহৰ নীতিটো বহুত ডাঙৰ। কাৰণ সকলোৰে শৰীৰত তেজ আছে, মৰম, শ্ৰদ্ধা সকলোৰে হৃদয়তে আছে। সকলোৰে ধৰ্মও একেতাই। হিন্দুৰ ঈশ্বৰ আৰু মুছলমানৰ আল্লা, এই ঈশ্বৰ-আল্লা মিলিয়েই জানো এক পৰমসত্ত্বা নহয়? তেন্তে কিয়নো সাঁজো আমি আমাৰ মাজত প্ৰাচীন দেৱাল।

কেইদিনমান আগতে ৰশ্মিউলৰ মুখতে শুনিছিলোঁ, তাই হেনো কিবা ভাললগা মুহূৰ্তত হঠাতেই মন্দিৰত শৰাই এখন আগবঢ়াম বুলি কোনোবা এজনৰ আগতেই কৈ দিছিল, তেতিয়া সেই মানুহজনে হেনো কৈছিল তাই এনে পাপ কথা ক'লে, গতিকে তাইৰ পাপ হ'ল। কিন্তু কোনো ধৰ্মৰ লোকে কোনো এক বিপৰীত ধৰ্মক সন্মান জনালেই পাপ হয় জানো? যদি হয় এয়া কি পৰম সত্তাৰ নীতি? আৰু যদি নহয় ৰশ্মিউলক কোৱা মানুহজনে এই পাপ কথা কৈ নিজেই পাপগ্ৰস্ত নহ'লনে? সেইদিনা ৰশ্মিউলে মোক কান্দি-কান্দি এই কথাখিনি কৈছিল। মই তাইক বুজাইছিলোঁ, কোনোবা মূৰ্খ হ'ব পাৰে নিজৰ ধৰ্মতেই, কিন্তু আমি আমাৰ বন্ধুত্ব জীয়াই ৰাখিব লাগিব জাতি-ভেদ পৰিহৰি এক হৈ। আমি এনেকৈয়ে সুখে-দুখে আমাৰ সমভাগী হৈ পৰো জাতিভেদ নেওচি এক গতিপথেৰে।

কিছুমান সতেজ আৰু আকৰ্ষিত মুহূৰ্তয়ো মোক বাৰুকৈয়ে বিচলিত কৰি তোলে। বিশেষকৈ জোনালী আৰু নিজৰাৰ ৰজনজনাই তোলা হাঁহিয়েই মোক কেতিয়াবা সবল কৰি তোলে। এতিয়াও সিহঁতৰ লগত থাকিলে ঘৰলৈ মনতেই নপৰে। কি যে ধেমেলীয়া কথাবোৰ কৈ থাকে নহয়, কোনোবাই পঢ়ি থাকিলেও শৰীৰটো থৈ মনটো সিহঁতৰ কাষলৈ উৰা মাৰে। এদিন ৰাখিয়ে ৰৰকৈ কথা পাতি আছিল, তাইক এনেকৈ দেখি মৌচুমীয়ে তাইৰ মুখত এটা ভাইৰাছ হোৱা বুলি কৈ জোকালে। মৌচুমীৰ এই কথাত সকলোৰে হাঁহি ফাটি ওলাল। আচল কথা হ'ল ভাইৰাছ আকৌ এটা হ'ব পাৰেনে? আকৌ এদিন নিজৰাই ক'লে তাইৰ হেনো হাত ঘড়ীটো বহুত দিন গ'ল, কাৰণ তাই ঘড়ীটোৰ বেটাৰী বচায় সকলো সময়তেই ঘড়ীটোৰ ন'তটো খুলি থৈ দিয়ে। যেতিয়া কলেজলৈ আহে তেতিয়া আকৌ ন'তটো লগায় দিলে। তাইৰ এই সৎ ব্যৱহাৰৰ প্ৰয়োগত গোটেই ক্লাছ ৰুমটো হাঁহিৰে ফাটি পৰিল। কাৰণ, নিজৰাৰ এই প্ৰয়োগত ৰাখিৰ উদাহৰণ আছিল 'থাপনাত ধূপ এডাল জ্বলাই প্ৰণাম কৰা হ'লে আকৌ নুমাই দিয়া, পিছদিনা আকৌ সেইডালকে জ্বলোৱা।' অৱশ্যে মোৰ এইবোৰ ধেমালি লিখা কথাটো বৰ বেছি ভাল হোৱা নাই; কিন্তু সকলোৰে যাতে এইবোৰ কথা পঢ়ি সেই দিনটোলৈ মনত পৰে তাৰবাবেহে লিখিছোঁ। কাৰণ সৰু-সুৰা স্মৃতিবোৰ মগজুৰ পৰা হেৰাই গ'লে আমাৰ মাজত থকা বন্ধুত্বত কিছু প্ৰভেদ পৰিব পাৰে। সেইবাবেই মই চেষ্টা কৰিছোঁ আমাৰ এনাজৰী সদায় বান্ধি থ'বলৈ।

মিঠা মিঠা কাজিয়া, সহায় আৰু সহানুভূতিৰ মাজেৰেই আমাৰ দিন গৈ আছে। সকলোৰে ক্ষেত্ৰত দায়িত্বৰ ভাৰ যথেষ্ট পৰিছে। ষাণ্মাসিকতে নতুন নতুন বিষয় অধ্যয়ন কৰিব লগাত পৰে। দুমাহতে বিষয় এটাক ভালকৈ আয়ত্ব কৰি ল'ব লাগে, আকৌ তাৰ পিছত নতুন এটা বিষয়। যাৰ ফলত বিশেষকৈ আমাৰ সাহিত্য বিভাগৰ ছাত্ৰীখিনিৰ যথেষ্ট অসুবিধা হয়। কাৰণ আগতে আয়ত্ব কৰি অহা বিষয়ৰ ওপৰত আমাৰ একো বন্ধন নাথাকে। আমাৰে সমনীয়াৰ মনৰ ভাৱ বুজি আমি এই বিষয়ে অনুভৱ কৰোঁ। যিহেতু সকলোৰে শিক্ষণ আহৰণৰ ক্ষমতা কম-বেছি পৰিমাণে থাকে, সেইবাবে সিহঁতক আমিয়েই সাহস যোগাবলগাত পৰে। কাৰণ, একেলগেহি হাঁহি-ধেমালি কৰি মনৰ কথা পাতি এবছৰ কটোৱাৰ পিছত কাৰোবাক এৰি যাবলৈ হ'লে আমি বৰ দুঃখিত হ'বলগাত পৰে। এনাজৰীডালৰ কেইটামান বান্ধনি সুলকি পৰাৰ ক্ষেত্ৰত আমাৰ এনাজৰীডাল শিথিল হৈ পৰে। আমাৰ চকুৰ সন্মুখতেই আমাৰ বেদনাৰ চকুলো সৰে। মুঠতে আমাৰ বন্ধুত্বৰ এনাজৰীডাল ইমান কটকটীয়াকৈ বান্ধি থ'ব বিচাৰো যে আমাৰ মাজৰ পৰা কোনোবা



হেৰাই যোৱাটো আমি কেতিয়াও বিচাৰিব নোৱাৰোঁ। ইয়াৰ উদাহৰণস্বৰূপে আমাৰ মাজত চিৰস্মৰণীয় হৈ ৰোৱা কিছুমান স্মৃতিয়ে আমাক বাৰুকৈয়ে আকৰ্ষিত কৰে।

যেতিয়া প্ৰথম ষাণ্মাসিকৰ ৰিজাল্ট ওলাইছিল সেইদিনা আমাৰ গা সাতখন-আঠখন হোৱা বুলি মই অথনিতে কৈ আহিছোঁ। কিন্তু তাৰ পিছৰ দিনাখন আমাৰ সকলোৰে মনবোৰ নিতাল মৰা আছিল। কাৰণ, আমাৰ কেইজনীমান মৰমীয়াল বান্ধৱীৰ ৰিজাল্ট বৰ বেছি ভাল হোৱা নাছিল। সেই বিষাদ আৰু বেদনাৰ টোৱে সকলোৰে মন চুই গৈছিল। সিহঁতৰ শোক-দুখত আমিও সমভাগি হৈ পৰিছিলোঁ। পিছত আকৌ আমিয়েই সিহঁতক সাহসৰ বাট দেখুৱাই দিবলৈ সক্ষম হৈছিলোঁ।

আকৌ এদিন আমাৰ মাজৰপৰা এজনী বিশ্বাসী বান্ধৱীয়েই হেৰাই গৈছিল। কিন্তু তাই চিৰদিনৰ বাবেই হেৰাই যোৱা নাছিল। মানসিক প্ৰৱণতাত পৰি তাই কোনো বিচাৰ-বিবেচনা নকৰিয়েই আমাৰ দায়িত্বৰ পৰা আঁতৰি গৈছিল। তাইৰ সেই কৰ্মত আমি বেজাৰ পাইছিলোঁ যদিও আমাৰ দায়িত্বৰ পৰা আমি আঁতৰি নোযোৱাৰ প্ৰতিশ্ৰুতিৰে সকলোৱে সংকল্পবদ্ধ হৈছিলোঁ। আমাৰ মাজত থকা সহায়-সহানুভূতি, মৰম-শ্ৰদ্ধা, দয়া-মমতা আৰু বুজাবুজিৰ বাবেই আমি সকলোৱে সুখী ছাত্ৰী। এই সুযোগতে আমাৰ মাজত থকা মৰমসনা অভিমানৰ স্বাক্ষৰ স্বৰূপে সকলোৰে সহায়-সাৰথিত মই 'বেবেৰিবাং' নামেৰে এটি হাস্য-ব্যঙ্গাত্মক কবিতা লিখি গোটেই মহাবিদ্যালয়খনৰ ভিতৰতেই পৰিচিত হৈ পৰিলোঁ। সকলো বান্ধৱীৰ পৰাই পোৱা উৎসাহ আৰু প্ৰেৰণাবোৰ মোৰ বাবে আশীৰ্বাদ স্বৰূপ হৈ পৰিল। কিন্তু, কবিতাটি মই আমাৰ গ্ৰুপৰ মাজতেই সীমাবদ্ধ হৈ থকাটো বিচাৰিছিলোঁ। কেনেবাকৈ মোৰ মত অবিহনে ৰশ্মি আৰু জোনালীয়ে সেইটো বাহিৰত প্ৰচাৰ কৰি দিছিল, তেতিয়া মই লাজ আৰু সংকোচত কোঙা হৈ পৰিছিলোঁ। কিন্তু পিছত উপলব্ধি হৈছিল সিহঁতে মোৰ কাৰণেইতো যথেষ্ট কষ্ট কৰিছিল। এয়াই জানো আমাৰ সততাৰ পৰিচয় একতা নহয়?

বৰ্তমান আমাৰ বন্ধুত্বৰ এনাজৰীডাল অধিক কটকটীয়া অৱস্থাত আছে। এই বন্ধনৰ মুখ্য ছাত্ৰী হিচাপে মই ক'ব পাৰোঁ ৰশ্মিউল, জোনালী, ৰাশি, মৌচুমী, ধৃতি, নিকু, মণি, পাপৰি, চন্দ্ৰমিতা আৰু নিজৰাৰ কথাকেই। এই সুযোগতে মই আমাৰ এনাজৰীৰ সমূহ ছাত্ৰী বান্ধৱীকে শলাগ জনাইছোঁ। বৰ্তমান আমি মহাবিদ্যালয়খনৰ ভিতৰতেই সুখী আৰু 'হেপি বেচ্ছ' বুলি ক'ব পাৰোঁ। ■

■ ■ ■

"নতুন পুৰুষ আমি
নতুন সুৰুষ আমি
নতুন পথেৰে আগুৱান
সময় হওঁক সাক্ষী
মাটিৰ মান ৰাখি
জাতিটোৰ জয়গান গাম"

# কলেজৰ প্ৰথম দিনটো আৰু কিছু অনুভৱ অভিজ্ঞতাৰ জুমুঠিৰ পৰা

✍ ভূমিকা নাথ
স্নাতকোত্তৰ, চতুৰ্থ ষাণ্মাসিক

বহুতো নিয়ম শৃংখলাৰ মাজেৰে ১০ বছৰীয়া স্কুলীয়া শিক্ষা শেষ কৰি ২০১০ চনত মেট্ৰিকৰ দেওনা পাৰ কৰি কলেজৰ চৌহদত ভৰি দিছিলোঁ ২০১০ চনৰেই ১ আগষ্ট তাৰিখে। সিদিনা আছিল বুধবাৰ। সেইদিনা মই জীৱনৰ এটি নতুন অধ্যায়ক সাৱটি ল'বলৈ সাজু হৈছিলোঁ। বতৰটো অলপ ডাৱৰীয়া আছিল। বৰষুণ দিয়াৰ সম্ভাৱনা। তথাপিও খুব উৎসাহ আৰু আগ্ৰহেৰে ঘৰৰ পৰা ওলালো কলেজলৈ বুলি। এই কলেজীয়া জীৱনটো কেনেকুৱা হ'ব? কলেজৰ প্ৰত্যেকটো কথাই মোৰ বাবে নতুন হ'ব। পাৰিমনে অচিনাকি মানুহবোৰৰ সৈতে বন্ধুত্ব গঢ়িব ইত্যাদি নানান কথা ভাবি ভাবি Bus Stand লৈ বুলি গৈ থাকোতে হঠাতে কিন্‌কিনীয়া বৰষুণজাকে মোক স্পৰ্শ কৰিলে। ইয়াৰ আগতেও মই বৰষুণত তিতিছিলোঁ; কিন্তু সিদিনা যেন এই বৰষুণ জাকৰ স্পৰ্শই মোক এক বিশেষ ধৰণে শিহৰিত কৰিছিল। কলেজলৈ বুলি ওলোৱা আন দুগৰাকীমান ছোৱালীক ছাতি লৈ যোৱা দেখি ময়ো আগদিনা দেউতাই বজাৰৰ পৰা আনি দিয়া নীলা ৰঙৰ ছাতিটো বেগৰ পৰা উলিয়াই টানি ল'লোঁ।

Bus Stand লৈ গৈ দেখিলো বহুতো কলেজীয়া ল'ৰা-ছোৱালীয়ে জুম বান্ধি গাড়ীৰ বাবে অপেক্ষা কৰিছে। ৰঙা, নীলা নানা ৰঙৰ ছাতি আৰু বেলেগ বেলেগ Uniform ৰে সিদিনা Bus Stand টো ৰঙীণ হৈ পৰিছিল। কিছু সময় অপেক্ষাৰ অন্তত এখন বাছ আহিলত ঠেলা হেচাকৈ বাছখনত উঠিলোঁ। ভয়তেই নে আনন্দতেই ক'ব নোৱাৰো কিন্তু কলেজৰ Bus Stand ত নামি এক বিশেষ অনুভৱে মোক আৱৰি ধৰিছিল। সেইদিনা নিজকে মোৰ মুকলি মুকলি যেন অনুভৱ হৈছিল। হয়তো সেইদিনা মই প্ৰথমবাৰৰ বাবে স্বাধীনচিতীয়া মন এটা পাইছিলোঁ। কিয়নো স্কুলৰদৰে তাত কোনো ধৰণৰ নিয়ম-নীতিয়ে মোক বান্ধি ৰখা নাছিল; অধ্যাপক-অধ্যাপিকাবোৰেও অভিভাৱকৰ দৰে গুৰুত্ব দিয়া নাছিল। তাৰোপৰি কলেজৰ Main গে'টখন সকলো সময়তে খোলা আছিল। Student বোৰে সকলো সময়তে অহা-যোৱা কৰিব পাৰিছিল। এনেবোৰ কথা ভাবি থাকোতে হঠাৎ ৯ বজাৰ বেল বজাত উচপ খাই উঠিলোঁ। বেলৰ শব্দ শুনি সকলোৰে সৈতে Class লৈ বুলি সোমাই গ'লো ৪নং ৰুমত। আগ্ৰহ আনন্দৰে উৎফুল্লিত হৈ আৰম্ভ কৰিলো কলেজীয়া জীৱনৰ প্ৰথমটো পৃষ্ঠা।

স্কুলীয়া জীৱনত আমি প্ৰত্যেকেই এটি কাঢ়া অনুশাসনৰ মাজত আবদ্ধ হৈ থাকো য'ত নিজৰ ইচ্ছানুযায়ী কিছুমান কাম কৰাটো আমাৰ বাবে অসম্ভৱ। কিন্তু কলেজ পোৱাৰ পাছতেই প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰীয়ে হৈ পৰে নিজেই নিজৰ অনুশাসক। য'ত বহুতো ছাত্ৰ-ছাত্ৰীয়ে নিজকে স্বাধীন বুলি মানি মনে বিচৰা সকলো কাম কৰিবলৈ অধীৰ হৈ পৰে। যেনে Friend ৰ সৈতে আড্ডা দিয়া, Class বাং কৰি চিনেমা চাব যোৱা আৰু কেতিয়াবা কলেজত যোৱাৰ নামত লগৰীয়াৰ সৈতে ঘুৰা ফুৰা কৰা এই সকলোবোৰৰ বাবে কলেজীয়া জীৱনৰ সময়খিনিত আমি নিজকে স্বাধীন হিচাপে মানিব লওঁ। কেতিয়াবা এই স্বাধীনচিতীয়া মনটোৰ বাবে বহুতো ল'ৰা-ছোৱালীয়ে বিপথে পৰিচালিত হোৱা দেখা যায়। ইয়াৰ উপৰিও বৰ্তমান যুৱপ্ৰজন্মৰ মাজত জনপ্ৰিয় হৈ পৰা Social Networking বোৰেও হয়তো ইয়াৰ মূল কাৰণ হৈ পৰিছে। কিন্তু আমি জানো যে প্ৰত্যেকটো বস্তুৰেই ভাল-বেয়া গুণৰ অধিকাৰী। ইয়াৰ বাবে মাথো দৰকাৰ সুস্থ মানসিকতাৰ। সুস্থ মগজুৰে আমি প্ৰত্যেক বস্তুৰেই সদ্‌ব্যৱহাৰ কৰিব পাৰোঁ।

যোৱা ১ আগষ্ট ২০১৭ বৰ্ষৰা এই মহাবিদ্যালয়তো বিগত বছৰসমূহৰ দৰে আকৌ এবাৰ নতুন শিক্ষাবৰ্ষ আৰম্ভ হৈছে। যোৱাটো HSLC পৰীক্ষাত উত্তীৰ্ণ হৈ কলেজৰ চৌহদত থিয় দিয়া প্ৰত্যেকগৰাকী নতুন শিক্ষাৰ্থীয়ে আঁকোৱালি লৈছে কলেজীয়া জীৱনৰ ৰঙীণ পৃষ্ঠা। আৰম্ভ হৈছে জীৱনৰ এটি নতুন অধ্যায়।

মহাবিদ্যালয়ৰ প্ৰত্যেকগৰাকী নৱাগতলৈ মই মোৰ হিয়াভৰা ওলগ তথা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। তোমালোকে আৰম্ভ কৰা এই নতুন সময়খিনিত বহুতো ভাল-বেয়া অভিজ্ঞতাৰ সৈতে পৰিচিত হ'বা। তোমালোকে পোৱা স্বাধীনতাখিনিৰ সদ্‌ব্যৱহাৰ কৰাৰ লগতে মহাবিদ্যালয়খনৰ লগত জড়িত বিভিন্ন দিশত যোগদান কৰি এই মহাবিদ্যালয়ৰ নাম উজলাবলৈ চেষ্টা কৰিবা। নিজেই নিজৰ অনুশাসক হৈ জীৱনৰ এই মূল্যবান সময়খিনিক সোণোৱালী কৰি তুলিবলৈ যত্ন কৰা। সুস্থ মানসিকতাৰ অধিকাৰী হ'লেহে স্মৃতিৰ পাতত এই সময়খিনিক সোণালী আখৰেৰে জিলিকাই ৰাখিব পাৰিবা। ■



# এমুঠি অনুভৱ

✍ জুমি দাস
স্নাতকোত্তৰ, ৪ৰ্থ ষাণ্মাসিক

স্মৃতিবোৰ দেও দি দি পাৰ হৈ যায় আমাৰ মুৰৰ ওপৰেদি। সাক্ষী হৈ ৰয় নিমাওমাও সেই দুপৰীয়াবোৰ। মই উভতি আহিব বিচৰা নাছিলোঁ। সুবিধা পালেই যেন আকৌ এবাৰ পৰিভ্ৰমণ কৰিম মোৰ এই আপোন মানুহখিনিৰ চহৰখনলৈ।

দুই বছৰ আগৰ কথা। সপোন খেদি, বুকুত এবুকু সপোন বান্ধি আহিছিলোঁ এই মায়া নগৰীলৈ। অচিনাকি চহৰত অপৰিচিতৰ মাজত বিচাৰিব ধৰিছিলোঁ কিছু আশ্বাস আৰু বিশ্বাসৰ শিহৰণ। অজস্ৰ বিচিত্ৰ মানুহৰ মুৰ্খবোৰে মোক আচৰি কৰি পেলাইছিল। জীৱনত প্ৰথমবাৰৰ বাবে ঘৰৰপৰা বাহিৰলৈ আহিছিলোঁ লজ্জিত সংকুচিত ভাৱেৰে খোজ পেলাইছিলোঁ কলেজৰ পদুলিত আৰু প্ৰথমদিনাই অৱতীৰ্ণ হৈছিলোঁ আপোন মুখ চিনাক্তৰ পৰীক্ষাত। সন্মুখত অজস্ৰ মুখে ভিৰ কৰিছিল, কিছুমান মুখে হুৰৱাইছিল, কিছুমানে আকৌ কন্দুৱাইছিল, কিছুমান হিংস্ৰ, কিছুমান আছিল পৰম প্ৰশান্ত। দুখ কৰিবলৈ সময় নাছিল আৰু সুখৰ সংজ্ঞা বিচাৰিবলৈ। মাজনিশা জিলিৰ শব্দবোৰে, ঘৰত ছাঁটোৰ দৰে লাগি থকা বুঢ়ী আইতাজনীৰ অভিমানবোৰে খেদি ফুৰিছিল। কিন্তু লগৰ কিছু এনে লগৰী যিয়ে জীৱন বীমাৰ আনন্দৰ দৰে মোৰ সেমেকা আবেলিবোৰৰ শেষ সময়খিনিলৈ দি গৈছিল অনাবিল মুগ্ধতা। আলোকৰ সন্ধান বিচাৰি অহা মোৰ লগৰ কেইগৰাকীৰ লগত মাৰা ঠাট্টা-মস্কৰা (আড্ডা)। এই সকলোবোৰৰ মাজত বিচাৰি পাইছিলোঁ এখনি ঘৰ। কলেজখনৰ প্ৰতিটো কোঠালিয়ে হৈ পৰিছিল চিনাকি উপত্যকা।

মোৰ দৰে হেজাৰ ছাত্ৰী আকৌ আহিব, আকৌ লিখি থৈ যাব কিছু তিতা, কিছু মিঠা কাহিনী। এইখন কলেজৰ এগৰাকী ছাত্ৰী হিচাপে মই সদায় গৌৰৱ অনুভৱ কৰিম। প্ৰতিগৰাকী শিক্ষকলৈ মোৰ শ্ৰদ্ধা আৰু আন্তৰিকতা অফুৰন্ত আৰু অকৃত্ৰিম। মই বিচাৰো আমাৰ কলেজখন সদায় উজলি থাকক এগছি অক্ষয় বন্তি হৈ। এজোপা শেৱালি হৈ চৌপাশে সৌৰভ বিলায়। আপোনালোকলৈ শ্ৰদ্ধা প্ৰকাশ কৰিবলৈ মই ভাষা বিচাৰি নাপাওঁ। তথাপি ক'ব বিচাৰো যে, মোৰ দৰে আকৌ বহুত ছাত্ৰী আহিব, আঁকি থৈ যাব বহু স্মৃতি, কিন্তু মই আপোনালোকৰ দৰে ব্যক্তিত্ব হয়তো কাহানিও নাপাম। শেষত কলেজখনলৈ বুলি—

বাটৰ কাঁইটে কিমানবাৰ বিন্ধিছিল,
কিমানবাৰ খহিছিল মথাউৰি।
তথাপি তৰণ বন্ধ হোৱা নাছিল,
মাথো শিক্ষাৰ পোহৰ বিলাব'লৈ
ত্যাগৰ নৈ বোৱাইছিল। ■

# মোৰ জীৱনৰ কথাৰে

✍ হিৰামণি কলিতা
উঃ মাঃ, ১ম বৰ্ষ
(বিশেষভাৱে সক্ষম ছাত্ৰী)

পলাশবাৰী সমষ্টিৰ বৰদোৱা মৌজাৰ অন্তৰ্গত ভেলেৰা গাঁৱৰ ২০-০৪-২০০০ ইং তাৰিখত মোৰ জন্ম। পিতৃ প্ৰভাত চন্দ্ৰ কলিতা আৰু মাতৃ সুবৰ্ণ কলিতা। মোৰ জন্মৰ দিনা মা-দেউতাৰ মনত ইমানেই আনন্দ লাগিছিল যে দেউতাই হেনো খবৰ লবলৈ অহা প্ৰত্যেক মানুহকে চাহ মিঠাই খুৱাইহে পঠাইছিল। এইদৰে কেইদিনমান যোৱাৰ পিছত এদিন মায়ে মোক চোতালত গা ধুৱাই আছিল। সেই সময়তে দুজনীমান বুঢ়ী মানুহ আমাৰ ঘৰলৈ আহিছিল। তেওঁলোকে ফুচফুচাই কিবা গোপন কথা পাতি থকাৰ সন্দেহ কৰি মায়ে তেওঁলোকক কি কথা পাতিছে প্ৰশ্ন কৰিলে। তেতিয়া বুঢ়ী এজনীয়ে ক'লে যে যদি তেওঁ বেয়া নেপায় তেনেহলে কব পাৰে। তেতিয়া বুঢ়ী জনীয়ে ক'লে যে তোমালোকৰ ছোৱালীজনীৰ চকু দুটা দেখোন কণা পৰা। তেতিয়াহে মা-দেউতাই ভালকৈ লক্ষ্য কৰিলে আৰু গাঁৱৰ অভিজ্ঞ ব্যক্তিক মাতি আনি দেখুৱালে। সকলোৱে চাই চিতি নিশ্চিত হল যে ছোৱালীজনী জন্মান্ধ। আমাৰ পৰিয়াললৈ অমাৱস্যাৰ ঘোৰ অন্ধকাৰ নামি আহিল।

আমাৰ চুবুৰীয়া লোকৰ পৰামৰ্শমতে মোক লোহাৰঘাট চিকিৎসালয়ত দেখুৱালে। তাৰ ডাক্তৰে চাই চিতি মোক অতি সোনকালে মেডিকেলত ভৰ্ত্তি কৰিবলৈ কলে। ডাক্তৰৰ পৰামৰ্শ মতে দেউতাই মোক মেডিকেলত ভৰ্ত্তি কৰিলে। ছয়মাহ মান চিকিৎসাৰ অন্তত কোনো সুফল নোপোৱাত দেউতাৰ এগৰাকী বন্ধুৰ পৰামৰ্শ মতে আৰু মানুহৰ দান বৰঙনিৰে মোক শংকৰদেৱ নেত্ৰালয়ত ভৰ্ত্তি কৰিলে। তাত চাৰিবছৰ চিকিৎসাৰ অন্তত মোৰ চকু এটাৰ অপাৰেশ্যন কৰে আৰু এটা কৃত্ৰিম চকু সংস্থাপন কৰে।

২০০৬ চনত দেউতাই মোক গুৱাহাটীৰ অন্ধ বিদ্যালয়ত নামভৰ্ত্তি কৰি দিলে। প্ৰথম অৱস্থাত মই ভালপোৱা নাছিলো যদিও মোৰ দৰে বহুতো অন্ধ ল'ৰা-ছোৱালীক লগ পাই লাহে লাহে মোৰ মনটো ভাল লাগিল আৰু তেওঁলোকৰ লগত মিলিজুলি ছাৰ-বাইদেউ সকলৰ উৎসাহত লাহে লাহে পঢ়া শুনাত মন দিলো।

দৃষ্টিহীন চিকিৎসাৰ বাবে দেউতাই এবাৰ পুনৰ মোক নেপাললৈ লৈ গ'ল। তাত কেইদিনমান চিকিৎসা কৰি কোনো সুফল নোপোৱাত মোক পুনৰ ঘৰলৈ লৈ আহিল আৰু দৃষ্টিহীন চিকিৎসাৰ ইমানতে শেষ কৰিলে।

লাহে লাহে মই দৃষ্টিহীন ভাবটো মনৰ পৰা আঁতৰাবলৈ আৰম্ভ কৰিলো। এই ভাবটো মই শক্তিত পৰিণত কৰি পঢ়া শুনাত মনযোগ দিবলৈ আৰম্ভ কৰিলো। ২০১২-১৩ চনত গুৱাহাটী দৃষ্টিহীন উচ্চ মাধ্যমিক বিদ্যালয়ত দৃষ্টিহীন হেলেন কেলাৰৰ জীৱনীৰ কথা জানি মই অতিকৈ উৎসাহিত হওঁ আৰু সেই আদৰ্শৰে ময়ো যাতে কিছু আগবাঢ়ি যাব পাৰো তাৰ চেষ্টা কৰিব ধৰিলো।

হেলেনৰ কাহিনী ভালদৰে পঢ়ি লৈ মই যে দৃষ্টিহীন এই শব্দটো মই অন্তৰৰ পৰা উলিয়াই পেলালো। ছাৰ বাইদেউসকলৰ উৎসাহ আৰু মৰমত মই জীৱনৰ লক্ষ্য স্থিৰ কৰি ললো আৰু মনপুতি পঢ়া-শুনা কৰিব ধৰিলো। ২০১৭ ইং চনত মই ৫৮% লৈ ভালদৰেই মেট্ৰিক পাছ কৰিলো।

এই চনতে মই (২০১৭) দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত নামভৰ্ত্তি কৰিলো। এই মহাবিদ্যালয়ত ছাৰ বাইদেউ সকলৰ লগতে কৰ্মচাৰী সকলে দিয়া মৰম স্নেহৰ কাৰণে মই দুগুণে উৎসাহিত হৈছো। তেখেতসকলৰ মৰম স্নেহত যাতে মই মোৰ লক্ষ্যত উপনীত হব পাৰো এয়ে মোৰ প্ৰাৰ্থনা।

মোৰ জীৱনৰ কাহিনী লিখোতে ভুল-ভ্ৰান্তি হোৱাটো স্বাভাবিক। ভুল ভ্ৰান্তিৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা বিচাৰি মোৰ লিখনিৰ সামৰণি মাৰিলোঁ। ■



# পবিত্ৰ তীৰ্থ ভ্ৰমণ (বটদ্ৰৱা আলিপুখুৰী)

✍ মানসী কলিতা
স্নাতক, ৬ষ্ঠ ষাণ্মাসিক

মোৰ জীৱনত এয়াই প্ৰথম পবিত্ৰ তীৰ্থভ্ৰমণ। য'ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা আলিপুখুৰী। মোৰ জীৱনত এনেকুৱা এখন ঠাই ভ্ৰমণ কৰাটো মোৰ বহুত সৌভাগ্যৰ কথা। সেইদিনটো মই বহুতো সুমধুৰ আৰু আনন্দৰে পাৰ কৰি আহিছোঁ।

মানৱ জাতিলৈ মহাপুৰুষজনাই অপৰিসীম সৃষ্টি কৰিছে। গুৰুজনাই ৰচনা কৰা কীৰ্ত্তন পুথিখনৰ বৰ্ণনা ভাষাৰে বুজাব নোৱাৰি, পুথিত থকা সংস্কৃত শ্লোকসমূহ অসমীয়া জাতিৰ একশৰণ ধৰ্মীয় লোকৰ মুখতে থাকে, যেনে—

*প্ৰথমে প্ৰণামো ব্ৰহ্ম ৰূপী সনাতন।*
*সৰ্ব অৱতাৰ কাৰণ নাৰায়ণ।।*

নগাঁও চহৰৰ ওচৰত তাত মোৰ বাইদেউৰ ঘৰ আছে। হঠাৎ এদিন ভিনদেউৱে পৰিয়ালৰ লগতে মোক বটদ্ৰৱা আলিপুখুৰীলৈ ভ্ৰমণ কৰিবলৈ লৈ গৈছিল। মই মনতে ভাবিছিলোঁ বহুত দিনৰ আশা এটা পূৰণ হ'ব, অসমীয়াত মেজৰ থাকিও অসুবিধাৰ কাৰণে এইখন পবিত্ৰ তীৰ্থস্থান ভ্ৰমণ কৰাৰ পৰা ব্যৰ্থ আছিলোঁ। ভ্ৰমণৰ সেইদিনটো মে ৩০, ২০১৭ তাৰিখে মোৰ জীৱনত বহু আনন্দৰ মাজেৰে পাৰ হৈ গৈছিল। সেই দিনটো কেনেকৈ পাৰ হৈ গৈছে মই ভাষাৰে বুজাব নোৱাৰিম। অসমীয়া জাতিৰ গুৰুজনাৰ জন্মস্থানখনৰ পৰিৱেশটো দেখি আনন্দত আত্মহাৰা হৈ পৰিছোঁ। চাৰিওফালৰ পৰিৱেশটো গছ-গছনিৰে ভৰপুৰ। ইয়াত কীৰ্ত্তনঘৰ, প্ৰসাদ দিয়া অন্য ঘৰ, সাঁচিপাতবোৰ থোৱা নিৰ্দিষ্ট কোঠা আছে। ভ্ৰমণযাত্ৰীৰ বাবে ৰান্ধনীশালৰ ব্যৱস্থা আৰু বিভিন্ন নাট্যঘৰৰ ব্যৱস্থা আছে। তাত থকা ভকতসকলে বিভিন্ন নীতি-নিয়মৰ মাজেৰে কীৰ্ত্তনঘৰত নাম-প্ৰসঙ্গ কৰে। প্ৰতিদিনে কীৰ্ত্তনঘৰত থকা ভকতসকলে ভ্ৰমণ যাত্ৰীসকলক ঠিক দিনৰ ১২ বজাৰ পিছত প্ৰসাদ-উপহাৰ বিতৰণ কৰি দিয়ে। ভ্ৰমণ যাত্ৰীৰ ল'ৰাই ধুতি-পাঞ্জাৱী আৰু ছোৱালী বা মহিলাই মেখেলা-চাদৰ পৰিধান কৰি কীৰ্ত্তনঘৰৰ ভিতৰত প্ৰৱেশ কৰিব পাৰে। নহ'লে অন্য বস্ত্ৰৰে তাত আশীৰ্বাদ ল'ব নোৱাৰে, ভকতসকলে এইটো নিয়ম বান্ধি ৰাখিছে। ভকতসকলৰ ব্যৱহাৰ দেখি মোৰ শ্ৰদ্ধাত মূৰ দোঁ খাই পৰিছে।

আলিপুখুৰীটো, চাৰিওফালে বিভিন্ন ধৰণৰ ফল-ফুলৰ গছ-গছনিৰে পৰিৱেশটো পৰিপূৰ্ণ হৈ আছে। পুখুৰীটোৰ পাৰে পাৰে বিভিন্ন ধৰণৰ গছবোৰ ৰোৱা আছে। গুৰুজনাই

সাঁতুৰি পাৰ হোৱা পুখুৰীটোৰ চাৰিওফালে খোজ কাঢ়িলে প্ৰায় আধা ঘণ্টা সময় লাগে। পুখুৰীত থকা মাছবোৰ দেখি এনেকুৱা লাগে যেন পুখুৰীটোত নামি যাম আৰু গোটেইবোৰ মাছ হাতেৰে ধৰি চাবৰ মন যায়, কাৰণ মাছবোৰে যি খেল-ধেমালি কৰে নাচাই নোৱাৰি আৰু সেইবাবে মই সিহঁতক প্ৰসাদ আৰু মুৰী খাবলৈ দিছিলোঁ আৰু এনেকৈ অন্য যাত্ৰীয়েও মাছবোৰক খাদ্য দি থাকে। তাত থকা সময়খিনি বহু আনন্দৰে পাৰ হৈ গৈছিল। কেনেকৈ পাৰ হৈ গ'ল সেই দিনটো গমকে নাপালোঁ।

জন্মস্থানতে মহাপুৰুষজনাই বিভিন্ন ধৰণৰ শ্লোক, কবিতা, বৰগীত আদি লিখিছিল। য'ত তেখেতে এইবোৰ এজোপা ডাঙৰ শিলিখা গছৰ তলত বহি লিখা-মেলা কৰিছিল আৰু সেই শিলিখা গছজোপা এতিয়াও আছে। শিলিখা জোপাৰ চাৰিওফালৰ বেৰটো সুন্দৰকৈ পকীৰে বন্ধা আছে।

গুৰুজনাই পিন্ধা খৰমযোৰ নিৰ্দিষ্টভাৱে এটা কোঠাত ৰাখিছে। পবিত্ৰ তীৰ্থস্থানৰ পৰিৱেশটো পৰিস্কাৰ আৰু প্ৰত্যেকটো নামঘৰৰ বাৰাণ্ডাত আৰু ৰান্ধনীশালৰ ওচৰত জলৰ পেলোৱা পাত্ৰ আছে।

বটদ্ৰৱা থানত ভ্ৰমণ যাত্ৰীসকলে নিৰামিষ ভোজন কৰে আৰু কোনোৱা যাত্ৰীয়ে ভকতসকলৰ লগতে খাদ্য খনাব দিয়ে। প্ৰায়ে ভকতসকলে মুগৰ দালিৰে নিৰামিষ ভোজন কৰে। তাত কোনো যাত্ৰীয়ে যাতে আমিষ ভোজন কৰিব নোৱাৰে এইটো নিয়ম বোজাই ৰাখিছে, একশৰণধৰ্মীৰ ভকতসকলে।

মহাপুৰুষজনাৰ জন্মস্থানৰ চৌহদৰ দেৱালত বা নামঘৰৰ বেৰত কীৰ্ত্তনপুথিৰ পদসমূহ লিখা আছে। তাত বহুতো সংস্কৃত শ্লোক আছে তাৰে ভিতৰত ৪টা উল্লেখ কৰা হ'ল। যেনে—

১। শুনিলন্ত ভাগৱত আনন্দে পৰম
জানিলন্ত ভাগৱত শাস্ত্ৰ পম।
কৃষ্ণ দেব নাম ধৰ্ম একান্ত শৰণ
সাধু সঙ্গ আছে যাত্ৰ কৰে নিৰুপম।।

২। সংসাৰ য'ত আনো অসংখ্যাত
আছে মহা পাপী গণ।
সবাৰো এহিলে মুখ্য প্ৰায়শ্চিত
হৰি নাম কীৰ্ত্তন।।

৩। ভকত বৎস তোমাক জানি
কেনে বোলা হেন ঘাতুক বাণী।
সমস্ত বিষয় এড়িয়া স্বামী
ভজিলো তোমাৰ চৰণে আমি।।

৪। জাতিকুল ক্ৰিয়া সমস্তে ত্যাগিল
মিলিল কৰ্ম বিপাক
যত মহাপাপ সমস্তে সিজিল
পোষন্তে পুত্ৰ ভাৰ্য্যাক।

প্ৰথম এইবাৰ মই বাইদেউৰ ঘৰলৈ গৈ এনেকুৱা মহান তীৰ্থস্থান প্ৰথমবাৰৰ বাবে ভ্ৰমণ কৰিবলৈ পাই অতিকৈ সুখী হৈছোঁ। ■

■ ■ ■

## মহৎলোকৰ বাণী

- প্ৰতিভাই মানুহক মাত্ৰ এশভাগৰ এভাগহে প্ৰেৰণা দিব পাৰে। বাকী নিৰানব্বৈ ভাগ প্ৰেৰণা আছে পৰিশ্ৰমৰ পৰাহে।
*— টমাচ আলভা এডিচন*

- কৌশল অবিহনে একোকে শিকিব পৰা নাযায়।
*—ডিজৰেলী*





# স্মৃতিৰ সাধনা

✍ নিকুমণি দাস
*স্নাতক, ৩য় ষাণ্মাসিক*

সুদূৰত জিলিকি থকা আকাশৰ তৰাবোৰলৈ চাই স্মৃতিৰ চকুলো নিগৰি আছিল। আইতাক আৰু কণমাণি ভাই ভনী দুটা কেতিয়ানো তাইৰ ওচৰৰ পৰা আঁতৰি গল তাই গমকে নাপালে। এনেকৈ গৰমৰ দিনত সিহঁতে প্ৰায়েই চোতালত পাটি পাৰি আইতাকৰ পৰা সাধু শুনে। কণমাণি চন্দ্ৰমা আৰু ৰূপমে সাধু শুনি খুউব ভাল পায়। স্মৃতিও মাজে মাজে আহি সিহঁতৰ ওচৰত বহি সাধু শুনে। আইত ৰ সাধুত পৰী, ৰাজকুমাৰ, বেং ভেঁকুলী, ভালুক, বান্দৰ আৰু ক কিমানক যে লগ নাপায়।

স্মৃতি দশম শ্ৰেণীৰ ছাত্ৰী। তাইৰ দেউতাক নাই, যোৱা তিনি বছৰ আগতে স্মৃতিৰ দেউতাক ঢুকায়। মাকে আইতাক আৰু তিনিটা ল'ৰা-ছোৱালীৰ পৰিয়ালটো কিমান কষ্ট কৰি চলাই আছে সেই কথা স্মৃতিয়ে ভালদৰে জানে। আইতাকৰ সংগীত তাই প্ৰায়ে শুনে, এৰি যোৱা মানুহবোৰে হেনো আকাশত তৰা হৈ নিজৰ আত্মীয়ক চাই থাকে। স্মৃতিৰ কেতিয়াবা আকাশখনক চিঞৰি চিঞৰি প্ৰশ্ন কৰিবলৈ মন যায়, দেউতাক কিয় আমাৰ মাজৰ পৰা লৈ গলা? আজিও উজ্জ্বল তৰাবোৰ দেখি স্মৃতিৰ দেউতাকলৈ খুউব মনত পৰিছে। স্মৃতিৰ দেউতাকে পিয়নৰ চাকৰি কৰিছিল যদিও তাইৰ পঢ়া শুনাত কেতিয়াও অভাৱ হোৱা নাছিল। দেউতাকৰ সপোন আছিল স্মৃতিক ডাক্তৰ বনাব। দেউতাকৰ সপোন তাই বাস্তৱায়িত কৰিবই।

স্মৃতিৰ টেষ্ট পৰীক্ষাৰ আজি ৰিজাল্ট দিব। সেয়ে স্মৃতিয়ে নামঘৰত এগচ চাকি দিবলৈ গৈছে। মাকে বেমাৰী দেহাটোৰে আজি কালি বেছি কষ্ট কৰিব নোৱাৰে। স্মৃতিৰ ৰিজাল্ট ওলাল, তাই ৮৫ শতাংশ নম্বৰ পাই উত্তীৰ্ণ হৈছে। এনেদৰে তাইৰ মেট্ৰিক পৰীক্ষাৰ দিনবোৰ ওচৰ চাপি আহিল। স্মৃতিয়ে এই কেইমাহ আগতকৈও বেছি কষ্ট কৰিছে, কাৰণ তাই জানে মেট্ৰিক পৰীক্ষাৰ ভাল ফলাফলেই হ'ব। দেউতাকৰ সপোনৰ জগতত তাইৰ প্ৰথম খোজ। স্মৃতিয়ে অসমৰ ভিতৰত সপ্তম স্থান অধিকাৰ কৰি মেট্ৰিক পাছ কৰিছে। স্মৃতিৰ ঘৰ শুভকাংশীৰে নধৰা হৈ পৰিল। আইতাক মাকেও আনন্দতে চকুলো টুকিলে। স্মৃতিৰ খুড়াক কোম্পানীৰ মেনেজাৰ। স্মৃতিৰ এনে সফলতাত খুড়াকে সন্তুষ্ট হৈ তাইক পঢ়ুওৱাৰ দায়িত্ব মুৰ পাতি লৈ ডিব্ৰুগড়লৈ লৈ গ'ল। শৈশৱৰ গাঁওখন, ঘৰখন এৰি যাবলৈ স্মৃতিৰ অলপো মন যোৱা নাছিল যদিও এনেকুৱা সোণালী সুযোগ তাই হেৰুৱাব নিবিছাৰিছিল। ভগৱানে যেন তাইৰ ওপৰত এনেকৈ কৃপা কৰিছে তাৰ বাবে তাই ভগৱানৰ ওচৰত কৃতজ্ঞ। এনেকৈয়ে দিনবোৰ পাৰ হৈ গ'ল। মাক, আইতাক আৰু খুড়াকৰ আশীৰ্বাদত স্মৃতি আজি চকুৰ ডাক্তৰ হ'ল। দেউতাকৰ সপোন আজি বাস্তৱায়িত কৰিলে। আইতাক কেতিয়াবাই ঢুকাল। বৰ্তমান ঘৰখন এতিয়া স্মৃতিৰ উপাৰ্জনতে চলে। চন্দ্ৰমা আৰু ৰূপমকো তাই পঢ়া খৰচৰ যোগান ধৰে। কিন্তু সময়ৰ লগে লগে তাইৰ মাক সম্পূৰ্ণ দৃষ্টিহীন হৈ পৰিল। দুমাহৰ ভিতৰত তাইৰ মাকৰ চকুৰ অস্ত্ৰোপচাৰ বস্বাৰ কথা।

আজি তাই নিজেই মাকৰ চকুৰ অস্ত্ৰোপচাৰ কৰিলে। মাকে পুনৰ দৃষ্টিশক্তি ঘুৰাই পালে। মনৰ আনন্দত স্মৃতিয়ে মাকক সাৱটি ধৰিলে। মাক আৰু স্মৃতিয়ে চোতাললৈ ওলাই আহিল। আকাশত ওচৰা ওচৰিকৈ দুটা উজ্জ্বল তৰা আঙুলিয়াই দি মাকক স্মৃতিয়ে কলে, চোৱা মা, দেউতা আৰু আইতাই আমালৈ চাই হাঁহি আছে। ■

# সাপ

✍ নমিতা ঠাকুৰীয়া
*স্নাতক, ৩য় যাণ্মাসিক*



সি এটা সাপ নেকি? বহুদিন ধৰি মই নিজকে প্ৰশ্নটো কৰিছোঁ যদিও সঠিক উত্তৰটো বিচাৰি পোৱা নাই। বহুতেই কৈছে সি এটা সাপ। কিন্তু মানুহে কোৱা সকলোবোৰ কথাইতো সঁচা নহয়। বিভিন্ন সময়ত বিভিন্ন নামেৰে নামাকৰণ কৰিছে। কিন্তু সি সকলোবোৰ জানে অকলে। সেয়ে সি ঠিক কৰিব পৰা নাই যে সি এটা বান্দৰ, কুকুৰ, গৰু, গাধ, পাগল, বাঘ নে সাপ!

ওচৰৰ সম্পৰ্কীয় দদাইদেউ এজনে মোৰ সৰু ভাইটিটোক ল'ৰালি কালত চুলি খিনি খুৰাই দিয়াৰ কথা কৈছিল। বাঁওহাতখনত সোঁহাতখনেৰে খুৰ ধাৰ কৰাৰ এনে এটা ভঙ্গী লয় যে সৰু ভাইটিৰ খং উঠে। নতুবা গামোচা খনেৰে দুয়োখন হাত বান্ধি লয়। তেতিয়া চুলিখিনি ৰক্ষা কৰিবৰ বাবে দদাইদেউক হাতখনত কামুৰি দিয়ে। তেতিয়া ভাইটিক কয়- এইটো মানুহ খোৱা বাঘ। কিন্তু বেয়া নালাগে তাৰ। মই এটা বাঘ। ঘৰখনৰ মাজু, কিন্তু এটাই ল'ৰা। বাইদেউ এজনী আৰু ভন্টীজনীয়ে মৰম কৰে যদিও ভয়ো কৰে। মোক বাঘ যেন দেখে। কিন্তু সেই অনুভৱ মিছা।

সৰুতে ভাইটিয়ে লিচু, মধুৰিয়াম, আম, কঁঠাল বিচাৰি গছত উঠে। পেহীহঁতে তাক খকুৱা বান্দৰ বুলি কয়। কিন্তু তাৰ বান্দৰ হবলৈ ভাল নালাগে। মানুহবোৰে তাক হনুমান বুলি কোৱাটো বিচাৰিছিল। সেই নাম পোৱাৰ আশাত হনুমানে পৰ্বত অনাৰ দৰে পথাৰৰ পৰা এটা আটাইতকৈ ডাঙৰ মাটিৰ চপৰা দাঙি আনিলে। আন এদিন এটা ডাঙৰ গছৰ ডাল আনিলে। পিছে আশা পূৰণ নহ'ল। প্ৰথমদিনাই বুঢ়ী আইতাই খং কৰিলে - ইমান ডাঙৰ মাটিৰ চপৰা দাঙি হাত-ভৰি; কঁকালৰ বিষ তুলিবলৈ কিহে পাইছে। সেই সময়তে মিঠাই খোৱা বটল এটা খুলি মিঠাই চুৰ কৰি খাইছিল। পাছত মায়ে ধৰা পেলোৱাত মেকুৰী আখ্যা দিছিল। কিন্তু ভাইটিৰ চুৰণী মেকুৰী হবলৈ ভাল লগা নাছিল। ভাইটিয়ে অৱশ্যে মেকুৰী আৰু বান্দৰ কোনো এটাই যে হোৱা নাই সেয়া খাটাং। বান্দৰৰ দৰে টেঁঙৰালি আৰু ধূৰ্তামি শিকা হ'লে গাঁও পঞ্চায়তৰ সভাপতি বীৰেণ খুড়াৰ দৰে অলপ ক্ষমতা লাভ কৰিব পাৰিলেহেঁতেন আৰু লোকৰ নামত অহা ঘৰৰ টিনপাত, চিমেন্ট চুৰ কৰিব পাৰিলেহেঁতেন। মেকুৰীৰ দৰে চোৰ হ'ব পৰা হ'লে ৰমেন বৰদেউতাৰ দৰে চাউল, চেনি, কেৰাচিন চালান দি ধনী মানি হ'ব পাৰিলেহেঁতেন। সৰহকৈ চান্দা দি মেলে মিটিঙে আগস্থান পালেহেঁতেন।

ভাইটি এটা গৰু নেকি? সি এটা গাধ নেকি বাৰু? সৰুতে দেউতাই ভাইটিক মাজে মাজে অংক শিকায় আৰু নোৱাৰিলে দেউতাই খং কৰে। ভাইটিক কাণ মলা দি কয় - "এইটো অংক নোৱাৰ। মগজুত গোবৰ আছে। গৰু গাধ হলি। ভাইটিয়ে ভাবে সি পিছে গাধ নহয়। গাধৰ স্বভাব চৰিত্ৰ ভালদৰে নাজানে। ভাৰ বয় বুলি শুনিছে। কিন্তু ভাইটিয়ে একো কাম নকৰে। গৰুও নহয়। আমাৰ ঘৰৰ গৰু কেইটাৰ নিৰ্দিষ্ট দৈনন্দিন কাৰ্যসূচী আছে। কিন্তু ভাইটিৰ একো কাৰ্যসূচী নাই। সৰুতে পঢ়িছিল গৰু উপকাৰী জন্তু। পিছে ভাইটি ঘৰৰ কি উপকাৰত আহিছে সি ভাবে। এদিনাখনৰ কথা মোৰ ভাইটিৰ গীটাৰ বজোৱাত বৰ চখ। ফাংচনবোৰলৈ একেলগে গৈ, একেলগে ঘূৰি আহি ওচৰৰে পখিলীৰ লগত ঘনিষ্ঠতা গঢ়ি উঠিছিল। ভাইটিতকৈ দুশ্ৰেণী তলত পঢ়িছিল। তাই গান গাইছিল। এজনী গায়ক ছোৱালী ফাংচনলৈ অনা নিয়া কৰি ভাইটিয়ে গৌৰৱ অনুভৱ কৰে। কিন্তু এদিনাখন পখিলীয়ে গীত গাই আহিছিল। তাৰ পিছদিনা তাই পল নামৰ ল'ৰা এটাৰ লগত চিনেমা চাবলৈ গৈছিল। ৰেষ্টুৰেন্টত ঘন্টাৰ পিছত ঘন্টা বহি কথা পাতিছিল। পখিলীৰ পলৰ লগত ঘূৰা মেলাটো অলপ বেছি হৈছে নেকি? হাজাৰ হওক তাই মোৰ ভনীৰ দৰে গতিকে সাৱধান কৰি দিবি তই।

দুদিনৰ পিছত পখিলী আমাৰ ঘৰলৈ আহিছিল। ভাইটিৰ কোঠাত সোমাই ক'লে যে, অৰ্ণৱ দা, এসময়ত তোমাক মই বহুত ভাল পাইছিলো, বিশ্বাস কৰিছিলো, আজিও কৰো। মোক তেনেকৈ ক'বলৈ তোমাৰ অকণো বেয়া নালাগিল নে? তুমি এটা সাপ। চলচলীয়া চকুৰে তাই ওলাই গৈছিল। তাৰ পিছত ভাইটিয়ে উচ্চাৰণ কৰিলে - মই এটা সাপ।

পিছদিনা বজাৰৰ পৰা বাঁহী এটা কিনি ভাইটিয়ে পেহীৰ ল'ৰাটোক ক'লে— এইটো তই বজাচোন কেনেকৈ বজায়?

সেই যে সাপ নচুওৱা মানুহবোৰে বজায়। তই বজাচোন, মই নাচো। ধেৎ, কি ধেমালি কৰিছ? পেহীৰ লৰাটোৰে বাঁহীটো হাতত দি আতৰি গ'ল। ভাইটিৰ এই কাণ্ড চাই মা, দেউতা, মই, সৰু ভন্টি হাঁহিত থাকিব নোৱাৰা অৱস্থা এটা হৈছিল।

আন এদিন ভাইটিয়ে পুৰণা চোলা-পেন্ট এযোৰ বস্তীৰ দৰে দীঘলীয়া কৰি বাৰাণ্ডাতে সজাই থৈছিল। মই ভাইটিক সুধিলো-ভাইটি কি কৰি আছ তই?

"মোট সলাইছোঁ।"

হাঁহি হাঁহি কাপোৰযোৰ আনিব খোজো তে মোক ক'লে— এই বা নুচুবি নুচুবি। সাপৰ মোট নুচুবি। মই হাঁহি হাঁহি গৈ মা, দেউতা সকলোৰে আগত কথাটো কওঁতে ভাইটিক পাগল আখ্যা দিছে। অন্য এদিন সৰু ভন্টিৰ লগৰ ছোৱালী এজনী আহিছিল আমাৰ ঘৰত নিশা থাকিবলৈ। সৰু ভন্টিয়ে মাক পাকঘৰত ভাত বন্ধাৰ সহায় কৰি দি আছিল। মই পঢ়ি আছিলো। দেউতাই টি.ভি চাই আছিল। ছোৱালী জনীয়ে সৰু ভন্টিৰ পঢ়া কোঠাত বহি কিবা কিবি পঢ়ি আছিল। ভাইটিয়ে, ছোৱালীক অকলে পঢ়ি থকা দেখি চিনাকি হোৱাৰ উদ্দেশ্যে কোঠাত প্ৰৱেশ কৰিছিল। ভাইটিক দেখি ছোৱালী জনী উচপ খাই উঠিল। তাই বহাৰ পৰা উঠিল। ভাইটিয়ে ক'লে বহা, বহা। পুনৰ তাইক সুধিলে— 'তুমি আমাৰ সৰু ভন্টি (ৰুমা)'ৰ লগত পঢ়া?" তাই মুৰ দুপিয়ালে। ভাইটিয়ে ক'লে - মই তাইৰ দদায়েক। ছোৱালী জনীয়ে নমস্কাৰ জনালে। ভাইটিৰ ভাল লাগিল। ভাইটিয়ে তাইক ক'লে— মোৰ কোঠালৈ যাও বলা। ইয়াত অকলে বহি থকাতকৈ। দুটামান কথাকে পাতিম। তাই অলপ ইতস্ততঃ কৰিলে। তাৰ পিছত তাই ভাইটিৰ কোঠাত প্ৰৱেশ কৰিলে। তেতিয়া ভাইটিয়ে ছোৱালীজনীক এটা প্ৰশ্ন কৰিলে যে— 'তুমি কোৱাচোন মানুহবোৰে মোক কিয় বাৰু সাপ বুলি কয়।' ছোৱালীজনীয়ে অবাক দৃষ্টিৰে ভাইটিৰ চকুলৈ চালে। কোঠাটোৰ পৰা ওলাই যাবলৈ চেষ্টা কৰিলে। ভাইটিয়ে আগভেটি ধৰিলে। ভাইটিয়ে ক'লে - মোৰ প্ৰশ্নৰ উত্তৰ নিদিয়াকৈ তুমি যাব নোৱাৰা। ছোৱালীজনীৰ মুখত আতঙ্কৰ ভাব ফুটি উঠিল, তাই এটা বিকট চিঞৰ মাৰিলে- বাইদেউ, ৰুমা, মা, দেউতা। চিঞৰ শুনি সকলো দৌৰি আহিল। সকলোৰে চকু ছোৱালী জনীৰ ওপৰত। ছোৱালী জনীয়ে সেপ গিলি কথমপি ক'লে— দদাইদেৱে, দদাইদেৱে মোক।

সকলোৱে ভাইটিৰ ফালে চালে। তাৰ পিছত ভাইটিয়ে ক'লে— মই এওঁক সুধিব খুজিছিলো মই কোন? মানুহ নে সাপ?

কিন্তু কোনেও মোৰ কথালৈ কাণসাৰ নকৰে। তাৰপিছত ভাইটিৰ কোঠাৰপৰা সকলোবোৰ ওলাই গৈছিল। কিন্তু দেউতাই খন্তেক পৰ খং ভাবেৰে চাই আছিল। তাৰ পিছত কৈছিল যে - ইয়ালৈকে তোক ডাঙৰ কৰিলো। ভাবিছিলো মানুহ হ'বি, হলি গৈ এয়া। তোৰ দৰে গৰু, গাধ, কুকুৰ এটা থকাতকৈ নথকাই ভাল। 'গাখীৰ খুৱাই সাপ পুহিলো' এই বাক্যখিনি বাৰে বাৰে প্ৰতিধ্বনিত হৈ ৰ'ল। সি দুৱাৰখন বন্ধ কৰি বিছনাত পৰিলে। ভাইটিয়ে ভাবিলে যে পখিলীয়ে কৈছে - তই সাপ। কালিলৈ সৰু ভণ্টি, মা, পেহীয়েও ক'ব তই এটা সাপ। তেতিয়া ভাইটিৰ বুকুৰ মাজত অনুভৱ কৰিলে এক অসহনীয় তিক্ততা। ঘৰখনে মোক আশ্ৰয় দিছে। বিনিময়ত দিছো বিহ। তেতিয়া ভাইটিৰ দুচকুৰে দুধাৰি বৈ আহিছিল।

ৰাতি ১২ মান বজাত নিৰল নিস্তব্ধতাই বিৰাজ কৰিছে। ওচৰৰ গছৰ ডালত পৰি ফেঁচাই কুৰুলিয়াই আছে। ভাইটি থকা ঘৰটোৰ পিছফালৰদুৱাৰখন খুলি পাইখানাৰ ওচৰত থকা এটা ফেনাইলৰ বটল হাতত তুলি ল'লে। তাৰ পিছত ঘটিল অঘটনটো। ফেনাইল খাই মাটিতে পৰি থাকিল তাৰ মৰাশটো। ৰাতি কোনেও গম নাপালে। পিছদিনা ৰাতিপুৱা খিৰীকিয়েদি দেউতাই চাই নিঠৰ দেহাটো পৰি থকা দেখি চিঞৰি ওচৰ চুবুৰিয়াক মাতিলে। তাৰ পিছত দেউতা, ওচৰৰে খুড়া, ৰবদেউতাহঁতে দৰ্জাখন ভাঙি ভিতৰলৈ সোমাই গ'ল। ভিতৰত ভাইটিৰ দেহাটো নিথৰ হৈ পৰি আছে। ■

## মহৎলোকৰ বাণী

- পৃথিৱীৰ আটাইতকৈ সহজ কাম হৈছে আনক সমালোচনা কৰা আৰু সবাতোকৈ টান কাম হৈছে নিজক সংশোধন কৰা।

  — *হেম বৰুৱা*

- বিশ্ববিদ্যালয়ৰ উপাধিয়ে মানুহক জ্ঞানী কৰিব নোৱাৰে। অভিজ্ঞতা আৰু বিবেকৰ দ্বাৰা নিজকে পৰিচালিত কৰিব পাৰিলেহে মানুহ জ্ঞানী হয়

  — *লৰ্ড নৰ্থ ক্লিক*

- " ধৈৰ্য্য নেহেৰুৱাবলৈ সাহস লাগে। সাহসী হ'বলৈ ধৈৰ্য্য লাগে।"

  — *আব্ৰাহাম লিংকন*



# জালপহীয়া

✍ ড° জাহ্নৱী দেৱী
*অসমীয়া বিভাগ*

ভাঁপংকৈ শব্দ এটা উঠিল মাত্ৰ; এক মিনিটমান নিতাল মাৰি থাকিল। তাৰপিছত... নিমিষতে হুৱাদুৱা লাগি পৰিল।

'পৰিল এ... পৰিল পৰিল... এ, সি ঝাপ মাৰি দিলা... মৰিল সি মৰিল, কায় আছা আহ ঐ, সি নাদত ঝাপ মাৰি দিলা ঐ...।' জয়মতী আৰু ফুটকীৰ চিঞৰত চুবুৰীটোত যেন এক ভূমিকম্পৰহে সূচনা হ'ল। চুবুৰীটোৰ যিয়ে য'তে আছিল সকলোৱে দৌৰি আহি জয়মতীহঁতৰ কেঁচা নাদটোৰ পাৰত উবুৰি খাই পৰিলহি।

কুৰাটো দহ-বাৰ ফুটমান দ। বাৰিষা কালত তিনিফুটমান তলতেই পানী পোৱা যায়। চ'ত মহীয়া কুঁৱাৰ তলিৰ পানী বোকাময় হৈ পৰে। পানীৰ অসুবিধা হ'লে কিছু দূৰত ৰাস্তাৰ কাষত থকা ৰাজহুৱা দমকলৰ পৰা পানী কঢ়িয়াই আনি খোৱা, গা-ধোৱা আদি কামত ব্যৱহাৰ কৰে। বাৰিষা খোৱাপানী দুকলহমান আনিলে বাকী কাম কুঁৱাৰ পানীৰেই চলি যায়। জয়মতীৰ গিৰিয়েক ভোলাই জীয়াই থকা দিনতে এই কেঁচা কুঁৱাটো খন্দা হৈছিল। পৈত্ৰিক সম্পত্তিৰ শেষ অৱশিষ্ট ভেটিৰ মাটিখিনিও বিক্ৰি কৰি এই ঠাইলৈ উঠি আহিছিল সিহঁত। ছোৱালী দুজনী সৰু সৰু হৈ আছিল। শেষৰ মাটিখিনি বিক্ৰি কৰোতে গ্ৰাহকজনৰ সৈতে এটা মৌখিক বন্দবস্ত হৈছিল হেনো। ভোলাইহঁতৰ শেষ আশ্ৰয়ৰ থল এই আধাকঠা মাটিত টিঙৰ দুছলীয়া ঘৰ এটা সাজি এই কুঁৱাটোও খন্দাই দিছিল মৰমীয়াল মানুহ গৰাকীয়ে। আধামূলীয়াকৈ হ'লেও মাটি বেচি পোৱা টকা কেইটা ভোলায়ে বেংকত থৈছিল কেইদিনমানৰ বাবে। সৰু সংসাৰখনত কিছুদিনৰ বাবে শান্তি বিৰাজ কৰিছিল। দুয়োবেলা শাক- পাঁচলি, দাইল আনকি কেতিয়াবা মাছ-মঙহেৰেও পেট পূৰাই খায়ো ভোলাইৰ দেহ-মন জুৰ পেলাব পৰাকৈ চুলাই মদ টোপোলা ঘৰলৈ লৈ আহিলেও জয়মতীয়ে আপত্তি কৰা নাছিল। পিছে হঠাতে ভোলাইৰ মাতটো ভাগিল। ভাগিল যি ভাগি ৎ। ভাল হোৱাৰ লক্ষণ দেখা নগ'ল। চিকিৎসাও চলিল। জটিল ৰো বুলি চিনাক্ত হ'ল। বেংকৰ জমা পইচা শেষ কৰি ভোলায়ে বিদায় ল' ল। জয়মতীৰ দায়িত্ব বাঢ়িল। ডাঙৰজনী ছোৱালী জোনাকী বা পেকৰ বেমাৰ হৈ থাকোতেই ৰাপনলৈ পলাই গৈছিল। সৰুজনী ফুটকীও আঠিয়া কলৰ পুলিৰ দৰেই লহপহকৈ বাঢ়ি আহিছে। পলাই যোৱাৰ পিছত তিনিমাহমান জোনাকীৰ কোনো শুং-সূত্ৰ নাছিল। বাপেক মৰাৰ সময়ত জী-জোঁৱাই ঘৰ চাপিল। শহুৰেকৰ শ্ৰাদ্ধত পা-পইচা খৰচ কৰাই নহয়, জোঁৱায়েক বাপনে দেহা মাৰি কষ্ট কৰি শাহুৱেক, খুলশালীয়েকহঁতৰ প্ৰিয়পাত্ৰ হৈ উঠিল।

সিহঁতৰ দুছলীয়া ঘৰটোৰ কাষৰপৰা পছিশ ফুট মান দূৰত থকা কুঁৱাৰ পৰা পানী তুলি তাৰ কাষতেই জয়মতীয়ে গা ধোৱে। ৰচী লগা টিঙটো তাই কুঁৱালৈ প্ৰায় দলি মাৰি দিয়ে। ধং ধং শব্দ কৰি কুঁৱাৰ ৰিং নোহোৱা বেৰত খুন্দা খাই এটা সময়ত টিঙটো পানীত পৰেগৈ। গাৰ বলেৰে পানী তুলি আনোতে মেটুৰা-মেটুৰি খোৱা টিঙৰ পানী তিনি ভাগৰ এভাগ মান পুনৰ কুঁৱাত পৰেগৈ। টিঙৰ পানী নাকে-কাণে ঢালি দিয়ে। সেই পানীৰ একাংশ পুনৰ কুঁৱালৈকে বৈ যায়। এই ঘটনা দুই-তিনি মিনিট ধৰি চলি থাকে। কাপোৰ কানি সলাই লৰা-লৰিকৈ ভাত কেইটামান ৰান্ধি জয়মতীয়ে কাঁহীত ভাত বাঢ়ে। ...তাৰ পাছত কামলৈ যায়। ইঘৰ-সিঘৰত বাচন ধোৱা, কাপোৰ ধোৱা কাম কৰি দুপইচা আৰ্জে।

বাৰিষা কালত জয়মতীয়ে ঘৰৰ বাচন ধোৱা, কাপোৰ ধোৱা কামবোৰ কুঁৱাটোৰ পাৰতেই সম্পন্ন কৰে। কুঁৱাৰ পাৰটো বৰ পিছল। খুপি খুপিহে খোজ পেলায় সিহঁতে। জহকালি নিৰ্জন দুপৰীয়া কুঁৱাটোলৈ জুমি চালে প্ৰায়ে পখৰা সাপ এটা দেখা যায়। কুঁৱাৰ বেৰত সৰু-ডাঙৰ কেবাটাও গাঁত আছে। তাতেই ক'ৰবাত সি থাকে চাগৈ। নিজান পালে ওলাই আহি ভেঁকুলী, পোক-পৰুৱা ধৰি খায়। দলি চপৰা মাৰি পঠিয়ালে পানীৰ তললৈ গৈ নাইকিয়া হয়। ওচৰৰে ৰেণুৰ মাকে দেখি সেইদিনা জয়মতীক কৈছিল- 'সেইজনা বাৰীৰখীয়া। তেওঁক আমনি নকৰিবি।'

সেইটো কুঁৱাতে আজি বাপনে জাপ মাৰি দিলে। শাহুৱেক জয়মতী আৰু খুলশালিয়েক ফুটকীৰ আত্ৰাহি চিঞৰত দৌৰি অহা মানুহবোৰৰ মাজৰ কোনোবা এটাই ওচৰৰে যতীনহঁতৰ ঘৰৰপৰা গাঁঠি থকা ডলুকা বাঁহৰ জখলা এপাত আনি তললৈ নমাই দিলে। বিৰাজে নামি গৈ বাপনক পানীৰপৰা ওপৰলৈ ডাঙি ধৰিলে। পাৰত থকাবোৰে টানি আজুৰি চোঁচোৰাই আনি তাক দুছলীয়া ঘৰটোৰ পিৰালিৰ কাষত পেলালেহি। বাপনে পিন্ধি থকা জলফাই ৰঙী পখৰা লংপেণ্টটো বোকাৰে লুতুৰী-পুতুৰী হৈ আহিছিল। ৰঙা চোলাটোত বোকা আৰু জেকা মাটিত গজা বনৰীয়া লিংলিঙিয়া লতাৰ পাতে ফুল বাচিছিল। চিকাৰ বিচাৰি আহি জন অৰণ্যত সোমাই পৰা জালপহীয়া সাপ এটাহে যেন জয়মতীহঁতৰ চোতালত পৰি আছিল। বোকা-পানীৰ গোন্ধ এটা চৌপাশে বিয়পি পৰিছিল। কুঁৱাটোৰ পৰা বাপনক চোঁচোৰাই আনি পেলাই থোৱা ঠাইলৈ বোকা-পানীৰ ৰাস্তা এটা তৈয়াৰ হৈছিল। তাৰ মুখৰপৰা চুলাই মদৰ ভেচভেচীয়া গোন্ধ বাহিৰ হৈছিল।

মানুহবোৰে তাক আগুৰি ধৰিলে। মাটিত পৰি থকা বাপনৰ পেটৰ্ত হেঁচুকি হেঁচুকি পানী বাহিৰ কৰাৰ লগে লগে তাক সকলোৱে নাম ধৰি চিঞৰি মাতি আছিল। কিছু পৰৰ পিছত সি হোঃ-হোঃ কৈ মাত দিলে। অলপ পিছত চকু মেলি চাৰিওফালে চাই লাহেকৈ উঠি বহিল। এখন্তেক কিবা ভাবি হাত দুখনেৰে চকু-মুখ ঢাকি ধৰি উচুপি উঠিল। হঠাতে সি অস্বাভাৱিক হৈ উঠিল আৰু চিঞৰি চিঞৰি গালি পাৰিবলৈ আৰম্ভ কৰিলে। গালিৰ লগে লগে তাৰ উদ্দেশ্যও ব্যক্ত কৰি গ'ল।

'........ (অশ্লীল) মই ফুটুকীক নিম খুলচু নিমে। নিবা নেদা যদি মই মৰি যাম, তেতিয়া গম পাবি। জোনাকী বিধৱা হৈ ছলি দুটাই হেতি তইঁতৰ তাকে ঘূৰি আহিব। তেতিয়া কীঁয়াৰেহঁতৰ মুৰা খাবি...।'

ওচৰ চুবুৰীয়া যতীন, বিৰাজ ধৈৰ্য্যহঁতে ঘটনাটোৰ আঁতিগুৰি আগৰে পৰাই জানি আছিল। সিহঁতে পেচাদাৰী নাটকত অভিনয় কৰাত অভ্যস্ত ভাৱৰীয়াৰ দৰেই নিজ নিজ সংলাপ নিক্ষেপ কৰিলে-

'মনে মনে থাকচোন বাপন! সংসাৰখানৰ কথা নাভাবা কিয়া? ইমান অধৈৰ্য্য হলি নহ'ব নহয়। সমাজ বুলিওটো কিবা এটা বাঞ্চোন আছে। তোৰো ল'ৰা-ছোৱালী দুটা আৰু তিৰোতাজনী আছে। ফুটুকীৰো এখন সংসাৰ আছে। কথাবোৰ ইমান সহজ নহয়, নহয়!'

যতীনৰ কথাষাৰ শেষ নহওঁতেই ধৈৰ্য্যই মাত দিলে- 'মই আগতেই কৈছিলো। ফুটুকীক বিনোদলৈ বিয়া দিয়াতকৈ ইয়াক লৈ যাবা দিয়াই ভাল আছিল। দুৰ (দুয়ো) বাইভনী একেটা মৰাদক গেলি যাৱাট' কিবা নতুন কথানা?'

যতীনে চিঞৰ মাৰি উঠিল- 'চুপ থাক! চুপ থাক! মুখত যি আহে তাকে কৈ লেপলেপাই নাথাকিবি।'

চাৰিওফালে কাঁহ পৰি জিন যোৱা পৰিৱেশৰ সৃষ্টি হ'ল।

কুক্কুৰা চৰাইৰ বিননিৰ দৰে কু-কুৰনি এটা শুনা গ'ল। লাহে লাহে কান্দোনৰ শব্দ ক্ৰমাৎ বাঢ়ি আহিবলৈ ধৰিলে।

'... এ মই কি ভুল কৰ্লো এ... তাৰ কাৰণে মই ঘৰখানৰ শত্ৰু হছিলো... বিয়াৰ সভাৰ তলৰ বৰ (দৰা) এৰি মই সি হেতি (সৈতে) পলে গেছিলো...

বিননিৰ মাজে মাজে জোনাকীৰ অনুশোচনাই পাৰ ভাঙি বাগৰি যাবলৈ ধৰিলে।' ...দুটা ছলিৰ বাপিয়াক হৱাৰ পিছতো সি তিৰি বিছিৰি ফুৰে... মৰাণ নহৱাটোক মৰবা নেদ্লি কিয়া এ... কলিজা পুৰি পুৰি জীয়াই থাকাত কৰি মই বাৰী (বিধৱা) ভাত খাবা ভাল পাম এ...'

বাপনৰ আস্ফালন আৰু জোনাকীৰ বিননিয়ে ঘটনাটো কিছু স্পষ্ট কৰি তুলিলে। জোনাকীৰ প্ৰতি সমবেদনাত চোতালত উপস্থিত হোৱা চুবুৰীয়া মানুহবোৰৰ মনবোৰ সেমেকি উঠিল।

মানুহবোৰে ইজনে সিজনৰ মুখলৈ চোৱাচুই কৰিলে। লাহে লাহে এজন দুজনকৈ মানুহবোৰ আঁতৰি যাবলৈ ধৰিলে। দুই একে ওচৰৰে তিনিআলিটোৰ গছৰ ছাঁত থিয় হৈ ঘটনা সম্পৰ্কে আলোচনা কৰিবলৈ লাগিল। ঘটনাৰ বিষয়ে আগতীয়া খবৰ নোপোৱা কেইজনমানে যতীন, বিৰাজ, ধৈৰ্য্যহঁতক বেৰি ধৰিলে।

এইবাৰ চোতালত জয়মতীৰ কান্দোন মিহলি চিঞৰ শুনা গ'ল- হাত ভৰি মেলি মুখটো তললৈ গোজা মাৰি চোতালত সেমেকা মাটিত বহি থকা ডাঙৰ জোঁৱায়েকক তাই গালি পাৰিবলৈ ধৰিলে-

'...... চাল্লা ভিঠি উঠা, জাত নহৱা, মোৰ থুকুত কামাৰ (কামোৰ) মাৰিবা আহিছা। ইমান ভাল দৰা বন্দবস্ত কৰি জোনাকীৰ বিয়া পাতিছিলো। তই বিয়াখন হবা নেদ্লি... জোনাকীক পলুৱে নিলি...। ডাঙাৰটো নিলি নিলি... ইবাৰ সৰু আপিটোৰ' সংসাৰখান ভাঙিবা আহিছা?...তোক মই সুদাই নেৰো...'

নাটকৰ আবহ সংগীতৰ দৰে জয়মতীৰ মুখৰ গালি আৰু কান্দোন চলি থকাৰ মাজতে দীঘল দীঘল খোজেৰে বিনোদ আহি চোতালত থিয় হ'ল। ঘটনাৰ গুৰি ধৰিব নোৱাৰি মানুহবোৰৰ মুখবোৰ নিৰিখি নিৰিখি চালে। বাপনক অস্বাভাবিক ৰূপত দেখি অলপ আগুৱাই গৈ সন্দেহত থমকি ৰ'ল।

ৰগা বৰণৰ ওখ-পাখ বিনোদ এজন পাহোৱাল কৰ্ম্মঠ ডেকা। ৰাজমিস্ত্ৰী কাম কৰি অভাৱ নোহোৱাকৈ সংসাৰখন চলাই আছে। কেও কিছু নোহোৱা বিনোদে ৰাইজৰ সম্মতি লৈ ফুটুকীক বিয়া কৰোৱা পাঁচ বছৰমানেই হ'ল। খুনুক-ঘানাককৈ ফুটুকী আৰু ভিনিয়েকৰ সম্পৰ্কৰ কথা শুনিছে যদিও সেইবোৰলৈ বৰকৈ গুৰুত্ব দিয়া নাই। চাৰি বছৰীয়া ছোৱালী জনীয়ে মাকৰ মন শুদ্ধ কৰি পেলাইছে বুলি সি ভাবি লৈছে। ঘৈণীয়েক ফুটুকীৰ বয়স বাইশ বছৰমান হৈছে। 'তেল নাপাই ভখুৰা লাগি' থকা ফুটুকীজনী ঘিউ, মাখন, কল, গাখীৰ খাবলৈ পাই নিপেটিল হৈ উঠিছে। পয়ত্ৰিশ বছৰীয়া বিনোদে ফুটুকীৰ সকলো ফৰমাইচ পূৰা কৰিবলৈ চেষ্টা কৰে। ভাড়ালৈ লোৱা কোঠা দুটাৰ ভিতৰতে তাৰ সমস্ত আশা-আকাঙ্খা, ভৱিষ্যতৰ সকলো সপোন থুপ খাই আছে। দিনটো অকলশৰে থাকি ঘৈণীয়েকৰ আমনি নালাগিবলৈ এটা টি.ভি ও কিনিছে। এনড্ৰইড ম'বাইল ফোনো কিনি দিছে। সি ফুটুকীলৈ ফোন কৰিলে অৱশ্যে প্ৰায়ে ফোন বিজি হৈয়ে থাকে। তথাপি তাৰ আপত্তি নাই। সি মনে মনে তাৰ সৰু সংসাৰখনৰ সুন্দৰ ভৱিষ্যতৰ কল্পনাত বুৰ যায়। একমাত্ৰ ছোৱালীজনীক সি উচ্চ শিক্ষিত কৰি তুলিব। অলপ অলপকৈ হ'লেও পইচা জমা কৰি মাটি এডোখৰ কিনিব। সিহঁতৰ নিজৰ ঘৰটো সি হাতৰ বিদ্যাৰে কম খৰচতে সাজি ল'ব। তাৰ কল্পনাবোৰ ফুটুকীৰ সৈতে ভগাই ল'বলৈ কেতিয়াবা চেষ্টা কৰে। ফুটুকী কিন্তু সদায় নিৰ্বিকাৰ হৈয়ে থাকে।

আজি বিনোদ কামলৈ যোৱা নাছিল। আহাৰ মহীয়া ৰাতিপুৱা



ঝিৰঝিৰীয়া বৰষুণ দি আছিল। দুপৰীয়ালৈ বতৰ ভাল হৈছে। সি ঘৰতে থাকি আৰাম কৰিছে। ভাত-পানী খাই দুপৰীয়া জিৰাবলৈ বিছনাত পৰিছিল। ফুটুকীৰ ফোনটো বাজি উঠিল। ফোনটো লৈ তাই বাহিৰলৈ গৈ কাৰোবাৰ লগত কথা পাতিলে। জীয়েকক সাধুকথা কৈ থকা বিনোদৰ চকুত টোপনিয়ে নিচা লাগি আহিছিল। ফুটুকীয়ে ভিতৰলৈ আহি বাকচ খুলি শাৰী উলিয়াই পিন্ধি থাকোতে বিনোদৰ প্ৰশ্নবোধক চাৱনিৰ উত্তৰ দিলে তাই। মাহঁতৰ ঘৰলৈ যাও। বিছনাৰ পৰা জীয়েকেও একে জাপে উঠি আহিল। 'ময়ো যাম আইতাহঁতৰ ঘৰলৈ।' মাকৰ ঘৰত ডাঙৰকৈ চিঞৰ এটা মাৰিলে বিনোদহঁত থকা ঘৰলৈ শুনা যায়। মাক জীয়েক ওলাই যোৱাৰ পিছত বিনোদে নিশ্চিত মনে টোপনি গৈছিল। সৰু ল'ৰা এটাই চিঞৰি চিঞৰি দুৱাৰত চকিয়াওতেহে বিনোদে সাৰ পালে- ঐ ভিনি! ভিনি ঐ! বাইহঁতৰ ঘৰত মস্ত গণ্ডগোল!' ....ল'ৰাটোৱে আৰু কি কৈ আছিল বিনোদৰ কাণত নোসোমালে। জাপ মাৰি উঠি চোলাটো হাতত লৈ ঘৰৰ দুৱাৰখন বাহিৰৰ পৰা জপাই থৈ বিনোদে খোজ ল'লে। জয়মতীৰ চোতালত থিয় দি সি কিবা দুৰ্ঘটনাৰেই আশঙ্কা কৰিছে যদিও গোটেই কথাটো বুজি উঠা নাই।

শহুৰেকৰ সকামৰ পিছৰে পৰা বাপন আৰু জোনাকীৰ জয়মতীৰ ঘৰলৈ অহা-যোৱা চলি থাকিল। জোনাকী নাহিলেও বাপন আহে মাজে মাজে। খুলশালীয়েক ফুটুকীক ফুৰাবলৈ লৈ যায়। চিনেমা দেখুৱাবলৈও নিয়ে। ডেৰবছৰ মান পিছত জোনাকীৰ ল'ৰাটো জন্ম হোৱাৰ সময়ত বায়েকৰ আলপৈচান ধৰিবলৈ ফুটুকী গৈ কিছুদিন থাকিল। ফুটুকীৰ বেছিদিন স্কুল খতি হোৱা দেখি মাষ্টৰণীয়ে আহি মাকক বুজালে যে দুটামান শ্ৰেণী পঢ়িলে ভৱিষ্যতলৈ ফুটুকীৰ ভাল হ'ব। গতিকে তাইক সোনকালে লৈ আনিব লাগে। পিছদিনা মাকে গৈ ফুটুকীক লৈ আনিলেগৈ। পিছদিনাই ভিনিয়েক আহি পুনৰ তাইক লৈ গ'লহি। কিছুদিন পিছত মাকে গৈ ৰহস্যৰ ভেদ কৰিলেগৈ। জোনাকীয়ে কান্দি কান্দি মাকক ক'লে-

—'তাইকো সি তিৰি কৰি ৰাখিব বোলে।'

জয়মতীৰ ভীষণ খং উঠিল। বুকুত চপৰিয়াই জোঁৱায়েকক জনাই দিলে—

—মই জয়মতী! মই কাকো ভয় নকৰো। আজিৰ পৰা তইঁতৰ লগত মোৰ কোনো সম্পৰ্ক নাই। তই কোনোদিন মোৰ ঘৰৰ চোতালত ভৰি নথবি।' ফুটুকীক লৈ একেকোবে ঘৰ পালেহি।

জী-জোঁৱাইৰ আহ-যাহ পুনৰ বন্ধ হ'ল। দু বছৰমান যোৱাৰ পিছত বিনোদলৈ ফুটুকীক বিয়া দিয়া হ'ল। ফুটুকীৰ ছোৱালীজনী জন্ম পোৱাৰ পিছত কামলৈ যোৱা বিনোদক ফটকৈ খবৰ দিব পৰাকৈ ফুটুকী আৰু বিনোদৰ দুটা ম'বাইল ফোনৰ প্ৰয়োজন হ'ল। ছোৱালী চাৰিবছৰীয়া হ'ল। ফুটুকীৰ ফোনত কনটেক্ট নাম্বাৰৰ সংখ্যাও বহুত বাঢ়িল। হিন্দী চিনেমাত দেখুওৱা প্ৰেমৰ মহত্বও ফুটুকীয়ে বুজি উঠিল। ভিনিয়েকৰ সৈতে চলি থকা ম'বাইল প্ৰেমে আজি চুড়ান্ত ৰূপ ল'লে। ফুটুকী যাবই... ভিনিয়েকও নিবই...। নিধক বাপনে শালপতিয়েক বিনোদৰ উপস্থিতিত নিৰ্লজ্জভাৱে নিজৰ উদ্দেশ্য ব্যক্ত কৰিলে।

—ব'ল ফুটুকী, তোক আজি মই একেবাৰে লৈ যাম!'

বিনোদে মুহূৰ্ত্ততে সকলো বুজি উঠিল। তাৰ মূৰৰ ভিতৰখন গুমগুমাই উঠিল। নাকৰ পাহি দুটা ফুলি উঠিল।

শৰীৰৰ পেশীবোৰ প্ৰকট হৈ উঠিল। খং আৰু অপমানত সি কঁপিবলৈ ধৰিলে।

জয়মতীয়ে সৰু জোঁৱায়েকক উদ্দেশ্য কৰি ক'লে—

'কি চাই আছা ঐ... তাক মাৰি ধৰি বাহিৰ কৰি দি... মুখ ভাঙি দি তাৰ...।'

বিনোদ শিল পৰা কপৌৰ দৰে কেৱল থিয় দি থাকিল। মুখেৰে একো নেমাতিলে। খোলা দুৱাৰখনেৰে সি শাহুৱেকৰ ঘৰৰ ভিতৰলৈ চাই পঠিয়ালে। জয়মতীৰ বিচনাখনত চিত হৈ শুই থকা ফুটুকীৰ গাত তৰ্জাৰ বেৰৰ জলঙাৰে সোমাই অহা আবেলিৰ কোমল ৰ'দে জলমল কৰিছে। নাদৰ পানীত মাজে মাজে দেখা দিয়া সাপটোৰ দৰে তাইৰ গাটোও পখৰা যেন লাগিল তাৰ। নিৰ্জন দুপৰীয়া কুঁৱাৰ পানীত ওপঙি থকা সাপডালে পাৰত মানুহৰ উপস্থিতি গম পালে তললৈ গৈ অন্তৰ্দ্ধান হোৱাৰ দৰে ফুটুকীও পখৰা সাপ হৈ বেৰৰ জলঙাৰে বাহিৰলৈ ওলাই ক্ৰমাৎ দূৰলৈ আঁতৰি যোৱা সি দেখিবলৈ পালে। তীব্ৰ খং আৰু ঘৃণাত বিনোদে থু এসোপা পেলাই দিলে পিৰালিৰ কাষতে। বাৰান্দাৰ খুটাত সাৱটি ধৰি চকু পিৰিকাই নিঃসহায়ভাৱে তাৰ মুখলৈ চাই থকা চাৰি বছৰীয়া জীয়েকক দাঙি লৈ সি ৰাস্তাৰ ফালে খোজ দিলে।

ঘৰৰ মজিয়াত লেবেজান হৈ পৰি উচুপি থকা জোনাকীয়ে হঠাতে উঠি গৈ ফুটুকীৰ ভৰি দুখনত সাবটি ধৰিলেগৈ। আজি ভনীয়েকে ল'বলগীয়া এটা সিদ্ধান্তৰ ওপৰতে তাই আৰু ল'ৰা-ছোৱালীহালৰ ভৱিষ্যত নিৰ্ভৰ কৰিব। বৰ আশাৰে বায়েকে ভনীয়েকৰ মুখলৈ চাই থাকিল। অলপ পিছত ফুটুকী উঠি বহিল...। জোনাকীয়ে হাতযোৰ কৰি কান্দি কান্দি ভনীয়েকক ক'বলৈ ধৰিলে—

'...তই নাযাও বুলি ক ফুটুকী, মোক ৰক্ষা কৰ! বিনোদৰ মুখলৈ চা, তোৰ ছোৱালীজনীৰ মুখলৈ চা! তোৰ ভাগিনীয়েৰ দুটাৰ কি হ'ব! আৰু কিবা কিবি কৈ থাকিল জোনাকীয়ে...'

ফুটুকী নিৰ্বিকাৰ হৈ থাকিল। বায়েকৰ মুখৰ ফালে তাই নাচালে। চোতালৰ মাজত পৰি থকা জালপহীয়াটোলৈ স্থিৰ হৈ চাই থাকিল তাই। ■

# মানস পটত শ্ৰেষ্ঠ মানৱ

মিছ ৰশ্মিউল চুলতানা
*স্নাতক, ৩য় ষাণ্মাসিক*



কেতিয়াবা মই বৰ গভীৰ ভাৱে নিসংগ হৈ পৰো। মনত নানান স্মৃতিয়ে দোলা দিয়ে। হীনমন্যতাই যেন মোৰ সতে যুঁজিবলৈ আৰম্ভ কৰে। শূণ্যতাই মোক গিলি পেলাব খোজে ক্ৰমশঃ

কলেজত থাকিলে বান্ধৱীবোৰৰ লগত নাথাকিলে ভাইটিৰ লগত ধেমালি কৰি নিজকে উদ্‌ঘাটন কৰো।

আজি ৰবিবাৰ। তেন্তে কালি কলেজ মেগাজিনৰ বাবে গল্প আৰু কবিতা লিখি লৈ যাবই লাগিব। প্ৰিয় বান্ধৱী চন্দ্ৰানীয়ে আগতেই কৈ থৈছে সোমবাৰে লিখনিবোৰ যমুনা বাইদেউৰ হাতত জমা দিয়াৰ কথা। তাইক বিমুখ কৰাৰ ইচ্ছা মোৰ একেবাৰে নাই। তেন্তে কিয় শুই আছো মই। কথাখিনি ভবাৰ লগে লগে বিচনাৰ পৰা উঠি বহিলো।

চন্দ্ৰানীয়ে ইতিমধ্যে গোটেই বান্ধৱীবোৰৰ মৰম ভালপোৱাত অনুপ্ৰাণিত হৈ বন্ধুত্বৰ এনাজৰী নাম দি এটা চুটিগল্প লিখিছে। তাইৰ লিখনিটো পঢ়াৰ পৰা মোৰো বাস্তৱৰ ৰহণ সানি কিবা এটা লিখাৰ প্ৰবল ইচ্ছাই জুমুৰি ধৰিছে। কি লিখিম একো নভবাকৈ হঠাৎ পঢ়া টেবুলৰ ওচৰলৈ গৈ আটোম টোকাৰীকৈ বহী আৰু কলমটো উলিয়াই লৈ কিহৰ ওপৰত লিখিম তাকে ভাবি নিৰ্লিপ্তভাৱে খিৰীকিৰে চকুহাল বাহিৰলৈ নিক্ষেপ কৰিলো। দেখিলো ঘৰৰ পাচ ফালে পৰি থকা বহুতো পুৰণি পেলাই দিবলগীয়া অথচ পেলাই দিবলৈ মন নোযোৱা বস্তু ঠাহ খাই পৰি আছে। তাৰে এটা আওপুৰণি বস্তুৱে মোক বৰকৈ আকৰ্ষণ কৰিলে। লগে লগে মই ঘৰৰ পাচফালে গৈ মোৰ লক্ষ্যভ্ৰষ্ট কৰা সেই পুৰণি ৩ (তিনি) চকীয়া ওমলা শিশু উপযোগী গাড়ীখনলৈ চাই সংকোচিত হৈ পৰিলো।

আজিৰ পৰা প্ৰায় ১০ বছৰ আগতে এই গাড়ীখন দেউতাই মোৰ প্ৰায় ১ বছৰীয়া ভাইটিক ওমোলাবৰ বাবে কিনি দিছিল। মোৰ মনত আছে গাড়ীখন দেখি কণমাণি ভাইটি আনন্দত অধীৰ হৈ পৰিছিল। মই তেতিয়া প্ৰায় ৭/৮ বছৰীয়া। দেউতাই গাড়ীখনত ভাইটিক বহাই চোতালখনতে গাড়ীখন দুপাকমান ঘূৰোৱাৰ দৰে ময়ো ঘূৰাইছিলো। ভাইটিয়ে আনন্দত উল্লাসিত হৈ পৰা দেখি মোৰো শিশু মনে তাক কেৱল আনন্দিত কৰিবলৈকে বিচাৰিছিল। পাচলৈ মই ভাইটিক গাড়ীখনত বহাই ৰাস্তালৈকে ঠেলি ঠেলি ফুৰাবলৈ লৈ যোৱা কৰিছিলো। গাঁওৰ ঠাই হেতুকে তেতিয়া আজিৰ দৰে আমাৰ পদুলিত গাড়ী মটৰৰ ব্যৱস্থা নাছিল। দুই এখন চাইকেল অহৰহ চলিছিল যদিও তাৰ প্ৰতি মোৰ ভ্ৰূক্ষেপ নাছিল। এনেদৰে দিনৰ পাচত দিন ভাইটিক মই গাড়ীখনত বহাই ৰাস্তালৈকে ফুৰাবলৈ লৈ আহিছিলো আৰু দুয়ো আনন্দত ব্যাকুল হৈ পৰিছিলো।

এদিনাখন এই আনন্দই কাল হৈ নামি আহিছিল। আনদিনাৰ দৰে সেইদিনাও মই ভাইটিক গাড়ীখনত তুলি ৰাস্তাত ঠেলি ঠেলি গৈ থাকোতে আমাৰে ওচৰৰে ল'ৰা দুজনে (তেতিয়া সিহঁতো সৰু ল'ৰা আছিল) ঈৰ্ষাতে গাড়ীখন মোৰ হাতৰ পৰা টানি অন্যফালে ঠেলি দিয়ে। মোৰ চকুৰ পচাৰতে ভাইটি গাড়ীৰে সৈতে গৈ ৰাস্তাটোৰ ওচৰতে থকা 'দ' অথচ পুতি গন্ধময় খালটোত পৰি গ'ল। লগে লগে মই দৌৰি গৈ তাক গাড়ীৰে সৈতে পানী জুৰলিত খাপ মাৰি ধৰিবলৈ সক্ষম হৈছিলো যদিও মোৰ দেহ আসন্ন হৈ পৰিছিল। ভাইটি গাড়ীৰে সৈতে পানীত আৰু মোৰ সৰ্বশৰীৰ পানীত তেতিয়া মাত্ৰ এখন হাতেৰে ভাইটিক আৰু আনখন হাতেৰে খালটোৰ পাৰত হোৱা সৰু সৰু গছ-বন বোৰত খামোচি ধৰি নিৰুপায় হৈ গৈছিলো।

কোনোমতে সেই মুহূৰ্তত বিচাৰিছিলো ভাইটিৰ জীৱন। যাৰ বাবে নিজে পানীত জাহ যোৱাতো কোনো ভয়ে ক্ৰিয়া কৰিব পৰা নাছিল। ভাইটিয়ে জোৰকৈ কান্দিছিল আৰু মই যিমান সম্ভৱ চিঞৰি মাক মাতিছিলো। কিন্তু মোৰ চিঞৰ আৰু ভাইটিৰ কান্দোন শুনাটো মাৰ বাবে একেবাৰে দুৰ্লভ আছিল।

ক্ষন্তেক পিছতে মোৰ অবসন্ন শৰীৰে হাৰ মানিছিল আৰু দুয়ো একেলগে পানীত জাহ যোৱাৰ উপক্ৰম হৈছিলোহে মাত্ৰ তেনেতে ৰাস্তাটোৰে আহি থকা এজন প্ৰায় ২০-২৫ বছৰ বয়সীয়া অচিনাকি মানুহে চাইকেলখন ৰখাই নিজৰ প্ৰসাধন যুক্ত কাপোৰৰ সতে পানীত নামি আমাক উদ্ধাৰ কৰিবলৈ সক্ষম হয়।

মানুহজনে মোক পাৰত বহাই দি মোৰ কণমাণি ভাইটিক প্ৰাথমিক চিকিৎসা কৰে। ক্ষন্তেক পিছতে ভাইটিয়ে জ্ঞান পায় মোৰ কোলাত বহি কান্দে। তাৰ মৰম লগা মুখ খনত ভয় আৰু বিষাদৰ ছাঁত ঢুলঢুলীয়া হৈ পৰা চকুহাল দেখি মোৰ বিষাদ গ্ৰস্ত হৈ পৰা বুকুভেদ কৰি জোৰ জোৰকৈ কান্দোন ওলাই আহে।

সেই দেৱতাযেন মানুহজনে মোৰ চকুহাল মৰমেৰে মচি দি কান্দিবলৈ মানা কৰি মই কেনেকৈ খালটোত পৰি গৈছিলো। সোধাত হে মই স্থিৰ ভাৱে সেই খালত পেলোৱা ল'ৰা দুজনক বিচাৰিলো। কিন্তু সিহঁত তাত নাছিল অকল ৰাস্তাটো জনশূন্য হৈ পৰি আছিল। মানুহজনক এই বিষয়ে ক'বলৈ মোৰ মুখৰ পৰা মাত এটাও নোলাল। কেৱল ভাইটিক তেখেতে গাড়ীখনত বহাই দি আমাৰ পদূলি কোনতো সোধাত মই যাব পাৰিম বুলি কৈছিলো। মানুহজনে দুয়োকো মৰমৰে হাত বুলাই পদূলিলৈ আগবঢ়াই দি গুচি গৈছিল।

দুয়ো পানীত জুৰুলি জুপৰি হৈ অহা দেখি মায়ে দুয়োকো সাৱতি ধৰি কান্দি পেলাইছিল। হয়তো মাতৃ হৃদয়ে অনুমান কৰিছিল যে আমি কোনোমতে ভয়ংকৰ বিপদৰ পৰা ৰক্ষা পৰিছো।

মায়ে ভাইটিক কোলাত লৈ কেনেকৈ এই অৱস্থা হৈছিল সোধাত মই ফেকুৰি ফেকুৰি কথাবোৰ কৈছিলো। মাক কবলৈ সিদিনা কিমান সাহস আৰু ধৈৰ্যৰ আৱশ্যক হৈছিল সেয়া ভাবিলে এতিয়াও মই বুকুখনত কিবা এক অসহ্য বিৰ অনুভৱ কৰো। মায়ে দুয়োকো গা পা ধুৱাই পৰিষ্কাৰ কৰি দিছিল যদিও ভয়তে নে কিহৰ বাবে ভাইটি তিনিদিন মান জ্বৰত ভুগিছিল আৰু টোপনিতে উচপ খাই উঠিছিল আৰু মই সেই দৃশ্যটি মনত কৰি জুপুকা মাৰি বহি থাকিছিলো।

সময় অতিবাহিত হোৱাৰ লগে লগে ভাইটি আৰু মই স্বাভাৱিক অৱস্থালৈ আহিছিলো যদিও মোক মোৰ অবুজ মনটোৱে সতৰ্ক হৈ থাকিবলৈ কৈ গৈছিল। তেতিয়াৰ পৰাই মই অলপ সলনি হৈ গৈছিলো। মায়ে কোৱামতে বয়সৰ তুলনাত অধিক।

ওচৰৰ বুঢ়ী আইতা দুগৰাকী মানে আমাৰ দুৰ্ঘটনাৰ খবৰ লবলৈ আহি কৈছিল যে সৰু ল'ৰা-ছোৱালীৰ গাত হেনো গোহাঁই থাকে সেইবাবে বিপদে একো কৰিব নোৱাৰে। কিন্তু মোৰ ভাৱ হৈছিল মানুহজন ভগৱান আছিল সেইবাবে মোৰ মৰম লগা ভাইটোক বচাবলৈ সেইখিনি পাইছিল। ইয়াৰে কোনটো শুদ্ধ মোৰ বিবেকৰ বাহিৰত। উদ্ধাৰকাৰী মানুহজন কোন আছিল মা-দেউতাই মোক সোধাত মই ক'ব নোৱাৰিলো। আচলতে তেওঁক মই ৭/৮ বছৰীয়া মানস পটত তেওঁৰ এখন নিৰ্দিষ্ট ছবি অকা নাছিলো। মা-দেউতাই তেওঁৰ সন্ধান বিচাৰিও বিচাৰি নাপালে। মোৰ মনতো তেওঁক এবাৰ লগ পোৱাৰ প্ৰবল ইচ্ছা হৈছিল। কিন্তু মানৱৰূপী ভগৱান জনক জানো মোৰ দৰে সাধৰণ ছোৱালীজনীয়ে আকৌ কেতিয়াবা লগ পাম?

এই ঘটনাতো যেতিয়াই মোৰ মনলৈ আহে তেতিয়াই সেই মানুহজনৰ ওচৰত মোৰ মনটো কৃতজ্ঞ হৈ পৰে আৰু নিজৰ ওপৰত

খং উঠে। এই জীৱন দান দিয়া মানুহজনৰ মুখখনো মই সময়ৰ সোতত পাহৰি যাব লাগেনে? সেইটো সময়ত কেৱল ভয় আৰু শঙ্কাত ডুব গৈ আছিলো। এবাৰো মনলৈ অহা নাছিল তেও কোন জানিবলৈ। অন্ততঃ নামতো জনা হ'লে। তেওঁৰ কোনো কথাই মই নাজানো। হয়তো কেতিয়াবা দেখিছো আৰু অকৃতজ্ঞৰ দৰে তেওঁৰ ওচৰেৰে পাৰ হৈ গৈছো। তেওঁক মই এটা ধন্যবাদ দিয়াৰ ও সুযোগ নাপালো।

এইবোৰ ভাবি ঘৰৰ পাচফালে পৰি থকা গাড়ীখন চাই ভাৰত বিভোৰ হৈ থাকোতে হঠাৎ ভাইটিয়ে মোক মতা শুনি অতীতৰ পৰা বৰ্তমানলৈ ঘুৰি আহিলো। গৈছো ভাইটি বুলি কৈ জহি খহি যাব ধৰা গাড়ীখন আজি ১০ বছৰৰ মুৰত চুই মোৰ মানস পটত শ্ৰেষ্ঠ হৈ থকা মানুহজনৰ অকণমান সান্নিদ্ধ পাবলৈ চেষ্টা কৰিলোঁ। অনুভৱ হ'ল এই গাড়ীখনত এতিয়াও তেখেতৰ হাতৰ স্পৰ্শ লাগি আছে।

সেই দুৰ্ঘটনাটোৰ পাচত মই আৰু গাড়ীখনৰ ওচৰলৈ যোৱাই নাছিলো। কিবা এক অহৈতুকী প্ৰীতিয়ে আজি মোক গাড়ীখনৰ ওচৰলৈ লৈ গৈছিল।

কিবা এক অজান ভাৰত তন্ময়হৈ আহিলো মোৰ পঢ়া কোঠাটোলৈ। আহি আকৌ খিৰিকিৰে গাড়ীখনলৈ চাই ৰোৱা দেখি ওচৰৰ টেবুলখনত বহি কিবা লিখি থকা ষষ্ঠ শ্ৰেণীত পঢ়ি থকা ভাইটিয়ে মিছিকিয়া হাঁহি এটাৰে সুধিলে কিনো ইমানকৈ চাইছা। মোৰ তাৰ মুৰত হাতবুলাই ক'বলৈ মন গ'ল যে সেই গাড়ীখনৰ লগত তোমাৰ আৰু মোৰ এক স্মৃতি জড়িত আছে। কিন্তু সেইবোৰ একো নকলো। মাথো তাৰ হাঁহিটোৰ প্ৰতি সহাৰি জনাই বৰ দুৰ্বলভাবে হাঁহি মাৰি ভালকৈ পঢ়িবলৈ দি মুৰতোত মৰমেৰে হাত বুলাই দিলো। এয়াই মোৰ সেই ভাইটি, যাক মই ১ বছৰ বয়সতে হেৰুৱাবলৈ লৈছিলো। আজি এঘাৰ বাৰ (১১/১২) বছৰীয়া। অনবৰতে মোৰ লগত হাঁহি ধেমালি কৰি, নানান প্ৰশ্ন কৰি, স্কুলৰ সকলো কথাকে সকলো সময়তে মোক ব্যতিব্যস্ত কৰি তোলে। এই ভাইটিৰ অবিহনে মই খুব অকলশৰীয়া হৈ গলোহেঁতেন। আকৌ সেই মানুহজনৰ ওচৰত মোৰ মনটো কৃতজ্ঞ হৈ পৰিল।

পঢ়া টেবুলখনত বহি কলমটো হাতত তুলি ল'লো। মানুহজনক কৃতজ্ঞতা জনোৱাৰ বাবে কিবা এটা লিখিবৰ মন গ'ল। কলমটোলৈ মৰম লাগিল। ই মানুহজনক অন্ততঃ এটা ধন্যবাদ দিয়াৰ সুযোগ হৈ আহিছে। নাজানো মোৰ লিখনিটো সাৰ্থক হবনে নাই কিন্তু যিমান পাৰো ভালকৈ চেষ্টা কৰিলোঁ। নাম দিলো "মানস পটত শ্ৰেষ্ঠ মানৱ"। ■

বিঃদ্ৰঃ - ইয়াৰ জৰিয়তে মোৰ মানস পটত শ্ৰেষ্ঠ হৈ ৰোৱা মানুহজনক মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।।

■ ■ ■

## কৌতুক

শিক্ষক : ৰুমী, তুমি হাতীৰ ওপৰত এখন ৰচনা লিখাচোন?
ৰুমী : ছাৰ, বেঞ্চত বহিয়েই লিখো নেকি? হাতীৰ পিঠিত উঠিবলৈ মোৰ ভয় লাগে।

শিক্ষক : কচোন ৰাজু, পানামা মানে কি?
ৰাজু : চিগাৰেট ছাৰ।
শিক্ষক : ইচ্ খালি খালি।
ৰাজু : খোৱা নাই ছাৰ, এতিয়াও পকেটত আছে।

সংগ্ৰাহক : হিমাদ্ৰী ঠাকুৰীয়া
*স্নাতক, ৩য় ষাণ্মাসিক*



# হামাৰ

✍ কুশল কলিতা
*কাৰ্যালয় সহায়ক*

মই তেতিয়া নিচেই সৰু— আঠ-দহ বছৰমান হ'ব। বিয়া মানে কি বিশেষ বুজি পোৱা হোৱা নাই। অৱশ্যে সি যে আনন্দ আৰু ভোগৰ কিবা এটা উৎসৱ, সেই কথা মই নজনা নহয়। সেয়ে ৰাতিপুৱাতে গা-পা ধুই মাৰ চাদৰৰ আঁচলত ধৰি পিছে পিছে খোজ কাঢ়ি বিয়াঘৰ মানে মামাহঁতৰ ঘৰ ওলালো। মামা মানে আকৌ মাজু মাৰ ভায়েক। ইতিমধ্যে বিয়াত মোৰ বয়সৰ ভালেখিনি ল'ৰা-ছোৱালী গোট খাইছে, মাজু মাৰ ল'ৰা দীপক-চন্দনহঁতটো তিনি-চাৰিদিনমান আগতেই আহি ইয়াত আছে। সিহঁতক লগ পাই মোৰ গা সাতখন-আঠখন হ'ল।

মা ইতিমধ্যে নৈবেদ্যখন হাতত লৈ ঘৰৰ ভিতৰলৈ সোমাই গ'ল। মই কিন্তু নগ'লো। লগৰীয়াৰ সৈতে খেলা-মেলাৰ মজা এৰি ঘৰৰ ভিতৰত চুপ-চাপ বহি থাকিবলৈ মোৰ ভাল নালাগিল। লগৰ ল'ৰা-ছোৱালীবোৰৰ সৈতে ইফালে-সিফালে দৌৰি ফুৰিছো। কেতিয়াবা আনন্দত চিঞৰিছো। তাৰ মাজতে ঢুলীয়া-কালীয়া আহি পালেহি। ঢুলীয়াৰ ঢোলটোলৈ মোৰ কৌতূহলৰ সীমা নাই। বাৰে বাৰে সেইটোকে বজাব খোজো। তেওঁলোকৰ ক্লান্ত চকু-মুখৰ বিৰক্তি আৰু খঙৰ প্ৰতিও মই কেৰেপ কৰা নাই। শেষত বিয়াঘৰৰ এজন মানুহৰ ধমকিতহে শান্ত হ'লো। কিছু পিছত ঢুলীয়া পাৰ্টীটোৱে তেওঁলোকৰ চিৰাচৰিত অংগী-ভংগীৰে ঢোল, তাল আৰু পেঁপা বজাই বজাই নাচিবলৈ ধৰিলে। আমিও তেওঁলোকক অনুসৰণ কৰি নাচ-গান কৰাত লাগিলো। এনেতে বেণ্ডপাৰ্টীও আহি পালে। লগে লগে আমাৰ গাত যেন আনন্দৰ জুই জ্বলিল।

বেণ্ডপাৰ্টীৰ আঁকোৰা-পকোৰা পেঁপাবোৰ এবাৰ লিৰিকি-বিদাৰি চোৱাৰ মোৰ বৰ হেঁপাহ আছিল। কিন্তু নিদিয়ে। নিদিয়েটো নিদিয়েই কাষলৈও যাবলৈ আমাক মানা কৰিলে। কিন্তু সেই বাধা মানে কোনে? সেই বাধাৰ প্ৰাচীৰ ভাঙি মই একেবাৰে ডাঙৰ ড্ৰামটোৰ কাষত থিয় দিলো। ইতিমধ্যে বেণ্ডপাৰ্টীটোৰ বাদ্যযন্ত্ৰীসকলক চাবলৈ দহবন পাছ কৰি বহু মানুহ আহি গোট খালে। সেই হেঁচাত মোৰ প্ৰাণ যাওঁ যাওঁ। তথাপিও এৰাত নাই মই।

বিয়াঘৰত মামাহঁতৰ ভাগীৰ উমেশ মামাৰ গাত তত্ নাইকিয়া হৈছে। এবাৰ ইফালে গৈছে কিবা এটা আনিবলৈ- এবাৰ সিফালে গৈছে কিবা এটা দিবলৈ। মুঠতে টাকুৰী ঘূৰা দি ঘূৰি ফুৰিছে তেওঁ। তাৰ মাজতে বেণ্ডপাৰ্টী, ঢুলীয়াপাৰ্টীক চাহ তেৱেঁই আনি দিলে। কিছু সময় পিছত এটা কলৰ দোনাত কিছু কটা তামোল-পাণ, চাদা কেইপেকেটমান, বিড়ি দুমুঠা আৰু এটা মেচ্ছো দি থৈ গ'ল। বহুতে কোৱা-কুই কৰিছে- বিয়াঘৰত আটাইতকৈ বেছি কৰ্মী মানুহজনো হৈছে তেৱেঁই। শুনামতে তেওঁ আজি ভালকৈ পোহৰ নহওঁতেই উঠি গা-পা ধুই কান্ধত এখন গামোছা লৈ যেতিয়া বিয়াঘৰলৈ আহে, বিয়াঘৰৰ মানুহ বিচনা এৰাই নাই।

এনেও উমেশ মামা বৰ ফুৰ্তিবাজ মানুহ। তাতে ঘৰৰে বিয়া। আনহাতে হৰমোহন মামাই বিয়া কৰাব চন্দ্ৰপুৰত। চন্দ্ৰপুৰলৈ বিয়া চাব যাব উমেশ মামা। এই কথাটোৱে তেওঁক বিয়াৰ দিন ঠিক হোৱা দিনৰ পৰাই আনন্দই নধৰা কৰিছে। সেই উৎসাহতে তেওঁ আজি ডেৰ মাহমানৰ পৰাই বিয়াত দেহে-কেহে লাগি আছে। বিয়াত গছ কাটি খৰি ছিৰাৰ পৰা বাৰিৰ বন চিকণোৱা, নৈৰ সিপাৰৰ পৰা বাঁহ-বন আনি বান্ধনি ঘৰ, খোৱা ঘৰৰ বেৰ দিয়া আদি সকলো কাম তেওঁৰ নেতৃত্বতে সম্পন্ন

হৈছে। একেদৰে ৰভা দিবলৈ সিখন পাৰাৰ লুকুহঁতৰ পাৰ হৈ যোৱা বিয়াখনৰ পৰা খুঁটা আৰু মাৰলিবোৰ গৰু গাড়ীৰে আনোতে গৰু চৰকাত পৰাত, গৰুৰ অভাৱত একালে মুকুল মামা আৰু আনফালে উমেশ মামাই গৰু হৈ টানি আনিব লগা হ'ল। তথাপি তেওঁৰ আপত্তি নাই। চন্দ্ৰপুৰলৈ বিয়া চাব যাব, এলাহ কৰিলে কেনেকৈ হ'ব ? কামৰ মাজে মাজে প্ৰায়ে তেওঁ কৈ উঠে - বিয়া চাব যাব লাগিব দেই ভাইহঁত। খুব জমাব লাগিব কিন্তু কইনা ঘৰত। একেবাৰে ফাটা-ফাটি কৰি দিব লাগিব। কথাখিনি কোৱাৰ সময়ত তেওঁৰ চকু-মুখ পৰম উজ্জ্বলতাৰে উজ্বলি উঠে।

বিয়াখন ঠিকে-ঠাকে চলি আছে যদিও এটা কথাই উমেশ মামাক বৰকৈ অশান্তি দিছে। ৰাতিপুৱাৰ পৰা এজাক বৰষুণ যি দিছে সি যেন এৰিবলৈ পাহৰিলেই। এনেকৈ বৰষুণ দি থাকিলে বিয়া চাবলৈ যোৱা গাড়ীখন দেখোন বৰ লাহে লাহে চলাব লাগিব। গাড়ীৰ খিৰিকীবোৰো জপাই ৰাখিব লাগিব। তেতিয়া দেখোন মজাই নাথাকিব। আনহাতে এটা কথা তেওঁ বহুদিনৰ পৰা সিদ্ধান্ত ল'ব পৰা নাই- বিয়া কৰাবলৈ যোৱা গাড়ীখনৰ ক'ত বাৰু তেওঁ বহিব। আগফালে নে পিছফালে ? আগফালে বহি গ'লে ঠাইবোৰ চাই যাব পাৰি। ড্ৰাইভাৰে কেনেদৰে ষ্টাৰিং ঘুৰাই, কেনেদৰে গিয়েৰ সলনি কৰে এইবোৰ বাৰু চাই ভাল লাগিব, কিন্তু পিছফালে যোৱাৰ মজাই বেলেগ। গাড়ী যিমানে বেগত যাব সিমানে গাড়ীখন বেছি জঁপিয়াব। সেই জঁপিয়নিৰ লগে লগে উমেশ মামাও গাড়ীৰ ওপৰলৈ জঁপিয়াব। বাঃ কিমান যে ভাল লাগিব। পিছে বৰষুণ দি থাকিলে তাৰ মুদাই মৰিব। এ যি হয় হ'ব তেওঁ আগফালেই বহিব। আগফালে বহিব ৰ- বতৰ এনেদৰে থাকিলে আগফালৰ আইনাখনোচোন বৰষুণে ঢাকি ধৰিব। তেন্তে তেওঁ কি চাই যাব ? এই কথাই কথা নহয়। এই বুলি উমেশ মামাই এটা টিনৰ টেমাত কিছু চুণ ভৰাই লৈ বিয়াঘৰৰ পানীপতাত মাটিৰ তলত পুতি থলে। চাওঁছোন কিমান বৰষুণ মাৰ- উমেশ মামাই নিজকে নিজে ক'লে।

বিয়া চাবলৈ যোৱাৰ বাবে উমেশ মামাই এমাহ আগতেই এযোৰ হ্ৰৱাই ছেণ্ডেল পলাশবাৰীৰ হাটৰ পৰা কিনি আনিছে। সেইদৰে বাপুৰাম মহাজনৰ দোকানৰ পৰা কাপোৰ আঢ়ৈ গোজ কিনি আনি ভাৰত দৰ্জিৰ তাত চিলাই কৰোৱাই আনি থৈছে। কামিজ অৱশ্যে লোৱা নহ'ল। যোৱা দুৰ্গাপূজাত লোৱা আকাশী ৰঙৰ কামিজটোকে ভালকৈ ধুই-মেলি নতুন পইজামা আৰু কামিজটো শোৱা বাঁহৰ চাংখনতে গাৰুৰ তলত থৈ দিছে ইস্ত্ৰি হওঁক বুলি। কাপোৰবোৰ ঠিকে-ঠাকে আছেনে নাই চাবলৈ বিয়াৰ দিনা কামৰ ফাঁকে ফাঁকে দুবাৰমান ঘৰলৈ গৈ সাউথকৈ গৈ চাই আহিছে। আনহাতে পিন্ধি থকা চেণ্ডেলযোৰৰ ফিতা এপাত ছিঙাত চেফ্‌টি পিন এটা মাৰি পিন্ধি আছে যদিও নতুনকৈ আনি থোৱা চেণ্ডেলবোৰ লেতেৰা হয় বুলি এতিয়ালৈ উলিওৱা নাই উমেশ মামাই।

ভাগ্যে আবেলিলৈ বৰষুণ কমিল। বিয়াঘৰৰ লগতে আমাৰ মনবোৰো নিমিষতে যেন ফৰকাল হ'ল। উমেশ মামাৰটো কথাই নাই। তেওঁৰ খোজবোৰৰ বেগ আৰু বাঢ়িল। চকু-মুখত নিমিখতে হাঁহি বিৰিঙি উঠিল। কামৰ মাজতে উৎসাহতে আহি উমেশ মামাই আমাক উদ্দেশ্যি ক'লে - ভাগিন বিয়া চাবলৈ যাওঁতে কিন্তু তামাম ফট্‌কা ফুটাব লাগিব। এপেকেট-দুপেকেট হ'লে নহ'ব। আমাৰ ফট্‌কাৰ শব্দই কইনাঘৰৰ ফট্‌কাক তিলিকিতে উৰুৱাই দিব লাগিব। হৰমোহন কাক কবি - বেছিকৈ ফট্‌কা দিবলৈ। পইচা দিবই লাগিব। বিয়া পাতি ফট্‌কা কিনাত কৃপণালি কৰিলে কেনেকৈ হ'ব ? ইয়াৰ পিছত উমেশ মামাই চিধাই বেণ্ডপাটীৰ ওচৰলৈ গ'ল আৰু সিহঁতৰ গানৰ ছেৱে ছেৱে কিছুসময় নাচিলে। ভাইহঁত কইনা ঘৰত কিন্তু এনেদৰে বেণ্ড বজালে নহ'ব - আমাৰ বেণ্ডৰ শব্দত যাতে সিহঁতৰ বেণ্ডৰ শব্দ কৰবাতে তল পৰি ৰয় সেইটো কিন্তু চাবি। যোৱাৰ আগতে পাৰ মাংসৰ লগতে সিবিধো অলপ ধৰি ল'বি, বুজিছ নহয় ? - উমেশ মামাই কতৃত্বৰ সুৰত কথাখিনি ক'লে।

দিনৰ দিনটো কাম কৰি কৰি ভাত বিলাই উমেশ মামা কিছু লেবেজান হ'ল। তথাপিও দৰা ধুৱাবলৈ কল পুলিটো তেঁৱেই কাটি আনি পুতিবলগীয়া হ'ল। বাঁহৰ খুঁটি কেইটামান চাঁচি কলৰ পটুৱা কেইটামান ধুনীয়াকৈ দৰা ধুৱাবলগীয়া ঠাইখিনিত তেওঁ পুতি দিলে। তাৰ পাছত খৰ্‌ধৰ্‌কৈ ঘৰলৈ গ'ল। সাউৎকৈ গাটো ধুই উমেশ মামাই গাৰুৰ তলৰ পৰা কাপোৰযোৰ উলিয়াই পিন্ধি ল'লে। নতুন চেণ্ডেলযোৰো পিন্ধিলে। তাৰ পাছত খহীত ওলোমাই থোৱা চাফা গামোচা এখন গলত মেৰিয়াই বাঁহৰ চাংখনৰ ওচৰলৈ গ'ল। গোন্ধতেলৰ বটলটোৰ পৰা মূৰত অকণ তেল ঘঁহি চুলিখিনিৰ আগফালে এটা ধুনীয়া ভাঁজ কৰি লৈ বিয়া ঘৰলৈ দৌৰি যোৱা দি গ'ল। ইতিমধ্যে সুৱাগ তোলা আৰু দৰাৰ নখ কটোৱা আদি পৰ্ব শেষ হোৱাত দৰাক গা ধুৱাই আছে ভাঙৰ মামীয়ে। উমেশ মামা কিন্তু সেইফালে নগ'ল। কাৰণ কোনোবাই কাৰোবাক চাউলৰ গুড়া খুৱাওঁতে যদিহে তেওঁৰ কাপোৰযোৰ লেতেৰা হয়। এনে সময়তে কইনা ঘৰলৈ যাবলগীয়া বাছগাড়ীখন আহি পালেই। একো বাট নাচাই উমেশ মামাই চিধাই গাড়ীখনলৈ লৰ দিলে। গাড়ীখন দেখি উমেশ মামাৰ চকু-মুখ উজ্বলি উঠিল। তেওঁ নিজকে নিজে মুখৰ ভিতৰতে ক'লে- অভয় ঠাকুৰীয়াৰ গাড়ী ভাল নহৈ পাৰেনে ? গাড়ীখনৰ নামটোও বৰ ধুনীয়া। মা-গৃহলক্ষ্মী। হৰমোহনকাইত সঁচাই দিলদাৰ মানুহ, দানী মানুহ। মানুহ



হ'ব লাগে এনেকুৱাই। পইচাক চোৱা নাই। এইবাৰ উমেশ মামা গাড়ীখনৰ ভিতৰলৈ সোমাই গ'ল। তাৰ পাছত আকৌ নিজকে নিজে ক'লে- বাঃ কি ধুনীয়া হে ভাগিন। সাইলাখ স্বৰ্গৰ দৰে। কিছুসময় তেওঁ ইফালে-সিফালে চালে। ক'ত বহিব বাৰু তেওঁ ? এবাৰ আগফাললৈ গৈ এখন ছীটত বহি ল'লে। তাৰ পাছত আকৌ পিছফাললৈ আহি আন এখন ছীটত বহিল। এইখন ছীটেই ভাল হ'ব। ভাগিনহঁত তহতে আগত বহিবি। ইয়াত বৰ জোকাৰণি হ'ব - বুজিছ নহয়। গাড়ীৰ পৰা নামি খৰধৰকৈ উমেশ মামা আকৌ চতাললৈ আহিল। আমিও পিছে পিছে খোজ ল'লো।

ইতিমধ্যে দৰা সজোৱা আৰু আন আন আনুষংগিক কামবোৰ শেষ হৈছে। দৰাক গাত সানা আতৰটো মাণিক মামাই তাত থকা আনসকলৰ গাত সানি দি আছে। উমেশ মামাই কিন্তু কাপোৰযোৰ বেয়া হয় বুলি আতৰ সানা নাই। বিপৰীতে কঁপাহত অকণ আতৰ লৈ কাণত সুমুৱাই ল'লে তেওঁ। দাম্পত্য জীৱন সুখৰ হওঁক, দাম্পত্য জীৱন সুখৰ হওঁক বুলি দৰাৰ লগবোৰে চিঞৰা শুনা গ'ল। লগে লগে দৰা গাড়ীলৈ আগবাঢ়িল। বেণ্ডপাটীয়েও তেওঁলোকৰ ভঙ্গিৰে বেণ্ড বজাব ধৰিলে। আমিবোৰে যিমান পাৰো ফট্‌কা ফুটালো। উমেশ মামাই গৰধীয়া ভাৱখন কান্ধত লৈ বেগা-বেগিকৈ গাড়ীলৈ আগবাঢ়িল।

মানুহ বেছি হোৱাত গাড়ীৰ ছীট কিছু অকুলন হ'ল। সেয়ে দুখন বেঞ্চ গাড়ীৰ মাজভাগত সুমুৱাই দিবলগীয়াত পৰিল। কেইটামান মুঢ়াও দিয়া হ'ল বহিবলৈ। তথাপিও কিছু মানুহ থিয় দিবলগীয়া হ'ল। উপায় নাই তেনেকৈয়ে যাব লাগিব। সময়ত ড্ৰাইভাৰে একচেলেটৰ দবাই দিলে। গাড়ীৰ হেং হেং শব্দত আমাৰ মনবোৰ সাতখন-আঠখন হ'ল। এটা সময়ত গাড়ীৰ চকা ঘূৰিল। তিৰোতা কেইজনীমানে উৰুলি দিয়া শুনা গ'ল। উমেশ মামাই চিঞৰিলে - বিশ্বকৰ্মা বাবাজ্বি - সমস্বৰে চিঞৰিলে জয়।

দুবাৰ-তিনিবাৰ তেনেদৰে চিঞৰা শুনা গ'ল। গাড়ী আগবাঢ়িল। চৰাইপাৰা পথটোৰ পৰা গাড়ী গাঁৱৰ প্ৰধান পথটোত উঠিল কি নুঠিল বুদ্ধি ককাই ডাঙৰ ডাঙৰকৈ চিঞৰা শুনা গ'ল - অ'ই সম্বৰু, তামোল-পাণৰ বস্তাটো আনিছ নহয়। মই সৰুক আনিব কৈছিলো, সৰুক সোধছোন- সম্বৰু ককাই আনফালৰ পৰা ডাঙৰকৈ ক'লে। অ'ই সম্বৰুকা তই মোক কেতিয়া কৈছিলিও- আনফালৰ পৰা সৰু ককাই চিঞৰিলে। অ'ই ড্ৰাইভাৰ গাড়ী ৰাখা- ৰাজেন মামাই হঁটা মাতেৰে গাড়ীৰ মাজভাগৰ পৰা কোৱা শুনা গ'ল। গাড়ী ইতিমধ্যে পাৰ্শ্বী চকৰ দলংখন পাৰ হৈ ট্ৰানিং লৈছিল। ড্ৰাইভাৰে ব্ৰেক মাৰে মানে ভুনেশ্বৰ মন্দলৰ ঘৰৰবাটি পালে গাড়ীখন। ইজনে সিজনক দিয়া দোষৰ কোবত কাৰো মাত কোনেৰো নুশুনা অৱস্থা হ'ল। হৰমোহন মামাই মুখেৰে একো মাতা নাছিল যদিও ভিতৰি ভিতৰি খং উঠিছিল। শেষত তেওঁ ক'লে - যি হৈছে হৈছে, এতিয়া সেইবোৰ এৰি বস্তাটো আনাৰ ব্যৱস্থা কৰ। পিছে এতিয়া তামোল-পাণৰ বস্তাটো আনিব যাই কোনে ? কোনোবা এজনে জীৱেশ্বৰ মামাক আনাৰ কথা ক'লে। জীৱেশ্বৰ মামাই খেৰোগেঁৰো কৰাত উমেশ মামাকে বস্তাটো আনাৰ ভাৰ দিলে হৰমোহন মামাই। উমেশ মামাই সাধ্যহতে কাৰো কথা নেপেলাই, কিন্তু এই মুহূৰ্তত তেওঁৰো যাব ভাল লগা নাছিল। আগফালৰ পৰা বুদ্ধি ককাই চিঞৰিলে- অ' উমেশ তয়ে যা। বুদ্ধি ককাৰ কথাত বহুতে হয়ভৰ দিলে। বেচেৰা উমেশ মামাৰ উপায় নোহোৱা হ'ল। বেছি কেওমেও নকৰি তেওঁ পাইজামাটোৰ তলৰ মূৰ দুটা কঁকালত খোঁচি হাতত চেণ্ডেলবোৰ লৈ যি হয় হ'ব বুলি বিয়া ঘৰলৈ কটি-মূৰ চেপি দৌৰ দিলে। যাওঁতে মাথোঁ কৈ গ'ল- মোৰ ছীটটোত যাতে কোনেও ন'বহ দেই। গাড়ীৰ খিৰিকীৰে ৰাজেন মামাই চিঞৰিলে- অ'ই বস্তাটো ভঁৰালঘৰৰ চাংখনৰ ওপৰতে আছে। তেনে সময়তে জীৱেশ্বৰ মামাই নিজকে নিজে ধেমালিৰ সুৰত ক'লে - কইনাৰ ঘৰ ধনী মানুহ, মাছে-মাংসেই খাব পাবি। এইখিনি দৌৰিলে একো নহয় যা। জীৱেশ্বৰ মামাৰ কথাত গাড়ীৰ সকলোৱে পাৰেমানে হাঁহিলে। কোনোবাই খুক্‌খুকাই, কোনোবাই হো হোকে, কোনোবাইবা মুখৰ ভিতৰতে। সকলোৱে হাঁহা দেখি খগেন মামাৰ চালুকীয়া ছোৱালীজনীয়েও মামীৰ কোলাতে খিল্‌খিল্‌কৈ হাঁহিব ধৰিলে।

বিয়াঘৰ পাই মানে উমেশ মামাৰ ভাগৰত ফেফনি উঠিল। ইতিমধ্যে দৌৰৰ কোবত চুলিখিনিত তুলি লোৱা ধুনীয়া ভাঁজটো নোহোৱা হ'ল আৰু কাণৰ আতৰ লগোৱা কঁপাহ খিনি কেতিয়াবাই সুলকি পৰিল। সেইবোৰ একো মন নকৰি তেওঁ তৎক্ষণাৎ ভঁৰাল ঘৰলৈ দৌৰি গ'ল। ভঁৰাল ঘৰ পাই দেখে প্ৰকাণ্ড এটা তলা লগা আছে। চাবি বিচাৰি উমেশ মামাই বুদ্ধি ককাক মাতিলে। বুদ্ধি মামা, বুদ্ধি মামা বুলি বাৰে বাৰে চিঞৰাটো কোনো সাৰ-সুৰ নাই। তেতিয়াহে উমেশ মামাৰ সম্প্ৰিত জ্ঞান আহে- বুদ্ধি ককা গাড়ীত। এতিয়া কি কৰা যাব ? তলাটো কেনেকৈ ভঙা যাব ? দা-কোৰ কিবা পাই নেকি, ইফালে-সিফালে চালে তেওঁ। ক'তো একো নাই। বোধহয় বুদ্ধি ককাই সেইবোৰ ভঁৰালঘৰত সুমুৱাই থৈছে। উপায় নাপাই উমেশ মামাই লোৰ চকী এখন আনি খুৰাটোৰে তলাটো কোবাবাত লাগিল। কোনোমতে তলাটো নাভাঙে। বিপৰীতে কোবোৰ জোৰত চকীখনৰ খুৰা এটা ভাঙি গ'ল। সেই ভঙা খুৰাটোৰে উমেশ মামাই তলাটো আকৌ কোবালে যিমান পাৰে সিমান জোৰত। হঠাৎ সেই কোব এটা উমেশ মামাৰ বাঁও হাতৰ

তৰ্জনী আঙুলিটোত লাগি ফাটি গ'ল। বিষত তেওঁ চিৎকাৰ কৰি হাতখন পাৰে মানে জোকাৰিলে। জোকাৰণিত তেজবোৰ তেওঁৰ কামিজটোৰ বুকুৰ পিনে ছিটিকি পৰিল। লগে লগে উমেশ মামাই আঙুলিটো মুখত সোমাই তেজবোৰ কিছু সময় চুহিবলৈ লাগিল। বেছি পলম নকৰি এইবাৰ উমেশ মামাই আন এখন চকী লৈ গাৰ সমস্ত জোৰেৰে আকৌ এবাৰ তোলাটো কোবাবলৈ ধৰিলে। ভাগ্যে সেইটো এইবাৰ ভাঙিল। দীঘলকৈ এটা উশাহ টানি তেওঁ উধাই-মুধাই ভঁৰালঘৰৰ ভিতৰলৈ সোমাই গ'ল। ঘৰটোৰ ভিতৰত ঘোপমাৰা এন্ধাৰ। একো নেদেখি। কি কৰা যায়? উমেশ মামাই খেপিয়াই খেপিয়াই ইফালে-সিফালে চালে। বস্তাটো নাই। ৰাজেন মামাই যে চিএৰি চাংখনৰ ওপৰত বস্তাটো আছে বুলি কৈছিল- সেই কথাটো এতিয়াহে তেওঁৰ ইয়াদত অহা নাই। উমেশ মামাৰ তীব্ৰ খং উঠিল নিজৰ ওপৰতে। হঠাৎ তেওঁৰ খেয়াল আহিল। তৎক্ষণাৎ তেওঁ চাংখনৰ ওচৰলৈ গ'ল। হয় বস্তাটো ঠিকে-ঠাকে আছে। পলম নকৰি সেইটো পিঠিত আৰু হাতত চেণ্ডেলজোৰ লৈ উমেশ মামাই প্ৰাণটাকি দৌৰিলে।

ইপিনে উমেশ মামাক ৰৈ ৰৈ গাড়ীৰ মানুহবোৰ অতিষ্ঠ হ'ল। সামান্য তামোল-পাণখিনিৰ বাবে ইমান ৰৈ থাকিব নোৱাৰি সেই- কোনোৱা এজনে ক'লে। দুই এজনে কথাখিনিক হয়ভৰো দিলে। তামোল-পাণখিনি মইয়েই কইনাঘৰৰ পৰা কৈ মেলি যোগাৰ কৰি দিম বল। কইনাঘৰৰ মানুহে নিদিলে চোৰেই কৰিম বল কইনাঘৰৰ পধা- জীৱেশ্বৰ মামাই ক'লে। সৰু ককাইও কথাখিনি সলাগিলে। আমাৰ ঘঁহা-পিহা এতিয়া শেষেই হয় - গাভৰুজাকৰ পৰা কোনোবাই কোৱা শুনা গ'ল। কথাখিনি শুনি সকলোৰে খিল্‌খিল্‌কৈ হাঁহিলে। এনে সময়তে দুজনমানে গাড়ীৰ পৰা নামি আহি গাঁৱৰ প্ৰধান আলিটোৰ পোনকৈ উমেশ মামালৈ চাই ৰ'ল। নাহেহে নাহে উমেশ মামা। সৰু ককাই ক'লে- উমেশে বোধহয় এক ঘুমটি মাৰি আহিব। আকৌ হাঁহিৰ ৰোল উঠিল। ই উমেশটোৰ দৰে অকামিলা মানুহ আৰু দেখা নাই- খঙেৰে ৰাজেন মামাই ক'লে। ইপিনে ড্ৰাইভাৰো বিৰক্তি লাগিল। খঙৰ ভমকত তেওঁ চাবিপাত পকাই দি একেস্‌লেটৰ দবাই দিলে। একে জোৰত শিঙাও বজাই থাকিল। ড্ৰাইভাৰ বল - সকলোৰে সমস্বৰে ক'লে। লগে লগে ড্ৰাইভাৰে গিয়েৰ লগালে। উমেশ মামালৈ ৰৈ থকা ল'ৰাকেইজনে দৌৰি আহি কোনোমতে গাড়ীত উঠিল।

আনফালে গাড়ীৰ শব্দ পাই উমেশ মামাৰ বেগ আৰু তীব্ৰ হ'ল। ক'ত খোজ দিছে তেওঁ ক'ব নোৱাৰে। বোকাৰ ছিটিকনিত পাইজামাৰ আধ্যা পৰিল তেওঁৰ। সেইফালে উমেশ মামাৰ কাণসাৰ নাই। গাৰ সমস্ত জোৰেৰে তেওঁ কেৱল দৌৰিছে আৰু দৌৰিছে। বেৰ ভাঙি কঠীয়া খোৱা গৰুক তেওঁ যিমান বেগত পিছে পিছে খেদে সিমান বেগত তেওঁ কেৱল দৌৰিছে। হঠাৎ শিল এটাত উজুটি খাই ছিটিকি পৰিল তেওঁ। বোধহয় গৰুৰ গোবৰ আছিল সেই ঠাইখিনিত। গোটেই গাল-মুখ গৰুৰ গোবৰে ঢাকি ধৰিলে তেওঁক। তৎক্ষণাৎ খৰ্‌ধৰ্‌কৈ উঠি উমেশ মামাই আকৌ দৌৰিলে। পাঞ্জী চ'কৰ দলংখন পাওঁ পাওঁ হৈছে- গাড়ীখন আগুৱাই যোৱাৰ উমান পাইছে তেওঁ। অ'ই ড্ৰাইভাৰ ভায় মই আহিছোঁও, অ'ই ভায় গাড়ী ৰাখ- উমেশ মামাই প্ৰাণটাকি চিএৰিছে। অ'ই হৰমোহনকা, অ'ই দিলদাৰ কা, অ'ই দানীকা মই আহিছোঁও। অ'ই বুকুৰ ভাইহঁত মোক এৰি নাযাবিও। অ'ই বুদ্ধি মামা, অ'ই ৰাজেনকা মোক এৰি নাযাবিও ভায়। উমেশ মামাই প্ৰাণটাকি চিএৰি চিএৰি দৌৰিছে। গাড়ীখন ইতিমধ্যে আগুৱাই গৈ গৈ নতুন বস্তিৰ নামঘৰ অতিক্ৰম কৰিলে। উমেশ মামাই দৌৰিছে। দৌৰিছে। কেৱল দৌৰিছে। গাড়ীখনো তেওঁৰ পৰা ক্ৰমে আগুৱাই গৈ আছে, আগুৱাই গৈ আছে, উমেশ মামাও দৌৰিছে। তেওঁ চিএৰিছে দেহৰ সমস্ত জোৰ দি। গাড়ীৰ মানুহবোৰৰ হাঁহি-খিকিন্দালিত তেওঁৰ আৰ্তনাদ কৰ্ণগত উৰি গৈছে। ক্ৰমে ক্ৰমে গাড়ীখন উমেশ মামাৰ পৰা আঁতৰি গ'ল। এটা সময়ত তেওঁ আৰু গাড়ীখন নেদেখা হ'ল। গাড়ীখনৰ শব্দও ক্ৰমে ক্ৰমে হেৰাই গ'ল।

ঘটনাৰ আকস্মিকতাত উমেশ মামা হতভম্ব হৈ পৰিল। তেওঁৰ বুকুত এটা গভীৰ হামাৰ লাগিল। এয়া সপোন নে দিঠক তেওঁৰ নিজৰেই সন্দেহ হ'ল। ক্ৰমে ক্ৰমে তেওঁৰ বুকুৰ মাজত যেন বাজি উঠিল শ শ গাড়ী চলাৰ শব্দ। তেওঁ হাহাকাৰ কৰি উঠিল। তেওঁ কি কৰিব এতিয়া? উমেশ মামাই কিছুসময় এনেয়ে থিয় দি থাকিল। কেতিয়া তামোল-পাণৰ বস্তাটো তেওঁৰ হাতৰ পৰা সুলকি পৰিল তেওঁৰ ইয়াদ আৰু নাই আৰু সেই বস্তাটোত ক'ৰ নোৱাৰকৈয়ে তেওঁৰ ভাগৰুৱা দেহটো ধুপুচকৈ বাগৰি পৰিল। তাৰ পাছত কিছু সময় নিস্তব্ধতা। তাৰ পাছত দুটি ওঁঠৰ এটি মৃদু কঁপনি। এটা সৰু উচুপনি। এইবাৰ বুকু ফালি ওলাই অহা এটা হুমুনিয়াহ আৰু শেষত হিয়া ঢাকুৰি কন্দাৰ শব্দ। সেই শব্দত জিলীৰ কৰুণ মাত তল পৰি ৰ'ল গোটেই ৰাতি। ■

'হামাৰ' দক্ষিণ কামৰূপৰ কোনো কোনো অঞ্চলত প্ৰচলিত এটা শব্দ। সাধাৰণতে মানুহে মানুহক দিয়া গভীৰ দুখৰ ক্ষেত্ৰত ই প্ৰযোজ্য হয়।



# ঈশ্বৰ

✍ কাকলি দাস
উঃ মাঃ, ২য় বৰ্ষ



কেন্দুগুৰিৰ কেকুৰিটোৰ আহাৰ মহীয়া খ'দৰ তাপত গছ এজোপাৰ তলত এজন বুঢ়া মানুহ বহি আছিল। তেওঁ বাটেৰে যোৱা মানুহ চাই আছিল। আচলতে তেওঁ কৰবালৈ বুলি ওলাইছিল কিন্তু ৰাস্তাটো পাহৰি গছ ডালৰ তলতে বহি ৰ'ল। এই আশাত যে তেওঁক কোনোবাই বাটটো দেখাই দিব।

তেনেতে তেওঁ এজন ল'ৰাক দেখা পালে। তেওঁৰ ওচৰলৈ গৈ সুধিলে, বোপা এই ৰাস্তাটোৰেনো কলৈ যায়? কিন্তু ল'ৰাটোই কাণসাৰ নকৰি গুচি গ'ল।

তেনেতে আকৌ এজনী ছোৱালী আহিল। তেওঁ ছোৱালী জনীক সুধিলে। ও মা এই ৰাস্তাটোৰে কলৈ যায়? তেতিয়া ছোৱালী জনীয়ে ক'লে, ঐ বুঢ়া মই তোৰ মায়েৰে বুলি ভাবিছা নেকি। মই নাজানো কোনটো ৰাস্তাৰে কলৈ যায়। এই বুলি ছোৱালীজনীয়ে ভোৰ ভোৰাই গুচি গ'ল। তেতিয়া বুঢ়াজনে ভাবিলে ছোৱ'..জনীয়ে কিবা বেয়া পালে নেকি। ৰাস্তাটো সোধাই চাগে বেয়া পালে। বুঢ়াজনে খেজাৰ মনেৰে গছ ডালৰ তলতে ভাগৰতে বহি ৰ'ল। ফিৰ্‌ফিৰীয়া বতাহ লাগিছিল কাৰণে বুঢ়াৰ টোপনি ধৰিলে। তেনেতে বুঢ়াই আৰু এজনী ছোৱালী অহা দেখিলে। কিন্তু তেওঁ উঠি নগৈ ভাবিলে যে এইজনী ছোৱালীয়েও যদি আগৰজনীৰ দৰে ৰাস্তাতো সোধতে ভোৰ ভোৰাই উঠে। এইবুলি ভাবিয়ে বুঢ়াই উঠি নগ'ল। তেওঁ দেখিলে যে ছোৱালীজনীয়ে তেওঁৰ ফালে আহি আছে। ছোৱালীজনীয়ে সুধিলে অ' ককা আপুনি এই গৰমত ইয়াত কিয় বহি আছে। তেতিয়া বুঢ়াই কলে নহয়ও মা, মই এঠাইলৈ আহিছিলো কিন্তু ৰাস্তাতো পাহৰি ইয়াতে বহি আছো। তুমি কৰবালৈ গৈছিলা হ'বলা। হয় ককা, মাৰ কালিৰে পৰা জ্বৰ হৈ আছে। তাৰ কাৰণে ঔষধ আনিবলৈ গৈছিলো। তেতিয়া বুঢ়াই ক'লে, তোমাৰ তাত পানী আছে নেকি। মোৰ লগত পানী নাই কিন্তু সৌ চাৰি আলিটোৰ কাষতে আমাৰ ঘৰ, বলক অলপ জিৰাই আহিব। তেতিয়া বুঢ়াই ক'লে বলা চোন বলা নহলে পানী খাওঁ আৰু মায়েৰাৰও খবৰ লওঁ। এইবুলি দুয়োজনে ঘৰলৈ খোজ ল'লে। বাটতে বুঢ়াই সুধিলে অ' মা মইতো তোমাৰ নামটোকে সোধা নাই, তোমাৰ নামটোনো কি? ছোৱালীজনীয়ে ক'লে ককা মোৰ নাম পৰী। আপোনাৰ নাম কি? বুঢ়াই ক'লে মোৰ নাম ভীমবৰ।

ভীমবৰ ঃ বাৰু পৰী তোমাৰ ঘৰত আৰু কোন কোন আছে। ইমান ৰ'দে ৰ'দে তুমিয়ে যে ঔষধ আনিবলৈ গৈছা, দেউতাৰা নাই নেকি?

পৰী ঃ (পৰীৰ মুখখন সেমেকি গ'ল) নাই কক্কা দূৰ্ভাগক্ৰমে নিয়তিয়ে আমাৰ দেউতাক কেতিয়াবাই আমাৰ কাষৰ পৰা লৈ গ'ল। এতিয়া মা, মই আৰু মোৰ ভাইটি থাকো।

ভীমবৰ ঃ (কথাখিনি শুনি ভীমবৰৰো অলপ বেয়া লাগিল) একো কথা নহয় দিয়া। দুখ নকৰিবা এদিন নহয় এদিনটো সকলোৱে ওপৰত যাবই লাগিব। বাৰু মাৰে কি কৰে?

পৰী ঃ মাই কাষৰ এঘৰত কাম কৰে। চলাত বহুত কষ্ট হয়। কিন্তু মাই আমাক অলপো কষ্ট পাব নিদিয়ে। লাগে নিজে কষ্টতে থাকিব।

এইবুলি কথা পাতি পাতিয়ে সিহঁতে ঘৰ পালে। পৰীয়ে বাহিৰৰ পৰা মাকক মাত লগালে।

পৰী ঃ অ' মা, মা, মা, চোৱাচোন মোৰ লগত এজন কক্কা আহিছে। (এইবুলি কৈ দুয়োটাই ঘৰৰ ভিতৰলৈ সোমাই গ'ল) ভিতৰত সোমাই বুঢ়াই দেখিলে যে মাক বিচনাত বাগৰ দি আছে। ভায়েকে মাকৰ মূৰত পানী দি আছে। মাকে এই নৰিয়া দেহাটোৰে বুঢ়াক বহিবলৈ দিলে। পৰীয়েও বুঢ়াক পানী আনি দিলে। তেতিয়া বুঢ়াই পৰীক পেকেটৰ পৰা এটা পিল উলিয়াই ক'লে।

ভীমবৰ ঃ হ, ল এইটো জ্বৰৰ পিল। মোৰো গাটো মাজে মাজে ভাল নাথাকে কাৰণে লগতে লৈ থাকো। পিলটো দি বুঢ়া ৰাস্তাটোৰে যাবলৈ ও'লাল।

বিটু ঃ (পৰীৰ ভায়েক) অ' বা কক্কাক কিবা খাবলে নিদিয়া কিয়।

ভীমবৰ ঃ নালাগে দিয়া বাপু পিছত আহিলে খাম। এইবুলি কৈ বুঢ়া যাবলৈ ওলাল।

বুঢ়াজন যোৱাৰ পাছত পৰীয়ে মাকক কলে।

পৰী ঃ অ' মা কক্কাৰ ঘৰত বা কোন কোন আছে, মই সুধিবয়ে নোৱাৰিলো।

নিৰলা ঃ (পৰীৰ মাক) একো নহয় দে আকৌ আহিম বুলি কৈছে নহয় তেতিয়া সুধি লবি।

পৰী ঃ বাৰু হ'ব দিয়া।

(৩-৪ দিনৰ মূৰত)

ভীমবৰ ঃ পৰী, অ' পৰী আছনে মা।

পৰী ঃ (দৌৰি ঘৰৰ পৰা ওলাই আহিল) অ' কক্কা আপুনি আহক! ভিতৰলৈ সোমাই আহক।

ভীমবৰ ঃ ভালে আছনে মাই!

পৰী ঃ অ', ভালে আছো।

ভীমবৰ ঃ মাৰা নাই নেকি?

পৰী ঃ ও আছে ৰবা। মই মাতি দিছো।

পৰী ঃ মা, অ' মা ক'ত নো আছা চোৱাচোন কক্কা আহিছে।

নিৰলা ঃ অ' আপুনি, বহক, মই এটা কাম কৰি আছিলো।

ভীমবৰ ঃ এতিয়া বেমাৰ ভাল পাইছানে?

নিৰলা ঃ হয় ভাল পাইছো দিয়ক। কালিৰ পৰা আকৌ কামক যাব লাগিব। নহলে সিহঁতে বেলেগ মানুহ ল'ব।

বেলেগ মানুহ ললে আৰু দিগদাৰ হ'ব। কাম নকৰিলে ইহঁতক মই খুৱাম কি।

ভীমবৰ ঃ হয় দিয়া। আমাৰ জীৱনত আমি বহুতো সংগ্ৰাম কৰিবলগীয়া হয়। তোমাৰ কপাল ভাল, তোমাৰ সাৰথি বুলিবলে তোমাৰ ল'ৰা ছোৱালী দুটা আছে, কিন্তু মোৰ!

এইখিনি কথা কৈয়ে ভীমবৰ নিস্তব্ধ হৈ ৰ'ল। তেনেতে পৰীয়ে ভীমবৰৰ কাৰণে চাহ বনাই আনিলে।

পৰী ঃ কক্কা চাহ লওক। মই নিজে বনাইছো।

ভীমবৰ ঃ দে তই বনাইচা যদি খাওঁ দে

এইবুলি কৈ সি পকেটৰ পৰা এটা পেকেট উলিয়াই পৰীক দিলে।

পৰী ঃ কক্কা এইটো কি?

ভীমবৰ ঃ খুলি চা চোন।

পৰী ঃ বাপৰে ইমান টকা। মই ইমান টকা কেতিয়াও দেখা নাই। কিন্তু আপুনি মোক কিয় দিছে। ইমান টকা ক'ত পালা। তোমাৰ ঘৰৰ মানুহে বেয়া নাপাব জানো।

ভীমবৰ ঃ নাই অ' মা, মই মোৰ থকা বস্তিটোকে বিক্ৰী কৰি দিলো। মোৰ আগ পিছ বুলিবলে কোনো নাই । এই টকা খিনিৰে তই মাৰক ভাল ডাক্তৰক দেখুৱাবি।

নিৰলা ঃ হ'ব দিয়ক নালাগে। আপুনি যে আমাৰ কাৰণে ইমান ভাবিছে সেয়েই বহুত।

ভীমবৰ ঃ নহয় এই বুঢ়াকালত মোকনো টকা পইচা কিয় লাগে, আজি আছো কালি নাই। তুমিওটো মোৰ ছোৱালীৰ দৰে। তোমাক এই টকা খিনি দিলে মই সুখী হম।

(নিৰলা আৰু পৰীৰ চকুযুৰি জলজলীয়া পৰি গ'ল)

পৰী ঃ অ' কক্কা তুমি নহলে এতিয়া আমাৰ লগতে থাকিবা দিয়া।

ভীমবৰ ঃ নালাগে দে আই।

পৰী ঃ তুমি নহ'লে ক'ত থাকিবা।

ভীমবৰ ঃ মই নমৰালৈকে তাতে থাকিব পাৰিম আই।



এইখিনি কোৱাৰ লগে লগে যেন পৰীৰ কোমল হৃদয় খনত কিবা এটাই খুন্দা মাৰি দিলে।

ভীমবৰ ঃ মই এতিয়া যাওঁ দে। বহুত বেলা হ'ল সময় পালে এপাক সেইফালে মাৰিবা।

নিৰলা ঃ হ'ব দিয়ক যাম।

তাৰে পিছদিনাই সিহঁতে গম পালে যে ভীমবৰ আৰু এই পৃথিৱীত নাই। পৰীহঁতৰ গাঁওৰে এজন মানুহে আহি খবৰ দিলে। পৰীহঁতে দৌৰা দৌৰি কৈ গ'ল। সিহঁতৰ কাৰণে ই এটা আচৰিত ঘটনা কাৰণ কালি দেখা মানুহজন আজি হঠাৎ ঢুকাই গ'ল। ইমান ডাঙৰ সমাজখনত ভীমবৰে যেন আছিল সিহঁতৰ দুখৰ সাৰথি। সিহঁত কান্দোনত ভাঙি পৰিল। সৌ সেইদিনাখন সিহঁতৰ দেউতাকে সিহঁতক অকলশৰে এৰি থৈ গৈছিল, তেনেকৈ ভীমবৰেও সিহঁতক এৰি থৈ গ'ল।

সকলোবোৰ কাৰ্য্য কাৰ্য সামৰি সিহঁতো ঘৰলৈ উভতিল। বাটত পৰীয়ে মাকক ক'লে।

পৰী ঃ অ' মা যিজনক আমি আপোন বুলি ভাবো তেঁও আমাক এৰি থৈ যায়। এইবুলি তাই ফেঁকুৰিবলৈ ধৰিলে।

নিৰলা ঃ (মাকে তাইক একো ক'ব নোৱাৰি সাৱত মাৰি ধৰি ক'লে) নাকান্দিবি মা।

শেষত পৰীয়ে মাকৰ বেমাৰ, ভীমবৰে দিয়া পইচাৰে ভাল ডাক্তৰক দেখুৱাই ভাল কৰিলে।

পৰীয়ে ভাবিলে সিহঁতৰ কাৰণে যেন এই বুঢ়াজন কোনো ভীমবৰ নামৰ মানুহ নহয়। কোনো ভগৱান বা ঈশ্বৰ হে। যিয়ে সিহঁতৰ দুখ কষ্ট দেখি সিহঁতৰ দুখৰ ভাগী হ'বলৈ আহিছিল। ■

■ ■ ■

## সাঁথৰ

- চুই দিলে ঘিলাপিঠা নুচুলেই যোৰহাট জিলা।
  — কেৰেলুৱা
- কাণত উঠে, নাকত বহে।
  — চশমা
- কি বাতিত চাহ নাখায়।
  —মমবাতি
- কি গুটিৰ গছ নগজে।
  — শিলগুটি
- কি পাণৰ ঠাৰি নাই।
  —জলপান
- বাঁহত থাকি বতাহত উৰে আহাৰ বিচাৰি পানীত ফুৰে।
  —বগলী
- কিৰিত কিৰিত নাচে তোমাৰ ঘৰত আছে।
  —বিচনী
- নমতাকৈ ৰভাতল ভৰিল, শেষত গৈ কইনাজনী পানীত পৰি মৰিল।
  — পূজাৰ প্ৰতিমা
- কি ফুল নুফুলে।
  — কলাফুল

সংগ্ৰাহক ঃ **হিমাশ্ৰী কলিতা**
*উঃ মাঃ, ২য় বৰ্ষ*




# মনৰ মৰম

✍ হিমাদ্ৰী ঠাকুৰীয়া
*স্নাতক, ৩য় ষাণ্মাসিক*

কিতাপখন আগত লৈ পল্লৱে বাৰে বাৰে পঢ়িবলৈ চেষ্টা কৰিছে। কিন্তু পঢ়িব নোৱাৰিলে। আগদিনাৰ ঘটনাটো তাৰ চকুত বাৰে বাৰে ভাঁহি উঠিছে। তাৰ নিচিনাই এটি সৰু ল'ৰা পঢ়া হ'লে হয়তো এতিয়া ক্লাছ ফ'ৰ মানত পঢ়ি থকিল হয়।

পল্লৱ মাক দেউতাকৰ একমাত্ৰ সন্তান। সিদিনা সিহঁত তিনিওজনে গুৱাহাটীৰ চিৰিয়াখানা চাবলৈ গৈছিল। তাতেই পল্লৱে দেখা পাইছিল সেই ল'ৰাজনক। সিহঁতে চাহ খাবলৈ সোমোৱা দোকানখনত সোমায়েই পল্লৱে ল'ৰাজনক দেখিছিল, ঠিক তাৰ দৰেই সহজ-সৰল মৰম লগা এখন মুখ। ল'ৰাজনে চাহ খাবলৈ সোমোৱা মানুহবোৰক চাহ-পানী দিয়াত ব্যস্ত। এসময়ত ল'ৰাজন পল্লৱহঁত বহা টেবিলখনৰ ওচৰলৈ আহি সুধিলে কি খাব আপোনালোকে, পল্লৱে ল'ৰাজনক মাতিব খুজিছিল, কিন্তু সি কিবা কোৱাৰ আগতেই ল'ৰাজনে পল্লৱৰ দেউতাকে আনিব দিয়া বস্তু কেইটা আনিব গৈছিল। ল'ৰাজনৰ হাতত কেইটামান আইনাৰ গিলাচ আছিল। এবাৰ এজন মানুহৰ গাত লাগি তাৰ হাতৰ পৰা দুটা গিলাচ চিটিকি গৈ তলৰ পকী মজিয়াত পৰি গিলাচ দুটা ভাঙি গ'ল। তৎক্ষণাত দোকানৰ মালিকজন তেওঁ বহি থকা ঠাইৰ পৰা উঠি আহি ল'ৰাজনৰ কাণ পালে আৰু দুগালে দুটা কাণতলীয়া চৰ মাৰি কটু কথা শুনাবলৈ ধৰিলে। ল'ৰাজনৰ দুগালে দুধাৰি তপত চকুলো ওলাই আহিল। পল্লৱে ল'ৰাজনৰ চকুপানীখিনি মচি দিম বুলি ভাবিছিল, কিন্তু সি উঠিব খোজোতেই মাকে তাক বাধা দিলে। এটা সময়ত পল্লৱ আৰু তাৰ মাক-দেউতাক দোকানখনৰ পৰা ওলাই আহিল। পল্লৱে শেষবাৰলৈ ল'ৰাজনৰ মুখৰফালে চালে। ল'ৰাজনৰ চকুপানীখিনি তেতিয়াও জিলিকি আছিল। পল্লৱে কিতাপখন জপাই থলে। সি আকৌ এবাৰ ল'ৰাজনৰ মুখৰ ছবিখন মনত পেলাবলৈ চেষ্টা কৰিলে। কাইলৈ শিশু দিৱস। হয়তো সি নাজানে শিশু দিৱস মানে কি? কেইটামান টকাৰ বাবে সি মাহটোত কিমান যে চৰ খাব লাগে, কিমান যে কথা শুনিব লাগে তাৰ ঠিক নাই। পল্লৱে ভাবিব ধৰিলে মোৰ অকলশৰীয়া জীৱনটোত সিওটো মোৰ সংগী হ'ব পাৰে। পল্লৱৰ মাক-দেউতাকৰ বহুতো টকা আছে। কিন্তু সেই টকাই পল্লৱৰ মনত অলপো আনন্দ দিব পৰা নাই। পল্লৱে দিনৰ দিনতো অকলে থাকে। তাৰ মাক-দেউতাকে চাকৰি কৰে। মাত্ৰ নিশাৰ সময়খিনিহে সি মাক দেউতাকৰ লগত থাকে। যদি দেউতাই তাক আমাৰ ঘৰলৈ লৈ আহে বাঃ বঢ়িয়া হ'ব, দুয়োতাই একেলগে খেলিব পাৰিম, ফুৰিব পাৰিম, থাকিব পাৰিম। পল্লৱ আনন্দত জপিয়াই উঠিল । কিন্তু সেয়া জানো সম্ভৱ হ'ব, তাৰ দেউতাকে জানো তেনে কৰিব? পল্লৱৰ দেউতাকলৈ খং উঠিল। সিহঁতৰ দৰে শিশুবোৰৰ কোমল অন্তৰৰ কথা কোনেও বুজিবলৈ চেষ্টা নকৰে। শিশুৰ মনৰ মৰম শিশুৱেহে বুজে। পল্লৱে প্ৰতিজ্ঞা কৰিলে যে সি দেউতাকক ল'ৰাজনক সিহঁতৰ ঘৰলৈ আনিবলৈ ক'ব। কাইলৈৰ শিশু দিৱসত যদি এটি শ্ৰমিক শিশুকো পোহৰলৈ আনিব পাৰে। পল্লৱে জানে সি এতিয়াও বয়সত সৰু ল'ৰা হৈয়ে আছে। কিন্তু শিশুৱে যদি শিশুক সহায় নকৰে তেন্তে কোনে কৰিব। ■



# অনুৰূপ

✍ প্ৰাণজিৎ শৰ্মা
*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ*

*'আগলতি কলা পাত লৰে কি চৰে......*
*চিলনী আই মোৰ আগতে পৰে।'*



চিলনীৰ জীয়েকৰ সাধুটো সৰুতে কেইবাবাৰো পঢ়িছো বা টি.ভি.টো উপভোগ কৰিছিলো। তথাপি চিলনীৰ জীয়েকৰ সেই মাকক মতাৰ সেই কৰুণ বিননিয়ে মোক সদায় আমনি কৰে। তাত থকা আলসুৱা চিলনীৰ জীয়েক, সৰুৰে পৰা ডাঙৰ দীঘল হৈ পিছলৈ স্বামীৰ গৃহত গৈ তাইৰ অৱস্থা কেনেকুৱা হব লগা হ'ল তাক মই হৃদয়াংগম কৰিব পাৰো। কাৰণ মোৰ অৱস্থায়ো সেই তাহানিৰ চিলনীৰ জীয়েকৰ লেখীয়াই বুলি ক'ব পাৰি। সাধুটোত চিলনীৰ জীয়েকক জায়েকহঁতে নানাধৰণে অত্যাচাৰ কৰা কথাবোৰ মই চাব বা শুনিব নোৱাৰিছিলো। কিন্তু এই কথাবোৰত বিভোৰ হৈ থাকোতেই মোৰ শাহুমায়ে এদোম কাপোৰ আনি মোৰ ওচৰত দলিয়াই দিলে। কেৱল বন কৰা ছোৱালীৰ নিচিনা কাম কৰাৰ বাদে হীৰাৰ আৰু কোনো কথাতে স্বাধীনতা নাছিল। বিয়া হৈ অহাৰ পিছত তাইৰ জায়েকৰ চকুত শাহুৱেকৰ ঈৰ্ষাৰ কথা চকুত পৰিছিল। দুয়ো ভায়েকৰ মাজত প্ৰাচীৰ হৈ থিয় দিছিল সিহঁতৰ মাক। মীৰা হীৰাৰ বৰদেউতাকৰ ছোৱালী। মীৰা আৰু হীৰা দুয়ো বাই-ভনী কেৱল ছোৱালী অৱস্থাতে আছিলো। কাৰণ এতিয়া জা-জনীৰ সম্পৰ্ক সুমধুৰ নোহোৱাকৈ ৰাখিবলৈ দৃঢ়-প্ৰতিজ্ঞ যে মোৰ শাহু । মীৰাৰ স্বামী অৰ্থাৎ হীৰাৰ ভাই শহুৰ এজন ডাক্তৰ। কিন্তু হীৰাৰ স্বামী এজন সাধাৰণ ব্যক্তিগত কোম্পানীৰ চাকৰিয়াল। মোৰ স্বামীৰ অৰ্থৰ নাটনিয়েই হয়তো আমাৰ অপৰাধ আছিল। হীৰাৰ শাহুয়ে আভিজাত্যৰ খাতিৰত মীৰাক বিভিন্ন ঘৰুৱা আৰু ৰাজহুৱা উৎসৱত লগত লৈ যায়। তাই আকৌ ঘৰৰ কাম বনবোৰ সামৰাতে জম্মচা গৈ ল। সেয়ে মাৰ অহংকাৰৰ সীমা নাছিল। আনকি মোৰ ওপৰত থকা ঈৰ্ষাৰ জুই মোৰ ল'ৰা-ছোৱালী দুটিৰ ওপৰত বিদ্যমান আছিল। ুলৰ তাৰতম্য ৰাখি হীৰা বাইদেউৰ ল'ৰা-ছোৱালী দুটা যেতিয়া চহৰৰ স্কুলৰ পৰা পলমকৈ আহে তেতিয়া মোৰ ল'ৰা-ছোৱালী খেলি থকা দেখি সিহঁতেও খেলিবলৈ ইচ্ছা কৰে। আইতাকে এইবোৰ বেয়া পাই টানি আজুৰি সিহঁতৰ কোঠাৰ ভিতৰত লৈ গৈছিল। হীৰা আৰু মীৰা দুয়োৰে উপায় নোহোৱা অৱস্থা কাৰণ দুয়ো দুটা সজাত আবদ্ধ সিহঁতে গৰাকীৰ কথামতে উঠ-বহ কৰি থাকিবলগীয়া হৈছে। কিন্তু সজাত বন্দী হৈ থাকিব কাৰনো মন যায়! সেয়েহে হীৰাই স্বামীৰ গৃহৰপৰা ওলাই যায় মাকৰ ঘৰত আশ্ৰয় ললে। হীৰাৰ দেউতাকৰ অৱস্থা খুব টনকিয়াল

নাছিল। সেয়েহে তাই ওচৰত থকা কম্পিউটাৰ ট্ৰেইনিং চেন্টাৰত কৰ্মৰত হৈ ল'ৰা-ছোৱালীক নৃত্য শিকা, চিত্ৰকৰ্ম, পঢ়া-শুনাত আগবঢ়াই নিবলৈ দৃঢ় প্ৰতিজ্ঞা হ'ল।

হীৰাই অনবৰতে সন্তানক জীৱনত আনতকৈ ভাল হোৱাৰ যি প্ৰৱণতা তাক জাগ্ৰত কৰিবলৈ চেষ্টা কৰিছিল। ইমানলৈ কিন্তু স্বামীৰ ভূমিকা নিষ্ক্ৰিয় ৰূপতহে প্ৰতিফলিত হৈছিল। পিতৃ অবিহনে সন্তানেও জীৱনৰ প্ৰতিটো খাপত খোজ পেলাবলৈ সক্ষম হৈছিল। হীৰাৰ ছোৱালীজনীয়ে নৃত্য-গীতত পাৰ্গত হৈ উঠিছিল। পৰীক্ষাৰ নম্বৰেৰে তাই জীৱন গঢ়াৰ যুজখনত অৱতীৰ্ণ হব লগা নাছিল বাবেই জীৱনেও তাইক মুঠি মুঠি মুখৰ খৰিকাজাই উপহাৰ দিছিল। কাম-বনে সকলোতে চিলনীৰ জীয়েকৰ নিচিনা পকৈত আৰু সুনিপুণ হিচাপেও দেখা গৈছিল তাইক।

এনেদৰে তাইৰ কৃতিত্ব কেৱল গাঁৱৰ মাজতে সীমাবদ্ধ নাথাকি এদিন চহৰত দেউতাকহঁতৰ অঞ্চললৈ নৃত্য কৰাৰ বাবে আমন্ত্ৰণ পালে হীৰাৰ জীয়ে। মাকে প্ৰথমতে সেই ঠাইলৈ অনুষ্ঠান কৰিবলৈ অমান্তি হৈছিল যদিও মাক-দেউতাকৰ বুজনিত হীৰা মান্তি হৈ তালৈ বুলি যাত্ৰা কৰিলে।

বিশৃংখলীত তাইৰ জীয়ে নৃত্য প্ৰদৰ্শন কৰিলে। বিশ্বমঞ্চত আটাইতকৈ বেছি ভাল নৃত্য দেখুওৱা অৰ্থাৎ প্ৰথম স্থান লাভ কৰা মিনু ৰাজবংশীক মঞ্চলৈ মতা হ'ল। মিনু ৰাজবংশীৰ লগত অভিভাৱক হিচাপে থকা হীৰা ৰাজবংশীক মঞ্চত দেখি দৰ্শকৰ আসনত থকা আইতাক, দেউতাক ববমাক সকলো আচৰিত হল। কাৰণ সৰুতে ঘৰ এৰি গুচি যোৱা হীৰাই জীৱনৰ ইমান কম সময়ত কেনেদৰে ছোৱালীৰ জৰিয়তে উত্তম পৰ্যায় পালে তাৰ কাৰণ বিচাৰি তাইক ক্ষমা প্ৰাৰ্থনা কৰিলে। তাইৰ শাহুৱেকে আগৰ সকলো পাহৰি ঘৰলৈ অহাৰ কথা কলে। হীৰাই বহু সময় মুখেৰে নামাতি কেৱল এটাই কথা কলে যে - মই আৰু সন্তান বন্দী হব নিবিচাৰো। তাৰ বহু সময় পিছত আকৌ কলে- এতিয়া মই সুখী, মোৰ যিখিনি সময়ত কাপুৰুষ স্বামী আৰু শাহুৰ মৰম মোৰ সন্তানক লাগিছিল তেতিয়া পোৱা নগল এতিয়া সেইবোৰ অনৰ্থক।

এনেদৰে বাইজৰ পদধূলি মূৰত লৈ হীৰা মাকৰ ঘৰমুখে ৰাওনা হল।■

■ ■ ■

## তিনিৰ মহত্ত্ব

- তিনিটা বস্তুৱে জীৱনত কাকো অপেক্ষা নকৰে— জন্ম, মৃত্যু আৰু সময়।
- তিনিটা বস্তু জীৱনত এবাৰে পোৱা যায়— পিতৃ, মাতৃ, যৌৱন।
- তিনিটা বস্তু সদায় নিজৰ অধীনত ৰাখিব লাগে— কাম, ক্ৰোধ আৰু মোহ।
- তিনিজনৰ প্ৰতি সদায় দয়াশীল হ'ব লাগে— নাবালক, ভোকাতুৰ আৰু পাগল।



# একালৰ এৰাবাৰী একালত চেগুনবাৰী

✍ ড° সৰস্বতী কলিতা
*অধ্যাপিকা, অসমীয়া বিভাগ*

চেগুন পাতৰ আঁৰে আঁৰে সৰুকি অহা আবেলিৰ ৰক্তিম আভাই মোৰ গাত পৰি যিদৰে ছাঁ আৰু পোহৰৰ প্ৰতিদ্বন্দ্বিতাৰ সৃষ্টি হৈছে তেনেদৰে মোৰ মনটোত বেজাৰ আৰু ভাল লগাই প্ৰতিযোগিতাৰ সৃষ্টি কৰিছে। বৰ্ষাৰ পৰশত ডালে পাতে ভৰি পৰা চেগুন গছবোৰে আৰু তাৰ কাষেৰে বুকু ফিন্দাই বৈ থকা নদীখনে মোৰ মনত যেনেদৰে আনন্দৰ লহৰ তুলিছে তেনেদৰে অতীতৰ কথা স্মৰণ কৰি মনটো বিষাদেৰে ভৰি পৰিছে। এই এৰাবাৰীটোৰ কাৰণে দেউতাই কিমানজনৰ কিমান কথা শুনিব লগা হৈছিল। মেটেকাৰে ভৰি থকা পুখুৰীটোৰ বাবে কিমান মিছা অপবাদ পাব লগা হৈছিল দেউতাই। দেউতাক কিন্তু এই কথাবোৰৰ বাবে কোনোদিনে বিষাদগ্ৰস্ত হোৱা দেখা নাছিলো। বৰঞ্চ আইতাই কৈছিল— "ভাল কামত বেয়াই সদায় বাধা দিয়ে।"

বিভিন্ন সৰু বৰ গছ-গছনিৰে ভৰপূৰ অৰণ্য সদৃশ বৃহৎ আকাৰৰ এই এৰাবাৰীখন। শৈশৱতে এই এৰাবাৰীখনৰ কথা শুনি আমি ভয়ত পেপুৱা লাগিছিলো। দুপৰীয়া টোপনি নাহিলে আইতাই কৈছিল এৰাবাৰীৰ ভূতৰ কাহিনী। ভয়তে ভূত আহিব বুলি জোৰকৈ চকু দুটা মুদি দিছিলো। তেনেকৈয়ে টোপনিত লাল কাল দিছিলো। সৰুৰে পৰা আমি এই এৰাবাৰীখন এৰাবাৰী নামেৰেই জানো। দিন দুপৰত অকলে মানুহ তালৈকে নাযায়। দুই-চাৰিজন মানুহ লগ লাগিহে তালৈকে যায়। লগত অস্ত্ৰ-শস্ত্ৰ অবিহনে কোনোৱে তাত প্ৰৱেশ নকৰে।

সেই সময়ত দেউতা আছিল গাঁৱৰ সভাপতি। এৰাবাৰীখন এনেয়ে পৰি থকা দেখি তাৰ এটা সদ্‌গতি লগোৱাৰ উদ্দেশ্যে কামত নহা গছ-বনবোৰ কটাই তাৰ ঠাইত শাৰী শাৰীকৈ চেগুন গছৰ পুলি পোতাইছিল। তাকে দেখি কোনো কোনোৱে কৈছিল মাটিখিনি দেউতাই দখল দি মালিকী স্বত্ব ল'ব। কোনোৱে আকৌ কৈছিল চৰকাৰী আঁচনিৰ ধন হাজাৰে হাজাৰে নিজৰ পকেটত সোমালে। ক'তজনৰ ক'তকথা। সেই সময়ত অসমৰ ৰাজধানী আছিল শিলঙত। দেউতাই তিনি চাৰিদিনলৈ ঘৰবাৰী এৰি থৈ শিলঙলৈ গৈ অফিচে অফিচে ঘূৰি বিল পাচ কৰাই চৰকাৰী ধন আনি চেগুনৰ পুলিবোৰ পোতাইছিল, হাবি জংগলবোৰ চাফ কৰাইছিল। সেই ধনেৰেই নামঘৰৰ সন্মুখত মেটেকাৰে ভৰি থকা পুখুৰিটোত এৰি দিছিল কিছু উন্নত মানৰ মাছৰ পোনা। মাছৰ পোনা মেলি দিয়াৰ বাবেই দেউতাই ভৰিব লাগিছিল জৰিমনা। যিটোক ৰাইজৰ দাই বুলি কোৱা হয়। দাই ভৰিব লগাৰ দোষটো আছিল কিয় দেউতাই ৰাইজৰ মানুহক

নজনাকৈ পুখুৰীত মাছৰ পোনা মেলি দিছিল?

আগৰ সেই এৰাবাৰী এতিয়া চেগুনবাৰী নামেৰে জনাজাত। সেই বাৰীটোত অকল যে চেগুনেই আছিল এনে নহয়। আম, কঠাল, কদম, শাল ইত্যাদি গছো কিছু পৰিমাণে আছিল। সৰহ পৰিমানে চেগুন আছিল বাবে চেগুনবাৰী নামে জনাজাত হয়। আজি সেই চেগুনবাৰীৰ চেগুন গছ বিক্ৰী কৰি আৰু পুখুৰীৰ মাছ বিক্ৰী কৰি নামঘৰটো চলাবলৈ বৰা ভকতজনক মাহিলি পাৰিতোষিত দিছে, গোটেই বছৰৰ বন্তি জ্বলোৱা তেলৰ যোগান ধৰিছে, লগতে ধনী-দুখীয়া গাঁৱৰ সকলো লোকে সেই পুখুৰীৰ ডাঙৰ মাছৰ টুকুৰাবে এসাজ ভালকৈ খাইছে। দেউতাৰ দুৰদৰ্শিতাৰ কথাভাবি মই স্তম্ভিত হ'লো। দেউতাই কিয় কাৰো কথাৰ প্ৰতি ভ্ৰুক্ষেপ নকৰি নিজৰ বাটেৰে আগবাঢ়ি গৈছিল তাৰ উত্তৰ মই আজিহে বিচাৰি পালো।

এবি অহা দিনবোৰৰ কথা ভাবি থাকোতে কেতিয়া যে দিবাকৰে ওৰণি টানি ল'লে গমেই নাপালো। দিন দুপৰত আহিবলৈ ভয় কৰা ঠাইখিনি আজি মই সন্ধ্যা সময়লৈকে আছো। অকল ময়ে নহয় চেঙেলীয়া ল'ৰা কেইজনমানে চেগুনবাৰীৰ কাষেৰে বৈ যোৱা নৈখনত বৰশী বাই আছে। কেইজনমান ডেকা-গাভৰুৱে মনৰ কথাৰ বেথা পাতিছে। দুই-চাৰিজন আদহীয়া মতা মানুহে চেগুন গছৰ তলত বহি সন্ধিয়াৰ সুবাস লৈছে। চেগুন বাৰীৰ সুবাস এৰি ঘৰলৈ উভতিবলৈ এখোজ আগবঢ়াইছো মাত্ৰ, এনেতে জেঠাই ৰবচোন শব্দকেইটা মোৰ কাণত বাজি উঠিল। অচিনাকি মাতৰ শব্দকেইটাৰ উচ্চাৰণৰ সুৰে মোৰ মনত কৌতুহলৰ সৃষ্টি কৰিলে। ক'ব নোৱাৰাকৈ মোৰ মুখৰ পৰা ওলাই আহিল "কাক মাতিছা?" জেঠাই আপোনাকে মাতিছো। মুৰ ঘূৰাই চাই দেখিলো প্ৰায় ২০/২৫ বছৰীয়া ল'ৰা কেইজনমান। এজন ল'ৰাই ক'লে "জেঠাই আপুনি চাগে বহুদিনৰ পিচত ইয়ালৈ আহিছে। "হয়" বুলি কথাষাৰ সমৰ্থন কৰিবলৈ নৌ পাওতেই আন এজন ল'ৰাই ক'লে—"জেঠাই আপুনি ইমান সময়ে ইফালৰ পৰা সিফাললৈ গৈ কি চিন্তা কৰি আছে?" মই জানিলো ল'ৰা কেইজনে কেতিয়াবাৰে পৰা মোৰ চাল চলন লক্ষ্য কৰি আছে। মই সিহঁতৰ পৰিচয় ল'লো। সিহঁত মোৰ ওপজা গাঁৱৰে নতুন পুৰুষ। সিহঁতক মই মোৰ চিন্তাৰ কাৰণ অতীতৰ সকলো কথা বিৱৰি ক'লো। সিহঁতেও দেউতাৰ মহানতাৰ কথা পূৰ্বপুৰুষসকলৰ পৰাই শুনি আহিছে বুলি ক'লে। দেউতাৰ দুৰদৰ্শিতাক সিহঁতে ভূয়সী প্ৰশংসা কৰিলে। বৰ্তমান সমাজৰ গুৰি ধৰোতাসকলৰ প্ৰতি আক্ষেপ প্ৰকাশ কৰি সিহঁতে মোৰ আগত বহু কথা বৰ্ণালে। আজি সিহঁতে বিচাৰিছে সমাজৰ এনে এজন গুৰিধৰা ব্যক্তি, যিজনে দেউতাৰ দৰে এৰাবাৰীক কৰিব পাৰে চেগুনবাৰী। ■

■ ■ ■

## মহৎলোকৰ বাণী

- কপালত ফোঁট ল'লে, তীৰ্থস্থান-মন্দিৰত গ'লে, গেৰুৱা কাপোৰ পিন্ধিলে বা পূজা অৰ্চনা কৰিলেই ধৰ্ম নহয়। যেতিয়ালৈকে ভগৱানক উপলব্ধি কৰিব নোৱাৰে, তেতিয়ালৈকে সকলো মিছা।

  *— স্বামী বিবেকানন্দ*

- সকলো মানুহৰে প্ৰকৃতি একেই মাথো কাৰ্যকলাপেহে ইজনৰ পৰা সিজনক পৃথক কৰে।

  *—কনফুচিয়াচ*

- কাৰ্যই হৈছে জ্ঞানৰ প্ৰকৃত ফল।

  *—এমাচিন*



# সপোন

✍ স্মৃতি কলিতা
*উঃ মাঃ, ২য় বৰ্ষ*



গাঁওখনৰ সকলো মানুহৰ গাত আনন্দ উল্লাসে নধৰা হৈছে। সকলোৱে লাৰু পিঠা বনোৱাত ব্যস্ত আৰু বিহুৰ আখৰাত। কাৰণ অহাকালিলৈ গাঁওখনত নিউজ লাইভ আহিব ভোগালী বিহু উপলক্ষে। এইফালে চানেকীয়ে দুসপ্তাহ আগৰে পৰা বিভিন্ন ধৰণৰ প্ৰস্তুতি চলাই আছে। কি সাজে তাইক সুৱাব, কি গাব, কি নাচিব ইত্যাদি ইত্যাদি।

অহাকালিৰ চিন্তাত ৰাতি চানেকীৰ ভালদৰে টোপনিয়েই নাহিল আৰু সেয়েহে তাই ৰাতিপুৱা সোনকালে টোপনিৰ পৰা উঠিল। উঠিয়ে তাই গা-পা ধুই এসপ্তাহ আগতে পিন্ধিম বুলি থাপি থোৱা কেচা সোণৰ নতুন ডিজাইনৰ গহনাযোৰো পিন্ধি ললে। গামখাৰু যোৰ পিন্ধি ডাঙৰকৈ ফোঁটটো আঁকি ললে আৰু তাৰ লগত মিলাকৈ কাঢ়াকৈ লিপিষ্টিকো ললে। তাৰ পিছত তাই ড্ৰেচিং আইনাখনৰ ওচৰত থিয় হৈ নিজকে এবাৰ চাই ললে। তাই যেন নিজৰ ৰূপত নিজেই মুগ্ধ হৈ পৰিল।

যথাসময়ত তাই ভেলাঘৰৰ ওচৰ পালে। ভেলাঘৰৰ ওচৰ পাই তাই দেখিলে যে তাত অজস্ৰ মানুহ গোট খাইছে আৰু টি.ভি.ত সম্প্ৰচাৰৰ বাবে বিভিন্ন জনে আখৰা কৰি আছে।

অলপ সময়ৰ পিছত টি.ভি.ত সম্প্ৰচাৰৰ বাবে সকলো সাজু হল আৰু এজনৰ পিছত আনজনে নৃত্য-গীত আদি পৰিৱেশন কৰি থাকিল। কিছু সময়ৰ পিছত নিউজ লাইভৰ এঙ্কৰ যেতিয়া তাইৰ ওচৰলৈ গ'ল, তেতিয়া তাই গীত এটি গাম বুলি মাইক্ৰো ফোনটো হাতত তুলি ললে।

হঠাৎ মাকৰ মাতত তাই সাৰ পাই উঠিল। সাৰ পাই দেখিলে যে তাই এতিয়াও বিচনাত শুই আছে। তাইৰ মনটো বিষাদৰে ভৰি পৰিল। কাৰণ তাইৰ বহুত পলম হল। মনৰ মাজত সাঁচি ৰখা সপোনবোৰ সপোন হৈয়ে থাকিল। ■

■ ■ ■

# নিৰ্মল হৃদয়ৰ প্ৰেম গাথা

✍ ৰীতা দাস
উঃ মাঃ, ২য় বৰ্ষ



তুমি আহিবা ? কিন্তু কেতিয়া ? এক বুজাব নোৱাৰা অপেক্ষাৰে ৰৈ থাকো তোমালৈ। কিন্তু কেতিয়া আহিবা তাৰো যেন খবৰ নাই ....

মাথো অপেক্ষা... ।

নজনাকৈয়ে শৈশৱ কাল পাৰ কৰি কৈশোৰ কালত ভৰি দিলো। যৌৱনৰ এক নতুন শিহৰণে গাৰ বৰণ সকলো সলাই পেলালে আৰু সেই কিচ্‌কিচিয়া চুলি কোচা বান্ধিবলৈ এতিয়া আৰু মাক নালাগে.. .

জীৱনৰ এক নতুন যাত্ৰাত ভৰি দিলো... ভবা নাছিলো যে মোৰ মৰমৰ মা দেউতাৰ বাহিৰেও যে এই অকণমানি হৃদয় খনিত..."প্ৰেম" নামৰ এই শব্দটিয়ে স্থান পাব।।

তথাপিও বন্ধুত্বৰ শৈলীৰে যৌৱনৰ তৃপ্তি অনুভৱ কৰিব আৰম্ভ কৰিলো,, আৰু নিজৰ মাজত কেতিয়াবা অভাৱ অনুভৱ কৰিলেই বন্ধুত্বৰ সহায়ৰ দ্বাৰা নিজকে নিৰাপদ অনুভৱ কৰিছিলো। নিৰাপত্তা পাইছিলো।

মা, মা কলেজলৈ যাব দেৰি হ'ব। সোনকালে কিবা এটা খাবলৈ দিয়া। অ' দৃষ্টি ভাত বাঢ়ি থৈছো খাই লোৱা।। হঠাৎ ম'বাইল ফোনটো বাজিল আৰু এক উৎকণ্ঠৰে সুধিলে... তুমি এতিয়া ক'ত আছা আজি কলেজলৈ আহিবানে? এক ক্ষণ সময় নষ্ট নকৰি ততালিকে উত্তৰ দিলো— গৈ আছো I am ready now... ভাত খাবলৈও সময় নহল, ইমান উৎবেগ হৈ ঘৰৰ পৰা ওলাই আহিলো আৰু এক জীৱনৰ সংগ্ৰাম পথত ভৰি দিলো. . . যেতিয়া আহি দেখা পালো যে মোক ফোন কৰা মানুহজন দেখোন ইয়াত নাই, তেতিয়াই হিয়াখন আইনাৰ দৰে চুৰ্ণ-বিচুৰ্ণ হৈ ভাঙি গৈছিল। আৰু মাক মনতে ক্ষমা খুজিলো মা মোক ক্ষমা কৰি দিয়া... মোক কোনোবাই অধিক আগ্ৰহেৰে বাট চাই আছিল বুলি ভাবি তোমাক মাত নিদিয়াকৈ ভাত সাজ নোখোৱাকৈ ওচি আহিলো। আজিৰ পৰা আৰু এনে নকৰো মা মোক ক্ষমা কৰি দিয়া। সময় ২-৩০ মান বাজিল... মা আজি মোৰ মনটো খুব ভাল জানা আজি মই এটা নতুন অভিজ্ঞতাৰ সন্মুখীন হলো...। কি ক'ব বিচাৰিছিলো নিজকে ভাবি নেপালো হঠাৎ নীৰৱতাৰ মাজত এইটো কথা ওলাই গ'ল...

শুনা দৃষ্টি মই তোমাৰ কথা বতৰা বোৰ ভাল দেখা নাই... পাৰিলে অলপ সংযমী হোৱাৰ চেষ্টা কৰিবা, মই আৰু তোমাৰ দেউতাৰাই তোমাক আমাৰ সম্পদ বুলি ভাবো।

মা মোৰ ওপৰত বিশ্বাস ৰাখিবা... আৰু একো ক'ব নোৱাৰিলো... পাকঘৰৰ পৰা উঠি আহি মোৰ ৰুমৰ দুৱাৰ খন বন্ধ কৰি পঢ়িব বহিলো... আৰু তেতিয়াই... হঠাৎ ফোনটো বাজি উঠিল...

কি কৰিছা ? খবৰ ভাল নে ?

মযো আনন্দ মনেৰে উত্তৰ দিলো এটি সুস্থ মগজুৰে কথাবোৰ ভাবি আছো... আৰু মোৰ খবৰ আগতকৈ বহুতেই ভাল। কিয়নো মই মোৰ বাবে বিচাৰি থকা বন্ধু বহুত সহজতে পাই গলো...

Thank you অচিনাকি বন্ধু. . .

মোৰ বিশ্বাসী আৰু নিৰ্মল... স্বচ্ছ হৃদয়ৰে ভাল পোৱা মোৰ মা-দেউতাক বন্ধু বান্ধবী হিচাপে পাই গলো... ধন্যবাদ অচিনাকি বন্ধু মোক এটি নতুন পথ দেখুৱাই দিলা... আৰু লগে লগে ফোনটো কাটি দিলে... কিন্তু মোৰ বহুত ক'ব লগা থাকি গ'ল আৰু নিজকে কথাবোৰ উপলব্ধি কৰিব পাৰিলো যে মা-দেউতাতকৈ কোনোৱে মোক ভালকৈ বুজি পাব নোৱাৰে... মা-দেউতাৰ এই নিৰ্মল হৃদয়ৰ বাবেই মই এটি নতুন জীৱন পালো... এটি নতুন গতি পথ বাচি লৈ আগুৱাই যাম বুলি সংকল্পবদ্ধ হ'লো। ■



# অচিন কাঠৰ থোৰা

✍ অঞ্জু দাস
স্নাতক, ৩য় ষাণ্মাসিক

ৰূপালী এগৰাকী ১৮ বছৰীয়া সৰু গাভৰু ছোৱালী আছিল। তাই দেখিবলৈ খুব ধুনীয়া আছিল। তাই বিহু নাচি খুব ভাল পাইছিল। তাই আচলতে সাধৰণ ঘৰৰ ছোৱালী আছিল। সিহঁতৰ সৰু পৰিয়ালত আছিল দেউতাক, মাক, সৰু ভনীয়েক আৰু তাই। দেউতাকে লোকৰ ঘৰত কাম কৰিছিল। মাকেও ঘৰৰ ওচৰৰ এঘৰ মানুহৰ তাত কাম কৰি অলপ পইচা পাইছিল আৰু সেই পইচাৰে সিহঁত দুয়োতাৰ কাৰণে কাপোৰ কানি যোগান ধৰিছিল। ৰূপালী এতিয়া বুজি পোৱা হৈছে, তাই পইচাৰ মূল্য জনা হৈছে। তাই গাঁৱৰে বিহু দল এটাৰ লগত লগ লাগিছে। কাৰণ সৰুতেই পঢ়া বাদ দিলে। কি কৰিব ? বিহু নাচি যি পইচা পায় সকলো জমা কৰি গৈ আছে।

এদিনাখনৰ কথা। তেতিয়া বহাগৰ বতৰ আছিল। ৰূপালীহঁতৰ বিহু দলটোক গুৱাহাটীলৈ বিহু নাচিবলৈ মাতিবলৈ আহিছিল। সেই কথা ৰূপালীয়ে ঘৰত কলে। প্ৰথমে দেউতাকে যাব মানা কৰিছিল পিছত মাকৰ বুজনিত আৰু তাইৰ কান্দোনত দেউতাক মান্তি হল আৰু যাবলৈ দিলে। সেইদিনা বহাগৰ তিনি তাৰিখ আছিল। সিহঁতে ৰাতি পুৱাতে গ'ল আৰু গৈ সিহঁতে বিহুৰ সভাপতি জনৰ ঘৰ পালে।

গধূলি সিহঁতে বিহু নাচিবলৈ যাবৰ কাৰণে সাজু হ'ল। আৰু বিহু নাচি সিহঁতে প্ৰথম পুৰস্কাৰ আনিলে। তাৰ পিছত সিহতে ঘৰলৈ উভতি আহিলে। ঘৰত আহি সিহঁতৰ আনন্দত সীমা নাইকিয়া হল। তাৰ কিছু দিন পিছত ৰূপালীহঁতৰ ঘৰ বিচাৰি ৰঙা কাৰ এখন গাঁৱলৈ আহিল। সৰু ল'ৰা এজনে ৰূপালীহঁতৰ ঘৰটো দেখুৱাই দিলে। ৰূপালীৰ দেউতাকে মানুহ কেইজনক বহিবলৈ দি গম পালে যে সিহঁতে হেনো ৰূপালীক এখন চিনেমাত নায়িকা হিচাপে লব বিচাৰে। ৰূপালীক সিহঁতে গুৱাহাটীত বিহু নচা দেখা পাইছিল। ৰূপালীও মানুহ কেইজনৰ লগত চিনাকি হ'ল। দেউতাকে কৈছে আমাৰ গাঁওৰ ছোৱালী। এই বিলাক জানো বুজি পাব ছাৰ ? কিন্তু ৰূপালীৰ খুব মন আছিল ৰূপালীয়ে সিহঁতৰ কথাত ভোল গ'ল আৰু তাই দেউতাকক বুজাই মিলাই যাবলৈ প্ৰস্তুত হ'ল। সিহতে ৰূপালীক নি প্ৰথম দিনাই এটা সুন্দৰ কোঠাত থাকিব দিলে। কোঠাটো দেখি ৰূপালীৰ মনটো আনন্দৰে ভৰি পৰিল। চিনেমাত নায়িকা হোৱাৰ আশাত আনন্দৰে ভৰি পৰিল। চিনেমাৰ নায়িকা হোৱাৰ আশাত তাই আত্মহাৰা হৈ পৰিল। পিছদিনা ৰাতিপুৱা কলা কাৰ এখনত এজনী তিৰোতাই তাইক লৈ গ'ল আৰু দেহ ব্যৱসায়ী এজনক বিক্ৰি কৰি দিলে। কিন্তু কোনে শুনিব তাইৰ কান্দোন ? এনেকৈ এদিন দুদিনকৈ কেবাদিনো পাৰ হ'ল। মাক দেউতাকে তাইৰ খবৰ নাপাই পুলিচৰ ওচৰলৈ গল। পুলিচে ক'লে— গম পালে খবৰ দিম। কিছুদিন পিছত ঘৰলৈ খবৰ আহিল নদীত ছোৱালী এজনী উটি আহিছে। তেওঁলোকে গৈ দেখা পালে সেইজনী ৰূপালী। মাক দেউতাক আৰু ভনীয়েকে হিয়া ধাকুৰি কান্দিলে। অচিনাকি মানুহৰ লগত গাভৰু ছোৱালী পঠিয়াই দিয়াৰ ফল তেওঁলোকে হাতে হাতে পালে। তেওঁলোকে আজি ভালকৈয়ে উপলব্ধি কৰিলে বুঢ়া মেথাই কিয় কয় "অচিন কাঠৰ থোৰোকা নলগাবা।" ■

# ৰীমাৰ জীৱনৰ লক্ষ্য

✍ তৃষ্ণামণি নাথ
*উঃ মাঃ, ২য় বৰ্ষ*

ৰীমা অতি দুখীয়া ঘৰৰ ছোৱালী আছিল। তাই অতি পিছপৰা গাঁওৰ ছোৱালী আছিল। ৰীমাৰ মাক আছিল ঘৰৰ গৃহিনী আৰু দেউতাকে দিন হাজিৰা কৰি ৰীমাৰ পৰিয়ালক পোহ-পাল দিয়ে। ৰীমাৰ এজনী বাইদেউ আছিল। ৰীমাৰ বাইদেৱেকে উচ্চতৰ মাধ্যমিক পৰীক্ষাত দুই নম্বৰৰ বাবে 1st divition নাপালে। সেইকাৰণে মাক দেউতাকৰ বহুত দুখ লাগিছিল। ৰীমাৰ মাক দেউতাকে বাইদেউকৰ ওপৰত বহুত ভৰষা কৰিছিল। ভাবিছিল যে মাক-দেউতাকৰ আশা পূৰণ কৰিব কিন্তু নোৱাৰিলে। সেয়ে ৰীমাই ভাবিছিল যে তাই মাক-দেউতাকৰ আশা পূৰণ কৰিব। মাক-দেউতাকৰ আশা আছিল মেট্ৰিক পৰীক্ষাত 1st divition পাই গোটেই কেইটা বিষয়ত লেটাৰ পোৱাটো। সেই আশা লৈয়ে তাই মেট্ৰিক পৰীক্ষাৰ সময়ত বহুত কষ্ট কৰি পঢ়ি আছিল। কিন্তু যেতিয়া তাই মেট্ৰিক পৰীক্ষা দিয়ে তেতিয়া সিহঁতৰ গাঁওৰে এঘৰ মানুহৰ বিয়া আছিল, যাৰ ফলত তাই বহুত কষ্ট পাইছিল কাৰণ বহুত গান-বাজানাৰ চিঞৰ বাখৰত তাই ভালদৰে পঢ়িব নোৱাৰিলে, যাৰ ফলত তাইৰ দুটা পৰীক্ষা বেয়া হ'ল। তাই মনটো বহুত বেয়া লাগিছিল। তাই যিমান কৰিবলৈ সিমান ফল নাপালে। তাই 1st divition তো পালে, কিন্তু গোটেই কেইটাত লেটাৰ নাপালে। সেই ৰিজাল্ট পাই তেতিয়া বহুত দুখ লাগিছিল। তেতিয়া তাই মনতে ভাবিছিল যে মা-দেউতাৰ আশা পূৰণ কৰিব নোৱাৰিলে। তাই মন মাৰি থকা দেখি মাকে তাইক বুজাইছিল যে তথাপিও যে তুমি ইমান কষ্ট কৰি আমাৰ লগতে গাঁওখনৰ গৌৰৱ কঢ়িয়াব পাৰিছা। সেইটোৱে আমাৰ কাৰণে ডাঙৰ। তুমি মাত্ৰ ইয়াতকৈয়ো যাতে ভৱিষ্যত আগুৱাই যাব পাৰা, তাৰ কাৰণে চেষ্টা কৰা। যেতিয়া মেট্ৰিকৰ ৰিজাল্ট দিয়ে তেতিয়া দেউতাকৰ অসুখ হৈ আছিল। তেতিয়া সিহঁতৰ বহুত কষ্ট হৈছিল, কিয়নো ৰীমাহঁতৰ কোনো ভাই নাছিল। তেতিয়া মাকে বহুত কান্দিছিল, তেতিয়া মাকে ৰীমা আৰু বাইদেউক কৈছিল যে আমাৰ কোনো ল'ৰা নহলেও একো নহয়। তোমালোকে যিমান আমাক সুখ দিছা ইমান গৌৰৱ দিছা সিমান ছাগে ল'ৰা থাকিলেও নিদিলেহেতেন। সেইকাৰণে সেই কথা শুনি ৰীমাই ভাবে যে তাই আৰু ইয়াতকৈ ভালকৈ পঢ়িবৰ চেষ্টা কৰিব। ৰীমাৰ জীৱনৰ লক্ষ্যই হৈছে মা-দেউতাকৰ আশা পূৰণ কৰাটো। ■



# দুখ

✍ নিকুমণি দাস
*স্নাতক, ৩য় ষাণ্মাসিক*

এখন গাঁৱত এজনী বুঢ়ীৰ দুজনী ছোৱালী আছিল। ছোৱালী দুজনী সৰু থাকোতে বুঢ়াৰ মৃত্যু হৈছিল। বুঢ়ীয়ে বহুত কষ্ট কৰি ছোৱালী দুজনীক ডাঙৰ দীঘল কৰিলে। তাৰ পিছত ডাঙৰ ছোৱালীজনীৰ উপযুক্ত বয়স হোৱাত বিয়া দিলে। সৰু ছোৱালীজনীৰ উপযুক্ত বয়স নৌহওঁতেই গাঁৱৰে এজন ল'ৰাৰ লগত বিয়া নপতাকৈয়ে গুচি গৈছিল। তাৰ পিছত মাকে সেই ছোৱালীজনীক ঘৰলৈ আহিবলৈ অনুমতি নিদিলে। তাৰ কিছুদিন পিছত সৰু ছোৱালীজনীৰ এটা ল'ৰা সন্তান উপজিল। তাৰ পিছত এদিন হঠাৎ জহনী ৰোগত আক্রান্ত হৈ সৰু ছোৱালীজনীৰ গিৰিয়েক অকাল মৃত্যুক সাৱটি ল'ব লগা হ'ল। তেতিয়া তাই সৰু ল'ৰাটিক জীৱনৰ সাৰথি কৰি জীৱন অতিবাহিত কৰিবলৈ ধৰিলে। ল'ৰা সন্তানটিৰ নাম বিপ্লৱ। বিপ্লৱক পিঠিত লৈ মাকে আনৰ ঘৰত কাম কৰি যি দুই-এপইচা পায়, সেই পইচাৰে কিবা কিনি আনি দুবেলা দুঁসাজ খাই জীয়াই থাকিল। বিপ্লৱ এতিয়া দশম শ্ৰেণীৰ ছাত্ৰ। সি কিছুদিন পাছত শেষান্ত পৰীক্ষা দিলে। বিপ্লৱে ভাৱিলে যে তাৰ মাকে বহুত কষ্ট কৰি তাক ডাঙৰ - দীঘল কৰিছে। শেষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰোতে বিপ্লৱ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। এই খবৰ শুনি মাকে আনন্দত কান্দিবলৈ ধৰিলে। এতিয়া সি কলেজত পঢ়ে। কলেজৰ পৰা আহি সি খাই-বৈ জিৰণি লৈ টিউচন কৰিবলৈ যায়। বিপ্লৱৰ এতিয়া পঢ়া শেষ। সি এতিয়া বাহিৰলৈ পঢ়িবলৈ যাব লাগে। বাহিৰলৈ পঢ়িবলৈ গৈ সি এজন ডাঙৰ, বিখ্যাত মানুহ হৈ পৰিল। সি উচ্চতম ন্যায়ালয়ৰ উকীল। তেতিয়া বিপ্লৱৰ নিজৰ জন্মভূমিলৈ মনতে নপৰা হৈছিল। মাকে তাৰ একো খবৰ পোৱা নাই। বাহিৰলৈ গৈছে বাহিৰত আছে, মাকে কেৱল সেয়াই জানে। তেতিয়া মাকৰ নিজৰ ল'ৰাটিলৈ মনত পৰিলে কান্দে। বিপ্লৱৰ যে এজনী মাক আছে, নিজৰ এখন জন্মভূমি আছে সি পাহৰিয়েই গৈছিল। এদিন মাকে খবৰ পালে যে, বিপ্লৱ এই তিনিবছৰৰ পিছত ঘৰলৈ আহিব। এই খবৰ পাই বিপ্লৱৰ মাকৰ মনত সীমাহীন আনন্দ। আজি বিপ্লৱ আহিব। মাকে তাৰ বাবে অপেক্ষা কৰি পদূলিৰ মুখলৈ তাঁত-বাতি কাঢ়ি আছে। বিপ্লৱ আহিলে মাক আৰু বিপ্লৱে ইমান দিনৰ পিছত একেলগে এঁসাজ ভাত বৰ তৃপ্তিৰে খাব। হঠাৎ মাকে এখন গাড়ীৰ শব্দ শুনিলে। মাকে ভাবিলে গাড়ীতনো কোন আহিছে। মাকে তৎক্ষণাত উঠি পদূলিলৈ বেগা বেগীকৈ খোজ ল'লে। তাই দেখে যে, বিপ্লৱ গাড়ীৰ পৰা নামিছে। মাকে দৌৰি গৈ বিপ্লৱক সাৱটি ধৰিলে। তেতিয়া মাকে ক'লে -"আহা বোপা আহা"। তেতিয়া বিপ্লৱে উত্তৰ দিলে - "মা, মোৰ এটা জৰুৰী কাম আছে। মই এতিয়া এঠাইলৈ যাব লাগে।" তেতিয়া মাক অস্থিৰ হৈ দুখত ভাগি পৰিল। তাই নিজকে প্ৰশ্ন কৰিছে, নিজৰ সন্তানটি বাৰু কেনেকৈ ইমান নিষ্ঠুৰ হব পাৰে? ইয়াতকৈ জানো কিবা ডাঙৰ দুখ আছে? ■



# সাহসী নাৰী

✍ মণি মালী
স্নাতক, ৩য় ষাণ্মাসিক

নাৰী হ'ল এজনী চিৰন্তন নাৰী। ডেইজীহঁতৰ ঘৰত চাৰিজন মানুহ। ডেইজী, দেউতাক, মাক আৰু ভনীয়েক আছিল। সিহঁতে দুখীয়া ঘৰত থাকিয়ে নিজৰ জীৱনটো হাঁহি ধেমালিৰে দিনবোৰ কটাইছিল। এদিন দেউতাকে বজাৰ কৰিবলৈ গৈ থাকোতে হঠাৎ বাগৰি পৰিল। ওচৰত থকা মানুহে ডেইজীৰ দেউতাকক হস্পিতাললৈ লৈ গৈছিল। কিন্তু হস্পিতাল পোৱা আগতে দেউতাকৰ মৃত্যু হৈছিল। ডেইজী তেতিয়া স্নাতক পঞ্চম ষাণ্মাসিকত পঢ়ি আছিল আৰু ভনীয়েকে উঃ মাঃ দ্বিতীয় বৰ্ষত পঢ়ি আছিল। দেউতাক ঢুকোৱাৰ পিছতে ডেইজীৰ মাকে ওচৰ চুবুৰীয়া ঘৰত কাম কৰি সিহঁতক পঢ়াই আছিল। ডেইজীয়ে মাকৰ কষ্ট দেখি পঢ়িবলৈ মন নোযোৱা হ'ল। যাৰ ফলত আধা পঢ়া শেষ কৰিয়ে ডেইজীয়ে মাক আৰু ভনীয়েকে গম নোপোৱাকৈ কাম বিচাৰি গ'ল। যেতিয়া ডেইজীয়ে কাম পাইছিল তেতিয়া মাকে গম পোৱাত দুখ পাইছিল। ডেইজীয়ে কামৰ পৰা ঘৰলৈ ৮ বজাতহে আহে। তাকে দেখি সমাজে সমালোচনা কৰিবলৈ ধৰে। ৮ বজাত ৰাতি এজনী গাভৰু ছোৱালীয়ে ঘৰত সোমায়। এই কথা লৈয়ে বটিৰুৱা মানুহৰ মাজত চৰ্চা হয়। মাকে শুনি বহুত দুখ পায় আৰু ডেইজীক যাবলৈ মানা কৰে। কিন্তু সমাজৰ বাবে ভিতৰত সোমাই থাকিলে নহ'ব। সাহসী নাৰীৰ দৰে ওলাই আহিব লাগিব বুলি ডেইজীয়ে কৈ কামলৈ ওলাই গৈছিল। এদিন ডেইজীৰ ভনীয়েক আৰু মাক কাপোৰ কিনিবলৈ গুৱাহাটী গণেশগুৰিলৈ গৈছিল। সেই গণেশগুৰিত বোমা বিস্ফোৰণ সংঘটিত হয়। যাৰ ফলত ডেইজীৰ মাকৰ মৃত্যু হয় আৰু ভনীয়েকৰ একো হোৱা নাছিল। ডেইজীয়ে ভনীয়েকক ঘৰলৈ লৈ আহিলে। ডেইজীক চাবলৈ এদিন এজন ল'ৰা আহিছিল যদিও ল'ৰাজনৰ পছন্দ হৈছিল কিন্তু ডেইজী বিয়া নহও বুলি মন্তব্য কৰিছে। তাই সদায় ভনীয়েকক চাই থাকিব। ডেইজীৰ মাক, দেউতাক নথকাৰ ফলত তায়ে মাক দেউতাকৰ অভাৱ পূৰণ কৰিব বুলি ভনীয়েকক কৈছিল। আৰু ভনীয়েকক ভালকৈ পঢ়িবলৈ কয়। ডেইজী আৰু ভনীয়েক চলিবৰ বাবে ডেইজীয়ে কাম কৰি উপাৰ্জন কৰে আৰু ৮ বজাত আহি ৰান্ধনি ঘৰত সোমাই ভাত ৰান্ধে। সমাজে যদি কয় ডেইজীয়ে আওকাণ কৰি সাহসী নাৰীৰ দৰে আগুৱাই যায়। দুদিন পিছত ভনীয়েকৰ উঃ মাঃ দ্বিতীয় বৰ্ষ পৰীক্ষাৰ ফলাফল আহিল তাই হেনো প্ৰথম হৈ তিনিটা বিষয়ত লেটাৰ পাইছিল। ডেইজী সেই কথা শুনি তাইৰ দুখৰ মাজত সুখ বিচাৰি পাইছে। এদিন ভনীয়েকে ডেইজীক ক'লে যে তাই হেনো ইঞ্জিনিয়াৰ পঢ়িব। কিন্তু ডেইজীৰ হাতত টকা-পইচা নথকা বাবে ভনীয়েকক ইঞ্জিনিয়াৰ পঢ়ুৱাব নোৱাৰিলে। যাৰ ফলত ভনীয়েকৰ ডেইজীৰ প্ৰতি হিংসা ভাব জগাই উঠে। তাই নাভাৱে বায়েকে কেনেকৈ খুৱাই আছে। মাথো নিজৰ কথাহে চিন্তা কৰে। ডেইজীয়ে বহুত দুখ পাই ভনীয়েকৰ ইচ্ছা পূৰণ কৰিব নোৱাৰা বাবে। তাৰে কিছুদিন পিছতে ভনীয়েকে এজন ল'ৰাৰ লগত গুচি গ'ল। সেই কথা শুনি সমাজে হাঁহিবলৈ ধৰিছিল। কিন্তু ডেইজীয়ে নিজকে সান্ত্বনা দি কৈছিল এদিন ভনীয়েকে এনেকুৱা কাম কৰিব বুলি ভবা নাছিল। যাৰ ফলত সমাজে হাঁহিব পাৰিব। ডেইজী এনেকৈয়ে নিজৰ জীৱনটো অকলে কটাব লগীয়া হ'ল। এজনী যদিও সাহসী নাৰী হ'ব লাগে কেৱল মাত্ৰ নিজৰ বাবে — এয়ায়ে সত্য। ■



# কেঁচা কলিজাৰ তেজ

✍ চন্দানী কলিতা
স্নাতক, ৩য় ষাণ্মাসিক

ক্ষত বিক্ষত হৃদয়খনৰ পৰা
এতিয়াও নিগৰি আছিল তেজ
কেঁচা কলিজাৰ গোন্ধে
পৃথিৱীখন মোহি নিছিল
যেন এক মায়াৰ বেজ।

নিষ্ঠুৰ বিধাতাই কঢ়িয়াইছিল
মৃত হৃদয় এখনৰ ভাৰ
পথে পথে সৰি পৰিছিল
টুকুৰা টুকুৰ কলিজাৰ
ৰক্ত মাংসহাৰ।

পৰিছিল চিটিকি মৰম আৰু প্ৰেম
দৌৰিছিল তাৰ সুগন্ধ
খেদি ফুৰিছিল হিংস্ৰ লোকে
গোন্ধে গোন্ধে বিচাৰিছিল
মৃত কলিজাৰ দুৰ্গন্ধ।

ক্ৰোধ আৰু ক্ষুধাৰ নিবাৰণ
আছেনে হাতত আমাৰ
কেঁচা কলিজাৰ তেজে নিয়ে হৰি
মানৱতাৰ অধিকাৰ
নাই আৰু নিস্তাৰ।■

# পাতফুল

✍ বৰ্ণালী তালুকদাৰ
স্নাতকোত্তৰ, ২য় ষাণ্মাসিক

এটি সাধাৰণ পাত
কিয় জানো বহুতে সেই পাতটিক পাতফুল
বুলি কয়
কিয় কয় সেইটো ময়ো নাজানোঁ
আপোনালোকে হয়তো দেখিছে সেই পাতটি
ময়ো দেখিছোঁ কিন্তু সেই পাতটিয়ে
মানুহৰ জীৱনত কিবা বুজাব খুজিছে নেকি
নে সেই পাতটিয়ে ৰামধেনুৰ দুটি ৰং বুজাইছে
মই কেতিয়াবা পাতটিলৈ চাই ভাবো
ই বাৰু মানুহৰ জীৱনৰ নিসংগতাৰ
সময়খিনিক বুজাইছে নেকি
নে মানুহৰ জীৱনৰ সুখ আনন্দৰ
সময়খিনিক
ময়ো আচলতে ভাবি পোৱা নাই
আমাৰ ঘৰৰ পদূলিত সেই পাতফুল
জোপাই সোণোৱালী বৰণেৰে শোভা
বিলাই আছে।
কিন্তু মই আজিও বুজিব পৰা নাই আচলতে
কি বুজাইছে সেই পাতফুল জোপাই
সেউজীয়া পাতৰ গাত হালধীয়া
বৰণৰ চিটিকণিৰ দৰে এই
পাতফুল জোপাই
হয়তো মানুহৰ জীৱনৰ সুখ বেদনাৰ
মাজত আশাৰ সন্ধান দিছে।■

# সাধুকথা

✍ ড° জগন্নাথ বৰ্মন

*( বিশ্ব সাধুকথা দিৱস উপলক্ষে ৰচনা কৰা)*



তামোলৰ পিক সনা ওঁঠৰ মধুৰ সৰল হাঁহি
একঠেঙীয়া বগলী দিনত তেওঁ
নিতৌ নাচিছিল গধুলি

কৰা টুটিল আইতাও মলভিল
অনাশ্ৰিত বেদনাৰ বিবাদ আকাশ
যেন দুৰ্ঘটনাত ছেদেলি - ভেদেলি

এৰা বাট এটিৰে আগবাঢ়িলোঁ
..................

ৰজাদিনীয়া মৰা কুঁৱাৰ পাৰত তেওঁৰ
দুহাত পৰি আছে, ধান উঠা পথাৰৰ
দুণত ধূসৰ নৱাণিত মুদ খাইছে চকুহালি

মাজৰাতি নৈৰ পাৰত গাধোৱা তৰাবোৰৰ
তিয়নি কাপোৰৰ কাষত তেওঁৰ ভৰি দুখনি
কাঁচৰ দৰে ভাগিছে হাঁহিটি, তেওঁ গোৱা গানটি

আজন্ম সৰল ওঁঠৰ হাঁহি আত্মাই সদ্‌গতি
কামনাৰে সন্ধিয়াৰ চৰাই হৈ বৈ আছে
ঠোঁটত একাজলি নিঃপালি

গাঁও - চহৰৰ মানুহবোৰৰ গাত আৰু
কৃত্ৰিম পোহৰৰ অৰণ্যত অ'ত ত'ত
চিটিকি পৰা তেঁওৰ তেজবোৰ ওলাইছে

সকলোবোৰ লগ লগাই
সাধুকথাৰ দৰে মই সাজিব নোৱাৰিলোঁ
পৃথিৱীৰ সমানে প্ৰাচীন এটি সাধুকথা

# তুমি মমতাময়ী

✍ মৰমী দাস
*উঃ মাঃ, ২য় বৰ্ষ*

পৃথিৱীত প্ৰথম খোজ পেলাইছিলোঁ
তোমাৰ তৰ্জনী আঙুলীত ধৰি,
পৰিব খুজিলেও থাপ মাৰি ধৰিছিলা
শিলত উজুটি খাম বুলি ।
সৌ দূৰ দিগন্তৰ জোন তৰায়ো
উপলব্ধি কৰিব পাৰিছিল
মাৰ মমতাময়ী মনটো
আৰু বুকুৰ মাজত লুকাই থকা
হিয়াৰ অজুত মৰমবোৰ
সচাঁকৈয়ে মা তুমি
মমতাময়ী। ■





# সূৰ্যাস্ত

(ড° মামণি ৰয়চম গোস্বামীৰ সোঁৱৰণত)

✍ বৰষা মহন্ত
*উঃ মাঃ, ২য় বৰ্ষ*

তোমাৰ কপালত জিলিকিছিল
এটি সূৰ্য্য,
দুচকুত বিৰিঙিছিল
অনেক সপোন,
হাঁহিত প্ৰাণ পাইছিল
তোমাৰ কৃতীত্ব ।
কিন্তু,
সকলোবোৰ স্তব্ধ হৈ পৰিছিল
সৌ সিদিনা,
যিদিনাই তুমি আতৰি গৈছিলা
জনতাৰ মাজৰ পৰা ।

চিয়াহীৰ বুলনিৰে জগত জিনিলা
উজ্বলাইছিলা তুমি দেশৰ মান ।
কিন্তু,
তোমাৰ অবিহনে
অসমবাসীৰ মন
আজিও হৈ আছে ম্লান।।



# আহুতি

✍ শেৱালী মেধি
*অধ্যাপিকা, অসমীয়া বিভাগ*

সাৰ পানী পাই বাঢ়ি অহা
হিয়াখনি মোৰ,
আজি এডিঙি পানীৰ তলত।
এই ডুবু ডুবু, এই ডুবু ডুবু...
লুইতৰ মহা বানত ।

থক্ থক্ কৈ কঁপিছে মোৰ দেহ,
চকু যোৰো ক্ষীণ।
সজীৱ নে সেমেকা !!
পোহৰ নেদেখো কেউপিনে এন্ধাৰ...
সপোন পুৰীত আত্মগোপন,
লৰলৈ উমান শেতা পৰি যোৱা
হিয়াৰ স্পন্দন।

বহুদিন হ'ল দেখা নাই বেলিৰ পোহৰ,
দোকমোকালি অথবা ৰাতিপুৱাৰ।
প্ৰতিপল, প্ৰতিদিন সন্ধিয়া মোৰ।
পানীৰ তলতেই গ'ল অনেক বছৰ।
লুইতত বান আছে ।
বুকুত খুন্দা মাৰি উটিভাহি যায়
জোনাকী পৰুৱাবোৰ।
ওভটনি সোঁতত নাহে আৰু উভটি উমান ল'বলৈ,
শীতত কলাপৰা,
হিয়াখনিৰ মোৰ।
টেকীয়া ফুলেৰে কেছ্ বচা নাৱত উঠি
যাত্ৰা আৰম্ভ হল মোৰ...
মৰুৰ দেশত আয়োজন এটি মহাযজ্ঞৰ।
বুকুৰ ভাঁজত সাঁচি ৰখা তৰাফুলবোৰৰ
সৰাপাত, তৰাফুল...
প্ৰত্যেকেই একোটি আহিলা এই মহাযজ্ঞৰ।
মন্ত্ৰ ধ্বনি! আহুতি!
নাই প্ৰয়োজন। সেউজীয়া বেলি নোহোৱা দেশৰ ।
যজ্ঞৰ ধোৱাই আকাশ চুব।
ভাৱৰ হৈ সিহঁত পৃথিৱীলৈ নামি আহিব।
সিহঁতক! মই আগচি ধৰিম।
পুহৰ ঠেটুৱেৰে ভৰি থকা সাগৰখনৰ মাজত,
মই সিহঁতক বিসৰ্জন দিম। ■



# আমাৰ মহাবিদ্যালয়

✍ অংগনা ঠাকুৰীয়া
*স্নাতক, ৬ষ্ঠ ষাণ্মাসিক*

জ্ঞানৰ মিলন ভূমি আমাৰ মহাবিদ্যালয়খনি
হে আই যাঁচিলো প্ৰণাম।
শত শত দুহিতাক জিলিকাই তোলা
এয়াই আমাৰ মহাবিদ্যালয়।
জ্ঞানৰ শলিতাৰে ক'ত কামৰূপাক
তুমিয়ে লৈ গলা বিশ্ব সভাত
জ্ঞানৰ মন্দিৰ এই মহাবিদ্যালয়
আই মই যাঁচিলো প্ৰণাম। ■



# দুখৰ মাজত সুখৰ হাঁহি

✍ ৰশ্মিউল চুলতানা
*স্নাতক, ৬ষ্ঠ ষাণ্মাসিক*

মোৰ প্ৰত্যেকতো কথাই যদি
তোমাৰ কবিতাত শব্দ হয়,
আৰু মই একো নিবিছাৰো
মোৰ জীৱন তাতে হ'ব অক্ষয় ।

যদি ছন্দ হয় মোৰ হাঁহিবোৰ
তোমাৰ অৰ্থময়ী কবিতাত
মোৰ মৰমবোৰে আঘাত নকৰে
তোমাৰ বাবে কলিজাত ।

মোৰ স্মৃতিয়ে যদি কেতিয়াবা
দোলাব পাৰে জীৱনক
চকু মুদি শুনিবা
হৃদয়ৰ কোলাহলক।

তোমাৰ কবিতাৰ উৎস যেতিয়া
একমাত্ৰ ময়েই হম
সেয়াই হ'ব প্ৰেমৰ সাৰ্থকতা
তাকেই আজুলি ভৰাই লম।



মোৰ ভালপোৱা বোৰ যদি
কবিতাতেই দান কৰা
সেয়াই হব মোৰ পৃথিৱী
স্বৰ্গৰূপী বসুন্ধৰা। ■



# আমি অসমীয়া

✍ ৰীতা দাস
*স্নাতক, ৫ম ষাণ্মাসিক*

আমি অসমীয়া কিহৰনো দুখীয়া ?
আমাৰ অতীত চোৱা সোণবৰণীয়া,
ঠাঁহ খাই আছে বৰ পেৰা।
সোণ ৰূপ বাখৰেৰে ভৰা,
শংকৰে সাজি গ'ল সত্ৰ নামঘৰ,
অসমবাসীক দিলে নামৰ আকৰ।
জ্যোতি বিষ্ণু দুয়ো সংস্কৃতি পুজাৰী,
কনক পিয়লীয়ে দিলে প্ৰাণ স্বাধীনতা বিচাৰি।
লাচিত, চিলাৰায় দুয়ো মহান বীৰ,
আই অসমীৰ ৰাখি গ'ল সন্মান।
ব্ৰহ্মপুত্ৰ দুয়োপাৰ চিৰ সেউজীয়া,
অপৰূপ সৌন্দৰ্যৰে ৰূপ বিনন্দীয়া।
কাজিৰঙা, মানস আমাৰ সম্পদ,
নকৰিলে সম্পদৰ সংৰক্ষণ আমাৰে বিপদ।
লাচিতৰ উত্তৰাধিকাৰী আমি অসমীয়া
মিলিজুলি কৰিম অসম ধুনীয়া।। ■



# হেৰাই যোৱা সপোন

✍ দুলু দাস
*স্নাতক, ৫ম ষাণ্মাসিক*

হেৰাই যোৱা সপোন মোৰ
আছে অজান দেশত,
আহিবনে বাৰু উভতি
মোৰ নিজান দেশত।
যি সপোনৰ আশাত
আছিলো জীয়াই,
সেই সপোনেই আজি
দিলে মোক বিদায়।
তথাপিতো হোৱা নাই
মই নিৰাশ
ৰাখিছো মনৰ এটি ক্ষণত
উভতি আহিব বুলি বিশ্বাস।
এই বিশ্বাসেই ৰাখিছে জীয়াই
জীৱনৰ অন্তিম ক্ষণতো
শিকাইছে হাঁহিব
বেদনাসিক্ত জীৱনতো। ■

# নদী

✍ নিজৰা ৰাভা
*স্নাতক, ৫ম ষাণ্মাসিক*

বহুতো বেদনা বুকুপাতি লৈ
নীৰৱ নদীখনি নীৰৱে বয়।
নিজৰ গৌৰৱ নিজে উজ্বলাই
বোৱতি নৈখন নীৰৱে বৈ যায়
কঁত যে মানুহে কৰে আওকাণ
ধৰণীৰ সৌন্দৰ্যই প্ৰকৃতিৰ দান।।






# তিনিটা কাল জীৱনৰ

✍ অনিন্দিতা দাস
*স্নাতক, ৫ম ষাণ্মাসিক*

নীলা নীলা আকাশত
তৰাবোৰে যেতিয়া ধেমালি পাতে
মোৰ মন উৰা মাৰে
লেচেৰি বিচৰা বকুল ফুল বুটলা
বালি ধূলিত ওমলা দিনবোৰলৈ
নীলা নীলা আকাশত
জোনবাই যেতিয়া হাঁহিটি মাৰে
মোৰ মনত পৰে আমাৰ পোণাটিলৈ।
আজি চোন নাই তাৰ আহৰি
মা তুমি কেনে আছা
বুলি এবাৰ সুধিবলৈ।
শাওণৰ আকাশত কলা মেঘে যেতিয়া
বিজুলী ধেৰেকনি মাৰে
মোৰ মন উভতি আহে
আজি এই ক্ষণটিলৈ
শুকান চকুযুৰিয়ে একে থিৰে
চাই থাকে
কঁপি কঁপি থকা মোৰ হাতৰ
লাখুটি ডাললৈ।





# পিতাই অ' দিবিনো কি

(বানে সকলোবোৰ কাঢ়ি নিয়াজনৰ দুখত দুখী হৈ)

✍ কমলেশ্বৰ বৰা
*দৰ্শন বিভাগ*

গধূলি শেতেলিত পৰোতে
প্ৰভুৰ নাম লোৱা নাছিলিনে পিতাই
দেখিলিনে পলকতে কিবোৰ যে হ'ল
ব্ৰহ্মাৰ পুতেকযে ডেকাটো হ'ল
তোৰ আইজনীও যে এতিয়া বয়সে উথন
তইঁতৰ আশীষলৈ নোৱাৰো ৰ'ব পিতাই
আই অ'
শাও-শপনি নিদিবি তই
পিছ দুৱাৰেদি ভুমুকিয়াই নাচাবি তই
নিজলে বুলি দুপদ ৰাখিছে তাই
যৌতুকৰ অপযশো নিদিবি নিদিবি পিতাই
তোৰ আছেনো কি
দিবিনো কি
নিশাৰ তৰালি লেখি টোপনি যা
পিতাই টোপনি যা
আই অ' টোপনি যা। ■



# মই তোমাৰ নে তুমি মোৰ

✍ দুলুমণি নাথ
*উঃ মাঃ, ২য় বৰ্ষ*

মই তোমাৰ নে তুমি মোৰ
মই ধৰিবই নোৱাৰিলোঁ।
জীৱনক গঢ়কিছিলা তুমি নিজেই।
যি মুহূৰ্তত দিন ৰাতি
বুকুৰ পৰা হেৰাই গ'ল।
লেবেলি গ'ল তোমাৰ ছায়া
হেপাহৰ শেৱালিও সৰি গ'ল।
বকুল সৰিল আকৌ ফুলিল
তোমাৰ মোৰ স্মৃতিয়ে নকৰেনে আমনি।
মই তোমাৰ নে তুমি মোৰ
মই ধৰিবই নোৱাৰিলোঁ।। ■

# হিয়াৰ এপাহি গোলাপ

✍ স্মৃতি কলিতা
*উঃ মাঃ, ২য় বৰ্ষ*

তুমি এটা সতেজ ৰঙা গোলাপফুল
সপোনত বাৰে বাৰে আহি
দেখা দিয়ে তোমাৰ মুখ।
বহুত মন যায় জানা!
তোমাক এবাৰ চুই চাবলৈ।
কিন্তু, ভয় লাগে!
গোলাপফুলৰ দৰে যদি তুমিও হোৱা কাইটিয়া।
চাই থাকো নীৰবে, দূৰৰ পৰা
মোৰ হৃদয় মাথোঁ তোমাৰ অপেক্ষাত। ■





# পইচা

✍ জিণ্টীমণি দাস
*স্নাতক, ৫ম ষাণ্মাসিক*



পৃথিৱীত ভাল মানুহ নোহোৱাই হৈছে,
কোনেও কাকো সহায় নকৰে।
পইচাই বন্ধু, পইচাই শত্ৰু
পইচাৰ বলতে মাথো পৃথিৱী চলিছে।
পইচাৰ পিছত পৰি মানুহ অন্ধ হৈছে,
পইচাই মানুহক ফোপোলা কৰিছে।
পইচা থাকিলেই ভাবে সকলো ধন্য,
পইচা নহলে এতিয়া পৃথিৱী শূন্য। ■



# জোনাকী ৰাতি

✍ শিখাৰাণী ঠাকুৰীয়া
*উঃ মাঃ, ২য় বৰ্ষ*

শাৰদী জোনাকী ৰাতি
কিযে ৰঙীন তুমি,
তোমাৰ কিৰণত উজ্জ্বলিজে
বিনন্দীয়া ধৰণী।
নিশাৰ আকাশখনিত
তৰাৰ চিকমিকনি,
সৰু সৰু জোনাকীয়েও
থাকে যে ওমলি।
তোমাক আঁতৰাবলৈ
লাগে জানা ভয়,
কিয় জানো হৃদয়খনে মোৰ
নীৰব হৈ ৰয়। ■

# ম'বাইল

✍ অনামিকা দাস
উঃ মাঃ, ২য় বৰ্ষ

অ' ম'বাইল, অ' ম'বাইল
কি বিমোৰত পেলালা
তুমিয়েইতো কৰিলা পগলা
ৰাতিপুৱা হোৱাৰ লগে-লগে
হৈ পৰা তুমিয়েই সোণামুৱা।
নিশা নাহে টোপনি
তোমাৰ লগত বিজি
টোপনিতো লওঁ তোমাকেই সাৱটি
ঘনাই মনত পৰে তোমালৈ
যেতিয়া থোৱা তুমি চ্চাৰ্জলৈ
সোণটো, ধনটো,
মোৰ মৰমৰ জানটো
কি বুলিলো কম তোমাক
গোটেই বোৰ লগলাগি
হৈ পৰিলা তুমিয়েই
মোৰ জীৱনটি। ■





# আশা

✍ মিতালী কলিতা
উঃ মাঃ, ২য় বৰ্ষ

কবি হ'বৰ মন যায়
কিন্তু,
কবি হ'লে কি কৰিব লাগিব
তাক মই নাজানো।

এটা কথা ঠিক! মই জানো
জীৱনৰ বহুত
অৰ্থ লুকাই থাকে কবিতাত।

কবি হ'বলৈ হলে মন লাগে নেকি?
কবি হ'বলৈ হ'লে প্ৰেমত পৰিব লাগে নেকি?
প্ৰেম কৰিম কেনেকৈ!
মই নেজানু কাৰোবাক ভাল পাব
সেই কাৰণেই হয়তো কবি হ'ব নোৱাৰো। ■

# ম'বাইলৰ বাহাদুৰী

(মহাবিদ্যালয় সপ্তাহৰ থিতাতে লিখা পেৰোডি কবিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত- 'ক' শাখা )

✍ ভূমিকা নাথ
স্নাতকোত্তৰ, ৪ৰ্থ ষাণ্মাসিক

বিষয় ঃ ম'বাইল

4G ম'বাইলত Jio sim লৈ
ভন্টিইঁতে লেবেল দিয়ে ক'লেজত গৈ
হাতখন ওপৰত লৈ,
মুখখন বেঁকা কৰি
চকু দুটা ডাঙৰ কৰি
ছেল্‌ফি মৰাৰ কি চাবা বাহাদুৰি ...
facebook, whatsapp
আৰু যে ক'ত কি
য'তে ত'তে ছেল্‌ফি মাৰি,
facebook ত নিতৌ update দিয়ে
feeling something something বুলি
কি যে হ'ব ভাই
আজি কালিৰ দিন যুগ ...
পেটত গাঁঠি দি হ'লেও
ল'ৰাইঁতে কিনে দামী দামী
ম'বাইল ফোন ... ! ■

# ম'বাইল

(মহাবিদ্যালয় সপ্তাহৰ থিতাতে লিখা পেৰোডি কবিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত - 'খ' শাখা)

✍ শিখাৰাণী ঠাকুৰীয়া
উঃ মাঃ, ১ম বৰ্ষ

টিং টিংকৈ ম'বাইল বাজে
নিদিয়ে অলপো আহৰি,
খঙতে জ্বলি পুৰি কেতিয়াবা
যাওঁ সকলো পাহৰি।
হেল্ল' হেল্ল' কৰি
থাকো কথা পাতি,
মায়ে ভাত বাঢ়ি লৈ
থাকে চিঞৰি মাতি।
শুবও নোৱাৰো, বহিবও নোৱাৰো
বৰ অশান্তি পাওঁ,
পঢ়াৰ সময়ত ফোনে মাতিলে
বহুত আনন্দ পাওঁ।
নিজে নাখায়ও ম'বাইলক খুৱাওঁ
বহুত টকা যায়,
সেইবাবে আজিকালি ম'বাইলেও
মোক বহু ভাল পায়।
ভকুৱা মাছে মল খোৱাৰ দৰে
ম'বাইলে খায় মুৰ,
তাক সঠিককৈ যোগান দিবলৈ,
দেউতাৰ পৰা টকা,
কৰিলোঁ যে চোৰ।
মায়ে ক'লে ম'বাইল ভাঙিম
দেউতাই কলে পিঠি ফালিম,
হায়। মোৰ যে কি গতি!
সেইবাবে ম'বাইলে ক'লে
তোমাক মই নেৰিম। ■

# ছেল্‌ফি

(মহাবিদ্যালয় সপ্তাহৰ থিতাতে লিখা ৰস ৰচনা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত - 'ক' শাখা)

✍ নীলাক্ষি মজুমদাৰ
*স্নাতকোত্তৰ, ৪ৰ্থ ষাণ্মাসিক*

হাই! সকলোৰে মোকতো চিনি পোৱাই। মই হলো ছেল্‌ফি। ছেল্‌ফি মানে ম'বাইলেৰে উঠা ফটো। মই আজিকালি বৰ Populer হৈ পৰিছো। সকলোৱেই যেন মোক লৈয়েই ব্যস্ত। ছোৱালীবোৰে যেতিয়া ধুনীয়া সাজ এযোৰ পিন্ধি ছেল্‌ফি উঠে মোৰ তেতিয়া বহুত ভাল লাগে। ল'ৰা বিলাকেও ছেল্‌ফি উঠাত বৰ ওস্তাদ। আজিকালি ডেকা ল'ৰা-ছোৱালীতো বাদেই বুঢ়া মেঠা সকলেও ছেল্‌ফি উঠাত বৰ পকৈত হৈ পৰিছে। ছেল্‌ফি উঠিলে কিছুমানে জিভা বিলাক উলিয়াই দিয়ে। কেতিয়াবা মুখখনো পকাই দিয়ে। তেতিয়া মোৰ বৰ খং উঠে। আজিকালি মোক উঠাই হৱাটছ্‌-এপ অথবা ফেছবুকত ছেল্‌ফি দি ডেকা ল'ৰা-ছোৱালী বোৰে বৰ ৰং পায়। ছেল্‌ফি খন উঠি যেতিয়া বহুবোৰ লাইক আৰু কমেন্ট পাই তেতিয়া ল'ৰা-ছোৱালীবোৰে বৰ ৰং পায়। মোৰো তেতিয়া মনটো বৰ ভাল লাগে আৰু মোৰ নাচিবলৈ মন যায়। আজিকালি মোক সকলোৱেই সন্মানো কৰা হৈছে। মোক লৈয়েই টি. ভি. চেনেল বিলাকেও কমপিটিছন পতা হৈছে। মোৰ এই অগ্ৰগতি দেখি মোৰ মনত অত্যন্ত আনন্দ লাগে। অ'কেজন লৈ ডেকা সকলৰ ছেল্‌ফি উঠাৰ প্ৰয়োজন বেছি হোৱা দেখা যায়। যেনেঃ দুৰ্গাপূজা, ৰাসপূজা, সৰস্বতী পূজা, বিহু ইত্যাদি। ধুনীয়া সাজপাৰত ছোৱালী বিলাকৰ ছেল্‌ফি খুবেই ধুনীয়া হয়। হ'ব দিয়ক এতিয়া আৰু বাই। মই যাও দেই। তোমালোকে মোক এনেদৰেই মৰম কৰি থাকিবা। Take care.. ■

■ ■ ■



# মাঘ বিহু

(মহাবিদ্যালয় সপ্তাহৰ থিতাতে লিখা চুটিগল্প প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ প্ৰাপ্ত - 'ক' শাখা )

বিষয় ঃ মাঘবিহু

✍ অনিন্দীতা দাস
*স্নাতক, ৪ৰ্থ ষাণ্মাসিক*

বীণাই প্ৰত্যেক দিনাৰ দৰে আজিও খৰ খৰকৈ কাম কৰি আছে নহ'লে তাইক মালিকনীয়ে গালি পাৰিব। যিহেতু তাই কাম কৰা ছোৱালী। মালিকনী খুব খঙাল কিন্তু তাইক মৰমো কৰে। যিহেতু মালিকনীৰ কোনো সন্তান নাই। মালিক বিশ্ব এজন শিক্ষক আৰু মালিকনী প্ৰণিতা শিক্ষয়িত্ৰী। প্ৰত্যেক দিনাৰ দৰে মালিক আৰু মালিকনীক বীণাই খুৱাই বুৱাই বিদায় দিলে। সিহঁত যোৱাৰ পিছতহে তাই কোনো মতে উশাহতো পালে আৰু অলপ বেষ্ট লম বুলি খাবান্দাতে বহি সিহঁতৰ ৰাস্তাৰ ফালে মানুহবোৰ অহা যোৱা কৰা, কোনে কি পিন্ধিছে এইবোৰ লক্ষ্য কৰি আছে। হঠাৎ তাইৰ চকুৰ আগত এখন আৰ্ট পেপাৰ দেখা পালে। আৰ্ট পেপাৰখনত মাঘ বিহুৰ মেজি পোৰা ছবি এখন সুন্দৰকৈ ফুটি উঠিছিল। ছবিখন দেখা পাই তাইৰ চকুৰ পানী ওলাই আহিল। তাইৰ মনত পৰিছে তাইৰ শৈশৱৰ কথা, বন্ধু-বান্ধৱীৰ সৈতে খেলা-ধুলা কৰা কথা। তাইৰ বয়স প্ৰায় ১৯ বছৰ মান হ'ব। তাইৰ মনত পৰিছে যেতিয়া তাই ঘৰত কাম কৰিবলগীয়া হোৱা নাছিল, মাক-বাপেকৰ একমাত্ৰ সন্তান আছিল। তাই খুব দুষ্ট ছোৱালী আছিল। মাক-দেউতাকৰ কথা বেছি নুশুনিছিল। তাই যি ভাবে তাকে কৰে, তাই বেছি মনক গুৰুত্ব দিছিল। মাক দেউতাক আৰু তাই এখন সুখৰ পৰিয়াল। সিহঁতৰ বেছি টকা-পইচা নাছিল যদিও দেউতাকে বেহা বেপাৰ কৰিছিল আৰু তেনেকৈয়ে সুন্দৰকৈ পৰিয়ালটো চলাই নিব পাৰিছিল। তাই মাক দেউতাকক খুব ভাল পায় যদিও দেউতাকক অলপ বেছি ভাল পায় কাৰণ মাক কাম-বনত বেছি ব্যস্ত হৈ থাকে। বেছি সময় তাইৰ লগত লাগি থাকিব নোৱাৰে। যদিও দেউতাকে উপাৰ্জন কৰি সিহঁতক পুহি আছে তথাপিও তাইক সময় দিয়ে, দৈনন্দিক কাম হিচাপে তাইক ৰাতিপুৱা ৰাতি পঢ়াই ভাল মানুহ হ'বলৈ কয়। কয় যে 'মা তই ভালদৰে পঢ়িবি যাতে আমাৰ নাম উজ্বল কৰিব পাৰ'। মনটোক টি.ভি.ৰ ৰিমোট হিচাপে ব্যৱহাৰ কৰিবি তোক যাতে মনটোৱে নচলাই কেৱল তই মনটোক চলাব পাৰ আৰু মাঘ বিহুৰ আগদিনা সদায় ভোজ খাবলৈ লৈ গৈছিল। আৰু পিছদিনা বিহুৰ দিনাখন সোনকালে গা-পা ধুবলৈ দি ভেলাঘৰলৈ যাত্ৰা কৰাইছিল। তাই ভেলাঘৰ পুৰাৰ দিনা কিয় পুৰে, কিয় পুৰিব লাগে এইবোৰ কথা বাৰুকৈয়ে সুধিছিল আৰু দেউতাকক প্ৰশ্ন সুধি আমনি দিছিল। কিন্তু এদিন এখন বাছ দুৰ্ঘটনাত মাক-দেউতাক মৰি থাকিল। তাই যেন সৰ্বস্ব হেৰুৱালে। তাইৰ আজি সেই আৰ্ট পেপাৰখন দেখি মাক-দেউতাকৰ কথা খুব মনত পৰিছে। বেছিকৈ দেউতাকৰ কথা মনত পৰিছে আৰু কান্দিছে। তাইৰ চকুৰ পৰা যেন পানী নহয় এটোপ এটোপ তেজহে বৈ আহিছে। তেনেকৈ কান্দি থাকোতে হঠাৎ সিহঁতৰ ঘৰৰে ওচৰৰ বান্ধৱী এজনী ৰাস্তাৰ পৰা হাত বাওলি মাতিলে আৰু তাই যাবৰ বাবে নিজকে প্ৰস্তুত কৰিলে আৰু তাই যাব ওলাল। ■

■ ■ ■

# মাঘ বিহু

(মহাবিদ্যালয় সপ্তাহৰ থিতাতে লিখা চুটিগল্প প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত -'খ' শাখা)

✍ বৰ্ণালী গোস্বামী
*উঃ মাঃ, ১ম বৰ্ষ*

আজি মাঘ বিহু পাৰ হৈ যোৱাৰ ৭ দিন অৰ্থাৎ এসপ্তাহে হ'ল কিন্তু মনোজহঁতৰ ঘৰখনত বিহুৰ একো আয়োজন নহ'ল অথচ কোনো আলহী অতিথিৰো প্ৰব্ৰজন নঘটিল। যোৱা বছৰ এনেকুৱা দিনতে মনোজহতঁৰ ঘৰখনে গাৱঁৰ ভিতৰত আটাইতকৈ বেছি স্ফূৰ্তি আনন্দ কৰিছিল বুলি সকলোৱে কৈছিল কিন্তু আজি সেই ৰুণুজনীয়ে নাই, কোনে সিহঁতৰ ঘৰখনত হাঁহিৰ খোৰাক দিব। ৰুণু মনোজৰ একমাত্ৰ ভনীয়েক, কিমান যে আজলী আছিল তাই বেচেৰীজনী ইমান সোনকালে আঁতৰি যাব বুলি কোনেও ভবায়ে নাছিল । কণা বিধাতা আমাৰ মৰমৰ ৰুণুজনীক হে চকু দি আছিল নে? এইবোৰ কথা মনোজে সিহঁতৰ ঘৰৰ খুটাটোত সাৱটি ধৰি ভাবি আছিল ।

কোনোবাই সিহঁতৰ পিছৰ চোতালত হাই-উৰুমি কৰিছে। হঠাৎ তাৰ কাণত পৰিল আৰু সি গম নোপোৱাকৈয়ে পিছৰ চোতাললৈ গ'ল। সি ভাবিছিল কোনোবাই কাজিয়া লাগিছে কিন্তু তাৰ ভাবত অলপো সত্যতা নাছিল। কাৰণ পিছৰ চোতালত সিহঁতৰ গাৱঁৰ সৰু ল'ৰা-ছোৱালীবোৰে মাৰ্বল খেলি আছে। সি সিহঁতৰ মাজত ৰুণুক বিচাৰিলে কিন্তু দেখা নাপালে। সি জানে ৰুণু আৰু কেতিয়াও মাৰ্বল খেলিবলৈ বা তাক দাদা দাদা বুলি মাতি আমনি দিবলৈ নাহে। তথাপি সি যেন বুজিও অবুজ হৈ পৰিছিল সেই সময়খিনিত।

এদিন ৰুণুৱে গাৱঁৰ ল'ৰাবোৰৰ লগত মাৰ্বল খেলা কাৰণে সি যে তাইক কিমান মাৰিছিল। এতিয়া ভাবিলে বেয়ায়ে লাগে তাৰ। বেচেৰীজনীৰ সেইদিনা ৰাতিয়ে কঁপি কঁপি জ্বৰ উঠিছিল আৰু কৈছিল -"দাদা, মই আজিৰ পৰা কেতিয়াও মাৰ্বল নেখেলো।"

এইবোৰ কথা ভাবিলে মনোজৰ বুকুখন মোচোকা খাই উঠে আৰু তেতিয়া সি নিজকে ক্ষমা কৰিব নোৱাৰা হৈ যায়।

আজি আৰু এই ভোগালী বিহুৰ সময়ত তাক ৰুণুৰ কথাই বৰকৈ আমনি কৰিছে! কিমান যে ভাল পাইছিল তাই নাৰিকলৰ লাড়ু। চোৰ কৰি খোৱাৰ কাৰণে কিমান যে গালি ধমকি খাইছিল। মাকৰ পৰা কিন্তু আজি নাৰিকলৰ লাড়ু চোৰ কৰি খাবলৈ তাৰ মৰমৰ ৰুণুজনী নাই । তাইৰ মৃত্যুৰ পিছত যেন সিহঁতৰ ঘৰখনত মাঘ বিহুৰ আয়োজনে নোহোৱা হৈছে ।

মনোজৰ দেউতাক নাই বাবে কোনেনো ইমানবোৰ যোগাৰ কৰিব । মাকে মানুহৰ ঘৰত কাম কৰি ৰুণুজনীৰ খেচখেচনিত কিবা অলপ যোগাৰ কৰিছিল । মনোজে এইবোৰ ভাবি থাকোতেই কেতিয়া চকুৰে চকুপানী ওলাল সি গমকেই নাপালে আৰু লাহে লাহে ঘৰৰ ভিতৰলৈ গৈ বাঁহৰ চাঙখনত শুই থাকিল । ৰুণু মাক আৰু তাৰ কাৰণে এক অপূৰণীয় ক্ষতি । ■

■ ■ ■



# পৰিৱেশ প্ৰদূষণ আৰু আমাৰ কৰ্তব্য

(মহাবিদ্যালয় সপ্তাহৰ থিতাতে লিখা ৰচনা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত - 'ক' শাখা)

**বিষয় ঃ পৰিৱেশ প্ৰদূষণ আৰু আমাৰ কৰ্তব্য**

✍ নীলাক্ষি মজুমদাৰ
*স্নাতকোত্তৰ, ৪ৰ্থ ষাণ্মাসিক*

আৰম্ভণি ঃ পৰিৱেশ মানে হৈছে আমাৰ চাৰিওফালৰ বায়ু, পানী, মাটি আৰু গছ-গছনি আদিৰে ভৰপূৰ চৌপাশটোকে বুজা যায়। আমাৰ চৌপাশৰ পৰিৱেশটো নিকা হৈ থাকিলেহে আমাৰ স্বাস্থ্য ভাল হৈ থাকিব। পৰিৱেশ প্ৰদূষণ নহ'বলৈ আমাৰ মানুহ বিলাকৰ সকলোৰে নিজা কৰ্তব্য আছে।

পৰিৱেশ প্ৰদূষণ ঃ পৰিৱেশ প্ৰদূষণ মানে হৈছে বায়ু, পানী আৰু মাটিত যি যি উপাদান থাকিব লাগে তাতকৈ ক্ষতিকাৰক উপাদান কিছুমান বায়ু, মাটি, পানী আদিত সোমাই পৰিৱেশৰ ভাৰসাম্য হেৰাই গ'লেই পৰিৱেশ প্ৰদূষণ হোৱা বুলি কোৱা হয়। পৰিৱেশ প্ৰদূষণ বিভিন্ন ধৰণে হ'ব পাৰে। সেইবোৰ হৈছে - বায়ু প্ৰদূষণ, মাটি প্ৰদূষণ, পানী প্ৰদূষণ আৰু শব্দ প্ৰদূষণ।

বায়ু প্ৰদূষণ ঃ জীৱ জীয়াই থাকিবৰ কাৰণে বায়ু অত্যন্ত প্ৰয়োজনীয় উপাদান। বায়ু প্ৰদূষণ হোৱাৰ ফলত জীৱ-জন্তুৰ নানা ধৰণৰ বেমাৰে দেখা দিয়ে। চালৰ ৰোগ, মূৰৰ বিষ, হাওঁফাওঁৰ বেমাৰ আদি বিভিন্ন ৰোগ বায়ু প্ৰদূষণৰ ফলতেই হয়। কল কাৰখানাৰ ধোঁৱাৰ ফলতেই সাধাৰণতে বায়ু প্ৰদূষণ হোৱা দেখা যায়।

মাটি প্ৰদূষণ ঃ কিছুমান কীটনাশক দ্ৰব্য, জাবৰ-জোথৰ, প্লাষ্টিক আদি মাটিত পেলোৱাৰ ফলত মাটি প্ৰদূষণ হয়। মাটি প্ৰদূষণ হ'লে খেতি-বাতি কমকৈ হয়। মাটিৰ সাৰ নোহোৱা হৈ পৰে।

পানী প্ৰদূষণ ঃ পানীয়েই প্ৰাণীৰ প্ৰাণ। পানীত লেতেৰা জাবৰ-জোথৰ, কল কাৰখানাৰ পেলনীয়া বস্তু আদি পেলালে পানী প্ৰদূষণ হয়।

শব্দ প্ৰদূষণ ঃ কোলাহল, যান-বাহনৰ শব্দ আদিয়ে শব্দ প্ৰদূষণ কৰে ।

পৰিৱেশৰ কাৰণে মানুহৰ কৰ্তব্য ঃ পৰিৱেশৰ ভাৰসাম্য অটুত ৰখাৰ বাবে আমাৰ মানুহ বিলাকৰ বহুতো কৰ্তব্য আছে। লেতেৰা জাবৰ-জোথৰ য'তে ততে নেপেলাই এক দম কৰি জুইৰে পুৰি পেলাব লাগে ।

সামৰণি ঃ শেষত ক'ব পাৰি যে পৰিৱেশ নিকা হৈ থাকিলেহে মানুহৰ স্বাস্থ্য ভাল হৈ থাকিব গতিকে ইয়াক নিকা কৰি ৰখাৰ দায়িত্ব আমাৰ সকলোৰে।

■ ■ ■

# পৰিৱেশ প্ৰদূষণ আৰু আমাৰ কৰ্তব্য

(মহাবিদ্যালয় সপ্তাহৰ থিতাতে লিখা ৰচনা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত - 'খ' শাখা)

**বিষয় ঃ পৰিৱেশ প্ৰদূষণ আৰু আমাৰ কৰ্তব্য**

✍ শিখা ঠাকুৰীয়া
উঃ মাঃ, ১ম বৰ্ষ

আৰম্ভণি ঃ শস্য শ্যামলা আমাৰ প্ৰকৃতি। এক বিনন্দীয়া পৰিৱেশে বিৰাজমান। কিন্তু এই পৰিৱেশ বৰ্তমান প্ৰদূষণেৰে ভৰপূৰ। ভিন্ন ভিন্ন লোকৰ দৈনন্দিন কাৰ্যকলাপে পৰিৱেশৰ বুকুত ব্যাঘাত জন্মাইছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে ইয়াৰ প্ৰকোপো দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে।

প্ৰদূষণৰ কাৰণ ঃ বিভিন্ন কাৰকৰ বাবে পৰিৱেশ প্ৰদূষণ উদ্ভৱ হয়। জনসংখ্যা বৃদ্ধি, দ্ৰুত উদ্যোগীকৰণ, যান-বাহনৰ অত্যাধিক ব্যৱহাৰ, কল কাৰখানাৰ পৰা নিৰ্গত হোৱা ধোঁৱা ইত্যাদি। বৰ্তমানৰ বিজ্ঞান মুখী সমাজত মানুহে বিলাসী জীৱন-যাপন কৰোঁতাৰ লগতে মানুহৰ অভাৱনীয় কৰ্মৰ ফলতো পৰিৱেশ প্ৰদূষণ হয়। গছ-গছনি, অৰণ্য আদিত জুই দিয়াৰ ফলত পৰিৱেশৰ ওপৰত যথেষ্ট প্ৰভাৱ পৰিলক্ষিত হয়।

প্ৰদূষণৰ প্ৰকাৰ ঃ পৰিৱেশ প্ৰদূষণৰ বিভিন্ন ভাগ আছে। তাৰ ভিতৰত বায়ু প্ৰদূষণ, শব্দ প্ৰদূষণ, জল প্ৰদূষণ, ভূমি প্ৰদূষণ।

প্ৰদূষণ নিয়ন্ত্ৰণ ঃ প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে নানান ব্যৱস্থা অৱলম্বন কৰিব লাগিব। যেনে - জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ কমোৱা, লগতে বিকল্প উৎসৰ সন্ধান কৰা ৰাসায়নিক দ্ৰব্যৰ ব্যৱহাৰ কমাই জৈৱিক সাৰৰ প্ৰয়োগক উৎসাহিত কৰা উচিত। যান-বাহনৰ ব্যৱহাৰ হ্ৰাস কৰিব লাগে। ব্যক্তিগত যান-বাহনত কৈ ৰাজহুৱা যান-বাহন বেছিকৈ ব্যৱহাৰ কৰা উচিত।

পৰিৱেশ প্ৰদূষণ সম্পৰ্কে আমাৰ কৰ্তব্য ঃ ১৯৪২ চনৰ পৰাই এই বিষয়ত ভাৰতীয় লোক সকল সজাগ হৈছে। প্ৰতিখন ৰাজ্যতে একোখনকৈ পৰিষদ গঠন কৰা হৈছে। পৰিষদে প্ৰদূষণ নিয়ন্ত্ৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। আকৌ যান-বাহনৰ প্ৰদূষণ নিয়ন্ত্ৰণৰ দায়িত্ব ৰাজ্যিক পৰিবহণ বিভাগৰ হাতত অৰ্পণ কৰা হৈছে। গতিকে আমি একত্ৰিত হৈ ওলাই আহিব লাগিব নিয়ন্ত্ৰণ কৰিবলৈ। নহ'লে আমাৰ মনোমহা পৰিৱেশ প্ৰদূষণৰ ফলত শেষ হৈ যাব।

সামৰণি ঃ আঁহক সকলোৱে কঁকালত টঙালি বান্ধো জাতি-মাটি ৰক্ষাৰ স্বাৰ্থত। এয়াই আমাৰ দায়িত্ব আৰু কৰ্তব্য। হেৰাই যোৱা পৰিৱেশক উভতাই আনো। কিয়নো এইখনেই সোণৰ অসম, সোণেৰে জিলিকাওঁ।

■ ■ ■



## মহাবিদ্যালয় সপ্তাহৰ থিতাতে লিখা মুকলি চিঠি প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত
## শ্ৰীঅংগনা ঠাকুৰীয়া, স্নাতক, ৬ষ্ঠ ষাণ্মাসিক— 'ক' শাখা

প্ৰতি,                                                                দিনাংক ঃ ০৮-০২-২০১৭

মাননীয় ৫০ নং, পলাশবাৰী বিধানসভা সমষ্টিৰ বিধায়ক মহোদয়, অসম চৰকাৰ

বিষয় ঃ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ৰাস্তা-ঘাট মেৰামতিৰ বাবে আবেদন।

মহোদয়,

প্ৰোণ প্ৰথমে মোৰ কৰযোৰে আগবঢ়োৱা শ্ৰদ্ধাৰ প্ৰণাম গ্ৰহণ কৰিব। মই আপোনাৰ সমষ্টিৰ অন্তৰ্গত উপৰহালী গাঁওৰ ছোৱালী। মহোদয়, মই বাস কৰা এই গাঁওৰ বৰ্তমানো ৰাস্তা-ঘাট পকী হৈ উঠা নাই আৰু দুখৰ কথা যে ৰাস্তাৰ দুয়োকাষৰ নলীবোৰ প্ৰায় বন্ধ হৈ যোৱা হেতুকে বাৰিষা গাঁওখনত বানপানীয়ে দেখা দিয়ে। তদুপৰি বাৰিষা ছাত্ৰ-ছাত্ৰী সকলে স্কুল যোৱাত প্ৰায়ে বাধা আহি পৰে, কাৰণ অনুকূল ৰাস্তা-ঘাট আনফালে জ্যেষ্ঠ ব্যক্তি সকলৰ ক্ষেত্ৰতো প্ৰায়ে বাৰিষা সৰু সুৰা দুৰ্ঘটনাৰ সন্মুখীন হোৱা দেখা যায়।

হে মহোদয়, এই গাঁওখনে অতীতৰ পৰা এই ৰাস্তা-ঘাটৰ সমস্যাটোৰ সন্মুখীন হৈ আহিছে। তদুপৰি গাঁওখনৰ আকাৰ ডাঙৰ হোৱাৰ ফলত বহুত ঠাইত জনসাধাৰণৰ সুবিধাৰ উপপথ নিৰ্মাণৰ বাবেও আমাৰ স্থানীয় বিধায়কলৈ আবেদন জনোৱা হৈছে। কিন্তু বৰ্তমানলৈ একো কাৰ্য্যত পৰিণত হোৱা নাই।

সেয়ে মহোদয়ৰ ওচৰত মোৰ এয়ে সৰল মিনতি যে আপুনি যেন অতি সোনকালে এই গাঁওখনৰ উন্নয়নৰ হেতুকে ৰাস্তা-ঘাট নিৰ্মাণ তথা মেৰামতিৰ পথত আগভাগ লয়। এই গাঁওখনৰ হৈ মই নিম্ন স্বাক্ষৰকাৰী হৈও এজনী সচেতন নাগৰিক হিচাপে আপোনালৈ আবেদন আগবঢ়ালো। যাতে আগন্তুক বাৰিষাৰ সময়ত গাঁওবাসীয়ে আকৌ আগৰ দৰে সমস্যাৰ সন্মুখীন হ'ব নালাগে। মহোদয়ৰ ওচৰত এয়ে মোৰ বিনম্ৰ অনুৰোধ।

ইতি-
আপোনাৰ বিশ্বাসী
শ্ৰীঅংগনা ঠাকুৰীয়া

## মহাবিদ্যালয় সপ্তাহৰ থিতাতে লিখা মুকলি চিঠি প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত
## শ্ৰীশিখা ঠাকুৰীয়া, উঃ মাঃ ১ম বৰ্ষ— 'ক' শাখা

প্ৰতি,                                                                দিনাংক ঃ ০৮-০২-২০১৭

মাননীয় পলাশবাৰী বিধানসভা সমষ্টিৰ বিধায়ক মহোদয়ৰ সমীপেষু
বিষয় ঃ বাট-পথ নিৰ্মাণৰ বাবে আবেদন।

শ্ৰদ্ধেয় মহাশয়,

আবেদন যোগে জনাওঁ যে, আপোনাৰ সমষ্টিৰ এখন পিছপৰা অঞ্চল আমবাৰী ৰাইজৰ বহু সমস্যা জৰ্জৰিত হৈছে। এজাক বৰষুণৰ ফলতেই বাট-পথৰ জৰাজীৰ্ণ অৱস্থা। স্কুলীয়া ছাত্ৰ-ছাত্ৰী তথা ৰাইজৰ পানীত হাঁহ নচৰা অৱস্থা।
গতিকে, আমবাৰী ৰাইজৰ মংগল তথা বাট-পথৰ উন্নতিৰ হকে আপুনি গৃহীত ব্যৱস্থা হাতত লয় যেন। লগতে সমূহ ৰাইজৰ সুবিধাৰ বাবে আমাৰ এলেকাটিলৈ দৃষ্টি আঁতুত ৰখাৰ উপৰি উন্নত কৰ্মপন্থা হাতত লব বুলি আশা ৰাখিলোঁ।

ভৱদীয়-
আমবাৰী ৰাইজ গয়ৰহৰ হৈ
xyz

# আমাৰ মহাবিদ্যালয়

(মহাবিদ্যালয় সপ্তাহৰ থিতাতে লিখা কবিতা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত - 'খ' শাখা )

✍ বনশ্ৰী মহন্ত
*উঃ মাঃ, ১ম বৰ্ষ*

জ্ঞান বন্তিৰে উজ্বলাই
গঢ়ো আহা এক তোৰণ,
প্ৰজ্ঞাৰ সাধনাৰ বন্তি জ্বলি থকা
সৌ দুৱাৰদলিত।
আমাৰ মহাবিদ্যালয়।■

# মহাবিদ্যালয় সপ্তাহৰ চিত্ৰাংকন প্ৰতিযোগিতাৰ পুৰস্কাৰপ্ৰাপ্ত চিত্ৰ

বিষয় ঃ আমাৰ মহাবিদ্যালয় আৰু পৰিৱেশ



✍ প্ৰিয়ংকা দাস
*স্নাতক, ২য় ষাণ্মাসিক*



✍ স্মৃতি কলিতা
*উঃ মাঃ, ১ম বৰ্ষ*

# উপ-সভানেত্ৰীৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনি মেলাৰ প্ৰাকমুহূৰ্ত্তত মই সেইসকল ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছো, যিসকল ব্যক্তিয়ে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত অশেষ পৰিশ্ৰম, মহানুভৱতা, কষ্টৰ ফলত মহাবিদ্যালয়খন জন্ম দিছিল। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ উপ সভানেত্ৰীৰ দৰে দায়িত্বশীল পদত মোক অধিষ্ঠিত কৰাই মহাবিদ্যালয়ৰ হকে কাম কৰাৰ বাবে সুযোগকণ দিয়াৰ বাবে সমূহ ছাত্ৰী তথা বাইদেউ, বান্ধৱীলৈ মই কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ কাৰ্যকালৰ চমু বিৱৰণ ঃ

(১) <u>মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিবস</u> ঃ ২০/১১/২০১৬ তাৰিখে মই প্ৰথম কাৰ্যসূচী হিচাপে পাইছো মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিবস। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ লগত জড়িত বিশিষ্ট ব্যক্তিসকলৰ স্মৃতিত বন্তি প্ৰজ্বলন আৰু তেখেত সকলৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰা হয়।

(২) <u>সৰস্বতী পূজা</u> ঃ ০১/০২/২০১৭ ইং তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰী তথা শিক্ষক কৰ্মচাৰীবৃন্দৰ সহযোগত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী মাঁ সৰস্বতীৰ শ্ৰীচৰণত সভক্তিৰে পুষ্পাঞ্জলি প্ৰদান কৰা হয়। বিভিন্ন ৰং-বিৰঙৰ সাজ-পোছাকে উজ্বলি উঠা ছাত্ৰীসকলে পূজাৰ পৰিৱেশটোক বৈচিত্ৰময় কৰি তুলিছিল।

(৩) <u>মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহ</u> ঃ যদিও আমাৰ মহাবিদ্যালয়ৰ প্ৰোচপ্ৰেক্তাছৰ মতে ২৭/০১/২০১৭ ৰ পৰা ৩০/০১/২০১৭ ইং তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰাৰ কথা আছিল, কিন্তু ব্ৰহ্মপুত্ৰ সাহিত্য মহোৎসৱত অংশ গ্ৰহণ কৰাৰ বাবে ২৭/০১/২০১৭ তাৰিখৰ পৰা অনুষ্ঠিত কৰিব পৰা নগ'ল। গতিকে ১৩/০২/২০১৭ ৰ পৰা ১৬/০২/২০১৭ ইং তাৰিখলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হ'ল।

২৩/০৮/২০১৭ ইং তাৰিখে শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি পালন কৰা হয়। এই তিথিত সমজুৱাৰ দ্বাৰা নাম প্ৰসংগ কৰা হয়।

শেষৰ কাৰ্যসূচী নৱাগত আদৰণি সভা। নৱাগত সকলকলৈয়ে শিক্ষানুষ্ঠান এখনে সদায় সপোন দেখে। নৱাগত ছাত্ৰী সকলক আদৰণি জনোৱাৰ উদ্দেশ্য ২৬/০৮/২০১৭ ইং তাৰিখে নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়। সভাখনৰ শুভাৰম্ভণিত পতাকা উত্তোলন কৰে অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী দেৱে, শ্বহীদ তৰ্পণ কৰে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীযুত ৰিতুমনি চৌধুৰী, প্ৰাচীৰ পত্ৰিকা 'হাৰাঘাট' উন্মোচন কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰঞ্জন ভূঞাদেৱে, জোনাকী উন্মোচন কৰে শ্ৰীযুত পৃথিৱী দাস, দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সম্পাদক, হাতেলিখা 'নীহাৰিকা' উন্মোচন কৰে শ্ৰীযুত হৰেণ দাসে। সভাৰ মুখ্য অতিথি অৱণ্য মানৱ শ্ৰীযুত যাদৱ পায়েং, বিশিষ্ট অতিথি শ্ৰীযুত প্ৰণৱ কলিতা, মাননীয় বিধায়ক পলাশবাৰী সমষ্টি। সন্মানীয় অতিথি শ্ৰীযুতা হীৰা নেওগ, সভানেত্ৰী পৰিচালনা সমিতি দঃ কাঃ ছোৱালী মহাবিদ্যালয়, নিৰ্দিষ্ট বক্তা শ্ৰীযুত নিৰোদ কুমাৰ দাস সম্পাদক সদৌ অসম কামৰূপ জিলা ছাত্ৰ সন্থা। তেখেতসকলৰ উপস্থিতি আৰু ভাষণে ছাত্ৰীসকলক আগবাঢ়ি যোৱাত উৎসাহিত কৰে।

<u>সামৰণি</u> ঃ প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালত দায়িত্ব পালনৰ স্বাৰ্থত অনিচ্ছাকৃতভাৱে হৈ যোৱা ভুলৰ ক্ষমা প্ৰাৰ্থনা বিচাৰিছো। মানুহ মাত্ৰেই ভুল হ..। ময়ো তাৰ ব্যতিক্ৰম নহয়। আৰুতো মোৰ একো নাই, কেৱল কামনা কৰিম প্ৰজ্বলতৰা হৈ ৰওক মোৰ মহাবিদ্যালয়, আমাৰ মহাবিদ্যালয়,

"জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়"

'জয়তু ছাত্ৰী একতা সভা'

*ধন্যবাদেৰে-*

দীপান্বিতা দাস



# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল জ্ঞান-পিপাসু, দূৰদৰ্শী মহান ব্যক্তিৰ ঐকান্তিক প্ৰচেষ্টাত আমাৰ মৰমৰ মহাবিদ্যালয়খনি গঢ়লৈ উঠিছিল তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলোঁ।

যোৱা ২০১৬-২০১৭ ইং বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা হিচাপে মোক নিৰ্বাচিত কৰা বাবে মই মহাবিদ্যালয়ৰ ছাত্ৰীসকললৈ কৃতজ্ঞতা জনালোঁ। ইং ২৮/০৯/২০১৬ তাৰিখৰ পৰা মই ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা হিচাপে কাৰ্যভাৰ চলাবলগীয়া হয়। ফলত অবাঞ্চিতভাবে এক গধুৰ দায়িত্বভাৰ কান্ধ পাতি লবলগীয়া হয়। এই অনুষ্ঠানটিৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকাৰ দায়িত্ব লাভ কৰাটো মোৰ বাবে সচাঁকৈ এক গৌৰৱৰ কথা। সাধাৰণ সম্পাদিকা হৈ শপত গ্ৰহণ কৰাৰ পিছত মোৰ প্ৰথম কাৰ্যসূচী আছিল মহাবিদ্যালয়ৰ ২৯ তম প্ৰতিষ্ঠা দিৱস। এই প্ৰতিষ্ঠা দিৱসৰ শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ পতাকা উত্তোলনেৰে আমাৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ে।

মই সাধাৰণ সম্পাদিকা হৈ থকা সময়ত অনুষ্ঠিত অনুষ্ঠানবোৰ —

(ক) <u>মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস</u> (২০/১১/২০১৬) ঃ ১৯৮৮ চনৰ ২০ নৱেম্বৰ তাৰিখে দক্ষিণ কামৰূপ অঞ্চলৰ জ্ঞান-পিপাসু লোকসকলৰ অদম্য চেষ্টা আৰু অসীম ত্যাগৰ বিনিময়ত বৃহত্তম দক্ষিণ কামৰূপ অঞ্চলত স্ত্ৰী শিক্ষাৰ অনুষ্ঠানৰূপে আমাৰ মৰমৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ জন্ম হৈছিল। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি মহাবিদ্যালয় প্ৰতিষ্ঠাৰ লগত জড়িত বিশিষ্ট ব্যক্তিসকলৰ স্মৃতিত বন্তি প্ৰজ্বলন আৰু তেখেতসকলৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰা হয়।

(খ) <u>সৰস্বতী পূজা</u> ঃ পৰম্পৰাগত আৰু জাকজমকতাৰে ০১/০২/২০১৭ ইং তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰী তথা শিক্ষক-কৰ্মচাৰীবৃন্দৰ সহযোগত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী মাঁ সৰস্বতীৰ শ্ৰীচৰণত সভক্তিৰে পুষ্পাঞ্জলি প্ৰদান কৰা হয়। বিভিন্ন ৰং-বিৰঙৰ সাজ-পোছাকেৰে উজ্বলি উঠা ছাত্ৰীসকলে পূজাৰ পৰিৱেশটোক বৈচিত্ৰময় কৰি তুলিছিল।

(গ) <u>মহাবিদ্যালয় সপ্তাহ সমাৰোহ</u> ঃ আমাৰ মহাবিদ্যালয়ৰ প্ৰোচপ্ৰেক্তাছৰ মতে ২৭/০১/২০১৭ পৰা ৩০/০১/২০১৭ ইং তাৰিখলৈ মহাবিদ্যালয়ৰ সপ্তাহ অনুষ্ঠিত কৰাৰ কথা আছিল। কিন্তু ব্ৰহ্মপুত্ৰ সাহিত্য মহোৎসৱত অংশ গ্ৰহণ কৰাৰ বাবে ২৭/১/২০১৭ তাৰিখৰ পৰা অনুষ্ঠিত কৰিব পৰা নগ'ল। গতিকে ১৩/২/২০১৭ পৰা ১৬/২/২০১৭ ইং তাৰিখলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। বিভিন্ন খেল-ধেমালি, সাংস্কৃতিক প্ৰতিযোগিতা, সাহিত্য, তৰ্ক আদিৰ প্ৰতিযোগিতা এই সময়ছোৱাত অনুষ্ঠিত কৰা হয়। ইয়াৰ জৰিয়তে মহাবিদ্যালৰ ছাত্ৰীসকলে স্বকীয় প্ৰতিভা বিকাশৰ পূৰ্ণ সুযোগ লাভ কৰে। এইখিনিতে এটা কথা উল্লেখ কৰিবই লাগিব যে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ সৰহভাগেই কলেজ সপ্তাহৰ দিনবোৰত উপস্থিত নাথাকে। অনাগত দিনবোৰত সকলো ছাত্ৰী উপস্থিত থাকি ইয়াক অধিক প্ৰাণৱন্ত কৰি তুলিব বুলি আশা কৰিলোঁ। এই চেগতে মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন দিশত সাফল্য লাভ কৰা সকলো ছাত্ৰীলৈ মই শুভেচ্ছা জনালোঁ আৰু ভাল প্ৰদৰ্শন কৰিব নোৱাৰাসকলেও আগন্তুক দিনবোৰত সাফল্য লাভৰ আশা কৰিলোঁ। ২৬/০৮/২০১৭ তাৰিখৰ নৱাগত আদৰণি সভাৰ কাৰ্যসূচীৰ সভাৰ সভাপতিত্ব গ্ৰহণ কৰিছিল



মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী মহোদয়ে। প্ৰাচীৰ পত্ৰিকা 'হাৰাঘাট' উন্মোচন কৰে ড° ৰঞ্জন ভূঞা দেৱে। সভাৰ মুখ্য অতিথি অৰণ্য মানৱ শ্ৰীযুত যাদৱ পায়েং, বিশিষ্ট অতিথি শ্ৰীযুত প্ৰণৱ কলিতা, মাননীয় বিধায়ক পলাশবাৰী সমষ্টি, সন্মানীয় অতিথি শ্ৰীযুতা হীৰা নেওগ, সভানেত্ৰী পৰিচালনা সমিতি, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, নিৰ্দিষ্ট বক্তা শ্ৰীযুত নিৰোদ কুমাৰ দাস, সভাপতি সদৌ গুৱাহাটী মহকুমা ছাত্ৰ সন্থা। এওঁলোকৰ উপস্থিতি আৰু বক্তব্যই সভাখনৰ সৌষ্ঠৱ বৃদ্ধি কৰে। এই সভাৰ বিশেষ আকৰ্ষণ আছিল জনপ্ৰিয় কণ্ঠশিল্পী কুইন দাস।

আমাৰ মহাবিদ্যালয়ৰ ২০১৬-২০১৭ ইং বৰ্ষত হোৱা কিছুমান গঠনমূলক কাম হ'ল—

(ক) আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসলৈ অহা-যোৱা কৰা ৰাস্তাটোৰ নিৰ্মাণ কাৰ্য চলি আছে।

(খ) ছাত্ৰী নিবাসৰ দ্বিতীয় মহলাৰ নিৰ্মাণ কাৰ্যও দ্ৰুত গতিত চলি আছে।

(গ) ছাত্ৰী, শিক্ষক, কৰ্মচাৰীৰ সুবিধাৰ্থে এটা ভাৰতীয় ষ্টেট বেঙ্কৰ (SBI) এ.টি.এম (ATM) স্থাপন কৰা হৈছে।

(ঘ) মহাবিদ্যালয়ৰ এখন কেন্টিনে ছাত্ৰীসকলৰ চাহিদা পূৰণ কৰিব নোৱাৰাত ছাত্ৰীসকলৰ সুবিধাৰ্থে দ্বিতীয়খন কেন্টিন খোলা হৈছে।

(ঙ) সময়ৰ আহ্বানৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ মহাবিদ্যালয়ত বিজ্ঞান শাখা খোলাৰ বাবে চৰকাৰলৈ প্ৰস্তাৱ দিয়া হৈছে।

এই সুযোগতে মোক সকলো সময়তে দিহা-পৰামৰ্শ দি আগবাঢ়ি যোৱাত সহায় কৰাৰ বাবে অধ্যক্ষ মহোদয় ড° গজেন্দ্ৰ অধিকাৰী ছাৰ, উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা ছাৰৰ লগতে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ মোৰ হিয়াভৰা শ্ৰদ্ধা যাচিছোঁ।

অনাগত দিনবোৰত আমাৰ মহাবিদ্যালয়খন সকলো দিশতে উজ্বলি উঠক — এই কামনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

'জয় আই অসম'

জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়

জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভা

*ধন্যবাদেৰে-*

মালতী সাহা



# সহঃ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই বীৰ শ্বহীদসকলৰ সশ্ৰদ্ধ প্ৰণাম যাচিলোঁ। যিসকল মহান ব্যক্তিয়ে আমাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাত সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছিল, তেওঁলোকলৈ মোৰ পৰম শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। লগতে মোৰ শিক্ষাগুৰু সকললৈ আৰু ছাত্ৰী-বান্ধৱী সকললৈ অশেষ ধন্যবাদ জনালোঁ।

গভীৰ আন্তৰিকতাৰে ধন্যবাদ জনাইছোঁ সেই ছাত্ৰী-বান্ধৱী সকলক যিয়ে মোৰ সৈতে প্ৰতিদ্বন্দিতত লিপ্ত হবলৈ আগবাঢ়ি আহিছিল। মোক নিৰ্বাচনত সহায় কৰি সহঃ সাধৰণ সম্পাদিকা পদত অৱতীৰ্ণ হৈ মহাবিদ্যালয়ৰ প্ৰত্যক্ষ সেৱা আগবঢ়াবলৈ সুযোগ দিয়া ছাত্ৰী-বান্ধৱী আৰু বাইদেউ সকলক মই ধন্যবাদ যাচিছোঁ।

২০১৬-২০১৭ ইং বৰ্ষৰ নৱ-নিৰ্বাচিত ছাত্ৰী একতা সভাই সকলো সময়তে মহাবিদ্যালয় সংবিধানৰ পবিত্ৰতা আৰু মৰ্য্যাদা ৰক্ষা কৰি নিজৰ নিজৰ দায়িত্ব সুকলমে পালন কৰিম বুলি শপত লৈছিলো। কিন্তু কিমান দূৰ সফল হ'ব পাৰিছো সেয়া আপোনালোকৰ বিচাৰ্য। কাৰ্যভাৰ গ্ৰহণ কৰাৰ মোৰ প্ৰথম কাৰ্যসূচী আছিল মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস। এই দিনটো অধিক উলহ  মালহেৰে আৰু জাকজমকেৰে এই অনুষ্ঠানটি উদ্‌যাপিত কৰা নগ'ল যদিও মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, ছাৰ-বাইদেউ, ছাত্ৰী-বান্ধৱী আৰু কৰ্মচাৰী তথা দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি-সম্পাদক প্ৰমুখ্যে সদস্যবৃন্দৰ উপস্থিতিত এই অনুষ্ঠানটি উদ্‌যাপন কৰা হয়।

ইয়াৰ পিছতেই ১৩ ফেব্ৰুৱাৰীৰ পৰা ১৬ ফেব্ৰুৱাৰীলৈ মহাবিদ্যালয়ৰ সপ্তাহ পালন কৰা হয়। ইয়াৰ লগত সংগতি ৰাখি সাহিত্য বিভাগৰ খেল বিভাগ, তৰ্ক বিভাগ, সাংস্কৃতিক বিভাগ আৰু ছাত্ৰী-জিৰণি কোঠা বিভাগৰ পৰা বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই বাৰ্ষিক সপ্তাহত প্ৰতিবছৰে উন্মোচন কৰি অহাৰ দৰে এইবেলিও আমাৰ মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা (হাবাঘাট) উন্মোচন কৰা হয়।

অইনবেলিৰ দৰে এইবেলিও ১ ফেব্ৰুৱাৰী তাৰিখে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী শ্ৰীশ্ৰী সৰস্বতী দেৱীৰ পূজাখন উলহ মালহেৰে সাংস্কৃতিক অনুষ্ঠানৰ যোগেদি পালন কৰা হয়।

মহাবিদ্যালয়ৰ পৰম্পৰা আৰু আনুষ্ঠানিকতা বজাই ৰাখি (যদিও কিছু পৰিৱৰ্তন কৰা হৈছে) এই বছৰো নৱাগত আদৰণি সভাখন ২৬ আগষ্ট তাৰিখে অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ে (পতাকা উত্তোলক) দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীযুত বিতুমনি চৌধুৰী, (শ্বহীদ তৰ্পণ) আমাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা (হাবাঘাট উন্মোচক) দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সম্পাদক শ্ৰীযুত পৃথিবী দাস (জোনাকী উন্মোচক), ড° সৰস্বতী কলিতা বাইদেউ, ন পুৰণি সতীৰ্থ সন্মিলন আৰু সংস্কৃতিক সমাবোহৰ উদ্বোধক। শিল্পী অতিথি জনপ্ৰিয় কণ্ঠশিল্পী কুইন দাস, বিশিষ্ট অতিথি শ্ৰীযুত প্ৰণৱ কলিতা, মুখ্য অতিথি শ্ৰীযুত যাদৱ পায়েং (অৰণ্য মানৱ) সন্মানীয় অতিথি শ্ৰীযুতা হীৰা নেওগ, নিৰ্দিষ্ট বক্তা শ্ৰীযুত নিৰোদ কুমাৰ দাসদেৱ আদিয়ে বহুমূলীয়া আৰু সাৰগৰ্ভ



ভাষণৰ দ্বাৰা ছাত্ৰী-বান্ধৱী সকলক আপ্লুত কৰি মহাবিদ্যালয়ৰ উন্নতি কামনা কৰে।

মোৰ সকলো কাম-কাজত সকলো সময়তে সহায় সহযোগ আৰু উৎসাহ আগবঢ়োৱাৰ বাবে মই ছাত্ৰী-বান্ধৱী তথা সন্মানীয় ছাৰ-বাইদেউ সকলক মোৰ হিয়া ভৰা শ্ৰদ্ধা জনালোঁ।

অৱশেষত মোৰ কাৰ্যকালত অজ্ঞাতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

'জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'

'জয় আই অসম'

*ধন্যবাদেৰে-*

শ্ৰীপ্ৰণিতা কলিতা



# সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে যি সকলে নিজ দেশমাতৃৰ বাবে প্ৰাণ আহুতি দি গৈছে সেই সকল ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। লগতে যিসকল সমাজ সচেতন, সমাজপ্ৰিয় দায়িত্বশীল ব্যক্তিৰ অশেষ চেষ্টাত সহায় সহযোগ আৰু দান-বৰঙণিৰে দক্ষিণ কামৰূপত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা হৈছিল সেই সকল চিৰ নমস্য ব্যক্তিক মই শ্ৰদ্ধাৰে প্ৰণাম জনাই সুঁৱৰিছো। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ২০১৬-২০১৭ ইং বৰ্ষৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনত সাংস্কৃতিক সম্পাদিকা পদত নিৰ্বাচিত কৰি মোক সেৱা আগবঢ়াবলৈ সুবিধাকণ দিয়াৰ বাবে সমূহ ছাত্ৰী-বান্ধৱীলৈ ধন্যবাদ জনালোঁ। লগতে শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, তত্বাৱধায়ক ছাৰ, শিক্ষাগুৰু সকল আৰু মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গলৈ প্ৰণাম জনাইছো।

<u>মোৰ কাৰ্যকালৰ চমু বিৱৰণী</u> ঃ মই কাৰ্যকাল গ্ৰহণ কৰাৰ কিছুদিন পিছতেই মোৰ প্ৰথম কাৰ্যসূচী হিচাপে ৰূপায়ণ কৰা হয় মহাবিদ্যালয়ৰ ২৯ তম প্ৰতিষ্ঠা দিৱস। বিগত বছৰৰ দৰে এই বেলিও ২০ নৱেম্বৰৰ দিনাখন বিভিন্ন কাৰ্যসূচীৰ দ্বাৰা মহাবিদ্যালয়ৰ ২৯ তম প্ৰতিষ্ঠা দিৱস অতি উলহ-মালহেৰে পালন কৰা হয়। সেইদিনা ৰাতিপুৱা ৯ বজাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী ছাৰদেৱে পতাকা উত্তোলন কৰে আৰু তাৰ পিছত মহাবিদ্যালয়ৰ শ্বহীদ বেদীত স্মৃতি তৰ্পণ কৰা হয়। স্থানীয় বিধায়ক মাননীয় প্ৰণৱ কলিতাদেৱে মহাবিদ্যালয়খনিৰ উত্তৰোত্তৰ বৃদ্ধি কামনাৰে এক সাৰুৱা ভাষণ প্ৰদান কৰে।

<u>বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ</u> ঃ মোৰ দ্বিতীয় কাৰ্যসূচী আছিল বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ইং২০১৭ চনৰ ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। সেইবোৰৰ ভিতৰত নিম্নলিখিত প্ৰতিযোগিতা সমূহ উল্লেখযোগ্য আছিল —

(১) বৰগীত (২) লোক সংগীত (৩) জ্যোতি সংগীত (৪) বিষ্ণুৰাভাৰ গীত (৫) ভূপেন্দ্ৰ সংগীত (৬) লোকনৃত্য/জনজাতীয় নৃত্য (দলীয়) (৭) শাস্ত্ৰীয় নৃত্য (একক) (৮) একাংকিকা নাট (৯) মুকাভিনয় (১০) আধুনিক নৃত্য (১১) অসমৰ পৰম্পৰাগত সাজপাৰ (১২) আকস্মিক নৃত্য ইত্যাদি। কিন্তু ইয়াৰে কিছুমান প্ৰতিযোগিতা প্ৰতিযোগীৰ অভাৱত বাতিল কৰা হয়। উল্লেখ থাকিল যে সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাত বিচাৰক হিচাপে প্ৰাক্তন ছাত্ৰী অঞ্জলী ঠাকুৰীয়া, পুৰবী ঠাকুৰীয়া, কৰবী দাস, সুপ্ৰিয়া দাস আদিয়ে আসন অলংকৃত কৰে আৰু কণ্ঠশিল্পী হিচাপে বিকি কাশ্যপক নিমন্ত্ৰণ কৰা হয়।

<u>সৰস্বতী পূজা</u> ঃ বিগত বছৰৰ দৰে এইবেলিও ১ ফেব্ৰুৱাৰী ২০১৭ তাৰিখে মহাবিদ্যালয়ত উলহ-মালহেৰে সৰস্বতী পূজা পালন কৰা হয়। সেইদিনাখন ওচৰৰ আন কলেজ সমূহৰ পৰাও ছাত্ৰ-ছাত্ৰী আহি মাঁ সৰস্বতীৰ চৰণত পুষ্পাঞ্জলী অৰ্পণ কৰে। ইয়াৰ লগতে এখনি সাংস্কৃতিক অনুষ্ঠানত আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী সকলে ধুনীয়া গীত পৰিবেশন কৰিছে আৰু লগতে আমাৰ জিনু বাইদেউ,



সৰস্বতী বাইদেউ, মিনাক্ষী বাইদেউ আদিয়ে গীত পৰিৱেশন কৰাৰ লগতে জাহ্নৱী বাইদেৱে ধুনীয়া কবিতা আবৃত্তি কৰিছে। আমাৰ ছাত্ৰী সকলেও সুন্দৰ গীত আৰু নৃত্য পৰিবেশন কৰিছে। সৰস্বতী পূজাৰ দিনাখন আমাৰ মহাবিদ্যালয়ত DY 365 ৰ পৰা অহা সাংবাদিকজনে আমাৰ ছাত্ৰী সকলক বিভিন্ন ধৰণৰ প্ৰশ্ন সুধিছিল আৰু আমাৰ ছোৱালীবোৰে প্ৰশ্নৰ উত্তৰ দিব পৰাত বঁটা প্ৰদান কৰিছিল।

<u>শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাব তিথি উদ্‌যাপন</u> ঃ ২৩-০৮-২০১৭ ৰবিবাৰে আমাৰ কাৰ্যকালত শ্ৰীমন্ত শংকৰদেৱৰ মৃত্যু তিথিত নাম কীৰ্ত্তন আৰু বৰগীত, দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰায় ডেৰশৰো অধিক ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। লগতে বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকা সকলেও অংশ গ্ৰহণ কৰে।

<u>নৱাগত আদৰণি সভা</u> ঃ প্ৰত্যেক বছৰে অনুষ্ঠিত কৰি অহা মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাখন এইবেলিও ছাত্ৰী একতা সভাৰ তৰফৰ পৰা ২৬-০৮-২০১৭ তাৰিখ শনিবাৰে অতি উলহ-মালহেৰে অনুষ্ঠিত কৰা হয়। ৯ বজাত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰা হয়। তাৰ পিছত শ্বহীদ তৰ্পণ কৰি মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'হাৱাঘাট' 'জোনাকী' 'নীহাৰিকা' 'হাচতি' উন্মোচন কৰাৰ পিছত সাংস্কৃতিক অনুষ্ঠান আৰম্ভ কৰা হয়। মহাবিদ্যালয়ৰ ছাত্ৰী সকলে গীত, নৃত্য, নাটক আদি প্ৰদৰ্শন কৰে। এইবেলি নৱাগত আদৰণি সভাত শিল্পী হিচাপে কুইন দাসক আমন্ত্ৰণ জনোৱা হৈছিল। মুখ্য অতিথি হিচাপে উপস্থিত থাকে অৰণ্য মানৱ যাদৱ পায়েং। লগতে পলাশবাৰী সমষ্টিৰ বিধায়ক প্ৰণৱ কলিতাই ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যে প্ৰেৰণামূলক বক্তব্য আগবঢ়ায়।

সদৌ শেষত মোৰ চমু কাৰ্যকালছোৱাত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা মাগিছো আৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ কামনাৰে মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

'জয় আই অসম'

'জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'

*ধন্যবাদে-*

**মিছ ৰেহমা বেগম**



# সমাজসেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

পাতনিতেই শ্ৰদ্ধাৰে সুঁৱৰিছোঁ নিজৰ প্ৰাণপণ কৰি দেশ ৰক্ষাত বিসৰ্জন দিবলৈ কুণ্ঠাবোধ নকৰা প্ৰতিগৰাকী শ্বহীদক। লগতে যিসকল মহান ব্যক্তিৰ অক্লান্ত শ্ৰম, সাধনা আৰু ঐকান্তিক প্ৰচেষ্টাৰ ফলশ্ৰুতিত এই জাকত জিলিকা মহাবিদ্যালয়খন সৃষ্টি হৈছিল, তেওঁলোকলৈ যাচিলোঁ শত-সহস্ৰ প্ৰণাম।

আমাৰ মহাবিদ্যালয়ৰ বছৰেকীয়া নিৰ্বাচনত সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ দৰে এক গুৰুত্বপূৰ্ণ আৰু দায়িত্বশীল পদত মোক দ্বিতীয়বাৰ নিৰ্বাচিত কৰাৰ বাবে প্ৰথমতে মই সকলো ছাত্ৰী-বান্ধৱীলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ। নিৰ্বাচনৰ পিছত উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা ছাৰদেৱে মহাবিদ্যালয়ৰ সকলো নীতি-নিয়মৰ লগতে মোক শপত বাক্য পাঠ কৰোৱাইছিল। সেইদিনাৰে পৰা মই অতি নিষ্ঠা আৰু সাহসেৰে মহাবিদ্যালয়ৰ সেৱা আগবঢ়াইছিলো।

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ সম্পাদিকা হিচাপে দ্বিতীয় বাৰৰ বাবে নিৰ্বাচিত হৈ মই সঁচাকৈয়ে বহুত সুখী হৈছো। এই পদত থকা সময়ত মই আমাৰ মহাবিদ্যালয়ৰ সন্মান অটুট ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰিছিলো।

<u>মোৰ কাৰ্যকালৰ চমু বিৱৰণ</u> ঃ সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত মোৰ প্ৰথম কাৰ্যসূচী হিচাপে ১৯/১০/২০১৬ ইং তাৰিখে আমাৰ মহাবিদ্যালয়খন চাফ-চিকুন কৰিছিলো আৰু সেই দিনটোত চাফ-চিকুন কৰাত আমাৰ মহাবিদ্যালয়ৰ সমূহ সদস্যাই তাত অংশ গ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়খন চাফ-চিকুন কৰাত সহায়-সহযোগিতা আগবঢ়াইছিল।

<u>মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস</u> ঃ মোৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত দ্বিতীয় কাৰ্যসূচী হ'ল ২৯ তম মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস। বিগত বছৰৰ দৰে এইবেলিও ২০ নৱেম্বৰৰ দিনা বিভিন্ন কাৰ্যসূচীৰ দ্বাৰা মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। তাৰ আগদিনা চাফ-চিকুন কাৰ্যত সকলো সদস্যাই সহায় সহযোগিতা আগবঢ়াইছিল। মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱসৰ দিনা ৰাতিপুৱা ৯ বজাত মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী ছাৰদেৱে পতাকা উত্তোলন কৰে। তাৰ পিছত সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হয়। গধূলি বন্তি প্ৰজ্বলন কৰি মহাবিদ্যালয়ৰ চৌহদ উজ্বলাই তোলা হয়।

